

সোণালী
সোণাৰি মহাবিদ্যালয় আলোচনী
২০১৩-১৪ বৰ্ষ
SONARI COLLEGE
SONALI
সম্পাদক
কল্যান গগৈ




SOME CLIPS OF ART EXHIBITION





# SONALI

*Sonari College Magazine 2013-2014 Edited by Kalyan Gogoi, published by Sonari College Students' Union, 2013-2014, on behalf of Sonari College, Sonari,(Sivasagar), Pin. : 785 690*



**Editorial Board :**

President : Mr. A.K. Boruah

Editor : Sri Kalyan Gogoi

Prof.in-Charge : Dr. Rana Konwar
Mrs Rina Borthakur
Mrs Deepanjali Gogoi


Student Member :
Sri Praduymna Boruah
Sri Abhinab Lahon

Cover : Sri Debasish Konwar

Sketch : Pranty & Praduymna

DTP & Designing : Palash & Pankaj

Printed at : Binayak Offset, Sankar Mandir Road, Sivasagar-785 640



**Principal : Mr. A.K. Boruah**



**Vice-Principal : Mrs Ranu Mohan**

# Editorial Board



Principal : Mr. A. K. Boruah



Prof-in-charge
Mrs Rina Borthakur



Prof-in-charge
Mr Rana Konwar




Prof-in-charge
Mrs Deepanjali Gogoi



Editor
Kalyan Gogoi



Student Member
Praduymna Boruah



Student Member
Abhinab Lahon

Padma Kumari Gogoi

# উচৰ্গা

স্বদেশ আৰু স্বজাতিৰ হকে
যিসকল ব্যক্তিয়ে
নিজৰ জীৱন আহুতি দিলে
তথা
মহাবিদ্যালয়খনৰ উন্নতিৰ হকে নিঃস্বাৰ্থ ত্যাগ আগবঢ়াই
ইহ সংসাৰৰ পৰা বিদায় মাগিলে সেইসকলৰ স্মৃতিত
'সোণালী'ক
উচৰ্গা কৰা হ'ল।

# শ্ৰদ্ধাঞ্জলি











# মহাবিদ্যালয়ৰ সংগীত

ৰচনা, সুৰ ঃ শ্ৰী ৰঞ্জিত চন্দ্ৰ বুঢ়াগোহাঁই

সাৰে আছো আমি
হেজাৰ সেনানি
জ্ঞানৰ পূজাৰী হে;
কলা বিজ্ঞানৰ দুগছি বন্তি
দুখনি হাততে লৈ।

সেউজী আমাৰ মনৰ পৃথিৱী
জ্ঞানেৰে জীপাল কৰা,
দুখ দৈন্য দূৰতে বিদূৰি
হৰষে উপচাওঁ ধৰা;
দৃষ্টি আমাৰ দূৰ দিগন্ত
পাখি মেলি উৰি যাওঁ
শান্তিৰ পখী হৈ।

সৃষ্টিৰ কঠিয়া আহা গুজি দিওঁ
আমাৰ মনৰ পথাৰতে,
অন্ধকাৰৰ প্ৰাচীৰ ভাঙি
পোহৰৰে ঢল বোৱাওঁ আমি
জ্ঞানৰ পূজাৰী হৈ
জ্ঞানৰ পূজাৰী হৈ।

# কৃতজ্ঞতাৰ শৰাই

মহাবিদ্যালয় অধ্যক্ষ আৰু উপাধ্যক্ষা মহোদয়া
আলোচনীৰ সকলো লেখক-লেখিকা।
উপদেষ্টা ড° ৰাণা কোঁৱৰ, ৰীণা বৰঠাকুৰ, ড° দীপাঞ্জলী গগৈ
আৰু
মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া।

সম্পাদক



# অধ্যক্ষৰ একলম..............

## ভাৰতৰ উচ্চ শিক্ষা আৰু বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC) আৰু ৰাষ্ট্ৰীয় উচ্চ শিক্ষা মিচন (RUSA)

বৃটিছৰ শাসন কালত ভাৰতত উচ্চ শিক্ষাৰ সীমিত সা-সুবিধাৰ বিপৰীতে স্বাধীনোত্তৰ কালত উচ্চ শিক্ষাৰ যথেষ্ট সম্প্ৰসাৰণ হৈছে। কিন্তু দেশত শিক্ষিতৰ হাৰ যথেষ্ট বৃদ্ধি পালেও উচ্চ শিক্ষাৰে শিক্ষিত লোকৰ সংখ্যা আশানুৰূপ নহয়। ১৮-২২ বছৰ বয়সৰ ব্যক্তিৰ বাবে প্ৰচলিত শিক্ষাকে উচ্চ শিক্ষা বোলা হয়। আন্তৰ্জাতিক শ্ৰম সংগঠনে (ILO) প্ৰকাশ কৰা তথ্য মতে ২০২০ চনলৈ ভাৰতত সক্ষম ব্যক্তিৰ সংখ্যা হ'ব দেশৰ মুঠ জনসংখ্যাৰ প্ৰায় ৬০ শতাংশ। এই বৃহৎ মানৱ সম্পদক দেশত সম্পদ বৃদ্ধিৰ বাবে নিয়োজিত কৰিবলৈ উপযুক্ত পৰিকল্পনা আৰু আন্তঃগাঠনিৰ আৱশ্যক। বাস্তৱতে দেশৰ প্ৰচলিত শিক্ষা ব্যৱস্থা আৰু উচ্চ শিক্ষা তথা কাৰিকৰী শিক্ষাৰ অনুষ্ঠানৰ নাটনিয়ে এইখিনি মানৱ সম্পদক সম্পদলৈ ৰূপান্তৰ কৰিবলৈ যথেষ্ট নহয়। ভাৰতত উচ্চ শিক্ষাত অন্তৰ্ভূক্তিৰ হাৰ (GER) ১৯৫০-৫১ চনত ০.৪০ শতাংশৰ পৰা ২০১১-১২ চনত ১৫ শতাংশ বৃদ্ধি পালেও সমগ্ৰ বিশ্বৰ গড় হাৰ ২৯ শতাংশৰ প্ৰায় আধা হৈ আছে। এই হাৰ ২০২০ চনলৈ ৩০ শতাংশলৈ উন্নতি কৰিবৰ বাবে ভাৰতৰ উচ্চ শিক্ষাত যথেষ্ট কৰণীয় আছে। ১৯৫০-৫১ চনত ভাৰতত ৩০ খন বিশ্ববিদ্যালয় আৰু ৬৯৫ খন কলেজ আছিল। বৰ্তমান এই পৰিসংখ্যা ৬৩৪ খন বিশ্ববিদ্যালয় আৰু ৩৩,০২৩ খন কলেজলৈ বৃদ্ধি পাইছে। এই সময়ত বিশ্ববিদ্যালয় ২০ গুণ আৰু কলেজৰ সংখ্যা ৪৬ গুণ পৰিমাণত বৃদ্ধি পালেও উচ্চ শিক্ষাৰ চাহিদালৈ লক্ষ্য কৰিলে এই পৰিমাণ একেবাৰে নগণ্য। GER হাৰ আমেৰিকাত ৮৩ শতাংশ, ৰুছিয়াত ৭৭ শতাংশ, কিন্তু ভাৰতত মাত্ৰ ১৫ শতাংশ, অসমত এই হাৰ কেৱল ৯ শংতাশৰ বিপৰীতে দিল্লীত ৪৭.৯ শতাংশ। গতিকে অনাগত দিনত উচ্চতৰ মাধ্যমিক শিক্ষা সাং কৰি উচ্চ শিক্ষাত অন্তৰ্ভূক্তিৰ হাৰ ৩০ শতাংশলৈ বৃদ্ধিৰ বাবে চৰকাৰে একাদশ পৰিকল্পনাত দুখন আঁচনি গ্ৰহণ কৰিছিল। ইয়াৰে প্ৰথমখন আঁচনিৰ যোগেদি ৩৭৪ খন শৈক্ষিক ভাৱে পিছপৰা জিলা বাচনি কৰি মডেল ডিগ্ৰী কলেজ প্ৰতিষ্ঠা কৰা আৰু দ্বিতীয়খন আঁচনিত ৰাজ্যসমূহক নতুন ডিগ্ৰী কলেজ আৰু অভিযান্ত্ৰিক প্ৰতিষ্ঠান প্ৰতিষ্ঠাৰ প্ৰতি উৎসাহিত কৰা। সেই উদ্দেশ্যে ৫০ খন বিশ্ববিদ্যালয়, ৫০০ খন ডিগ্ৰী কলেজ, ৩০ খন অভিযান্ত্ৰিক প্ৰতিষ্ঠান প্ৰতিষ্ঠাৰ লক্ষ্য লোৱা হৈছিল। কেন্দ্ৰীয়-ৰাজ্যিক পুঁজি যোগানেৰে প্ৰতিষ্ঠা কৰিব বিচৰা এনে মডেল কলেজৰ নিৰ্মাণ ব্যয় ৪ কোটি টকা ধাৰ্য হৈছিল। কিন্তু ৩৭৪ খন পিছপৰা জিলাৰ পৰা মাত্ৰ ১৫৩টা প্ৰস্তাবহে পোৱা হ'ল আৰু তাৰে ৮৬টা প্ৰস্তাৱত অনুমোদন জনোৱা হয়। গতিকে দ্বাদশ পৰিকল্পনা কালতো UGC আৰু RUSA দুয়োটা অনুষ্ঠানে উপৰোক্ত লক্ষ্য পুৰণত গুৰুত্ব আৰোপ কৰিছে। বিশ্বৰ অন্যান্য দেশসমূহৰ তুলনাত ভাৰতত মুঠ ঘৰুৱা আয়ৰ তেনেই কম অংশহে শিক্ষাত ব্যয় কৰা হয়। তদুপৰি শিক্ষক-ছাত্ৰৰ অনুপাতো ভাৰতত অধ্যাধিক। গতিকে ইচ্ছা থাকিলেও যুৱ শক্তিক উপযুক্ত শিক্ষা প্ৰদানত বাধাৰ সৃষ্টি হয়। অসমত সুদীৰ্ঘ দিন ধৰি উচ্চ শিক্ষাৰ অনুষ্ঠান সমূহত যথেষ্ট সংখ্যক শিক্ষকৰ পদ খালী হৈ আছে। গতিকে কম সংখ্যক শিক্ষকেৰে অধিক সংখ্যক ছাত্ৰক শিক্ষা দিবলৈ যাওঁতে এটা পঁয়া লগা শৈক্ষিক বাতাবৰণ লক্ষ্য কৰা যায়। তেনে পৰিস্থিতিত অধিক গৱেষণা, গৱেষণা লব্ধ জ্ঞানৰ প্ৰয়োগ আদিৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি হৈছে। তুলনামূলকভাৱে অন্ধ্ৰ, তামিলনাডু, চণ্ডীগড়, দিল্লী, গুজৰাট আদিত যথেষ্ট উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান তথা অভিযান্ত্ৰিক প্ৰতিষ্ঠান আছে। কিন্তু অসমৰ দৰে পিছপৰা জ্যত এই বিলাক ক্ষেত্ৰত আগবাঢ়িব পৰা নাই। তদুপৰি উপযুক্ত পৰিমাণৰ উদ্যোগ ব্যৱসায় আদিৰ অভাৱত যিখিনি বিভিন্ন ডিগ্ৰী বা ডিপ্লমাধাৰী যুৱক-যুৱতী ওলাই আহে সেইখিনিও সংস্থানৰ অভাৱত ভোগে। কলেজ বিশ্ববিদ্যালয়ত শিক্ষকৰ সংখ্যা ১৯৫০-৫১ চনত ২৩,৫৪৯ জনৰ পৰা ২০১০-১১ চনত ৮,১৬,৯৬৬ লৈ বৃদ্ধি পাইছে। UGCৰ 12B আৰু 2f পোৱা কলেজৰ সংখ্যা ৪৯ শতাংশ আৰু তেনে নিয়মৰ বাহিৰত থকা কলেজৰ সংখ্যা ৫১ শতাংশ।

দেশত উচ্চ শিক্ষাৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ এক অধিসূচনাৰ জৰিয়তে ১৯৫৬ চনতে বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC) গঠন কৰে। নতুন দিল্লীত ইয়াৰ মুখ্য কাৰ্যালয় আৰু পুণে, ভুপাল, কলকাতা, হায়দৰাবাদ, গুৱাহাটী আৰু বাঙ্গালোৰত আঞ্চলিক কাৰ্যালয় প্ৰতিষ্ঠা কৰা হৈছে। UGCৰ এক দীঘলীয়া ইতিহাস আছে। কিন্তু ৮০ৰ দশকৰ পৰাহে বিশেষকৈ উত্তৰ-পূবৰ ৰাজ্যসমূহত UGCৰ জনপ্ৰিয়তা বৃদ্ধি পাইছে। ৬০/৭০ৰ দশকত ৰাইজৰ অৱদানেৰে অসমত যথেষ্ট সংখ্যক কলেজ প্ৰতিষ্ঠা কৰা হৈছিল। কিন্তু উপযুক্ত পুঁজিৰ অভাৱত সকলো কলেজৰ আৰ্থিক অৱস্থা শোচনীয় আছিল। ফলত কলেজসমূহৰ আন্তঃগাঠনি ৎ তীজনক আছিল। বৰ্তমান প্ৰায়বিলাক কলেজৰে UGCৰ আৰ্থিক অনুদানেৰে শ্ৰেণীকোঠা, লাইব্ৰেৰী, অডিটৰিয়াম, কেণ্টিন, লেবৰেটৰি, ৰাস্তা-পদুলি, হোষ্টেল আদি নিৰ্মাণ কৰিবলৈ সক্ষম হোৱাত কলেজ সমূহৰ বাহ্যিক অৱয়ব দেখনিয়াৰ হৈছে।

UGCয়ে কলেজ বিশ্ববিদ্যালয়লৈ পুঁজি যোগানৰ লগতে উচ্চ শিক্ষানুষ্ঠান সমূহৰ মাজত সমন্বয়, লক্ষ্য নিৰ্দ্ধাৰণ আৰু মান ৰক্ষাৰ বাবেও উৎসাহ প্ৰদান কৰে। লগতে উপযুক্ত গৱেষণাৰ পৰিবেশ সৃষ্টি কৰাটো গুৰুত্ব আৰোপ কৰা হয়। দ্বাদশ পৰিকল্পনাত UGCয়ে কলেজ-বিশ্ববিদ্যালয় বিশেষকৈ ভাৰতৰ অধিক সংখ্যক কলেজক স্বঁায়ত্ব শাসন দিয়াত গুৰুত্ব প্ৰদান কৰিছে। বিশ্ববিদ্যালয়সমূহৰ ওপৰত পৰা অত্যাধিক বোজা হ্ৰাস কৰিবলৈ অন্ততঃ ৩০০০ ছাত্ৰ-ছাত্ৰী থকা কলেজসমূহক বিশ্ববিদ্যালয়লৈ ৰূপান্তৰ কৰাৰ কথা ব্যক্ত কৰিছে। ইয়াৰ যোগেদি প্ৰতিখন বিশ্ববিদ্যালয়ৰ অধীনত ৫০ খনতকৈ অধিক আৰু ৫০,০০০ অধিক ছাত্ৰ-ছাত্ৰী থাকিব নালাগে। সেয়ে NAACৰ A Grade প্ৰাপ্ত কলেজসমূহক যিবিলাগে অন্ততঃ NAACৰ দুটা পৰ্যবেক্ষণত A Gradeৰ ধাৰা অব্যাহত ৰাখিছে তেনে কলেজসমূহ বিশ্ববিদ্যালয়লৈ উন্নীত হ'ব। তদুপৰি কলেজত অন্তৰ্ভূক্তিৰ হাৰ (GER) বৃদ্ধি কৰিবলৈ 'বিয়লিৰ কলেজ' (Evening College) খোলাৰ ওপৰত তেনে কলেজক অতিৰিক্ত সাহাৰ্য দিয়াৰ ব্যৱস্থা কৰিছে। মহিলা শিক্ষা সম্প্ৰসাৰণৰ বাবে ২০ খন কেৱল মহিলা বিশ্ববিদ্যালয় খোলাৰ ওপৰতো গুৰুত্ব প্ৰদান কৰিছে। UGCৰ গৱেষণা সম্পৰ্কীয় অনুদানৰ বাবে দেশত M.Phil., Ph.D. ডিগ্ৰীধাৰীৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি পাইছে। কলেজ বিশ্ববিদ্যালয়ত সহকাৰী অধ্যাপক পদত নিযুক্তি পাবলৈ Ph.D. ডিগ্ৰী থকাটো অপৰিহাৰ্য বুলি কোৱা হৈছে। UGCৰ Chairman অধ্যাপক বেদ প্ৰকাশৰ মতে NET পৰীক্ষাত অৱতীৰ্ণ ডিগ্ৰীধাৰীৰ সংখ্যা কিছুদিনৰ আগতে ৭০,০০০ পৰা ২.৫ লাখলৈ বৃদ্ধি পাইছে। এই বৰ্দ্ধিত হাৰে এই কথাকে সূচাইছে যে শিক্ষকতাৰ ক্ষেত্ৰখনলৈ অধিক ছাত্ৰ-ছাত্ৰী আকৰ্ষিত হৈছে আৰু ই এটা শুভ লক্ষণ।

দেশৰ উচ্চ শিক্ষাত অন্তৰ্ভূক্তিৰ হাৰ ২৫ শতাংশলৈ বৃদ্ধি কৰিবলৈ দ্বাদশ পৰিকল্পনাত সৰ্বশিক্ষা অভিযান মিচনৰ আৰ্হিত 'ৰাষ্ট্ৰীয় উচ্চ শিক্ষা অভিযান' (RUSA) মিচন এটা আৰম্ভ কৰিবলৈ UGCয়ে কেন্দ্ৰীয় চৰকাৰক প্ৰস্তাৱ দিছে। ইয়াৰ যোগেদি উচ্চ শিক্ষানুষ্ঠান সমূহৰ সম্পদসমূহ বৰ্তমানৰ ৮/১০ ঘণ্টাহে ব্যৱহাৰৰ পৰিবৰ্তে ১৬-১৮ ঘণ্টা পৰ্যন্ত ব্যৱহাৰৰ সুযোগ পোৱা যাব। সেয়ে ভাৰতৰ পৰিকল্পনা আয়োগে দ্বাদশ আৰু ত্ৰয়োদশ পঞ্চ বাৰ্ষিক পৰিকল্পনাত ৰূপায়িত কৰিব পৰাকৈ RUSA আঁচনি প্ৰণয়ন কৰিছে। এই আঁচনিৰ অধীনত কেন্দ্ৰীয় মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয় আৰু UGCৰ ৰাজ্যিক উচ্চ শিক্ষা পৰিষদৰ যোগেদি ৰাজ্যৰ উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহে আৱশ্যকীয় পুঁজি লাভ কৰিব। উত্তৰ-পূবৰ পিছপৰা ৰাজ্যসমূহ আৰু জম্মু-কাশ্মীৰৰ ক্ষেত্ৰত ৯০ঃ১০ অনুপাতত পুঁজি যোগান ধৰা হ'ব। চিকিম, হিমাচল প্ৰদেশ, উত্তৰাখণ্ডৰ দৰে বিশেষ শ্ৰেণীৰ ৰাজ্যক ৭৫ঃ২৫ অনুপাতিক হাৰত আৰু অন্যান্য ৰাজ্য আৰু কেন্দ্ৰীয়

সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ, ২০১৩-১৪ বৰ্ষ

শাসিত অঞ্চলক ৬৫ঃ৩৫ অনুপাতিক হাৰত পুঁজি যোগান ধৰিব। নিৰ্দিষ্ট নীতি নিয়মৰ মাজত ব্যক্তিগত খণ্ডৰ উচ্চ শিক্ষা অনুষ্ঠানেও ৫০ঃ৫০ হাৰত পুঁজি পাবলৈ সক্ষম হ'ব। দেশৰ স্নাতকসকলৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি, নিযুক্তিৰ সুবিধা বৃদ্ধি, গৱেষণা, উন্নয়ন আৰু নতুনত্ব উদ্ভাৱনৰ লক্ষ্যৰে প্ৰাথমিক ভাৱে দেশৰ মুঠ ৩১৬ খন বিশ্ববিদ্যালয় আৰু ১৩০২৪ খন কলেজ RUSAৰ আঁচনিয়ে সামৰি ল'বলৈ পৰিকল্পনা কৰা হৈছে। ইয়াৰ বাদেও RUSAৰ অধীনত শিক্ষক নিয়োগ, আত্মনিয়োগৰ সুবিধা পাব পৰা বিষয় আৰম্ভ কৰা, গ্ৰাম্য অঞ্চলৰ কলেজসমূহত গুণসম্পন্ন শিক্ষক নিযুক্তিৰ বাবে আকৰ্ষণীয় সা-সুবিধা তথা বাতাবৰণ সৃষ্টি কৰা আদি কথাই গুৰুত্ব পাইছে। হয়তু UGC আৰু RUSAৰ সহযোগত দেশৰ উচ্চ শিক্ষা ব্যৱস্থাত অদূৰ ভৱিষ্যতে এক আশাতীত পৰিবৰ্তন আহিব।

অসমৰ দৰে পিছপৰা ৰাজ্যত য'ত উচ্চ শিক্ষাৰ বাবে আৱশ্যকীয় আন্তঃগাঠনিৰ একেবাৰে অভাৱ তাত উক্ত আঁচনিসমূহ প্ৰয়োগৰ ক্ষেত্ৰত যথেষ্ট চিন্তা-চৰ্চা কৰিব লগা আছে। ইতিমধ্যে উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহৰ অধ্যক্ষ তথা অধ্যাপকসকলক লৈ বিভিন্ন স্থানত RUSAৰ বিষয়ে অৱগত কৰিবলৈ কৰ্মশালা, আলোচনা চক্ৰ আদি অনুষ্ঠিত কৰা হৈছে। কিন্তু RUSAৰ অধীনত পুঁজি পাবলৈ বিশেষকৈ অসমত ৯০ঃ১০ৰ যিটো অনুপাত, চৰকাৰে নিজৰ অংশ মুকলি কৰি নিদিলে পুঁজি পোৱাটো সম্ভৱ নহয়। তদুপৰি আঁচনি গ্ৰহণ আৰু পুঁজি যোগানৰ বাবে চৰকাৰীভাৱে যি উচ্চ শিক্ষা পৰিষদ গঠনৰ কথা কোৱা হৈছে সেই পৰিষদ যদি ৰাজনৈতিক হস্তক্ষেপৰ পৰা মুক্ত নহয়, তেন্তে অনুষ্ঠানসমূহে ইয়াৰ সুবিধা বিলাক পোৱাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি হ'ব। উপযুক্ত ব্যক্তিৰ যোগেদি এনে পৰিষদ গঠন কৰি সদস্যসকল সম্পূৰ্ণৰূপে দুৰ্নীতিমুক্ত হোৱাৰ লগতে অসমৰ শৈক্ষিক বাতাবৰণ উন্নত কৰাৰ প্ৰতি দায়বদ্ধ হ'ব লাগিব। তেতিয়াহে আমি এখন উন্নত অসম তথা উন্নত ভাৰতৰ আশা কৰিব পাৰো।

অৰ্পণ কুমাৰ বৰুৱা
ভাৰপ্ৰাপ্ত অধ্যক্ষ

সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ, ২০১৩-১৪ বৰ্ষ

# সম্পাদকীয়



"অন্ধকাৰৰ প্ৰাচীৰ ভাঙি
পোহৰৰে ঢল বোৱাও আমি......"

মহাবিদ্যালয় সংগীতত এই দুশাৰীক অনুকৰণ কৰি আমি যেন আগুৱাই যাওঁ জ্ঞানৰ বাটটি পোহৰাই ৰাখিবলৈ জাজ্বল্যমান সেই চাকি গচি যি সকল মহান মানৱৰ ছত্ৰ ছায়াত প্ৰজ্বলিত হৈছিল সেই সকললৈ মোৰ শ্ৰদ্ধা নিবেদিছো।

শিল্পী তুমি যুগান্তৰৰ
জনতা তাৰ প্ৰাণৰো প্ৰাণত
মনৰো মনত
লুকাই লুকাই আছে।

জনতাৰ প্ৰাণৰো প্ৰাণৰ, মনৰো মনৰ শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালাদেৱ চাহ বাগিচাৰ মালিক হৈয়ো নিজৰ সৃষ্টি প্ৰতিভাক জনতাৰ হকে, দেশৰ হকে, দহৰ হকে ব্যৱহাৰ কৰিছিল। ভোগ-বিলাসী আৰু তথাকথিত শিল্পী নাছিল জ্যোতিপ্ৰসাদ। তিমিৰ বিনাশী জ্যোতিৰ দেশলৈ যাবলৈ, লুইতৰ ঘাটেৰে গাঁৱলীয়া বাটেৰে পৃথিৱী চাবলৈ জনগণক নিব বিচৰা শিল্পী আছিল জ্যোতিপ্ৰসাদ।

আজি বহুতো 'শিল্পী' নামলোৱা ব্যক্তিয়ে নিজৰ সৃষ্টি প্ৰতিভাক ধন অৰ্জন কৰা, নিজৰ নাম জাহিৰ কৰা (গ্লেমাৰ)ৰ স্বাৰ্থত ব্যৱহাৰ কৰা দেখা যায়। টকা বিনিময় নহ'লে বাদ্য নবজায়, গীত নাগায়, নেনাচে, অভিনয় নকৰে। এওঁলোকে টকা দিলেহে সকলো কৰে।

মই মহাবিদ্যালয়ৰ সম্পাদক হিচাপে কওঁ যে জনসাধাৰণৰ মাজত সংস্কৃতিৰ আদৰ্শ নুনুমোৱাকৈ জ্বলাই ৰাখি আৰু আনফালে দুষ্কৃতিৰ স্বৰূপ দেখুৱাই জনসাধাৰণক ভ্ৰান্ত পথেদি পৰিচালিত হোৱাৰ পৰা ৰক্ষা কৰিবলৈ আমাক সকলোকে বুদ্ধিজীৱি আৰু শিল্পী কলাকাৰ অতি প্ৰয়োজন।

ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ আলোচনী এখনৰ সম্পাদকৰ দৰে গধুৰ দায়িত্বত থাকি যিমান গৌৰৱান্বিত হওঁ, তাতোতকৈ বেছি ভয়হে অনুভৱ কৰো। কাৰণ অলপ মাত্ৰ ভুলৰ বাবেই যাতে আলোচনীখনে মহাবিদ্যালয়ৰ মৰ্যাদা হানি নকৰে তাৰ বাবে সদায় সচকিত হৈ থাকিব লাগে।

'মহাবিদ্যালয়ৰ আলোচনী মানেই মহাবিদ্যালয়ৰ দাপোণ।' য'ত প্ৰতিফলিত হয় ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক, সাংস্কৃতিক, মানসিক আৰু শৈক্ষিক বিকাশ। ভাষা-সংস্কৃতিৰ এই পথাৰখনক আমি কিদৰে চহকী কৰিছো সেইয়া ভবাটো আমাৰ সকলোৰে কৰ্তব্য। এই কৰ্তব্য সমূহ নিয়াৰিকৈ পালন কৰিবলৈ হ'লে আমি কাকত, আলোচনী ইত্যাদি বিলাকৰ ওপৰত

গুৰুত্ব দিব লাগিব। কিন্তু অকল গুৰুত্ব দিয়াতেই আমাৰ কৰ্তব্য শেষ হৈ নাযায়। এই কাকত, আলোচনী বিলাকত আমি আমাৰ চিন্তাধাৰা সমূহ কেনেদৰে প্ৰকাশ কৰিছো আৰু আমাৰ চিন্তাধাৰাই কিবা পৰিবৰ্তন অনাত সক্ষম হৈছেনে সেইটোহে গুৰুত্বপূৰ্ণ। যদি আমি সঁচাই আমাৰ ভাষাটোক, আমাৰ সংস্কৃতিক ভাল পাওঁ তেন্তে আমি সকলোৱেই এনেবোৰ দিশত গুৰুত্ব আৰোপ কৰিব লাগিব। আলোচনী এখনত সন্নিবিষ্ট লিখনি সমূহ সাম্প্ৰতিক পৰিস্থিতি সাপেক্ষে প্ৰাসংগিক হোৱাৰ লগতে ছাত্ৰ সমাজৰ মৌলিক চিন্তাৰ উত্তৰণ প্ৰতিফলিত কৰিবলৈ সক্ষম হোৱা প্ৰয়োজন। কাৰণ সামাজিক দায়বদ্ধতা, জাতীয় চেতনা অংকুৰিত হ'বলৈ জ্যোতিপ্ৰসাদ, বিষ্ণুপ্ৰসাদ ৰাভা আদি শিল্পী সকলৰ জীৱন দৰ্শন আৰু কৰ্ম সংস্কৃতিৰ আদৰ্শ, আজিৰ প্ৰতিভাৱান সকলে অনুকৰণ কৰা প্ৰয়োজন। দেশৰ জনগণৰ সুখ-দুখৰ সমভাগি হৈ নিজকে জনতাৰ শিল্পীৰ শাৰীলৈ উন্নতি কৰিলেহে নিজৰ প্ৰতিভাৰ সৎ ব্যৱহাৰ কৰা হ'ব। গীত গালেই, বাদ্য বজালেই, নৃত্য-অভিনয় কৰিলেই, ছবি আঁকিলেই শিল্পী নহয়। কবিতা, গল্প লিখি, প্ৰকাশ কৰিলেই সাহিত্যিক নহয়। এইবোৰ প্ৰতিভাৰ জৰিয়তে কোনোবা জনপ্ৰিয় হৈ জনগণৰ স্বাৰ্থক পিঠি দিয়া প্ৰতিভাৰ অপমৃত্যু নিশ্চিত।

হে প্ৰতিভাধৰ নৱ প্ৰজন্ম। সমাজৰ প্ৰয়োজনীয় মানুহ হিচাপে নিজক প্ৰতিষ্ঠা কৰাৰ বাবে সমাজৰ মাজলৈ আহক। ব্যক্তিকেন্দ্ৰিক ভোগ সৰ্বস্ব জীৱনৰ মোহ ত্যাগ কৰক।

ড° ভূপেন হাজৰিকাদেৱৰ এটা লিখনিত পাইছিলো আমাৰ সকলোৰে প্ৰিয় চৰাই কুলি, বসন্ত আগমনৰ লগে-লগেই কুলিৰ মিঠা গীতত জনগণ ৰোমাঞ্চিত হৈ পৰে, "সেই কুলি হেনো দায়িত্ববোধহীন শিল্পী"। মানুহে কুলিক কাব্য, গীত আদিত অমৰ কৰি ৰাখিছে। কুলিৰ মাতৰ পৰাই হেনো শাস্ত্ৰীয় সংগীতৰ পঞ্চম স্বৰটো উৎপত্তি হৈছে। সেই কুলিয়ে নিজৰ ঘৰ অৰ্থাৎ বাহ সাজিব নোখোজে। বেচেৰী কাউৰীৰ বাহতহে কণী পাৰি কুলিয়ে বংশ ৰক্ষা কৰে। যাক আমি চৰাইৰ মাজত 'হৰিজন' বুলি ভাবো। সেই কাউৰীৰ বুকুৰ মাজৰ পৰা এদিন কুলিয়ে পোৱালীটোক উৰুৱাই লৈ যায়।

এই কুলি চৰাই 'আৰ্টিষ্ট'। গীত গায়। সাহিত্যিকৰ সন্মান পায়, সঙ্গীতজ্ঞ হিচাপে স্বীকৃতি পায়। পিছে কাউৰীৰ দৰে মাটিলৈ নেনামে। বসন্ততহে গীত গায়। অভিজাত জীৱন। যৌন আশংকা আছে, দাম্পত্য জীৱন ভাল পায়, কিন্তু কণী পাৰিবলৈ নিজৰ বাহটো সাজি নলয়। সকলোৱে ঘিন কৰা কাউৰীৰ বাহত মনে মনে কণী পাৰি কাউৰীৰ উমত ডাঙৰ কৰাই নিজৰ পোৱালিক। কুলি জাতিটোৰ জন্মৰ ধাৰাবাহিকতাত কাউৰীৰ অৱদান নাই জানো? কুলিৰ দৰে বাঃ বাঃ লোৱা মানুহ শিল্পী সকলক জনগণে স্বীকৃতি দিবনে?

ইয়াৰ উপৰিও, মহাবিদ্যালয়ৰ আলোচনী 'সোণালী'খনেই হ'ল প্ৰকৃত ক্ষেত্ৰত আৰু এনে দৃষ্টিভংগীৰে যদি আমি আমাৰ মহাবিদ্যালয়ৰ আলোচনীখনক চাওঁ তেন্তে ভৱিষ্যতলৈ মহাবিদ্যালয়ৰ পৰা একোখন ভাল তথা চকুত লগা আলোচনী প্ৰকাশ পাব।

কৃতজ্ঞতা ঃ

আলোচনী বিভাগৰ সম্পাদক হিচাবে নিৰ্বাচিত হোৱাৰ দিনৰে পৰা যিসকলে মোক আলোচনীখন প্ৰকাশত পূৰ্ণ সহযোগিতা আগবঢ়ালে সেইসকলৰ নাম উল্লেখ নকৰিলে ক্ষমাৰ যোগ্য নহ'ম। এই ছেগতে আলোচনীখন প্ৰকাশত যদি কিবা এটি থাকি গৈছে তেন্তে সকলোৰে ওচৰত ক্ষমা মাগিছো।

মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা প্ৰস্তুত হোৱাৰ দিনৰে পৰা আৰম্ভ কৰি বৰ্তমান প্ৰকাশিত মহাবিদ্যালয়ৰ আলোচনী 'সোণালী' প্ৰস্তুত কৰাত সহায়ক কৰা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ড° ৰাণা কোঁৱৰ চাৰ, ৰীণা বৰঠাকুৰ বাইদেউ, দীপাঞ্জলী গগৈ বাইদেউ, প্ৰতিটো খোজতে মোক সহায় কৰা বন্ধু অভিনৱ লাহন আৰু প্ৰদ্যুম্ন বৰুৱাক মই বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছো। লগতে আলোচনীৰ বাবে লেখাসমূহ সংগ্ৰহ কৰি দিয়া অভিজিৎ শইকীয়া, কল্যাণী বৰুৱা, পূজা গগৈ, কাশ্মিৰী গগৈ, সঞ্জীৱ দা, ভাৰ্গৱ দা, উদ্দীপন দা, আলোচনীৰ বাবে স্কেচ অংকন কৰা প্ৰান্তীময়ী দত্ত, আলোচনীৰ বেটুপাত অংকন কৰা দেবাশিষ দা, ফটো সমূহ সংগ্ৰহ কৰি দিয়া দুদুল দা আৰু মহাবিদ্যালয়ৰ ছাত্ৰবাস আৰু ছাত্ৰী নিবাসৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ জ্ঞাপন কৰিছো।

শেষত পুনৰ বাৰ অজানিতে ৰৈ যোৱা ভুল-ক্ৰটিবোৰৰ বাবে মই সকলোৰে ওচৰত ক্ষমা মাগিছো।

*কল্যাণ গগৈ*
সম্পাদক, সোণালী।



# সূচীপত্ৰ

**প্ৰবন্ধ ঃ**


- সোঁৱৰণি মোৰ/ প্ৰণৱ কুমাৰ খাউণ্ড/১৩
- সাহিত্যৰ বুৰঞ্জীত 'অসমীয়া সাহিত্যৰ যুগ বিভাজনৰ সমস্যা ঃ ঐতিহাসিক পটভূমিত এটি আলোচনা/ ড° ৰীতা দত্ত/১৫
- বিজ্ঞান মানসিকতাৰ প্ৰয়োজনীয়তা/ টংকেশ্বৰ বৰুৱা /২০
- **Entrepreneurship Education & Training in Empowering Youth/ Pronita Kalita/**২২
- জ্যোতি প্ৰসাদ আগৰৱালাৰ নাট্য বৈশিষ্ট্য/ ৰঘুনাথ কাগয়ুং /২৫
- **DR. S R RANGANATHAN AND HIS FIVE LAWS OF LIBRARY SCIENCE : AN INTRODUCTION/ Sangeeta Roy/**২৭
- **The School Library and its Importance in Our Present Society : An Analysis/ Nijumoni Changmai/**৩০
- অসমৰ বৰ্তমান পৰিস্থিতিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰাসংগিকতা/ বিতোপন কলিতা/৩২
- সাম্প্ৰতিক স্তৰৰ ভাষা/ সুস্মিতা বৰুৱা /৩৪
- সংস্কৃতিৰ বিকল্প নাই/ কল্যাণ গগৈ /৩৬
- যুৱ প্ৰজন্ম আৰু আজিৰ সমাজ/ কেশৰী ভূঞা /৩৭
- সমাজত যুৱ উচ্ছৃংখলতা/ পূজা গগৈ /৩৮
- **Cherished memories : A Tribute to College Life/ Porishmita Buragohain** /৩৯
- যান্ত্ৰিক জীৱনত পৃথিৱীবাসীৰ লক্ষ্য/ মৃগাংক হাতীমূৰীয়া /৪০
- অৰ্থনৈতিক উন্নয়নৰ অন্যতম স্বাধীনতা/ ৰাজলক্ষণ হাটীমূৰীয়া /৪১
- মিচিং সমাজৰ সাজপাৰ এটি আলোকপাত/ ৰেখা মিলি /৪২
- টাই খাময়াং জনজাতিৰ সংস্কৃতিৰ চমু পৰিচয়/ ময়ুৰী শ্যাম /৪৪
- অতিকৈ চেনেহৰ ৰঙালী বিহুটি/ ৰবী ফুকন /৪৫
- **Memories of a Drama Workshop/ Sampurna Buragohain** /৪৮


**গল্প ঃ**


- প্ৰতাৰণা/ সোণমণি পগাগ /৫১
- অন্তৰা/ অভিজিৎ শইকীয়া /৫২
- এজাক সপোনৰ বৰষুণ/ বন্দনা গগৈ /৫৫
- মধুৰতম জীৱনৰ এটি ৰহস্য/ পূবালী কোঁৱৰ /৫৭
- অচিন ভাষাৰ সেই টোল পৰা গালৰ ছোৱালীজনী/ লক্ষী গগৈ /৫৯
- ঐনিতম শুনি এক্ কেন্ দীঘেলিলৈ/ কৃতী চাংমাই /৬০
- গ্ৰন্থৰ নামেৰে বান্ধৱীলৈ লিখা এখন চিঠি/ মণিদীপা লাহন/৬২
- এখন চিঠিৰ উত্তৰ বিচাৰি/ পূৰ্ণিমা দে /৬৩

- জীয়া সপোন/ মৌচুমী দেউঘৰীয়া /৬৫
- গোলাপ ৰঙা হ'ল প্ৰেমৰ বাবে/ ইয়াছমিন বেগম /৬৭


## সাক্ষাৎকাৰ


- বিশিষ্ট অভিনেতা অৰুণ হাজৰিকাৰ সৈতে কেইটামান মুহূৰ্ত..... /৬৮


## কবিতা ঃ ৬৯-৯০


❖আশাৰ বেদনা✍বিপ্লৱ দে ❖মই কাজিৰঙাই কৈছো✍নীলিম গগৈ ❖প্ৰেম-বিষাদৰ চাৰিটা স্তৱক✍ৰশ্মি গগৈ ❖সময়✍কেশৰী ভূঞা❖ফাগুনী✍ৰশ্মি চাংমাই❖বিৰাগ✍ৰিতুপৰ্ণা শৰ্মা ❖তুমি আহিবা বুলিয়েই........✍ময়ূৰী বৰঠাকুৰ❖তুমি আহিবা বুলি✍বন্দনা গগৈ ❖'শীত' তই বেজাৰ হৈ নাহিবি✍পৰিস্মৃতা বুঢ়াগোহাঁই ❖মাতৃৰ আহ্বান✍জয়ীতা চক্ৰৱৰ্তী❖হৃদয় এক **Insurance.com.**✍অমল হাতীমূৰীয়া❖জোনৰ মাতে ৰিঙিয়াই✍চুমি গগৈ ❖উভতি নহাৰ প্ৰতিশ্ৰুতি✍বৰ্ণালী নেওগ❖লক্ষ্য✍তুলসী দেৱ ❖বৰ্তমানৰ ৰাজনীতি✍কাবেৰী পাল❖নাৰী✍হাছিনা বেগম❖ তুমি হীনতাত✍ৰশ্মি চাংমাই ❖আন্ধাৰ✍নমিতা ৰাণী দেৱ ❖মানৱতা✍বিপ্লৱ দে❖ জীৱন✍ ৰাজা দেৱ❖জোনাক✍কৰিশ্মা বৰগোহাঁই❖**Future**✍**Anamika Dey**❖ফাগুণ✍সংগীতা শইকীয়া ❖বৰষুণ✍কুমাৰী ছেত্ৰী❖**The life struggle**✍**Keshab Lahon**❖**First Impression**✍**Nayanmoni Gogoi**❖**The Flower In My Soul**✍**Manash Dehingia** ❖**Life**✍**Santre Kumari** ❖বন্ধুত্বৰ অনুভৱ✍জোনমণি স্বৰ্গীয়াৰী❖হিংসা✍মিলিমণি কোঁৱৰ❖ফাগুন✍মিলিমণি কোঁৱৰ❖বন্ধুত্বৰ এনাজৰী✍পূৰ্ণিমা গগৈ❖তুমি আৰু মই✍ইজামুল হুছেইন❖এটা বন্দী শালিকাৰ কাকূতি....✍ মনালিছা কোঁৱৰ❖মৌন হৃদয়✍দেৱযানী গগৈ❖মোৰ অনুভৱৰ একাষাৰ✍বীণা দে❖অভিমানী সপোন✍নয়নমণি শইকীয়া❖সোঁৱৰণি✍লভিতা হাজৰিকা❖ৰহস্যময় মোৰ জীৱন✍ঋতুপৰ্ণ কাকতি❖**Friendship**✍ **Farjana Mehajabis Rohman** ❖আকাশ✍কৰিশ্মা দাস ।


## ভ্ৰমণ কাহিনী ঃ


- বৰফৰ দলিচাত এখোজ ......../ কল্যাণী বৰুৱা /৯১
- পঞ্জাবলৈ গৈছিলো/ কাশ্মিৰী গগৈ /৯৪


## একাংকিকা নাটক ঃ


- আমাক এজাক বৰষুণ দিয়া/ ৰূম্পী গগৈ /৯৭
- গানে গানে, সুৰে সুৰে/ নৱজ্যোতি খাণ্ডাধৰা /১০১
- বিভাগীয় প্ৰতিবেদন ঃ ১০৫-১২৪


# প্ৰবন্ধ



# সোঁৱৰণি মোৰ

**প্ৰণৱ কুমাৰ খাউণ্ড**

সোণাৰি মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰী অৰ্পণ কুমাৰ বৰুৱাৰ পৰা হঠাতে ভ্ৰাম্যভাষ বাৰ্তা এটা পালোঁ। তেখেতে জনালে "অহা ৫ আগষ্ট, ২০১৪ তাৰিখে আমাৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস। তালৈকে আপোনাক আগতীয়াকৈ নিমন্ত্ৰণ জনালোঁ। আপোনাৰ লগত ব্যক্তিগতভাৱে চা-চিনাকি হোৱাৰ সুযোগ পোৱা নাই যদিও আমাৰ মাজত আপোনাৰ কথা ওলাই থাকে। সেইদিনাখন দেখা পালে পৰম সুখী হ'ম।" কথাষাৰ শুনি মোৰ মন অনাবিল আনন্দত উপচি পৰিল। মহাবিদ্যালয়খনৰ জন্মলগ্নৰে পৰা ১৯৭৬ চনলৈকে মই মহাবিদ্যালয়খনলৈ বুৰঞ্জী বিষয়ৰ অধ্যাপক হিচাপে সেৱা আগবঢ়াইছিলোঁ। তাৰ পিছতে ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা সকলোৰে পৰা বিদায় লৈ চৰকাৰী চাকৰিত যোগদান কৰিবলগীয়া হ'ল। ইমান বছৰ অতীত হৈ যোৱাৰ পিচতো যে মহাবিদ্যালয়খনে মোক মনত ৰাখিছে সেই কথা ভাবি হৰ্ষান্বিত হ'লো। মোৰ মনৰ মণিকোঠাত সযতনে সাঁচি ৰখা বহুত স্মৃতি সন্মুখত ভাঁহি উঠিল।

সোণাৰিৰ স্বৰ্গীয় ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কেইজনাম শিক্ষকৰ মনতেই প্ৰথম সোণাৰিত এখন মহাবিদ্যালয় স্থাপনৰ চিন্তাৰ উদ্ৰেক হৈছিল। এই মুহূৰ্তত মনত পৰা সেইসকলৰ ভিতৰত কেইজনমানৰ নাম হৈছে - স্বৰ্গীয় বিপিন চন্দ্ৰ দত্ত, স্বৰ্গীয় কনক বৰুৱা, শ্ৰী ডিম্বেশ্বৰ গগৈ, শ্ৰী সুৰেশ চন্দ্ৰ দাস, শ্ৰী অজিত কুমাৰ লাহন আৰু আমি নিজে। সেই সময়ত এফালে গড়গাঁও মহাবিদ্যালয় আৰু অন্যফালে নামৰূপ মহাবিদ্যালয়ৰ মধ্যৱৰ্তী অঞ্চলত কোনো মহাবিদ্যালয়ৰ অস্তিত্ব নাছিল। স্থানীয় ৰাইজৰ সহযোগিতা বিচাৰি সভা অনুষ্ঠিত কৰা হৈছিল। দুই একে মন্তব্য দিছিল যে সোণাৰিত এখন মহাবিদ্যালয় স্থাপন কৰাতকৈ এখন কাৰিকৰী শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰা হওক যাতে নিবনুৱা যুৱক-যুৱতীয়ে বিভিন্ন কাৰিকৰী বিদ্যা শিকি পিছত ক্ষুদ্ৰ উদ্যোগ গঢ়ি তুলি স্বাৱলম্বী হৈ জীৱিকা নিৰ্বাহ কৰিব পাৰে বা বিভিন্ন শিল্প-উদ্যোগত নিযুক্তি লাভ কৰিব পাৰে। কথাটো যুক্তিপূৰ্ণ আছিল যদিও অন্য সচেতন লোকে মত প্ৰকাশ কৰিছিল যে ৰাইজৰ উদ্যোগত এনে কাৰিকৰী শিক্ষানুষ্ঠান গঢ়ি তোলাৰ দৃষ্টান্ত নাই। গতিকে, স্থানীয় যুৱক-যুৱতীৰ সুবিধাৰ্থে সোণাৰিত এখন মহাবিদ্যালয় গঢ়ি তোলা হওঁক। বহুতো বাধা-বিঘিনি অতিক্ৰম কৰি ১৯৭০ চনৰ ৫ আগষ্ট তাৰিখে সোণাৰি মহাবিদ্যালয় গঢ়ি উঠিল। বহুদিন অব্যৱহৃত হৈ থকা আটক-ধুনীয়া জিম্‌খানা ক্লাবৰ গৃহ আৰু মাটিত মহাবিদ্যালয়খনৰ শুভাৰম্ভ হ'ল। সেউজ কোঁৱৰ স্বৰ্গীয় পৰাগধৰ চলিহাদেৱে কোৱা এষাৰ কথাই আজিও মোৰ মনত খুন্দিয়ায়। তেখেতে কৈছিল, "জিম্‌খানা ক্লাবৰ নিচিনা এটা পূৰ্ব নিৰ্মিত গৃহ যে আপোনালোকে মহাবিদ্যালয়খনৰ বাবে লাভ কৰিছে, বিশ্বৰ কোনো মহাবিদ্যালয় বোধকৰোঁ এনে সৌভাগ্যৰ অধিকাৰী হোৱা নাই।" কথাষাৰ প্ৰণিধানযোগ্য।

মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ কথা ভাবোঁতে সোণাৰিৰ শিক্ষানুৰাগী সমাজখনৰ লগতে মোৰো সদায় মনত পৰে স্বৰ্গীয় বিপিন চন্দ্ৰ দত্তৰ কথা। তেখেতে স্বৰ্গীয় ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ গণিত বিষয়ৰ এজন কৃতী শিক্ষক আছিল। তেখেতৰ বাসগৃহ আছিল আমগুৰিত। আগ্ৰা বিশ্ববিদ্যালয়ৰ পৰা অংক বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি বিদ্যালয়খনত চাকৰি জীৱনৰ পাতনি মেলিছিল। আন বহুতৰ লগতে ময়ো উপলব্ধি কৰোঁ যে নিষ্ঠুৰ নিয়তিয়ে অকালতে কাঢ়ি লৈ যোৱা স্বৰ্গীয় দত্তৰ দৰে নিঃস্বাৰ্থ সমাজকৰ্মী আৰু নিষ্ঠাবান শিক্ষাবিদ খুবেই বিৰল। দিনে-নিশাই তেখেতে সোণাৰি মহাবিদ্যালয় প্ৰতিষ্ঠাৰ স্বপ্ন দেখিছিল আৰু তাক বাস্তৱায়িত কৰিবলৈ আহোপুৰুষাৰ্থ কৰিছিল। আমাৰ সকলোকে লগত লৈ মহাবিদ্যালয় প্ৰতিষ্ঠাৰ বাবে আপ্ৰাণ চেষ্টা চলাইছিল। চাইকেল

মাৰি মাৰি বাগানে-বাগানে, গাঁৱে-ভূঞে, ঘৰে-ঘৰে, দোকানে-দোকানে বৰঙণি সংগ্ৰহ কৰি ফুৰিছিল। মন্ত্ৰী বা কোনো প্ৰভাৱশালী লোক সোণাৰিলৈ আহিলে সমজুৱাকৈ সাক্ষাৎ কৰি সহায়-সহযোগিতা বিচাৰিছিল। কথাছবি, ভ্ৰাম্যমান নাট্য-থিয়েটাৰ প্ৰদৰ্শন কৰোৱাই সংগৃহিত ধনেৰে মহাবিদ্যালয়ৰ পুঁজি শকত কৰিছিল। অপৰিসীম ত্যাগ আৰু কষ্টৰ বিনিময়ত ৰাইজৰ অকনমান সঁহাৰিৰ বাহিৰে তেখেতে একোকে বিচৰা নাছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগত যাৱতীয় যোগাযোগ তেখেতে অব্যাহত ৰাখিছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সেই সময়ৰ পঞ্জীয়ক স্বৰ্গীয় লক্ষীপ্ৰসাদ দত্ত, মহাবিদ্যালয় সমূহৰ পৰিদৰ্শক স্বৰ্গীয় প্ৰসন্ন গোস্বামী আদিয়ে মহাবিদ্যালয়ৰ সকলো প্ৰস্তুতি দেখি সুখী হৈছিল। সোণাৰি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ দিনা স্বৰ্গীয় দত্ত সোঁৱৰণি নিশ্চয় সকলোৱে মনলৈ আহিব। তদুপৰি স্বৰ্গীয় হৰনাথ শৰ্মা, স্বৰ্গীয় টঙ্কেশ্বৰ বৰুৱা, স্বৰ্গীয় শান্তালাল আগৰৱালা, স্বৰ্গীয় দেৱীপ্ৰসাদ বৰগোহাঁই, স্বৰ্গীয় প্ৰদ্যুৎ সিংহা, সেই সময়ৰ সোণাৰিৰ ৰাজহ চক্ৰৰ উপপ্ৰতি সমাহৰ্তা স্বৰ্গীয় শিৱপ্ৰসাদ চাংকাকতী আৰু অন্য বহুতৰে নাম সোণাৰি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ লগত জড়িত হৈ আছে। বহুত সময় পাৰ হৈ যোৱাৰ বাবে সেই সকলোৰে নাম মোৰ মনলৈ নহাৰ হেতু আৰু এই মুহূৰ্তত নিজৰি কাপৰ পৰা নিঃসৃত নোহোৱাৰ বাবে মই সঁচাকৈয়ে দুঃখিত। মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাত অগ্ৰণী ভূমিকা লোৱা এই সকলোৰে নাম মহাবিদ্যালয়খনৰ ইতিহাসৰ পৃষ্ঠাত চিৰদিন উজলি থাকক।

শিক্ষানুষ্ঠানটি স্থাপনত শিক্ষানুৰাগী ৰাইজৰ সহায়-সহযোগিতা আছিল অভুতপূৰ্ব। তিতাবৰ মহাবিদ্যালয়ৰ তদানীন্তন উপাধ্যক্ষ শ্ৰী গোলাপ চন্দ্ৰ বৰগোহাঁইক অধ্যক্ষ হিচাপে নিযুক্তি দি মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ লগত জড়িত সকলোৱেই সন্তুষ্টি প্ৰকাশ কৰিছিল। মহাবিদ্যালয়খনৰ পৰিচালনা আৰু শিক্ষাদানৰ ক্ষেত্ৰত উপাধ্যক্ষ শ্ৰী সুৰেশ চন্দ্ৰ দাসে তেখেতৰ সোঁহাত স্বৰূপে কাম কৰিছিল। তদুপৰি শ্ৰী ৰবীন কোঁৱৰ, শ্ৰী কীৰ্তি বৰুৱা, শ্ৰীমতী সোণমাই বৰা, স্বৰ্গীয় গদা চুতীয়া, শ্ৰীমতী ৰতিপ্ৰভা গগৈ, স্বৰ্গীয় বিনন্দ মোহন, স্বৰ্গীয়া কমলাৱতী শইকীয়া, শ্ৰী মানিক বৰুৱা, শ্ৰী জীৱেন্দ্ৰ কুমাৰ শইকীয়া, শ্ৰী বিমলা ফুকন, শ্ৰী দিলেশ্বৰ তাঁতী, ড° গিৰীন্দ্ৰ নাথ ফুকন, শ্ৰী মানিক গগৈ, শ্ৰী বেনুধৰ দুৱৰাই অশেষ ত্যাগ স্বীকাৰ কৰি মহাবিদ্যালয়খনত শিক্ষাদান কাৰ্যত ব্ৰতী হৈছিল। কাৰ্যালয় সহকাৰী হিচাপে স্বৰ্গীয় বিষ্ণু বসুমতাৰী আৰু ভৱ বৰুৱাই, চতুৰ্থ বৰ্গৰ কৰ্মচাৰী হিচাপে স্বৰ্গীয় ফনী দত্ত আৰু শ্ৰী কমল দত্তই সেৱা আগবঢ়াইছিল। মোৰ সেই সময়ৰ সহকৰ্মী এই সকলৰ ভিতৰত স্বৰ্গীয় গদা চুতীয়া, স্বৰ্গীয়া কমলাৱতী শইকীয়া, স্বৰ্গীয় বিনন্দ মোহন, স্বৰ্গীয় বিষ্ণু বসুমতাৰী, স্বৰ্গীয় ফনী দত্তই চিৰবিদায় লোৱা বুলি জানি ব্যথিত হ'লো। অলপতে মৃত্যুক সাৱতি লোৱা মিচিং স্বায়ত্ব শাসিত পৰিষদৰ প্ৰথমজন মুখ্য কাৰ্যবাহী সদস্য স্বৰ্গীয় লক্ষীনাথ পাংগিং এই মহাবিদ্যালয়ৰে ছাত্ৰ আছিল।

সোণাৰি মহাবিদ্যালয়ৰ মুখপত্ৰখন নিশ্চয় প্ৰকাশ পাই আছে। আমাৰ উদ্যোগতে মুখপত্ৰখনে প্ৰথম প্ৰকাশৰ মুখ দেখিছিল।

সোণাৰি মহাবিদ্যালয়ৰ বৰ্তমানৰ অধ্যাপক-অধ্যাপিকা বৃন্দলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ সমুজ্জ্বল ভৱিষ্যত কামনা কৰিছো।

বিশেষ বাধা-বিঘিনি নহ'লে মহাবিদ্যালয়খন আকৌ এবাৰ চোৱাৰ দুৰ্বাৰ আশাৰে আৰু সকলোকে লগ পোৱাৰ অফুৰন্ত হাবিলাষেৰে প্ৰতিষ্ঠা দিৱসৰ শুভ দিনটোত উপস্থিত থাকিম বুলি ভাবিছোঁ। নতুবা শৰীৰেৰে নহ'লেও মনেৰে সেইদিনাখন মই এই পবিত্ৰ বিদ্যা মন্দিৰটিতে থাকিম। ই ধ্ৰুৱপ। মহাবিদ্যালয়খন শিক্ষা জগতত উচ্চ শিৰে জিলিকি উঠক। শিক্ষাৰ্থীসকলে সমাজত সুনাম অৰ্জন কৰক। এয়ে কামনা।

লেখক ঃ

ভাৰতীয় প্ৰশাসনীয় সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া আৰু সোণাৰি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যাপক।





# সাহিত্যৰ বুৰঞ্জীত 'অসমীয়া সাহিত্যৰ যুগ বিভাজনৰ সমস্যা ঃ ঐতিহাসিক পটভূমিত এটি আলোচনা

ড° ৰীতা দত্ত
মুৰব্বী অধ্যাপিকা, অসমীয়া বিভাগ
সোণাৰি মহাবিদ্যালয়

প্ৰস্তাৱনা ঃ

অসমীয়া ভাষাত ৰচিত 'অসমীয়া সাহিত্যৰ ইতিহাস' বহুত আছে। ইতিহাস প্ৰণেতাসকলৰ সুকীয়া সুকীয়া দৃষ্টিভংগীৰে সেইবোৰ গ্ৰন্থ অলংকৃত হৈছে। এনেবোৰ সাহিত্যত প্ৰতিফলিত হোৱা উচিত। সাহিত্যৰ অগ্ৰগতিৰ অন্তৰ্বৰ্তী ধাৰা আৰু প্ৰণালীবদ্ধ তথা বিজ্ঞানসন্মত বিচাৰ-বিশ্লেষণ। এই ক্ষেত্ৰত পণ্ডিতসকলে সাহিত্যৰ সকলো উপাদনৰ লগত পৰিচয় কৰাই দিয়াৰ লগতে উৎপাদিত সাহিত্যৰ গুণ অনুযায়ী সেই সাহিত্যক কোনটো যুগত অন্তৰ্ভুক্ত কৰিব পাৰি তাৰ ওপৰত এটি ধাৰণা দিবলৈ চেষ্টা কৰে। এনে কৰিবলৈ যাওঁতে তেওঁলোক বহু সময়ত বিমোৰত পৰা দেখা যায় আৰু পৰৱৰ্তী পণ্ডিতজনে পুনৰাই তাক সংশোধিত ৰূপত আগবঢ়াবলৈ চেষ্টা কৰে। বহু কিতাপৰ নামৰ সংগ্ৰহ এটাক সাহিত্যৰ বুৰঞ্জী বুলিব পৰা নাযায়। লেখক তথা তেওঁৰ জ্ঞানৰ পৰিসীমাত থকা দেশ তথা কালৰ প্ৰকাশো নিশ্চয় পুথিখনত থাকিব লাগিব।

বিষয়বস্তু ঃ

এই কথা সৰ্বজনবিদিত যে ভাষাৰ সৃষ্টি প্ৰথম আৰু সাহিত্য সৃষ্টি দ্বিতীয় পৰ্যায়। ভাষা যদি বৃক্ষ সাহিত্য তাৰ সৌৰভযুক্ত পুষ্প। ইতিহাস প্ৰণেতা ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে 'আৰ্য ভাষাৰ পৰা উদ্ভৱ হ'লেও অসমীয়া ভাষাৰ পৰিপুষ্টি সাধনত অসমত অতীজৰে পৰা বাস কৰা অনাৰ্যগোষ্ঠীৰ লোকসকলৰ ভাষাৰ প্ৰভাৱ নপৰাকৈ থকা নাই' (অ.সা.স.ই, পৃঃ ২)। সংস্কৃতি আছিল ৰাজকীয় ভাষা। তাৰ পূৰ্বৰ নিদৰ্শন সংস্কৃত ভাষাত লিখা প্ৰাচীন শিলালিপি আৰু তাম্ৰশাসনাৱলীসমূহ। সংস্কৃত ভাষাটো সকলোৱে নেজানিছিল। গতিকে ৰাজসভাৰ পৰিবেশৰ বাহিৰে কিছুলোকে নিশ্চয় প্ৰাকৃত ব্যৱহাৰ কৰিছিল আৰু আৰ্য ভাষা গ্ৰহণ নকৰা লোকে নিশ্চয় নিজৰ নিজৰ কৌলিক জনজাতীয় ভাষা বা উপভাষা প্ৰয়োগ কৰিছিল। ৰাজকীয় পৃষ্ঠপোষকতা আৰু লাহে লাহে ব্ৰাহ্মণ্য ধৰ্মৰ প্ৰভাৱ বিস্তাৰ হ'বলৈ লোৱাত পৰিবৰ্তনৰ মাজেৰে আহি প্ৰাকৃতৰ উদ্ভৱ হ'ল। এই প্ৰাকৃতকে প্ৰাচ্য মাগধী বা কামৰূপী প্ৰাকৃতৰূপে জনা যায়। শৰ্মাদেৱৰ মতে — "ষষ্ঠৰ পৰা দ্বাদশ শতাব্দীৰ ভিতৰত ভূমিদান কৰা বা অন্য বিষয়ক তামৰ ফলিসমূহৰ সংস্কৃত ভাষাৰ মাজে মাজে লেখকৰ অজ্ঞাতে কামৰূপী প্ৰাকৃতৰ দুই-চাৰিটা নিদৰ্শনে ভুমুকি মাৰিছে। কামৰূপী বা প্ৰাচ্য মাগধীৰ শেষ স্তৰৰ অৰ্থাৎ অপভ্ৰংশৰ মাজেদি খ্ৰীষ্টীয় একাদশ শতিকামানত অসমীয়া ভাষাৰ বিকাশৰ সূচনাহে হয়, পৰৱৰ্তী শতাব্দী দুটাত অসমীয়া ভাষাৰ বিকাশ হয়।" (অ.ভা.স.ই. পৃষ্ঠা ৩)

ড° সত্যেন্দ্ৰনাথ শৰ্মাদেৱৰ উক্ত মন্তব্যৰ ওপতৰ ভিত্তি কৰি যদি হেমচন্দ্ৰ গোস্বামীয়ে কৰা অসমীয়া সাহিত্যৰ প্ৰথম যুগ বিভাজনটোলৈ লক্ষ্য কৰা যায় তেতিয়া কিছুমান সমস্যালৈ দৃষ্টিগোচৰ হয়। তলত হেমচন্দ্ৰ গোস্বামীয়ে কৰা প্ৰথক যুগ বিভাজনটো উল্লেখ কৰা হ'ল —

ক) (১) গীতিযুগ (খৃঃ ৬০০-৮০০)
(২) মন্ত্ৰ আৰু ভণিতা যুগ (৮০০-১২০০)
(৩) প্ৰাক্ বৈষ্ণৱ যুগ (১২০০-১৪৫০)
(৪) বৈষ্ণৱ যুগ (১৪৫০-১৬০০)
(৫) বিস্তাৰ যুগ (১৬০০-১৮০০)[1]
(৬) বৰ্তমান যুগ (১৮০০- বৰ্তমানলৈকে)

উক্ত যুগ বিভাজনটোলৈ চালে কেইবাটাও সমস্যাই দেখা দিয়ে।

সমস্যা নং ১ ঃ

সাহিত্যৰ বুৰঞ্জীত অসমীয়া সাহিত্যৰ যুগ বিভাজন

কৰোঁতে প্ৰথম লিখিত নিদৰ্শনটোক অগ্ৰাধিকাৰ দিহে পৰৱৰ্তীভাগ সমূহ নিৰ্ণয় কৰা উচিত। যদিহে একাদশ শতিকামানতহে অসমীয়া ভাষাৰ বিকাশৰ সূচনা হয় বুলি ভবা যায়, তেন্তে চৰ্যাপদসমূহৰ স্থান হ'ব লাগিব সৰ্বপ্ৰথম। কিন্তু গোস্বামীদেৱে মৌখিক সাহিত্যক এটা নিৰ্দিষ্ট সময়ৰ মাজত অন্তৰ্ভুক্ত কৰিব বিচাৰিছিল। লোকগীত বা মন্ত্ৰসমূহ বিশেষ এটা যুগৰ ৰচনা হ'ব নোৱাৰে। এইবিলাকৰ দুই-এটা উদাহৰণৰ পৰা ৰচনা কাল দুই-এটা অনুমানহে কৰিব পাৰি। কিন্তু তাৰ সঠিক কাল নিৰ্ণয় কৰাটো অসম্ভৱ।

সমস্যা নং ২ ঃ

মন্ত্ৰ বা ডাক-ভণিতাবিলাকক ভাষাতাত্ত্বিক দিশৰ পৰা চাই অষ্টমৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত ৰচিত বুলিও ক'ব পৰা নাযায়। ড° মহেশ্বৰ নেওগৰ মতে "সিবোৰত এফালে চাৰিবেদ, বিশেষকৈ অথৰ্ব বেদৰ, আনফালে আকৌ কোৰাণ, মহম্মদ, ফিৰিঙ্গি আদিৰ নাম পোৱা যায়। এটা মন্ত্ৰত গোৰক্ষনাথৰো নাম আছে। ভাষাৰ ফালৰ পৰা সিবোৰত প্ৰাচীন অসমীয়া কাব্য সাহিত্যৰ প্ৰভাৱ মনকৰিবলগীয়া।" (অ.সা.ৰূপৰেখা, ৩৩)। অন্যহাতে মন্ত্ৰবোৰক লিপিবদ্ধ অৱস্থালৈ কেতিয়া অনা হ'ল তাৰ কোনো তথ্য পাবলৈ নাই। মন্ত্ৰবোৰত কোনো লেখকৰ নামো সন্নিবিষ্ট হৈ থকা নাই।

সমস্যা নং ঃ ৩

গোস্বামীদেৱে তৃতীয়টো বিভাগৰ নাম ৰাখিছে প্ৰাক্ বৈষ্ণৱ যুগ অৰ্থাৎ বৈষ্ণৱ যুগৰ আগৰ সাহিত্য। প্ৰাক্ বৈষ্ণৱ যুগৰ কবিসকলে পৰৱৰ্তী যুগৰ কবি শংকৰদেৱ-মাধৱদেৱ আদিৰ দৰেই বৈষ্ণৱৰ আদৰণীয় গ্ৰন্থকেই ৰচনা কৰিছিল। অৱশ্যে সাহিত্যবোৰত বৈষ্ণৱ ভাৱৰ উগ্ৰতা নাথাকিব পাৰে। কিন্তু বিষয়বস্তুত পাৰ্থক্য নাই। বৈষ্ণৱৰ সমাদৃত গ্ৰন্থ ৰচনা কৰাৰ কাৰণে এই যুগক প্ৰাক্ বা প্ৰাগবৈষ্ণৱ বোলাটো নিশ্চয় অযুক্তিকৰ হ'ব। ড° মহেশ্বৰ নেওগৰ মতে এই সময়ছোৱাৰ কবি হ'ব বড়ু চণ্ডীদাস। বড়ু চণ্ডীদাসৰ 'শ্ৰীকৃষ্ণ-কীৰ্ত্তন'ৰ বিষয়বস্তু ভাগৱত পুৰাণৰ পৰা লোৱা হৈছে যদিও চণ্ডীদাসে কাহিনীভাগ নিজ মতে সজাইছে। ফলত ৰাধাক প্ৰাধান্য দিয়া হৈছে। বিভিন্ন অৱস্থাৰ মাজেৰে ৰাধাৰ চৰিত্ৰটো উজ্জ্বলাই তোলাত কবি সফল হৈছে। ড° বাণীকান্ত কাকতিয়ে পুথিখনৰ অসমীয়া আৰু বঙলা উভয়ৰে ৰূপতাত্ত্বিক আৰু ধ্বনিতাত্ত্বিক বৈশিষ্টবোৰলৈ লক্ষ্য ৰাখি কৈছে যে "অসমীয়া, বঙলা আদি ভাষা স্পষ্টৰূপে পৃথক হৈ ওলোৱাৰ আগৰ যিটো সাধাৰণ ৰূপ সিহঁতৰ আছিল 'শ্ৰীকৃষ্ণ-কীৰ্ত্তন'ৰ ভাষা তাৰে প্ৰতিভূ" (অ.সা.ৰূপৰেখা, পৃঃ ৪৩)।

সমস্যা নং ঃ ৪

গোস্বামীদেৱে বৈষ্ণৱ যুগৰ সময়সীমা নিৰ্দ্ধাৰণ কৰিছে ১৪৫০ৰ পৰা ১৬০০লৈ। দেখা যায়, এই সময়ছোৱাত শংকৰদেৱ, মাধৱদেৱ, ৰামসৰস্বতী, অনন্তকন্দলী প্ৰমুখ্যে অন্যান্য সাহিত্যিকসকলৰ দ্বাৰা সৃষ্ট সাহিত্যৰাজিৰ পিছত ভট্টদেৱৰ গদ্যয়ো এক নতুন দিশৰ সূচনা কৰিছিল। শংকৰ-মাধৱৰ তিৰোধানৰ পিছত চৰিত সাহিত্যইও ভূমুকি মাৰিছিল। এই যুগৰ চাৰিজন কবি বৈষ্ণৱ প্ৰভাৱ মুক্ত হৈ সুকীয়াকৈ পাঁচালী সাহিত্যৰো সৃষ্টি কৰিছিল। সেইফালৰ পৰা এই সময়ছোৱাক বৈষ্ণৱ যুগো বুলিব নোৱাৰি। কাৰণ বৈষ্ণৱ সাহিত্য ইয়াৰ পূৰ্ব আৰু উত্তৰ যুগতো সৃষ্টি হৈছিল। গতিকে সময় নিৰ্দ্ধাৰণ কৰোতে ১৫শ ৰ শেষভাগৰ পৰা ১৭ৰ শেষ ভাগলৈ ঠেলি নিব পৰা যায়।

সমস্যা নং ঃ ৫

বিস্তাৰ যুগত বৈষ্ণৱ যুগৰ দৰে পদ-পুথি আদি ৰচনা হোৱাৰ উপৰিও বুৰঞ্জী, চৰিতপুথি, ইছলামী সাহিত্য আদি সংযোজিত হৈছে। আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাত এই যুগৰ সাহিত্য সমৃদ্ধিশালী হৈছিল আৰু অসমীয়া সাহিত্যই বিভিন্ন দিশত বিস্তৃতি লাভ কৰিছিল।

সমস্যা নং ঃ ৬

'বৰ্তমান যুগ' বুলি কওঁতে এই সময়ছোৱাত অসমলৈ ইংৰাজৰ আগমন (১৮২৬), অসমলৈ বেপ্তিষ্ট মিছনেৰীসকলৰ আগমনৰ (১৮৩৬), স্কুল-আদালতৰ পৰা অসমীয়া ভাষাৰ অপসাৰণ (১৮৩৬), অসমীয়া ভাষা পুনঃ প্ৰতিষ্ঠা (১৮৭৩), জোনাকী কাকতৰ জন্ম (১৮৮৯), দ্বিতীয় মহাসমৰৰ পিছৰ সাহিত্যৰ বিষয়বস্তু আৰু ৰচনা ৰীতি আদিলৈ চাই নতুন নতুন পৰিবৰ্তন লক্ষ্য কৰা যায়। গতিকে 'বৰ্তমান যুগ' বুলি একেষাৰে সামৰি থোৱাত নিশ্চয় অসুবিধা আছে।

(খ) সাহিত্যৰ ইতিবৃত্ত ৰচনাৰ আন এগৰাকী পণ্ডিত আছিল ডিম্বেশ্বৰ নেওগ। তেখেতৰ যুগ বিভাজন আছিল এনেধৰণৰ ঃ-

১। আদি যুগ - প্ৰাৰম্ভৰ পৰা দ্বাদশ শতিকাৰ শেষলৈকে (৮০০-১২০০ খ্ৰীষ্টাব্দ)





২। প্ৰাগ্ বৈষ্ণৱ যুগ - ত্ৰয়োদশৰ পৰা পঞ্চদশৰ মাজভাগলৈ (১২০০-১৪৫০)

৩। বৈষ্ণৱ যুগ - পঞ্চদশৰ মাজৰ পৰা সপ্তদশৰ মাজলৈ (১৪৫০-১৬৫০)

৪। বিস্তাৰ যুগ - সপ্তদশৰ মাজৰ পৰা ঊনবিংশৰ আগছোৱালৈ (১৬৫০-১৮৩০)

৫। বৰ্তমান যুগ - ঊনবিংশৰ আগছোৱাৰ পৰা এতিয়ালৈকে (১৮৩০-১৯৪০)

ড° বাণীকান্ত কাকতিয়েও তেখেতৰ 'Assamese its formation & development' নামৰ গ্ৰন্থখনিত তলত দিয়া ধৰণেৰে যুগ বিভাজন কৰিছে ঃ-

i) Early Assamese : From the fourteenth to the end of the sixteenth century. This again may be split into -

(a) the pre-vaishnavite and

(b) the Vaishnavites sub-periods

ii) Middle Assamese : From the seventeenth of the beginning of the nineteenth century. It is a period of the prose chronicles of the Ahom court.

iii) Moder Assamese : From the beginning of the nineteenth century till present times. (Assamese its formation & development, Reprint, 2007, P. 13)

সমস্যা ঃ

ডিম্বেশ্বৰ নেওগৰ আদিযুগ আৰু বাণীকান্ত কাকতিৰ প্ৰাক্ অসমীয়া যুগ প্ৰায় একে পৰ্য্যায়ৰ। কিন্তু বৈষ্ণৱ আৰু আহোম যুগ বোলাতহে সমস্যা সৃষ্টি হোৱা দেখা যায়। এই সময়ছোৱাত বৈষ্ণৱ আদৰণীয় গ্ৰন্থ সৃষ্টি হোৱাৰ উপৰিও আহোম-কোচ-কছাৰী ৰজাসকলৰ পৃষ্ঠপোষকতাতো অনেক সাহিত্যৰ সৃষ্টি হৈছিল। বিশেষকৈ সত্ৰীয়া সাহিত্য, ৰাজধানীৰ সাহিত্য আৰু অনিশ্চিত স্থানৰ লেখকৰ সাহিত্যও শঙ্কৰোত্তৰ যুগৰেই অৱদান। গতিকে বৈষ্ণৱ বা আহোম যুগ বোলাত অসুবিধা আহি পৰিছে।

ঘ) উপৰোক্ত সমস্যাটোৰ প্ৰতি লক্ষ্য ৰাখি ড° মহেশ্বৰ নেওগে এনেধৰণৰে অসমীয়া সাহিত্যৰ যুগবোৰক বিভাজন কৰে —

১। বৌদ্ধ যুগ - ৰচনাকাল সম্পৰ্কে মতভেদ থাকিলেও অসমীয়া সাহিত্যৰ প্ৰথম লিখিত নিদৰ্শন হিচাপে চৰ্যাপদবোৰকে এই যুগত অন্তৰ্ভুক্ত কৰা হৈছে। তেখেতৰ মতে এই চৰ্যাপদবোৰ 'অষ্টমৰ পৰা দ্বাদশ শতিকালৈ বিস্তৃত হৈ পৰিছে' (অ.সা.ৰূপৰেখা, পৃষ্ঠা - ৩৫৫)।

২। প্ৰাক শঙ্কৰী যুগ - চৰ্যাপদৰ পিছত এছোৱা কালত সাহিত্য সৃষ্টি প্ৰায় শূণ্য আছিল। মাধৱ কন্দলি, হেম সৰস্বতী, হৰিবৰ বিপ্ৰ আৰু কবিৰত্ন সৰস্বতী - এই চাৰিওজনা সাহিত্যিক শঙ্কৰদেৱৰ পূৰ্বৰ। কিন্তু সাহিত্যিক প্ৰমাণৰ পৰা তেওঁলোকৰ সাহিত্যৰাজিক ত্ৰয়োদশ-চতুৰ্দশ আৰু পঞ্চদশ তিনিওটা কালত ধৰিবলগীয়া হ'ল। অন্যহাতে তেওঁলোকেও বৈষ্ণৱৰ আদৰণীয় গ্ৰন্থকেই যিহেতু ৰচনা কৰিলে সেইকাৰণে তেওঁলোকক প্ৰাগ বৈষ্ণৱ নোবুলি প্ৰাক শঙ্কৰী যুগৰ কবি বুলি কোৱা হৈছে। বড়ু চণ্ডীদাসৰ 'শ্ৰীকৃষ্ণ কীৰ্তন', এই সময়ৰ ৰচনা। অৱশ্যে তাত উগ্ৰ বৈষ্ণৱবাদৰ সলনি ৰাধাৰ প্ৰাধান্য লক্ষনীয় দিশ।

৩। শঙ্কৰী যুগ - নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক শঙ্কৰ-মাধৱদেৱৰ পৰা তেৰাসৱৰ শিষ্য গোপাল আতা আৰু বৈকুণ্ঠনাথ ভট্টদেৱো এই সময়ৰে কবি-সাহিত্যিক। এই সময়ছোৱাতে নৱবৈষ্ণৱসকলৰ শ্ৰেষ্ঠ সাহিত্যৰাজিৰ সৃষ্টি হয়। এই সময়তে বৈষ্ণৱ প্ৰভাৱ মুক্ত আন এক শ্ৰেণীৰ সাহিত্যৰ সৃষ্টিও মন কৰিবলগীয়া। পীতাম্বৰ, মনকৰ, দুৰ্গাবৰ কায়স্থ আদিয়ে সৃষ্টি কৰা এই সাহিত্যৰ ধাৰাটোক মূলতঃ পাঁচালী সাহিত্য বুলি কোৱা হয়।

৪। শঙ্কৰোত্তৰ যুগ - ভট্টদেৱ, গোপাল চৰণ আদিৰ পিছৰেপৰা ঊনবিংশ শতিকাৰ প্ৰথম চতুৰ্থাংশলৈকে শঙ্কৰোত্তৰ যুগ বোলা হৈছে। ড° নেওগদেৱে এই সময়ছোৱাত সৃষ্ট তিনিশ্ৰেণীৰ সাহিত্যৰ ধাৰালৈ ঊনুকিয়াইছে 'সত্ৰীয়া সাহিত্য, ৰাজধানীৰ সাহিত্য আৰু অনিশ্চিত লেখকৰ সাহিত্য' (অ.সা.ৰূ, পৃঃ ৩৫৫)।

৫। আধুনিক যুগক নেওগদেৱে পুনৰাই কেইটামান উপভাগত বিভক্ত কৰিছে -

ক) আদি ব্ৰিটিছ যুগ ঃ ১৮২৬ চনৰ য়াণ্ডাবু সন্ধিৰ পিছৰ সময়ছোৱা, ১৮৩৬ চনত অসমলৈ বেপ্তিষ্ট মিছনেৰীৰ আগমন, ১৮৩৬ চনত অসমৰ স্কুল-আদালতৰ পৰা অসমীয়া ভাষাৰ অপসাৰণ, বেপ্তিষ্ট আৰু আনন্দৰাম ঢেকীয়ালফুকনে অসমীয়া ভাষাৰ পুনৰ সংস্থাপনৰ যত্ন কৰালৈকে প্ৰতিটো উল্লেখযোগ্য পৰিৱৰ্তনক এই সময়ছোৱাত অন্তৰ্ভুক্ত কৰা হৈছে।

খ) হেমচন্দ্ৰ বৰুৱাৰ কাল - ১৮৭৩ চনত অসমীয়া ভাষা অসমৰ স্কুল-আদালতত পুনঃ প্ৰতিষ্ঠা হোৱা, ১৮৮৮ চনত অ.ভা.উ.সা. সভাৰ গঠন, ১৮৮৯ চনত 'জোনাকী' আলোচনীৰ জন্ম আৰু অসমীয়া ভাষাই সাহিত্যিক প্ৰতিষ্ঠাৰ বাবে কৰা যত্নৰ সময়ছোৱাক এই যুগত অন্তৰ্ভূক্ত কৰা হৈছে।

গ) ৰোমণ্টিক যুগ বা বেজবৰুৱা যুগ - ১৮৮৮-৮৯ চনৰ পৰা দ্বিতীয় মহাসমৰৰ বিভীষিকাই অসমক গ্ৰাস কৰালৈকে এই যুগত সামৰা হৈছে। এই বেজবৰুৱাৰ যুগতে পাশ্চাত্য প্ৰভাৱ সম্বৰণ কৰি পূৰ্ণাংগ আধুনিক অসমীয়া সাহিত্যই গঢ় লৈ উঠে।

ঘ) বৰ্তমান সাহিত্য - দ্বিতীয় মহাসমৰৰ প্ৰভাৱত সৃষ্টি হোৱা বাস্তৱ জগতৰ ন-ন বিষয়বস্তুৰে সমৃদ্ধ হোৱা সাহিত্যৰাজিৰ ধাৰাবাহিকতাক বৰ্তমান কালৰ সাহিত্য বুলি ধৰা হৈছে।

মহেশ্বৰ নেওগদেৱে কৰা উক্ত যুগ বিভাজনে প্ৰায় সকলোবোৰ দিশ সামৰি লৈছে। তথাপিও ড° সত্যেন্দ্ৰনাথ শৰ্মাদেৱে সাহিত্যৰ ৰূপ (form) আৰু ভাৱৰ (spirit) পৰিবৰ্তনলৈ চাই তিনিটা প্ৰধান যুগত ভাগ কৰি আন কিছুমান উপ বিভাগেৰে সমগ্ৰ সাহিত্যৰাজিক সাঙুৰিবলৈ যত্ন কৰিছে। এনেদৰে ভাগ কৰোতে তেখেতে তলত উল্লেখ কৰাৰ দৰে সমস্যাবোৰলৈ নিৰ্দেশ কৰিছে। তেখেতৰ যুগ বিভাজন এনেধৰণৰ -

আদি, মধ্য আৰু আধুনিক বা বৰ্তমান।

১। আদিযুগ ঃ (খৃষ্ট্ৰীয় দশমৰ পৰা ত্ৰয়োদশ শতাব্দীৰ শেষ পৰ্যন্ত) উদ্ভৱ কালৰ সাহিত্য, খৃঃ ৯৫০-১৩০০, চৰ্যাপদ, মন্ত্ৰ সাহিত্য)।

২। মধ্যযুগ ঃ (চতুদৰ্শৰ প্ৰাৰম্ভৰ পৰা ঊনবিংশ শতাব্দীৰ প্ৰাৰম্ভ পৰ্যন্ত)

ক) প্ৰথম পৰ্যায় ঃ প্ৰাক্ শঙ্কৰী যুগৰ সাহিত্য, খৃঃ ১৩০০-১৪৯০।

খ) দ্বিতীয় পৰ্যায় ঃ শঙ্কৰী যুগৰ সাহিত্য, খৃঃ ১৪৯০-১৭০০।

গ) তৃতীয় পৰ্যায় ঃ উত্তৰ শঙ্কৰী যুগৰ সাহিত্য, খৃঃ ১৭০০-১৮৩০।

৩। বৰ্তমান যুগ ঃ (ঊনবিংশ শতাব্দীৰ তৃতীয় দশকৰ পৰা বৰ্তমানলৈকে)

ক) প্ৰথম পৰ্যায় ঃ মিছনেৰী সাহিত্য, ১৮২৬(৩৬)-১৮৭০।

খ) দ্বিতীয় পৰ্যায় ঃ হেমচন্দ্ৰ-গুণাভিৰামৰ কাল, ১৮৭০-১৮৯০।

গ) তৃতীয় পৰ্যায় ঃ ৰোমণ্টিক যুগ বা বেজবৰুৱাৰ যুগ, ১৮৯০-১৯৪০।

ঘ) চতুৰ্থ পৰ্যায় ঃ সাম্প্ৰতিক কাল, ১৯৪০-

সমস্যা নং ঃ ১

চৰ্যাপদ আৰু প্ৰাক্ শঙ্কৰী যুগৰ সাহিত্যৰাজিৰ মাজৰ সময়ছোৱাত অসমীয়া সাহিত্যৰ সৃষ্টি প্ৰায় শূণ্য আছিল বুলি পূৰ্বতে উল্লেখ কৰা হৈছে। কিন্তু শৰ্মাদেৱে মন্ত্ৰপুথিসমূহ আৰু ডাকৰ বচনসমূহৰ উদ্ভৱকাল সেই সময়ছোৱাৰ হ'ব লাগে বুলি অনুমান কৰিছে। তেখেতৰ যুক্তি এনেধৰণৰ "পুৰণি কালৰ পৰাই কামৰূপ-কামাখ্য তন্ত্ৰ-মন্ত্ৰ, যাদু বিদ্যাৰ দেশ বুলি জনাজাত। অষ্টম-নৱম শতিকাত শঙ্কৰাচাৰ্য আচাৰ্যই অভিচাৰ মন্ত্ৰেৰে তেওঁৰ ভগন্দৰ ৰোগ জন্মাইছিল বুলি 'শঙ্কৰ-দিগ্বিজয়' গ্ৰন্থত উল্লেখ আছে। অসম অভিযানকাৰী মুছলমান সৈন্যৰ লগত অহা ঐতিহাসিক সকলৰ বিৱৰণতো অসমৰ তন্ত্ৰ-মন্ত্ৰ আৰু যাদুবিদ্যাৰ বহুল প্ৰচলনৰ কথা উল্লেখ আছে। এই মন্ত্ৰসমূহ অৰ্থৱবেদ, বৌদ্ধমন্ত্ৰযান, হিন্দুতন্ত্ৰ আৰু আদিম বিশ্বাসৰ সংমিশ্ৰণৰ ফলতে উদ্ভৱ হোৱা সম্ভাৱনা। ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে খৃষ্টীয় দশম-একাদশ শতিকামানৰ পৰাই অসমত মন্ত্ৰৰ ব্যাপক প্ৰচলন হ'বলৈ ধৰে। তেখেতে মহাযান ধাৰণী মন্ত্ৰৰ লগত অসমীয়া ধাৰণীমন্ত্ৰ সাদৃশ্যও উল্লেখ কৰিছে। তন্ত্ৰ-মন্ত্ৰ আৰু যাদু বিদ্যাৰ প্ৰভাৱ সাধাৰণতে আদিম সমাজতে অধিক পৰিমাণে দেখা যায়। কোনো কোনো মন্ত্ৰত গাৰো, ভোট, নগা, মিৰি, মিচিমি আদি জাতিসমূহৰ উল্লেখৰ পৰা জনজাতীয় প্ৰভাৱৰ ইঙ্গিত পোৱা যায়। সেইফালৰ পৰা চালেও মন্ত্ৰসমূহ বৈষ্ণৱ আন্দোলন আৰু জাগৰণৰ পূৰ্বাৱস্থাৰ বস্তু। মন্ত্ৰসমূহৰ বেছিভাগেই খৃষ্টীয় একাদশ-পঞ্চদশ শতিকাৰ ভিতৰত ৰচিত বুলি ভাবিবৰ থল আছে, কিন্তু তথাপি ভাষাৰ পৰিৱৰ্তনৰ ধাৰাই ইয়াৰ ভাষাকো প্ৰভাৱান্বিত নকৰাকৈ থকা নাই" (অ.সা.স. ইতিবৃত্ত, পৃঃ ৫৫)।

সমস্যা নং ঃ ২

ড° শৰ্মাদেৱে আহোম ৰজাৰ পৃষ্ঠপোষকতাত সৃষ্ট সাহিত্যৰাজি অষ্টাদশ শতিকাৰ প্ৰাৰম্ভতহে পৰিস্ফূট হোৱা বুলি ক'ব খোজে। অৰ্থাৎ এই সময়ছোৱাতে বুৰঞ্জী সাহিত্য সণ্চালনি ৰূপত ৰচিত হয়।

সমস্যা নং ঃ ৩

বৰ্তমান যুগৰ প্ৰথম পৰ্যায়ক শৰ্মাদেৱে মিছনেৰী সাহিত্য





নামেৰে নামাকৰণ কৰিছে। ১৮৪৬ চনত প্ৰকাশিত প্ৰথম অসমীয়া বাৰ্তালোচনী 'অৰুণোদই'ৰ যোগেদি মিছনেৰীসকলে যি সাহিত্যিক অৱদান আগবঢ়ায় তাৰ ৰূপবস্তু আৰু ভাৱবস্তুলৈ চাই এই যুগক মিছনেৰী সাহিত্যৰ কাল বোলা হৈছে।

সমস্যা নং ঃ ৪

ড° শৰ্মাদেৱে বৰ্তমান যুগৰ চতুৰ্থ পৰ্যায়ক সাম্প্ৰতিক কাল বুলি অভিহিত কৰিছে আৰু ইয়াৰ সময়সীমা নিৰ্দ্ধাৰণ কৰা হৈছে ১৯৪০ৰ পৰা বৰ্তমানলৈকে। বৰ্তমান যুগৰ সাহিত্য বা সাম্প্ৰতিক যুগৰ সাহিত্য বুলিলে কথাষাৰ বৰ স্পষ্ট হোৱা যেন নেলাগে।

এই সময়ছোৱাৰ কেইটামান উল্লেখযোগ্য ঐতিহাসিক ঘটনা আছিল এনেধৰণৰ ঃ-

ক) ১৯৩৩ চনৰ পৰা হিটলাৰৰ গৰ্জন।
খ) ১৯৩৬ চনত কবি কমলাকান্ত ভট্টাচাৰ্যৰ মৃত্যু।
গ) ১৯৩৮ চনত চন্দ্ৰকুমাৰ আগৰৱালা আৰু বেজবৰুৱাৰ মৃত্যু।
ঘ) ১৯৩৮ চনত 'জয়ন্তী' আলোচনীৰ মৃত্যু।
ঙ) ১৯৩৯ চনত আনন্দচন্দ্ৰ আগৰৱালাৰ মৃত্যু।
চ) ১৯৪০, ১৯৪২-৪৪ চনত 'আবাহন', 'বাঁহী' আৰু 'সুৰভি'ৰ ধাৰাবাহিকতা ৰক্ষাৰ সংগ্ৰাম।
ছ) ১৯৪২ চনৰ স্বাধীনতা আন্দোলন।
জ) ১৯৪৩ চনত 'জয়ন্তী'ৰ পুনৰ প্ৰচলন।
ঝ) ১৯৪৪ চনত হিটলাৰৰ পতন।
ঞ) ১৯৪৪ চনৰ পৰা অসমত বিশ্ববিদ্যালয় স্থাপনৰ আন্দোলন।
ট) ১৯৪৭ চনত ভাৰতৰ স্বাধীনতা লাভ।
ঠ) ১৯৪৮ চনত গুৱাহাটীত All India Radioৰ Centre স্থাপন।
ড) ১৯৪৮-৪৯ চনত পছোৱাৰ জন্ম।
ঢ) ১৯৫১ চনত ৰামধেনুৰ জন্ম।
ণ) ১৯৬০-৬১ চনত অসম শাসকীয় ভাষা অধিনিয়খন বিধানসভাত গৃহীতকৰণ।
ত) ১৯৭২-৭৯ চনত বিদেশী বিতাড়নৰ আন্দোলন।

ইত্যাদি এশ এবুৰি সমস্যাত জুৰুলা অসমীয়া সাহিত্যৰ ভাৱ-চিন্তালৈ ন-ন ভাৱৰ আগমনে বৰ্তমান সাহিত্যক নতুনত্ব প্ৰদান কৰিছে।

সাম্প্ৰতিক পৰিস্থিতিলৈ লক্ষ্য ৰাখি সৃষ্টি হোৱা কবিতাৰ নতুন ধাৰাটোক সাম্প্ৰতিক কবিতা নামেৰে নামকৰণ কৰা হ'ল। শেহতীয়া অসমীয়া সাহিত্যৰ ধাৰাত বিশ্বায়নৰ প্ৰভাৱো নিশ্চয় মন কৰিবলগীয়া।

সামৰণি ঃ

অসমীয়া সাহিত্যৰ বুৰঞ্জীত সাম্প্ৰতিক সাহিত্যৰ গতি-বিধি, ৰূপবস্তু-ভাৱবস্তু, ভাষা তাত্বিক দিশ, সাহিত্যত বিভিন্ন বাদৰ প্ৰভাৱ, দেশী-বিদেশী লেখকৰ ছাঁ, অৰ্থনৈতিক, ৰাজনৈতিক প্ৰভাৱেৰে পুষ্ট ন-ন বিষয়বস্তু আদিলৈ লক্ষ্য ৰাখি হয়তো পুনৰ ন-ন নামেৰে যুগ বিভাজন হৈ উঠিব। হয়তো পুনৰ ন-ন সমস্যাৰ উদ্ভৱ হ'ব আৰু পৰৱৰ্তী যুগত তাৰ নিশ্চয় সুকীয়া সুকীয়া বিচাৰ বিশ্লেষণো হৈ থাকিব।

সাহিত্যৰ বুৰঞ্জীত 'অসমীয়া সাহিত্যৰ যুগ বিভাজনৰ সমস্যা'ৰ চূড়ান্ত বিশ্লেষণ আগবঢ়োৱাটো সম্ভৱপৰ নহয়। এই আলোচনাটি প্ৰস্তুত কৰাৰ সময়ত আমি ক্ৰমে দেবেন্দ্ৰনাথ বেজবৰুৱাৰ যুগ বিভাজন, শিৱনাথ বৰ্মনৰ দ্বাৰা সম্পাদিত 'অসমীয়া সাহিত্যৰ বুৰঞ্জী', ড° হৰিনাথ শৰ্মা দলৈৰ 'অসমীয়া সাহিত্যৰ পূৰ্ণ ইতিহাস'ত উল্লিখিত যুগ বিভাজন আদি উল্লেখ কৰাৰ পৰা বিৰত থাকিলোঁ। আমি মূল মূল সমস্যাবোৰ ভিন ভিন সমালোচকৰ দৃষ্টিৰে আঙুলিয়াই দিবলৈ সামান্যতম প্ৰচেষ্টা কৰিলোঁ। এইখিনিতে লেখকৰ সীমাবদ্ধতাও স্বীকাৰ কৰিলোঁ।

প্ৰসঙ্গ পুথি ঃ

১। বেজবৰুৱা, দেৱেন্দ্ৰনাথ ঃ অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী।
২। গোস্বামী, হেমচন্দ্ৰ ঃ অসমীয়া সাহিত্যৰ চানেকি।
৩। নেওগ, ডিম্বেশ্বৰ ঃ আধুনিক অসমীয়া সাহিত্যৰে বুৰঞ্জী।
৪। নেওগ, ডিম্বেশ্বৰ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভুমুকি।
৫। নেওগ, ডিম্বেশ্বৰ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী।
৬। কাকতি, বাণীকান্ত ঃ Assamese, Its Formation & Development
৭। ভুঞা, সূৰ্যকুমাৰ ঃ Studies in the Literature of Assamese
৮। বৰুৱা, বিৰিঞ্চিকুমাৰ ঃ Modern Assamese Literature
৯। নেওগ, মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা।
১০। শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত।
১১। সেন, সুকুমাৰ ঃ ভাষাৰ ইতিবৃত্ত।

# বিজ্ঞান মানসিকতাৰ প্ৰয়োজনীয়তা

টংকেশ্বৰ বৰুৱা
সহযোগী অধ্যাপক
সোণাৰি মহাবিদ্যালয়

কেৱল বিজ্ঞান জনা মানুহবে বিজ্ঞান মানসিকতা থকাৰ প্ৰয়োজন এনে নহয়, বিজ্ঞানৰ উচ্চ ডিগ্ৰী থকা জনৰো বিজ্ঞান মানসিকতা নাথাকিব ববে, অৰ্থাৎ বৈজ্ঞানিক মানসিকতাৰ গৰাকী হ'বলৈ হ'লে কোনো মানুহ যে বিজ্ঞানী হ'ব লাগে সেইটো নুবুজায়। প্ৰকৃতাৰ্থত বিজ্ঞান মানসিকতা বুলিলে সূক্ষ্ম পৰ্যবেক্ষণ, বিশ্লেষণাত্মক দৃষ্টিভংগী, যুক্তিপূৰ্ণ বিচাৰ বিবেচনাৰে সত্যক প্ৰতিষ্ঠা কৰা মানসিকতাকে বুজা যায়। সমাজজীৱনৰ উত্তৰণৰ লগত বিজ্ঞান মানসিকতা ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। পুৱাৰ পৰা ৰাতিৰ লৈকে ঘটি থকা প্ৰতিটো পৰিঘটনা, বিভিন্ন ধৰণৰ কাম্য বিজ্ঞানৰ লগতেই জড়িত। বিজ্ঞান সদায় সত্যৰ ওপৰত প্ৰতিষ্ঠিত। বিজ্ঞানীসকলে সত্য অনুসন্ধানৰ বাবে যিদৰে চিন্তা কৰে, কাম কৰাৰ পদ্ধতি প্ৰয়োগ কৰে, সেই পদ্ধতিৰে আমাৰ জীৱনৰ সমস্যাবোৰো সমাধান কৰিবলৈ শিকিলেই আমাৰ বিজ্ঞান মানসিকতা গঢ় লৈ উঠে। বিজ্ঞানীসকলৰ ব্যক্তিত্বত যিদৰে ধৰ্য, অধ্যৱসায়, কষ্টসহিষ্ণুতা, সহনশীলতা, বৌদ্ধিকতা, উদাৰতা, দূৰদৰ্শীতা আদি গুণবোৰ দেখিবলৈ পোৱা যায়, সেইদৰে বৈজ্ঞানিক মানসিকতা থকা ব্যক্তিও তেনে গুণৰ অধিকাৰী হয় আৰু এই গুণবোৰ আমাৰ যি কোনো কাম কথাৰ বাবে আগবাঢ়িবলৈ যোৱা ব্যক্তিকেই প্ৰয়োজন হয়।

আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিজ্ঞান মানসিকতা থকাৰ অতিব প্ৰয়োজন যদিও তেনে হৈ নুঠে, তাৰ ফলত বিজ্ঞান এটা জটিল বিষয়লৈ পৰিগণিত হয়। তেওঁলোকৰ মাজত বিজ্ঞান মানসিকতা গঢ়লৈ নুঠাৰ কাৰণ হিচাপে দেখা গৈছে যে দীৰ্ঘকাল তেওঁলোকে বিজ্ঞান অধ্যয়ন কৰে যদিও আমাৰ প্ৰচলিত শিক্ষা ব্যৱস্থাত কেইবাটাও বছৰ তেওঁলোকক বিজ্ঞানৰ তাত্ত্বিক (Theory) দিশটোৰ লগতে জড়িত কৰি ৰখা হয়। বিজ্ঞানী সকলে অতি কষ্ট কৰি আৱিস্কাৰ কৰি থৈ যোৱা সূত্ৰ, তত্ত্ববোৰ কম সময়ৰ এটা শ্ৰেণীটে ব্যাখ্যা কৰি শেষ কৰা হয়, কিন্তু প্ৰায়োগিক (Practical) দিশৰ লগত জড়িত কৰা নহয়। ফলত ছাত্ৰ-ছাত্ৰীয়ে মুখস্থ বিদ্যাৰে পৰীক্ষা বৈতৰণী পাৰ হ'ব লগা হয়। কম সংখ্যক শিক্ষকেহে বিজ্ঞান হাতে কামে কৰি শিকা বিষয় হিচাপে গণ্য কৰি সহজ লভ্য সামগ্ৰী ব্যৱহাৰ কৰি পৰীক্ষা নিৰীক্ষাবোৰ কৰি দেখুৱাই ছাত্ৰ-ছাত্ৰীক অনুপ্ৰাণিত কৰে, তাৰ ফলস্বৰূপে যিদৰে ছাত্ৰ-ছাত্ৰীসকলৰ বিজ্ঞান মানসিকতা গঢ় লৈ উঠিব লাগে, সেই দৰে গঢ়লৈ নুঠে। যাৰ বাবে বিজ্ঞান পঢ়িবলৈ ইচ্ছা থকা ছাত্ৰ-ছাত্ৰীক প্ৰকৃত বিজ্ঞানৰ সুৱাদ লোৱাত অন্তৰায় হিচাপে দেখা দিয়ে আৰু মাথো প্ৰয়োজনৰ খাতিৰতহে বিজ্ঞান অধ্যয়নৰ বাবে আগবাঢ়ি যায়।

বৈজ্ঞানী অনুসন্ধান প্ৰণালীৰ লগত্ কি কিয় আৰু কেনেকৈ আদি প্ৰশ্নবোৰ জড়িত হৈ থাকে। আমাৰ সমাজ জীৱনৰো কাৰ্য ব্যৱস্থা সমূহৰ লগত এনে বিজ্ঞান মানসিকতা জড়িত কৰিলে সমস্যাসমূহৰ সমাধানত বিজ্ঞান মানসিকতাৰ বহুত উদাহৰণ দাঙি ধৰিব পাৰি। ৰাজহুৱা স্থানত সমাজৰ পৰিপন্থী আচৰণৰ পৰা আঁতৰত থকা, ৰাস্তাত অহা যোৱা বহুততে নিয়মনীতি মানি চলা, নিজৰ ৰাস্তা, পদূলি পৰিষ্কাৰ কৰি ৰখা, নলা, নৰ্দমাই যাতে প্ৰদূষণ সৃষ্টি কৰিব নোৱাৰে তাৰ ওপৰত সজাগ দৃষ্টি ৰখা আদি কাৰ্যবোৰ বৈজ্ঞানিক মানসিকতাৰেই পৰিচায়ক।





বৰ্তমান সময়তো দুখীয়া জনজাতি তথা আদিবাসীসকলৰ মাজত ডাইনী সন্দেহত হত্যাৰ দৰে ঘটনা ঘটি অন্ধবিশ্বাসৰ কৱলত পৰিব লগা হৈছে। সজাগতামূলক ব্যৱস্থাৰ যোগেদি তাক নিৰাময়ৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰি সেইসকলৰ প্ৰতি সহমৰ্মিতা তথা সমমৰ্যদা প্ৰদৰ্শন কৰিবলৈ প্ৰতিজন সচেতন লোকৰ বিজ্ঞান সন্মত যুক্তিপূৰ্ণ চিন্তা চৰ্চাৰ প্ৰয়োজন আছে। আমাৰ পৌৰাণিক ঐতিহ্য সমূহ যেনে - ৰজাদিনীয়া পুখুৰী, দৌল, দেৱালয় আদিতো বৈজ্ঞানিক কলা কৌশল দেখিবলৈ পোৱা যায়। আমাৰ সমাজত প্ৰচলিত খাদ্যাভাস, কুটিৰ শিল্প, ৰেচম শিল্প কৃষিৰ কৌশল আদিত বিজ্ঞান মানসিকতা পৰিচয় পোৱা যায়।

অন্যহাতেদি প্ৰাকৃতিক কাৰণত বা বংশগতিৰ কাৰণত প্ৰাণী বা উদ্ভিদৰ অস্বাভাৱিক আচৰণ দেখিলে পূজা, অৰ্চনা আয়োজন কৰা, অলৌকিক ঘটনা বুলি তাৰ দ্বাৰা ৰোগৰ চিকিৎসা কৰাৰ লগতে বিপদ বিঘিনি নাশৰ বিধান লোৱাটো কোনো বিজ্ঞান মানসিকতাৰ পৰিচায়ক নহয়। বন্যপ্ৰাণী নিধনৰ যোগেদি প্ৰাকৃতিক ভাৰসাম্য বিনষ্ট কৰি জধে মধে কল কাৰখানা উদ্যোগ বহুৱাই জৈৱ বৈচিত্ৰ (Bio-diversity) নষ্ট কৰাটো কোনো বিজ্ঞান মানসিকতা নহয়। বিবাহৰ সময়ত ল'ৰা-ছোৱালীৰ কোষ্ঠী মিলোৱাতকৈ তেজৰ গ্ৰুপ চোৱাটোহে প্ৰয়োজন কাৰণ বৰ্তমান বৈজ্ঞানিক গৱেষণাই প্ৰমাণ কৰিছে যে অনুপযুক্ত ৰক্তগ্ৰুপৰ মিলনৰ ফলত শিশুৰ মৃত্যু, গৰ্ভপাত, অসুস্থ শিশুৰ জন্ম হ'ব পাৰে। যিহেতুকে যুক্তি, বিবেনা, বিশ্লেষণ, উপযুক্ত প্ৰমাণেই আমাৰ সমস্যাসমূহৰ সমাধানৰ মাপকাঠি। গতিকে অতীত আৰু বৰ্তমানৰ পৰা বৈজ্ঞানিক বোধৰ শক্তি আহৰণ কৰি বিজ্ঞান মানসিকতাৰে পৰিপূৰ্ণ এখন সমাজ গঢ়াত আমাৰ সকলোৰে দায়িত্ব আৰু কৰ্তব্য হোৱা প্ৰয়োজন।

## Amazing Facts

1. **Have you ever given a thought as to what the name 'Assam' stands for?**
   Well, Assam is derived from the Sanskrit word 'Asama' meaning peerless or unequalled.

2. **All the time it was there but we never knew :**
   Is it not surprising to believe that 'Umachal Silalipi' discovered on Nilachal Hills of our Guwahati is the oldest inscription found till date.

3. **Yet another proud moment for Assam.**
   Dr Bhupen Hazarika won the International Pacific Award and the music director of 'Rudali, has become the first Assamese to be honoured with such an award.

4. **Too good to believe!**
   It is said that there are few Assamese who can identify timber by touching it even in darkness, and can also produce a series of items from it.

5. **Too Hot even for Mexicans!**
   Naga 'Jolokia' found in the north eastern side of Assam has surpassed the pungency lives of Red Samina Habanero, a variety found in Mexico popularly known as Mexican Chilli. The hotness of Naga 'Jolokia' (Chilli) measured in Seoville Units was 855 units compared to Mexican Chilli's 577 Units.

6. **It hardly Hurts when fame spreads.**
   Patesh Talukdar, a 25 year old guy from Assam state, pierced his face with 23 needles during an attempt to make it into the annuals of the Guiness Book of World Record.

# Entrepreneurship Education & Training in Empowering Youth

**Pronita Kalita**
Assistant professor
Department of Education, Sonari College

The emergence of globalization, the need of first-hand knowledge to counter the new challenges of knowledge-based economic environment, the exigency of creating sufficient scope of employment, the urgency to combat poverty with a new dimension and approach have centered the focus of the present decade in entrepreneurship and it has been viewed as the most potent measure for the empowerment of youth. The nations are gradually acknowledging the rationality of this argument and significant studies. researches; reports are being archived in this respect throughout the world. Obviously, in this changed circumstances the most sought-after aspect in the process of human resource development is entrepreneurship education and training for the young generation and in a country where youth are the most formative determining factor in all arena, it is the most vital question how to mould them as successful entrepreneurs; and the answer to this query will decide on which way the nation will drag the line of its progress and probability.

Entrepreneurship is not a new concept for many nations, but it has drawn the attention of the economic policy-makers, universities, NGOs etc. greatly in this era of globalization. Entrepreneurship is a process that leads a person towards constant growth of his innovativeness, contrivances, aptitudes and creativity. It is the driving force of economical development, job creation and poverty reduction. The European Commission, 2008 says, "Entrepreneurship refers to an individual's ability to turn ideas into actions. It includes creativity, innovation and taking calculated risk, as well as the ability to plan and manage projects in order to achieve objectives. This supports everyone in day to day life at home and in society; makes employees more aware of the context of their work and better able to seize opportunities and provides a foundation for entrepreneurs establishing a social or commercial activity."

As entrepreneurship brings new ideas to life through innovation, creativity and the desire to build something of lasting value, it is the duty of every educated person to foster entrepreneurship education. Education defines a systematic procedure and method of approaching a subject-matter. Entrepreneurship education and training provide two connotation; one relating the issues of pedagogy, i.e. what the most appropriate way to deliver entrepreneurship education and training, and the other focusing on the effectiveness and appropriateness, i.e. what type of education and training have the greatest impact.

Prof. K Kumer, faculty in IIM, Bangalore, asserts, "Entrepreneurship is a kind of a holistic subject. It is a portfolio of knowledge. It offers two components -one is the business component and other one is the entrepreneurship component. The business component acts as a safety net for those students who might not feel like starting their own ventures immediately and the entrepreneurship component is inspirational net that is going to instill passion and skill." In 1947 Harvard University initiated offering entrepreneurship education and in the next 50 years it established itself as the most demanding course of studj for the young generation as well as the for the ecosystem of a nation. The demand has been driven by the students themselves and the universities around





the world cannot neglect the possibilities, it promises. Consequently, courses are being introduced in every stags and stream of education and in India also different institutions are offering a handful of courses befitting the socio-economic environment. These, are :-

| Name of the Course | Duration | Qualification |
|---|---|---|
| Advanced Diploma in Enterprise Management | 6months | Graduation |
| Certificate Course in Export Marketing | 4months | Graduation |
| Certificate Course in International Business Language | 5 months | Graduation |
| Certificate Course in International Trade Logistic | 4 months | Graduation |
| Diploma/Certificate Course in Entrepreneurship Dip./10+2 (3yrs exp.) | 6months/1yr | Graduation/ |
| Diploma in Entrepreneurshlp | 9 months | Graduation |
| Diploma in Planning and Entrepreneurship | 2 years | 10+2 |
| Executive Master in International Trade | 1 year | Graduation |
| Executive MBA+M.Com/PGDBA | 2 years | Graduate |
| Executive Post-Graduate Program | 3 years | Graduation |
| Executive Post-Graduate Diploma in Management | 3years | Bachelors/ Master with 5yrs exp. |
| Fellow Program in Management(Doctoral level) B.E.,M.E., P.G. B.A.(General-Human ResourceDevelopment Marketing, Operations Research and Finance) | 2years 6months | Graduation |
| PG Dip. in International Business/ Small Business and Management of services/ Entrepreneurship | | |
| PG Dip. in Management of Small & Medium Enterprises | 1 year | Graduation |
| PGDBA | 2years | Graduation |
| PGDBM | 2years | Graduate |
| PG Dip. in Entrepreneurship Management | 9months | Graduation |
| Middle level executive PGDEM | 6months | Graduation |

Universities in India are coming forward offering entrepreneurship education and training in collaboration with other public or private sector enterprises. Some of the reputed and prestigious institutions offer entrepreneurship courses in India providing both degree and diploma programs on entrepreneurship. These are:

IIM, Ahmedabad, Bangalore, Kolkata.

All India Management Association Center for Management Education, New Delhi.

Indian Institute of Foreign Trade (IIFT), New Delhi.

Entrepreneurship Development Institute of India, Gujarat.

FICCI, New Delhi.

Small Industries Service Institute, New Delhi.

National Science and Technology Entrepreneurship development, New Delhi.

National Institute for Entrepreneurship & Small Business Development (N1ESBUD), New Delhi.

ASEED and Entrepreneurship Development Institute of India (ED1I), New Delhi.

Indian Institute of Planning and Management (IIPM), New Delhi.

Institute of Marketing and Management (IIM), New

Delhi.
Xavier Labour Relations Institute (XLRI), Jharkhand.
Xavier Institute of Management (XIM), Orissa.
Management Development Institute, Haryana.
Indian Institute of Information Technology and Management (IIITM), Madhya Pradesh.
* Center for Entrepreneurship Education & Research, Entrepreneurship training institutions created under Small Industries Development Organization (SIDO) are:
Indian Institute of Entrepreneurship, Guwahati.
National Institute of Small Industry Extension Training (NISIET)
National Institute of Entrepreneurship and Small Business Development (NIESBD).
Integrated Training Centre for Industries (ITCI)
Small Entrepreneurship Promotion and Training Institution (SEPTI).

According to the United Nation's World Youth Report 2005, about 209 million young people live on less than US$1 a day and around 515 million live on less than US$2 a day. People between the ages of 15—24 make up a quarter of the world's working population, but they represent half of its unemployed. And this alarming picture says enough to assert the importance of entrepreneurship education for the youths. It is the most resourceful answer to the problems of unemployment and poverty. The demand for market leaders in this globalization era tries to engage more and more young people in the business-sector, whether it is in an enterprise or it is a self-venture. And entrepreneurship education and training are relevant and demanding in this transformation of the youths into able entrepreneurs. It unfolds new scopes and possibilities for the young generation in the struggle for existence. Entrepreneurship is not only about creating business plans and starting new ventures, but it also addresses creativity, innovation, and growth. It changes the complete outlook of a youth.

Entrepreneurship education and training is more specific to youth due to global increase in the numbers of young people. Only empowering this young generation a nation can step en route to prosperity. Competitiveness, innovation, and economic growth, depend on being able to produce future leaders with the skills, attitudes, and behavior to be entrepreneurial and to act at the same time in a socially responsible way. Obviously, these future leaders are to be drawn from the youths of the country. Entrepreneurship education and training are those set of organized activities which help the youths in taking initiative linking their thoughts and into action. It pours in the young generation fresh vigour, the sense of self-confidence, a desire to take challenges and an attitude.

There are examples everywhere which can reveal the promising picture of youth empowerment through entrepreneurship. Starting with a very low capital, lots of youths have succeeded in proving the vast probabilities, they are harvesting in their ventures. Entrepreneurship education and training have cultured their innovativeness and calculated risk management skills to persuade them to go for any non-conventional measure for their self-empowerment. Entrepreneurship education is not an option or extra bit of learning. It is a necessity in the contemporary society. Ubiquitous entrepreneurship and innovation should be encouraged and it must not be limited to those only who actually start companies. Entrepreneurship is not an inborn quality; it is an ability developed by a series of learning and activities. More initiative should be taken by individuals, universities, Governments, and policy-makers to promote entrepreneurship education and training in school and college level.







# জ্যোতি প্ৰসাদ আগৰৱালাৰ নাট্য বৈশিষ্ট্য

ৰঘুনাথ কাগয়ুং

আধুনিক অসমীয়া নাটকৰ গতি প্ৰকৃতিৰ নতুন দিগন্তৰ সূচনা কৰোঁতে জ্যোতি প্ৰসাদৰ নাটকসমূহ বিচাৰ বিশ্লেষণ কৰিলে বহুকেইটা বৈশিষ্ট লক্ষ্য কৰা যায়।

জ্যোতি প্ৰসাদ আগৰৱালাৰ নাটকৰ এটা প্ৰধান বৈশিষ্ট হ'ল প্ৰতিখন নাটকতে সুকীয়া নাট্য ৰীতিৰ অৱলম্বন। তেওঁৰ কোনো এখন নাটকৰ লগতে কোনো এখন নাটকৰ নাট্য ৰীতিৰ সাদৃশ্য নাই। প্ৰতিখন নাটকতে পৃথক নাট্য ৰীতিৰ প্ৰয়োগে তেওঁৰ নাটকবোৰক প্ৰদান কৰিছে একক, অভিনৱত্ব আৰু অগতানুগতিকতা।

গদ্যধৰ্মী নাট্য ৰীতি আৰু পদ্যধৰ্মী নাট্যৰীতিৰ অৱলম্বন— জ্যোতি প্ৰসাদ আগৰৱালাৰ নাটকৰ অন্যতম বৈশিষ্ট। 'সোণপখিলী' আৰু 'নিমাতী কইনা' বা 'ৰূপকোঁৱৰ' নাটকৰ কাব্যধৰ্মী নাট্য ৰীতি অৱলম্বন কৰাৰ বিপৰীতে 'শোণিত কুঁৱৰী, কাৰেঙৰ লিগিৰী, ৰূপালীম, লভিতা আদি বাকী কেইখনত গদ্যধৰ্মী নাট্য ৰীতি ব্যৱহাৰ কৰিছে। ইও জ্যোতি প্ৰসাদৰ নাটৰ আন এক বৈশিষ্ট্য।

প্ৰাচ্য আৰু পাশ্চাত্য দৰ্শনৰ সমন্বিত প্ৰকাশ তেওঁৰ নাটসমূহৰ অন্যতম মনকৰিবলগীয়া বৈশিষ্ট। তেওঁ এফালে পাশ্চাত্য নাট্য দৰ্শন গ্ৰহণ কৰিছে যদিও আনফালে ভাৰতীয় মূল শিপাৰ পৰা আঁতৰি যোৱা নাই। এফালে পাশ্চাত্য নাট্যৰীতিৰ প্ৰয়োগ কৰিছে, কিন্তু আনফালে জাপিনাচ আৰু পদুম কলি নাচৰ সমাহাৰ ঘটাইছে। আনহাতে এফালে পাশ্চাত্য অৰ্কেষ্ট্ৰা, ভায়লিনৰ ব্যৱহাৰ কৰিছে, আনফালে থলুৱা বাদ্য ঢোল, পেঁপাৰ ব্যৱহাৰ কৰিবলৈয়ো পাহৰা নাই।

জ্যোতি প্ৰসাদৰ আন এক নাট্য বৈশিষ্ট হ'ল বিস্তৃত ৰূপত মঞ্চ নিৰ্দেশনা। জ্যোতি প্ৰসাদৰ আগৰ অসমীয়া কোনো নাট্যকাৰে বিস্তৃত ৰূপত মঞ্চ নিৰ্দেশনা দিয়া নাছিল। জ্যোতি প্ৰসাদৰ মঞ্চ নিৰ্দেশনাৰ এই কৌশল জৰ্জ বাৰ্ণাৰ্ড শ্ব'ৰ আৰ্হিৰ অনুকৰণ বুলি ক'ব পৰা যায়।

জ্যোতি প্ৰসাদৰ নাটবোৰ গীত প্ৰধান। গীতিবিলাক নাটকীয় প্ৰয়োজনতহে ব্যৱহাৰ কৰিছিল, কেতিয়াবা চৰিত্ৰৰ মানসিক অৱস্থা চিত্ৰিত কৰিবৰ বাবে, কেতিয়াবা নাটকীয় পৰিৱেশ ৰচনাৰ তাগিদাত আৰু কেতিয়াবা নাটকীয় কাহিনীৰ দাবীত।

জ্যোতিপ্ৰসাদৰ নাটত নাৰী চৰিত্ৰ প্ৰাধান্য দেখা যায়। ইও তেওঁৰ নাটকৰ মনকৰিবলগীয়া বৈশিষ্ট্য। ৰূপালীমত ৰূপালীম আৰু ইতিভেন, কৰেঙৰ লিগিৰীত শেৱালি, কাঞ্চনমতী আৰু ৰাজমাও, লভিতাত লভিতা শোণিত কুঁৱৰীত উষা আৰু চিত্ৰলেখা, নিমাতী কইনাত নিমাতী আদি চৰিত্ৰই সামগ্ৰিকভাৱে নাট্য কাহিনীৰ বিকাশত প্ৰধান ভূমিকা গ্ৰহণ কৰিছে। নাৰী চৰিত্ৰৰ তুলনাত তেওঁৰ নাটকত পুৰুষ চৰিত্ৰৰ ভূমিকা তেনেই নিষ্প্ৰভ।

তেওঁৰ নাটকসমূহত নাৰী চৰিত্ৰই প্ৰাধান্য লাভ কৰা নাই। নাটসমূহ নায়িকা প্ৰধানো। ৰূপালীমৰ মায়াব', লভিতাৰ

গোলাপ বৰুৱা, শোণিত কুঁৱৰীৰ অনিৰুদ্ধ, কাৰেঙৰ লিগিৰীৰ অনঙ্গ আদি পুৰুষ চৰিত্ৰবোৰ নাট্য কাহিনীৰ কেন্দ্ৰবিন্দু হিচাপেহে নায়ক, তেওঁলোকৰ নায়কোচিত গুণত অভাৱ। কিন্তু ৰূপালীমৰ ৰূপালীম, লভিতাৰ লভিতা, কাৰেঙৰ লিগিৰীৰ শেৱালী, শোণিত কুঁৱৰীত ঊষা আদি নাৰী চৰিত্ৰবোৰ যথাৰ্থই নায়িকা। নায়িকাৰ থাকিবলগীয়া আটাইবোৰ গুণেই তেওঁলোকৰ গাত বিদ্যমান। এই অৰ্থত তেওঁৰ নাটকবোৰ নায়িকা প্ৰধান।

পৰিনাতিৰ ফালৰ পৰা জ্যোতি প্ৰসাদৰ নাটসমূহ বিয়োগাত্মক। শেৱালি সুন্দৰ কোঁৱৰ, কাঞ্চনমতী, অনংগ আৰু ৰূপালীম মায়াবৰ মিলন সম্ভৱ নহ'ল। ৰূপালীমক মৃত্যুদণ্ড বিহা হ'ল, শেৱালিয়ে গুলীয়াই হত্যা কৰিলে নাট্য পৰিণতিৰ এই ঘটনাবোৰ দুখাত্মক।

জ্যোতি প্ৰসাদৰ নাটকৰ আন এক বৈশিষ্ট হ'ল - নাটসমূহ চৰিত্ৰ প্ৰধান। তেওঁ নাটকত কাহিনীতকৈ চৰিত্ৰক অধিক গুৰুত্ব দিছে। সেয়ে তেওঁ নাটসমূহৰ নাম ৰাখিছে চৰিত্ৰৰ নামেৰে আৰু চৰিত্ৰক কেন্দ্ৰ কৰিয়ে নিৰ্মাণ কৰিছে নাটকীয় বিষয়বস্তু।

জ্যোতি প্ৰসাদৰ নাটকৰ মূল আধাৰ হৈছে কাব্যিকতাৰ প্ৰয়োগ। চৰিত্ৰসমূহৰ প্ৰেমানুভূতি প্ৰকাশক সংলাপবোৰত কল্পনাৰ কোমলতা, অনুভূতিৰ সূক্ষ্মতা আৰু আবেগৰ আকুলতাই নাটকসমূহ কবিত্বময়তা প্ৰদান কৰিছে।

জ্যোতি প্ৰসাদৰ নাটকৰ আন এক বৈশিষ্ট্য হৈছে 'প্ৰেমৰ প্ৰকাশ। প্ৰেমক কেন্দ্ৰ কৰি আৰম্ভ হৈছে নাট্য কাহিনী। তদুপৰি চৰিত্ৰসমূহৰ মাজত দ্বন্দ্বৰ সৃষ্টি হৈছে প্ৰেমক কেন্দ্ৰ কৰিয়ে। কাঞ্চনমতী অনঙ্গৰাম, ৰূপালীম, মায়াব, ঊষা-অনিৰুদ্ধৰ প্ৰেম কাহিনীয়েই সেই নাটৰ বিষয়বস্তু বুলিও ক'ব পৰা যায়।

জ্যোতি প্ৰসাদৰ নাটৰ আন এটা মন কৰিবলগীয়া দিশ হ'ল ত্ৰিকোন প্ৰেম কাহিনীৰ উপস্থাপন। ৰূপালীমত এফালে মায়াব-ৰূপালীম মণিমুগ্ধৰ মাজৰ ত্ৰিকোণ প্ৰেম, আনফালে ইতিভেন মণিমুগ্ধ ৰূপালীমৰ মাজৰ ত্ৰিকোন প্ৰেম দেখুওৱা হৈছে। একেদৰে, কাৰেঙৰ লিগিৰীত অনঙ্গৰাম কাঞ্চনমতী-সুন্দৰ কোঁৱৰৰ মাজৰ ত্ৰিকোন প্ৰেমৰ কাহিনী উপস্থাপন কৰিছে।

এইদৰে ফঁহিয়াই চালে জ্যোতি প্ৰসাদ আগৰৱালাৰ নাটকত ভালেমান বৈশিষ্ট দেখিবলৈ পোৱা যায়।


- Sankardeva endeavoured to take the culture to the people and he succeeded in it
  — ***Jyoti Prasad Agarwalla.***
- A time will come when Gandhism will be the main creed throughout the world.
  — ***Jyoti Prasad Agarwalla.***





# Dr. S. R. Ranganathan and his Five Laws of Library Science : An Introduction

**Sangeeta Roy, Librarian**




**INTRODUCTION:**

Dr. Shiyali Ramamrita Ranganathan, an Indian librarian and educator (mathematician), is known as the father of library science in India. He was born on 12th August, 1892 to Ramamrita. in Tanjore in British-ruled India. He was born in the small town of Shiyali now 'known as Shirkazhi), in Tamil Nadu. Ranganathan earned his B.A. and MA. in mathematics from Madras Christian College. After this, he went to earn a teaching license as his goal was to go for lifelong teaching of mathematics. He was a successful teacher of mathematics at the Universities at Mangalore, Coimbatore and Madras (all within the span of five years). As a mathematics professor, he published a handful of papers, mostly on the history of mathematics. He was the President of the Indian Library Association from 1944 to 1953. In 1957. he was elected as an honorary member of the International Federation for Information and Documentation (FID) and was made the Vice-President of the Library Association of Great Britain for lile. In 1957, Ranganathan was awarded Padmashree by (he Government of India for his valuable contribution in the field of Library Science. Ranganathan died on 27th September, 1972. Some of his notable works are:

1). Prolegomena to Library Classification
2). The Five Laws of Library Science
3). Colon Classification
4). Ramanujan: the Man and the Mathematician
5). Classified Catalogue Code: With Additional Rules for Dictionary Catalogue Code
6). Library Administration
7). Indian Library Manifesto
8). Library Manual for Library Authorities. Librarians, and Library Workers
9). Classification and Communication
10). Headings and Canons: Comparative Study of Five Catalogue Codes

**FIVE LAWS OF LIBRARY SCIENCE:**

The five laws of Library Science were enunciated by the father of library science in 1928. He was in the search of some of the principles which could be used in a library to tell us how to use a

library and what should be done in the field of management, organization and efficient universalize of its services. The outcome of his search and thinking are the five laws of library science which are:

(1). Books are for use
(2). Every reader his/her book
(3). Every book its reader
(4). Save the time of the reader and
(5). The library is a growing organism

**FIRST LAW: BOOKS ARE FOR USE**

The traditional practice of a library was to preserve books rather than using. But, with the passage of time this concept of preservation got changed to use library books as much as possible. According to this law, each and every book present in a library is for use and not merely to be preserved in stacks or almirahs. So. the policies which are applied in a library should be helpful in promoting the objective of maximum use of the library books. The first law constitutes the basis for the library services. Dr. Ranganathan observed that books were often chained to prevent their removal and that the emphasis was on storage and preservation rather than use. He did not reject the notion that preservation and storage were important, but he asserted that the purpose of such activities was to promote the use of them. Without the use of materials, there is little value in the item. By emphasizing use. Dr. Ranganathan re-focused the attention of the Held to access-related issues, such as the library's location, loan policies, hours and days of operation, as well as such the library furniture and the quality of staffing. The location of a library, library hours, librar/ building and furniture and library staffs; all these factors determine the efficient and sensible use of library books.

**SECOND LAW: EVERY READER HIS/HER BOOK**

This law means that books are for all the readers. This law stands for the mandatory provision of library services to each according to his/her needs of material or information. This law suggests that every member of the community should be able to obtain materials needed. Dr. Ranganathan felt that all individuals from all social environments were entitled to library service, and that the basis of library use was education, to which all were entitled. These entitlements were not without some important obligations for both libraries/librarians and library patrons. Librarians should have excellent first-hand knowledge of the people to be served. Collections should meet the special interests of the community, and libraries should promote and advertise their services extensively to attract a wide range of readers. Library users/readers (students, teachers, office staffs. Alumnus) etc. should be able to use his/her book of interest.

**THIRD LAW: EVERY BOOK ITS READER**

In this law, the emphasis has been more on the book as every kind of book should have an appropriate reader to read it. Each book which is present in a library should be of usable kind and not that of unused book. This principle is closely related to the second law. but it focuses on the item itself, suggesting that each item in a library has an individual or individuals who would find that item useful. Dr. Ranganathan argued that the library could devise many methods to ensure that each item finds it appropriate reader. One method involved the basic rules for access to the collection, most notably the need for open shelving. Therefore, a library while purchasing books should keep in mind that only usable books should be purchased otherwise it is merely a dead investment or a waste.

**FOURTH LAW: SAVE THE TIME OF THE READER**

Library users arc mainly busy people so they should not be made to wait longer than necessary to get their needs meet. This law isArecognition to the part of the excellence of library service in its ability to meet the needs of the library users efficiently. Dr. Ranganalhan recommended the use of appropriate business methods to improve library management. He observed that centralizing the library collection in one location provided distinct advantages. He also noted that excellent staff would not only include those who possess strong reference skills, but also strong technical skills in cataloging, cross-referencing, ordering, accessioning, and the circulation of materials. Therefore, nowadays, automation and open access system plays an important role in meeting this law's demand of" saving the time of library users.

**FIFTH LAW: THE LIBRARY IS A GROWING ORGANISM**

This law states that library is a growing organism and library has been called an organism not organization. It characterizes library as a living institutional organism. This law focuses more on the need for internal change than on the changes in the environment itself. Dr. Ranganathan argued that library organizations must accommodate growth in staff, the physical collection, and patron use. This involved allowing for growth in the physical building, reading areas, shelving, and in space for the catalog. When we say that a library grows, we mean its components like the book stock, the staff, the readers and its physical infrastructure (building, furniture, equipments) grows. A library is considered as a dynamic growing entity. So, future provision to build the library building should always be there as it mainly grows in its collections (books).

**REFERENCES:**

1). en.wikipedia.org/wiki/S._R._Ranganathan (accessed on 15-05-14) .
2), en.wikipedia.org/wiki/Five_Jaws_of_Hbrary_science (accessed on 19-05-14)
3). Pandey. Ravindra. (2008). Popular Master Guide UGC-NLT/SLET Library and Information Science, Ramesh Publishing House, New Delhi.

**মহৎলোকৰ বাণী**

➢ জীয়াই থকাটোৱেই একমাত্ৰ উদ্দেশ্য নহয়, ভালদৰে জীয়াই থকাটোহে জীৱনৰ সাৰ কথা।

— এৰিষ্টটল

➢ যি আনৰ সৰ্বনাশ চিন্তা কৰে সি নিজৰ সৰ্বনাশ নিজে মাতি আনে।

— মহাত্মা গান্ধী

# The School Library and its Importance in Our Present Society : An Analysis

**Nijumoni Changmai**
Asstt. Libraina, Sonari College

**1. Introduction:**

Education is a life long process. A school student learns through formal education in the class-room but he can learn for more by using the library. If we recognize the importance of informal education, then library method must get due place. A school library should be made the hub of activities going on in a school. A student can use it for education, information, recreation and inspiration etc. A student can use it for preparatory work, parallel reading and follow-up work. On the other hand, a student interested in preparing a scientific model or writing an essay for a competition, or wishing to improve his athletic performance can take the help of the library. A school library can play a very important role in helping the educational system to achieve its goal.

**2. Importance of the School Library:**

(a) Progressive Education: The School library proves to be instrumental in putting progressive methods of teaching like the Dalton plan and project method into practice.

(b) Self Education: It provides self study and self education supplements class works by increasing student's vocabulary. As it is not possible for a single student to afford to purchase all the books that he needs the school library comes to his assistance and helps him read any number of books he feels interested in.

(c) Broadening Gut-look: A school library broadens the outlook of the student by placing before them a vast store of useful information that has accumulated through the ages.

(d) Wider Interest: The students develop wider interests and are encouraged to write their own books when they grow up.

(e) Help in Extra Curricular Activities: It assists the students in preparing themselves for taking part in the various co-curricular activities of the school. They get valuable information contests, giving lectures and writing for the school magazine.

(f) Use of Leisure: Library reading is a good leisure time hobby. It provides an opportunity for the right use of ones leisure time. It conserves the time and energy otherwise to be worked in cards, games, gossiping and cinemas.

(g) Love of Books: Library develops habits of the students to derive pleasure and information from recreational and informative books.

(h) Discipline: Library solves the problem of school discipline by providing an opportunity of the students to make the best use of leisure time.

(i) Punctuality: By impressing upon students the necessity of borrowing and returning books in time the library imparts training in punctuality.

(j) Silent Reading: The library develops the habit of silent reading. Borrowing and returning are the watch-words of a library.

**3. School Library Services:**

A school library is a service library. Therefore it should provide open access to documents. These are acquired and processed for use. In order to perform its function, a school library can provide a variety of services. No services should be considered less important but other certain circumstance a librarian may not be able to devote enough attention to eaeh of these. A school library provides flowing services.

(a) Display of material and information.
(b) Organization of story hour, book talks, book debates, essay competition, quiz etc.
(c) Readers advisory' services
(d) Circulation of materials
(e) Reservation of materials





(f) Bibliographic instruction
(g) Assistance of the use of catalogue
(h) Assistance of the search and location of materials
(i) Assistance of the use of reference books
(j) Preparation of reading list etc.

**4. Objective of the Study:**

(a) To know about the importance of school library.
(b) To bring the awareness among the school students.

**5. Important library Resources:**

Some important book resources are -

(a) Books Resources: Books are essential for presenting different points of view, for providing adequate background, for understanding the people, the processes and the places. Books resources include - text book, literary materials, reference materials etc.

(b) None Book Resources: Modern Curriculum is concerned with happenings in the local community, the state, the nation and the world. Therefore, books should be supplemented by periodicals, pamphlets, newspapers, and other such materials which may vitalize the teaching of subject. The following are the important non-book resources which should be available in the school library. These are -periodicals, pamphlets, newspaper, special document and publication and audiovisual or non reading materials.

On the other hand, for a school library to work efficiently is that it must have separate room, storage room, and work room, adequate furniture, display boards, show window, proper organization, adequate books, and practical books, periodical and magazine and proper atmosphere.

**6. Duties of the School Librarian:**

Each school must have a trained and qualified librarian who has undergone in service training in library techniques. He has a special part to play in making library services popular. He should enjoy books, library' works and library. His fundamental aim should be to get as many books into as many hands and their contents into as many heads as possible. The librarian must be capable of discharging the functions with success and ability. He must prepare and circulate book list suitable for different grades, conducting study projects and study circles, giving due publicity to books old and new. He should ensure that individual reading is progressive. He should possess a tactful, sympathetic approach. He should have a cheerful and easygoing disposition.

**7. Devices to Motivate the Students to Utilize Library:**

(a) Creating link between student and the book. One of its most important objectives of the library to develop in the students a love for books and reading. It is therefore necessary to create a personal and informal link between the students and the book.

(b) Story telling is very effective in rousing interest in books.

(c) Reading group may be organized. Students may be asked to keep diaries of what they have read. They may be invited to give brief resumes of the books they have read, or to suggest titles of subjects for addition to the library.

(d) Birthdays of great men and days of national importance may be celebrated. The students may be urged to write articles and draw illustration on these occasions. Good articles and illustrations may be displayed on Bulletin Boards.

(c) Brief comments, informal reading and talks with individual children often help to rouse interest in books.

**8. Conclusion:**

The school years are formative ones. The library habit including reading habit must be formed at the school stage. The teacher and the librarian should do everything they can for the cultivation of use of library habit. Education being a life long process — a school library serves as a steeping stone in this direction. A student going to school would very often have his first contact with the world of books through a school library. On the other hand, at this stage child has an impressionable mind. Once he is able to form the habit of using the library, there is a great probability that he would continue the same throughout his life.

**Bibliography :**

1. Bhatnagar, S.S (2009) Educational Management, R.Lall Book Dept. Meerut.
2. Sundari, D. Rita Suguna. (2014) Edutracks. May Vol. 13-No.9.

# অসমৰ বৰ্তমান পৰিস্থিতিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰাসংগিকতা

বিতোপন কলিতা
স্নাতক দ্বিতীয় যান্মাসিক, প্ৰাণীবিজ্ঞান বিভাগ

অসমীয়া সমাজৰ সংস্কৃতিৰ ফুলনিত যি দুপাহ পংকজ ফুলি উঠিছিল সেই দুপাহেই হৈছে সৰ্বগুণাকৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু অতুলনীয় গুণধৰ মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ। প্ৰেম, ত্যাগ, ভ্ৰাতৃত্বৰ মনোভাৱেৰে সকলোকে বান্ধিব নোৱাৰিলে যে নিপীড়িত জনগণৰ মুক্তিৰ পথ ৰুদ্ধ সেই কথা হৃদয়ঙ্গম কৰিব পাৰিছিল বাবেই মহাপুৰুষ দুজনাই একশৰণ নামধৰ্ম প্ৰচাৰাৰ্থে কলম হাতত তুলি লৈছিল আৰু আজীৱন ভক্ত হৃদয়ৰ প্ৰেম মন্দাকিনী ধাৰা বোৱাই দিছিল - সাৱলীল ভাষাৰে গীত, পদ, নাট ঘোষা আদিৰ মাজেৰে।



মহাপুৰুষ শংকৰদেৱ আছিল অসমীয়া সাহিত্য সংস্কৃতিৰ এজন মহান সাধক। ধৰ্ম আৰু সমাজ গঠনত অসমীয়া মানুহক বাট দেখুৱাই যোৱাৰ উপৰিও সাহিত্য সংস্কৃতিলৈ বিপুল বৰঙণি এৰি থৈ গৈছে। নিৰ্বিবাদে স্বীকাৰ্য যে অসমীয়া ভাষা, ধৰ্ম, সংস্কৃতিৰ প্ৰাণদাতা জাতীয় গুৰু শংকৰদেৱ। সামাজিক উদ্ভৱ প্ৰভাৱবোৰ প্ৰগতিশীল দৃষ্টিকোণৰ শান্ত কৰি সমাজক মানৱীয় ভিত্তিত গঢ় দি তোলা মহান প্ৰতিভা সেই সমসাময়িক যুগত শ্ৰীমন্ত শংকৰদেৱৰ বাহিৰে আন ক'তো দেখা নাযায়। সেই বাবেই আজি স্মৃতি বিচ্যুত অসমীয়া জাতীয় সংকটৰ সন্ধিক্ষণত শ্ৰীমন্ত শংকৰদেৱৰ বৈপ্লৱিক ব্যক্তিত্ব আৰু অৱদানৰ মৰ্ম হৃদিগত কৰিবলৈ তেওঁৰ প্ৰদৰ্শিত পথেৰে আগব নাবাঢ়িলে পৰ্বত, ভৈয়ামবাসী অসমীয়া জাতীয় অস্তিত্বৰ নিস্তাৰ নাই।

শ্ৰীমন্ত শংকৰদেৱে ধৰ্মৰ আন্তৰিক ৰূপটো জন মানসত প্ৰতিষ্ঠা কৰি সমাজ গঠনৰ আৰ্হি দেখুৱাই থৈ গৈছে। কিন্তু তাৰ পৰিৱৰ্তে বৰ্তমান সময়ত মানুহৰ মাজত ঈৰ্ষা, অসূয়া, দম্ভ, অহংকাৰ, মিথ্যাচাৰ, বেশ্যাগিৰি, অন্যায়, অপ্ৰীতি, অনীতি, দুৰ্নীতি, শোষণ, উৎপীড়ন, ঠগ, প্ৰৱঞ্চনা, ভণ্ডামি আৰু স্বাৰ্থপৰতাই মানৱ সমাজৰ স্থিতিকে বিপন্ন কৰি তোলা নাইনে? বৰ্তমান বিশ্বজুৰি হিংসা, সন্ত্ৰাসৰ দাবানল জ্বলি উঠিছে। ধৰ্মৰ নামত, ৰাজনীতিৰ নামত, অৰ্থনীতিৰ নামত, সাম্প্ৰদায়িক সংঘৰ্ষ কৰি তেজৰ সোঁত বোৱাই দিয়া হৈছে। বিজ্ঞানৰ অভূতপূৰ্ব প্ৰগতিয়েও মানুহৰ মাজত থকা অন্ধবিশ্বাস, কু-সংস্কাৰ আঁতৰাব পৰা নাই। বৈজ্ঞানিক চিন্তাধাৰাই আজিও থিতাপি লৈয়েই আছে। জ্ঞানৰ অভাৱ, ধৰ্ম বিশ্বাসত কু সংস্কাৰ নীতি, আচাৰ বিচাৰ আদিত শিথিলতা ইত্যাদি অনেক দোষত কলুষিত হৈ অসমীয়া জাতীয় জীৱন ক্ষতিগ্ৰস্থ হৈছে।

এহাতেদি নতুন নতুন বৈজ্ঞানিক উদ্ভাৱন আৰু প্ৰযুক্তি বিদ্যাৰ উন্নতিয়ে বিশ্ব ব্ৰহ্মাণ্ডৰ পৰিসৰ যেন সৰু কৰি তুলিছে। আনহাতে আকৌ এই ন উদ্ভাৱনসমূহে সৃষ্টি কৰা বিপদৰ বিভীষিকাই বিভিন্ন দেশ আৰু জাতিৰ মাজত আবেগিক ঐক্য সংহতিত সন্দেহ আৰু সন্ত্ৰাসৰ ছাঁ ঘনীভূত কৰি তুলিছে।

আধুনিক বিশ্বৰ চিন্তাবিদসকলে এই কথা বৰকৈ ক'ব লাগিছে যে আমি সমগ্ৰ মানৱ জাতি এটা পৰিয়ালৰ অন্তৰ্গত। বিজ্ঞানৰ উন্নতি আৰু প্ৰযুক্তি বিদ্যাৰ উৎকৰ্ষ সাধনে আমাক এই উপলব্ধিৰ লক্ষ্যলৈ আগবঢ়াই লৈ যাব লাগিছে। কিন্তু প্ৰকৃততে





এই কথা জানো সত্য? মানৱতা বোধৰ নামত, বিশ্ব ভ্ৰাতৃত্ববোধ গঢ়াৰ নামত জাতি উপজাতিৰ নামত ঐক্য সংহতি, সম্প্ৰীতি গঢ়াৰ কাৰণে আজিৰ বিশ্বই সন্মিলিত জাতি সংস্থা, বিশ্ব স্বাস্থ্য সংস্থা (WHO) আদি বিভিন্ন অনুষ্ঠান গঢ়িহে উঠিছে সঁচা, কিন্তু একেই মানুহে আকৌ আত্মৰক্ষাৰ নামত স্বদেশ আৰু স্বজাতিৰ অখণ্ডতা প্ৰতিৰক্ষা কৰাৰ নামত পাৰস্পৰিক অসহিষ্ণুতাকেই কামত লগাই আহিছে। বৰ্তমান ধৰ্মৰ নামত, ৰাজনীতিৰ নামত দিনে দিনে সংঘৰ্ষ বাঢ়ি আহিছে আৰু সামান্য কাৰণতে মানুহে প্ৰাণ হেৰুৱাইছে।

জাতি অথবা জাতিৰ ঐক্য স্থাপনৰ বেলিকা ধৰ্মৰ প্ৰভাৱ উল্লেখযোগ্য। আমাৰদেশ স্বাধীন হোৱাৰ পাছত অসমৰ কেৱল ভৌগলিক সীমাই ঠেক হৈ অহা নাই, অসমীয়া জাতিটোৰ ভিতৰতো অতীততে সংমিশ্ৰণ হোৱা বিভিন্ন জনগোষ্ঠীসমূহেও নিজকে অসমীয়া অসমীয়া বুলি পৰিচয় দিয়াতকৈ পূৰ্ব পৰিচয় ঘূৰাই আনিবলৈ যেন অধিক আগ্ৰহী হয়। আমাৰ মাজতে এক গোষ্ঠীৰ লোকে অন্য এক গোষ্ঠীৰ প্ৰতি শংকা, সন্দেহ আৰু সংশয়জনিত মনোভাৱ, দৃষ্টিভংগী আদান-প্ৰদান ঘটোৱাত ব্যাঘাত জন্মিছে। এইটো সমস্যা অসমীয়া জাতিৰ বাব অতিশয় অশুভ লক্ষণ। গতিকে সাম্প্ৰতিক কালত অসমীয়া জাতিৰ এনে সংকটৰ কালতএই দেশৰ মহান গুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শ আৰু শিক্ষাৰ কথা আকৌ এবাৰ বিচাৰ বিশ্লেষণ কৰি চোৱাটো প্ৰয়োজনী।

গুৰুজনাৰ দৰে সৰ্বগুণাকৰ এগৰাকী মহাপুৰুষ এটা জাতিৰ বাবে গৌৰৱৰ বিষয়। আমি তেওঁৰ বাণীসমূহ আমাৰ চাৰিও দিশে থকা পৰ্বতীয়া ভাই ভনীসকলৰ মাজত প্ৰচাৰ কৰিবলৈ চেষ্টা কৰা নাই, যাৰ ফলত সুদূৰ পশ্চিমীয়া দেশৰ ধৰ্মৰ প্ৰভাৱ সেইসকল লোকৰ মাজত বিস্তাৰ কৰিবলৈ সুবিধা দিয়া হৈছে। শংকৰদেৱৰ সেই ধৰ্ম আছিল সৰ্বজন গ্ৰাহ্য সনাতন হিন্দু ধৰ্ম। তেওঁৰাই বিশ্ব ভ্ৰাতৃত্বৰ ভাৱেৰে কৈছিল -

'কিৰাট কছাৰী খাচী গাৰো মিৰি
যৱন কংক গোৱাল।
অসম মুলুক ৰজক তুৰুক
কুৱাচ ম্লেচ্ছ চণ্ডাল।।

আদি সকলোকে সামৰি লোৱা বিশ্বমানৱীয় দৃষ্টিভংগী, কিন্তু গাৰো, নগা, মিৰি, কছাৰী, যৱন আদি সকলো জনগোষ্ঠী একত্ৰ কৰি মহাপুৰুষে গঢ়ি থৈ যোৱা বৰ অসমৰ গাৰো, নগা, মিচিং কিয় আতৰি গ'ল। তাক আমি চিন্তা কৰা উচিত। অকল মাহপ্ৰসাদ খাই শংকৰদেৱৰ তিথি পাতি থাকিলে মহাপুৰুষগৰাকীৰ পবিত্ৰ কৰ্মৰাজিক সংকীৰ্ণ ধৰ্মীয় গণ্ডীত সুমুৱাই ৰাখিলে পাহৰণিৰ গৰ্ভত এদিন মহাপুৰুষগৰাকীৰ সকলো অস্তিত্ব বিলীন হৈ যাব।

আমাৰ পৃথিৱীত বিভিন্ন প্ৰকাৰৰ ধৰ্মাৱলম্বী লোক আছে। সেই লোক সকলে তেওঁলোকৰ ইষ্ট দেৱতাক কিদৰে উপাসনা কৰে সেয়া আমাৰ বিচাৰ্য বিষয় নহয়। এতিয়া আমাৰ সমাজত সকলো মানুহেই ধৰ্ম মানি একশ্ৰেণী মানুহে অন্যায়, অত্যাচাৰ, ধৰ্ষণ, হত্যা, লুণ্ঠন, অপহৰণ কৰিছে আৰু অন্য এক শ্ৰেণী লোকে নীৰৱ দৰ্শক হৈ চাই আছে। তাৰ পৰিণতি স্বৰূপে দেশত প্ৰকাশ্যভাৱে শান্তি, সমৃদ্ধি বিনষ্ট হৈছে। হয়তো দ্ৰৌপদীৰ বস্ত্ৰহৰণ কৰিবলৈ দুঃশাসন আগবাঢ়োতে দুৰ্যোধনক আজ্ঞাবাহী ভৃত্য সবাসদসকলে প্ৰতিবাদ কৰাৰ সলনি মৌন হৈ চাই থাকিল। পাণ্ডৱসকল অসহায় অৱস্থাত পৰমপুৰুষ শ্ৰীকৃষ্ণই কৌশলেৰে সতী নাৰীৰ সন্মান অক্ষুণ্ণ ৰাখিলে। আজিৰ সমাজত বিপদগ্ৰস্ত নাৰীক ৰক্ষা কৰাৰ মানসিকতা প্ৰায় শেষ হৈ গৈছে। সমূহীয়াভাৱে ধৰ্ষণ আৰু হত্যাই ইয়াৰ জ্বলন্ত প্ৰমাণ নহয়নে?

অসমীয়া জনসমাজক উদ্বুদ্ধ কৰিবলৈ হ'লে আমি প্ৰত্যেকজন অসমীয়াই মহাপুৰুষগৰাকীৰ ব্যক্তিত্বত প্ৰতিবিম্বিত হোৱা একক আৰু অনন্য আদৰ্শাৱলী অনুধাৱন কৰিবই লাগিব।

বৰ্তমান সমাজৰ শ্ৰেণী বৈষম্য নিৰ্মূল কৰাটো অতি দুৰূহ হৈ আহিছে। প্ৰতিদিনে সংঘটিত হৈ থকা গুপ্তহত্যা, যৌতুক হত্যা, ভাবুকি, অপহৰণ, ধৰ্ষণৰ ঘটনাৰ দ্বাৰা দূষিত পৰিৱেশত মানুহ অভ্যস্ত হৈ পৰিছে। বাটে পথে, চহৰে বনাঞ্চলে চিনাক্ত উদ্বেগজনক পৰিস্থিতিৰ অৱসান ঘটা নাই, বাঢ়িহে গৈছে। এনে এটা চৰাই বধ কৰিবলৈ সংকোচ কৰিছিল, সেই জাতিৰ মানুহৰে উত্তৰপুৰুষে শ শ মানুহ হত্যা কৰিবলৈ সংকোচ নকৰা মানেই হ'ল দুষ্কৃতিৰ ৰাজত্ব, সামাজিক অধঃপতন।

বৰ্তমন মানৱ সমাজে যি যি বস্তু বিচাৰিছে, যি বিষয়ে অনুভৱ কৰিছে সেই সকলো কথা আৰু অনুভৱ শ্ৰীমন্ত শংকৰদেৱে ৫০০ বছৰৰ আগতেই জগতৰ জনগণক প্ৰকাশ কৰি গৈছিল। মহাপুৰুষ শংকৰদেৱৰ প্ৰতিভাৰ নৱমূল্যায়ন কৰিবলৈ হ'লে তেওঁৰ আদৰ্শ অনুগত হৈ সমাজক জীৱনটো ব্যৱহাৰ কৰি সাম্যভাৱৰ শ্ৰেণীহীন সমাজ গঠনৰ বাবে যত্নপৰ হ'ব লাগিব।

শংকৰদেৱৰ আদৰ্শক শ্ৰদ্ধা কৰি মূল্য দিবলৈ শিকিলে অসমীয়া জাতি মহৎ হ'ব, উদাৰ হ'ব। সেয়েহে বৰ্তমান পৰিস্থিতিত শংকৰদেৱৰ প্ৰাসংগিকতা আহি পৰিছে।

# সাম্প্ৰতিক স্তৰৰ ভাষা

সুস্মিতা বৰুৱা
স্নাতক ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ

অসমীয়া ভাষা ভাৰতৰ পূব প্ৰান্তত প্ৰচলিত আৰ্য ভাষা সম্ভুত। ভাৰতৰ আন আন প্ৰাদেশিক ভাষাৰ দৰে অসমীয়া ভাষায়ো প্ৰায় খৃষ্টীয় দশম শতিকা মানত স্বকীয় ৰূপ লাভ কৰে। উত্তৰ-পূব ভাৰতত প্ৰচলিত আধুনিক ভাৰতীয় ভাষা সমূহৰ পম খেদি গ'লে দেখা যায় ভাৰতীয় আৰ্য ভাষাই কালৰ সোঁতত ক্ৰমে পৰিবৰ্তন লাভ কৰি বৰ্তমানৰ আধুনিক ভাৰতীয় ভাষাসমূহৰ জন্ম হৈছে।

সপ্তম শতিকাৰ পৰা ঊনবিংশ শতিকালৈকে বিভিন্ন স্তৰৰ মাজেদি অসমীয়া ভাষাই বিকাশ লাভ কৰি সমৃদ্ধ হোৱা ভাষাটো ঊনবিংশ শতিকাৰ প্ৰথম ভাগতেই চৰম বিপৰ্যয়ৰ সন্মুখীন হ'ব লগা হয়। ১৮২৬ চনত ইয়াণ্ডাবু সন্ধি অনুসৰি অসমৰ শাসনভাৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতলৈ হস্তান্তৰ হয়। ফলত ১৮২৬ চনৰ পৰা ১৮৪৬ চনলৈকে এই সময়ছোৱাত অসমীয়া ভাষা সাহিত্যৰ বান্ধোন হোলোক ঢোলোক হৈ পৰিছিল। ১৮১৩ চনত আমেৰিকাৰ বেপ্টিষ্ট মিছনেৰী আত্মাৰাম শৰ্মাই অসমীয়া ভাষাত বাইবেল পুথি অনুবাদ কৰে। এই সময়ৰ পৰাই আধুনিক অসমীয়া ভাষা সাহিত্যৰ যুগ আৰম্ভ হৈছিল বুলি ধৰিব পাৰি।

অসমীয়া ভাষা মূলতঃ আৰ্য ভাষা হ'লেও সংস্কৃত উপাদন, প্ৰাকৃত উপাদন, অনা আৰ্য উপাদান আদিৰে পৰিপুষ্ট হৈ অসমীয়া ভাষাৰ ভড়াল চহকী কৰিছে। অসমীয়া ভাষা ইতিহাস যথেষ্ট দীঘলীয়া। জন্মলগ্নৰে পৰা বহু শতিকা ধৰি অসমীয়া ভাষাটোৰ প্ৰসাৰ আৰু পৰিৱৰ্তন হৈ আহিছে। শংকৰদেৱ-মাধৱদেৱৰ পূৰ্বৱৰ্তী আৰু পৰৱৰ্তী লেখকসকলৰ ৰচনাত ব্যৱহৃত বহু শব্দ এতিয়া অসমীয়া সাহিত্যত অপ্ৰচলিত। সেইদৰে বিজ্ঞান প্ৰযুক্তি বা শিক্ষা-দীক্ষাৰ লগত জড়িত বহু নতুন নতুন শব্দও অসমীয়া ভাষাত অন্তৰ্ভূক্ত হৈছে। অসমীয়া সমাজখনৰো বৰ্তমান প্ৰসাৰ ঘটিছে। গতিকে পুৰণি শব্দ অপ্ৰচলিত হৈ পৰিছে আৰু ন-ন শব্দ প্ৰয়োজনত সৃষ্টি হৈছে। ধ্বনিগত, ৰূপগত, শব্দগত আদি দিশত কেনেধৰণৰ বৈশিষ্ট্য দেখা গৈছে তলত আলোচনা কৰা হ'ল -

ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ঃ

১। অসমীয়া ভাষাত একক ব্যঞ্জনৰ উপৰি ঘাইকৈ দুটা আৰু তিনিটা ব্যঞ্জনৰ সংযুক্ত ৰূপেই বেছিকৈ পোৱা যায়। যেনে প্ৰজ্ঞা, বান্দৰ, অন্তৰ, তত্ব, দৰিদ্ৰ আদি।

২। অসমীয়া ভাষাত 'ঙ' ধ্বনিৰ উচ্চাৰণ কেৱল মধ্য আৰু অন্ত্য অৱস্থানতহে হয়। আদি স্থানত 'ঙ' ধ্বনিৰ উচ্চাৰণ নহয়।

৩। সংস্কৃতৰ দন্ত্য আৰু মূৰ্ধণ্য ধ্বনিৰ ঠাইত অসমীয়াত কেৱল দন্তমূলীয় ধ্বনিহে পোৱা যায়।

৪। অসমীয়া 'য' আখৰটো ব্যঞ্জন বৰ্ণৰ লগত যুক্ত হ'লে তাক 'ʼ্য' (য় কাৰ) ৰূপত লিখা হয় আৰু 'ইঅ' উচ্চাৰণ হয়। কিন্তু বৰ্তমান সময়ত শব্দত এই '্য'কাৰ চিহ্নটো বৰ্জন হৈছে। যেনে -

কাৰ্য্য > কাৰ্য
সূৰ্য্য > সূৰ্য আদি।

৫। চন্দ্ৰ বিন্দুৰ নাকীসুৰীয়া উচ্চৰণ বহু শব্দত লোপ পাইছে। পাঁচ, দাঁত, কঁকাল, কওঁ আদি শব্দবোৰ চন্দ্ৰ বিন্দুহীন হৈ পাচ, দাঁত, ককাল, কও আদি হ'বলৈ ধৰিছে।

ৰূপাতাত্ত্বিক বৈশিষ্ট্য ঃ

১। কাৰকৰ 'লৈ' বিভক্তিৰ প্ৰয়োগ সংকুচিত হৈছে। যেনে - গুৱাহাটী যাম, দিল্লী যাব ইত্যাদি।

২। সপ্তমীৰ 'ত' বিভক্তিয়ে স্থান অধিকাৰ কৰিছে। যেনে - ঘৰত যাম, বজাৰত গৈছিলো ইত্যাদি।

৩। সম্বন্ধ বুজোৱা মা, দেউতা আদি শব্দত তোমাৰ, তোৰ আৰু তাৰ সম্বন্ধ বুজাবলৈ যোগ দিয়া বিভক্তিৰ প্ৰয়োগ দ্ৰুত গতিৰে লোপ হোৱা দেখিবলৈ পোৱা গৈছে। যেনে - তোমাৰ মাৰা, তোৰ মাৰ, তাৰ মাক আদিৰ ঠাইত তোমাৰ মা, তোৰ মা, তাৰ মা আদি ৰূপ ব্যৱহাৰ হৈছে।

৪। অসমাপিকা ক্ৰিয়াৰ পাছত ধাতু যোগ। যেনে - খাই পেলা, লৈ যা, বহি থাক, কৈ চা আদি।

৫। ক্ৰিয়াৰ অতীত কৃদন্ত ৰূপত পাছত ধাতু যোগ। যেনে - ধৰা পৰ, অহা যোৱা কৰ, খোৱা কৰ, শোৱা কৰ ইত্যাদি।

শব্দগত বৈশিষ্ট্য ঃ

১। বিদেশী শব্দৰ প্ৰয়োগ। যেনে ঃ ভক্তি, চন্দ্ৰ, বাজেয়াপ্ত, ফিল্মোৎসৱ, হেড পণ্ডিত, হাট-বজাৰ ইত্যাদি।

২। কৃত প্ৰত্যয়ৰ যোগত সাধিত শব্দৰ ব্যৱহাৰ। যেনে - খাৱন, শোৱন আদি।

৩। যুৱভাষাৰ ব্যৱহাৰ। যেনে - বে, আবে, বিন্দাচ্, ছালিয়া, মষ্টি ইত্যাদি।

৪। ঙ্গ, ঙ্ক আদি শব্দৰ ঠাইত আজিকালি 'ংগ', 'ংক' আদি ৰূপ ব্যৱহাৰ হয়। যেনে -

অঙ্ক > অংক
অঙ্গ > অংগ ইত্যাদি।

৫। গু, হু আদি শব্দবোৰ ক্ৰমে 'গু', 'হু'লৈ ৰূপান্তৰিত হৈছে।

যেনে - গুৱাহাটী > গুৱাহাটী
বিহু > বিহু।

৬। সচৰাচৰ ব্যৱহৃত শব্দ। যেনে -

অলপ > অকণমান।
যাব > ফুটিব, ইত্যাদি।

জোনাকী যুগৰ পৰা সাম্প্ৰতিকলৈকে এই এশ বছৰীয়া ইতিহাসৰ শেষৰ সময় ছোৱাকে সাম্প্ৰতিক যুগ বুলি আখ্যা দিয়া হৈছে। অৱশ্যে এই যুগটোৰ নাম সদায় সাম্প্ৰতিক হৈ নাথাকে। একবিংশ শতিকাত বিংশ শতিকাৰ শেষ দশক তিনিটা অৰ্থাৎ ১৯৭০ৰ পৰা ২০০০ চনলৈ এই ত্ৰিশ বছৰৰ সময়ছোৱা নিশ্চয় কোনো এটা বিশেষ নামেৰে নামকৰণ হ'ব। কাৰণ ১৯৪০ চনৰ পৰা ১৯৭০ চনলৈ এই ত্ৰিশ বছৰ কালক যুদ্ধোত্তৰ বা ৰামধেনু যুগ বুলি কোৱাৰ যিদৰে তথ্যভিত্তিক কাৰণ অথবা যুক্তি আছে, সেইদৰে সাম্প্ৰতিক যুগটোকো কোনো এটা বিশেষ নামেৰে নামকৰণ কৰাৰ যুক্তি আছে। কাৰণ অসম তথা ভাৰতবৰ্ষত ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক তথা বৌদ্ধিক আৰু সাংস্কৃতিক মূল্যবোধৰ পৰিৱৰ্তন ১৯৭০ চন মানৰ পৰা যিদৰে হৈছে, এনে পৰিৱৰ্তন ইয়াৰ আগত হোৱা নাই।

> The woman of Assam is a born weaver.................. and she weaves fairy tales in her cloth.
> — ***Mahatma Gandhi.***

> An English Youth is not taught Latin until he is well grounded in English and same manner an Assamese should not be taught a foreign language until he knows his own.
> — ***A. T. Moffat Mills (1853)***

# সংস্কৃতিৰ বিকল্প নাই

কল্যাণ গগৈ
আলোচনী সম্পাদক

হিৰোচিমাৰ আকাশত তীব্ৰবেগী যুজাৰু বিমানখনৰ পৰা এটম বোমা নিক্ষেপ কৰা সেনা জনে হেনো বোমাটো নিক্ষেপ কৰি কৈছিল - 'অ' গড, হোৱাত উই হেভ দান।' হিটলাৰক সোধা হৈছিল - 'আপুনি এই হিটলাৰ নোহোৱা হ'লে কি হ'লহেঁতেন? হিটলাৰে নিমিষতে উত্তৰ দিছিল - 'চিত্ৰ শিল্পী হ'লোহেঁতেন।' ভাৰত বুৰঞ্জীত নিজৰ অৰ্কীতিকৰকথাৰে বদনামী, পৰাধীন ভাৰতৰ প্ৰথম জন বৰলাদ্ ৱাৰেন হেষ্টিংচে জীৱনৰ সঞ্চিত ধনৰাশি খৰচ কৰি নাদিৰছাহৰ দ্বাৰা লুণ্ঠিত তাজমহলৰ হেৰুৱা সৌন্দৰ্য পুনৰ উদ্ধাৰ হৈছিল। ৰিভল্যুচনাৰী কমিউনিষ্ট দলৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত বিষ্ণু প্ৰসাদ ৰাভাই সাংস্কৃতিক বিপ্লৱৰ যোগেদিহে সমাজাৰ পৰিৱৰ্তনৰ আশা কৰিছিল। বৰগীত ভাল পাঁও বুলি কোৱাৰ কাৰণে ডেকা মহেন্দ্ৰমোহন চৌধুৰীক অম্বিকাগিৰি ৰায় চৌধুৰীয়ে তেওঁক ৰাজনীতি কৰিবলৈ পৰামৰ্শ দিছিল। ওপৰৰ কথা কেইয়াৰ কাকতালীয়, কিন্তু ইয়াৰ অন্তৰালত সম্পৃক্ত হৈ থকা তাৎপৰ্যৰ পৰা আনক যোগান্তক অৰ্থ গ্ৰহণ কৰিব পাৰি। পৃথিৱীৰ দুৰ্দান্ত আৰু কঠোৰতম মানুহজনৰো অন্তৰৰ নিভৃত কোণত লালিত পালিত হৈ থাকে সুকুমাৰ অনুভূতি বা সৌন্দৰ্যৰ প্ৰতি দুৰ্বলতা। কোনোজনে বিশ্বাস কৰে সংস্কৃতি সাধনাৰ যোগেদি গঢ় দি তোলা সুন্দৰ মনৰ অধিকাৰীজনে যদি শাসনৰ দায়িত্ব লয়, তেন্তে দেশৰ মানুহৰ বা সভ্যতাৰ উন্নতি সাধিব পাৰিব। আমাৰ প্ৰাচীন কাব্যসমূহেও প্ৰমাণ কৰি থৈ গৈছে - শত্ৰুৰ মাজতো প্ৰথম সৌন্দৰ্য অন্বেষণৰ কথা। চিৰবৈৰী কৃষ্ণ গৈ কংসৰ যজ্ঞত উপস্থিত হওঁতে, কংসই আকুলভাৱে কৃষ্ণৰ সুন্দৰ মুৰুতি হেঁপাহ পলুৱাই দৃষ্টি পান কৰি কৈছে - 'শত্ৰুও ইমান হ'ব পাৰেনে?

বৰ্তমান আমাৰ মাজৰ পৰা এনে সুন্দৰ অনুভূতি আৰু সাংস্কৃতিক ৰুচিবোধ হেৰাই যাব লাগিছে। ভোগবাদী মানসিকতাৰ ক্ষুবাগ্নিয়ে সমাজ জীৱনক কৰি তুলিছে অন্তঃ সাৰশূণ্য, বৌদ্ধিক তথা সুকুমাৰ চৰ্চাবিহীন এখন ৰুক্ষ্ম সমাজ। ফলত হিংসা, অসূয়া, অসহিষ্ণুতা আদি অমানৱীয় প্ৰৱনতাই সমাজৰ দেহত থুলন্তৰ হৈ বাঢ়িব লাগিছে। যি পৰিয়ালত সংস্কৃতিৰ চৰ্চা আছে সুকুমাৰ কল্যাৰ কছৰৎ আছে, তেন্তে পৰিয়ালত আসুৰিক প্ৰৱণতাই গা কৰি উঠিব নোৱাৰে। মাক, দেউতা আৰু সন্তান প্ৰত্যেকে নিজৰ 'ইগ'ৰ ওপৰতহে বেছি গুৰুত্ব দিয়াৰ বাবে প্ৰত্যেকেই 'ইনডিভিজ্যুৱেল'। পাৰিবাৰিক স্নেহবন্ধনৰ আপুৰুগীয়া সূতাডাল বিচ্চিন্ন হৈছে। সন্তানক কেৱল বৃত্তিমুখী প্ৰতিযোগিতাৰ পথাৰত সফল প্ৰতিযোগী হ'ব পৰাকৈ একোটা ঘোঁৰা প্ৰতি পালনৰ দৰে ব্যৱহাৰ কৰি লৈছে। মাক-দেউতাকৰ উদ্দেশ্য আৰু লক্ষ্য পূৰণ কৰিবৰ কাৰণে সন্তানক গঢ়ি তোলা লৈছে একোটা যন্ত্ৰৰ ৰূপত। মফচলীয়া বা গ্ৰামাঞ্চলৰ প্ৰায় ৮৫% ছাত্ৰ-ছাত্ৰীয়ে ক'ব নোৱাৰে তেওঁলেকে কিয় পঢ়িছে, উদ্দেশ্য কি? বহু জাতিক কোম্পানীবোৰে যুৱ প্ৰজন্মক আকৰ্ষণ কৰিবলৈ কেৱল নিৰ্মাণ কৰিছে অনেক চমক সৃষ্টিকাৰী পণ্য দ্ৰব্য। ইলেকট্ৰনিক মাধ্যমত প্ৰচাৰিত অৱাস্তৱ স্বপ্ন বিলাসে অস্থিৰ কৰিছে মগজু। শিক্ষা পদ্ধতিও হ'ল নিবনুৱা গঢ়াৰ কৌশলহে মাত্ৰ, মানুহ গঢ়াৰ কোনো পাঠ্যক্ৰম আজি নাই। কাৰ্য পালিকা, ন্যায় পালিকা কাৰো ওপৰত আজি জনগণে বিশ্বাস কৰিব নোৱাৰা অৱস্থা, যৌৱনৰ অসাধ্য সাধনৰ দুৰ্নিবাৰ স্পৃহাই যেতিয়া কোনোজনক জীৱন বাটৰ কোনোবা এটা মাইলৰ খুটিৰ লেখা ভুলকৈ পঢ়ুৱাই, তেতিয়াই তেওঁ বাট হেৰুৱায়। এনেধৰণৰ অনেক সমস্যাৰ সমাধানৰ মাথোন এটাই উপায় সেয়ে হ'ল ৰুচিবোধ আৰু সাংস্কৃতিক জীৱন চৰ্যা। দ্বিতীয় মহাসমৰৰ কালান্তক পৰিস্থিতিৰ মাজতো পশ্চিমৰ কেইবাজনো সৃষ্টিশীল লেখকে বাৰুদৰ গোন্ধ আৰু ধোঁৱাৰ মাজতে কালজয়ী সাহিত্য ৰচনা কৰি যোৱাৰ ইতিহাস আছে। সুন্দৰ মন এটাৰ গৰাকী হ'ব পাৰিলে কোনো অসুন্দৰ প্ৰৱনতাই মনত খোপনি পুতিব নোৱাৰে। সংস্কৃতিৰ সাধনাই মনক যেনেকৈ পবিত্ কৰে, কৰ্মকো কৰি তোলে সুন্দৰ। শিশু অৱস্থাৰ পৰাই ঘৰুৱা পৰিৱেশত বা শিক্ষানুষ্ঠানত সুকুমাৰ কলাৰ চৰ্চাৰ পৰিৱেশ পাঠ্যক্ৰম ভিত্তিক কৰিলে অশানিত আৰু অস্থিৰতা হ্ৰস হ'ব বুলি বিশ্বাসৰ থল আছে। মহাপুৰুষসকলে দেখুৱাই যোৱা সামাজিক সুস্থিৰতা আৰু সংগঠনৰ একমাত্ৰ উপাদান বা শক্তিয়ে হ'ল সাংস্কৃতিক ক্ষেত্ৰত উন্নতিৰ প্ৰচেষ্টা। সাংস্কৃতিক উন্নতিৰ চিন্তাৰে চহকী মনৰ মানুহ নৈতিকতা আৰু মূল্যবোধৰ প্ৰতি দায়বদ্ধ নোহোৱাৰ কাৰণ নাই সেয়ে সংস্কৃতিৰ বিকাশৰ বিকল্প নাই বুলি ভৱাৰ থল প্ৰকট হৈ পৰিছে।





# যুৱ প্ৰজন্ম আৰু আজিৰ সমাজ

কেশৰী ভূঞা
স্নাতক চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ

বৰ্তমানে একবিংশ শতিকাৰ যুগ। বিজ্ঞান প্ৰযুক্তিবিদ্যা, ভোগবাদী সভ্যতা, অপৰাধ তথা আইনৰ ৰঙা ফিটাৰ মেৰপাকত পৰি আমাৰ যুৱ সমাজ যেন ক'ৰবাত হেৰাই গৈছে। বিনিময়ত আমি ভোগবাদী হৈছো আৰু আধুনিকতাৰ নামত পশ্চিমীয়া সংস্কৃতিক আকোঁৱালি লৈছো। পশ্চিমীয়া দেশসমূহৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক, শৈক্ষিক, ক্ৰীড়া আদি আমাৰ সততে পৰিচিত। এইবোৰৰ যোগাত্মক দিশবোৰ আকোঁৱালি নলৈ আমাৰ যুৱসমাজে অপ-সংস্কৃতিৰ অনুকৰণ কৰিছে যাৰ ফলত যুৱ সমাজত বিশৃংখলতাই দেখা দিছে।



আজিৰ যুৱ প্ৰজন্ম ধ্বংসৰ গৰাহত যোৱাৰ মূলতে হ'ল অভিভাৱক, শিক্ষা তথা নিয়োগ ব্যৱস্থা, ৰাজনীতি, পাশ্চ্যত্য সংস্কৃতিৰ প্ৰভাৱ ইত্যাদি।

সন্তানৰ ভৱিষ্যতৰ চাবিকাঠি হ'ল নিজৰ ঘৰখন। কিন্তু বৰ্তমান সময়ত অভিভাৱকসকলে নিজৰ গুৰুত্বতকৈ সকলোখিনি সমৰ্পিত কৰে টিউচনৰ ওপৰত। তদুপৰি অভিভাৱকসকলে জুৱা, ক্লাৱ, গাড়ী, বাইক আদিক নিজৰ ষ্টেটাৰ্ছ বুলি ভাৱে তেনেস্থলত আজিৰ যুৱপ্ৰজন্ম ক'ত দায়ী।

দ্বিতীয়তে, বিংসগতিপূৰ্ণ শিক্ষা ব্যৱস্থা, প্ৰকৃত সমাজমুখী শিক্ষাৰ অভাৱে যুৱসমাজৰ সামাজিক দায়বদ্ধতা কাঢ়ি নিছে। শিক্ষাৰ মাচুল বৃদ্ধি, ব্যক্তিগত শিক্ষানুষ্ঠানৰ প্ৰভাৱ, শিক্ষাক গ্লেমাৰলৈ পৰিবৰ্তিত কৰা আদিৰ ফলত যুৱ সমাজ বিভ্ৰান্ত হৈ পৰিছে।

যুৱ সমাজক অন্ধকাৰলৈ ঠেলি নিয়াৰ আন এটা কাৰণ হ'ল আদৰ্শহীন ৰাজনীতি। অলপ টকাৰ লোভত তেওঁলোকে নিজৰ বিবেক বিক্ৰী কৰিবলৈ কুণ্ঠবোধ কৰা নাই।

মুঠৰ ওপৰত ক'ব পাৰি যে এই যুৱ বিশৃংখলতাৰ বাবে দায়ী অকল যুৱ সমাজেই নহয়। কিন্তু এই যুৱ সমাজক অন্ধকাৰৰ আবেষ্টনীৰ পৰা আঁতৰাই আনি তেওঁলোকৰ মাজৰ প্ৰতিভাক জাগ্ৰত কৰিব লাগিব। যুৱ সমাজৰ বিশৃংখলতা কোনো আৰোগ্যহীন ব্যাধি নহয়। যিদৰে বেমাৰৰ ঔষধ আছে ঠিক তেনেদৰে ইয়াৰো সংশোধন আছে আৰু তাৰ বাবে প্ৰয়োজন আমাৰ সকলোৰে যুটীয়া প্ৰচেষ্টাৰ। আমাৰ যুৱ প্ৰজন্মক সমাজে বুজিবলৈ চেষ্টা কৰিব লাগিব তেতিয়াহে যুৱ প্ৰজন্মৰ বিশৃংখলতা আঁতৰি সহনশীলতা আহিব আৰু শেষত আমি সকলোৰে মনত পেলাব লাগিব শ্বেইক্সপীয়েৰৰ সেই মহান উক্তি — "নিজৰ ভুল সংশোধন কৰা, ভুলটো স্থায়ী কৰিবলৈ অভিনয় নকৰিবা।"

# সমাজত যুৱ উচ্ছৃংখলতা

পূজা গগৈ
স্নাতক প্ৰথম ষাণ্মাসিক, ইংৰাজী বিভাগ

সুস্থ চিন্তাধাৰাৰ ব্যক্তিৰে গঠিত এখন সু-সমাজ সকলোৰে আদৰ্শ, সকলোৰে বাবে আশা ব্যঞ্জক আৰু সকলোৰে লাভদায়ক। কিন্তু কিছুমান চোৰ প্ৰবৃত্তিৰ লোক, কু-মনোবৃত্তিৰ দালাল, ঠগবাজ ব্যক্তিৰ সমষ্টিয়ে এই যুৱ সমাজত কু-প্ৰভাৱ পেলায় আৰু বিভিন্ন সামাজিক সমস্যাৰ সৃষ্টি কৰে। তাৰে এক জলন্ত সামাজিক সমস্যা হৈছে যুৱ উচ্ছৃংখলতা। এনে উচ্ছৃংখল জীৱন ধাৰাই সমাজক নৰকলৈ পৰ্যবসিত কৰে। উচ্ছৃংখল যুৱ প্ৰজন্মৰ বাবে আজি প্ৰেম, মানৱতাবোধ, দয়া আদি শব্দসমূহ অ-অভিধানিক যেনেই হৈছেগৈ। সাম্প্ৰতিক যুৱ প্ৰজন্মৰ মাজত ম'বাইল, লেপটপ, বাইকপ্ৰীতি যিদৰে বৃদ্ধি পাবলৈ ধৰিছে তাক কেন্দ্ৰ কৰিয়েই অপ্ৰীতিকৰ ঘটনাই বৰ্তমান বাতৰি কাকতৰ বহল অংশ আৱৰি ৰাখে। ইয়াৰ মূল কাৰণ হৈছে ল'ৰা-ছোৱালীৰ ভাল-বেয়া সম্পৰ্কে উচিত শিক্ষাৰ অভাৱ। সাম্প্ৰতিক সময়ত আধুনিকতাৰ গৰাহত একাংশ অভিভাৱকে সন্তানক সঠিক ৰূপত গঢ় দিয়াৰ পৰিৱৰ্তে সন্তানক সন্তুষ্ট কৰিবলৈ সকলো বস্তু সন্তানে বিচৰা মতে দিয়ে। তেওঁলোকে এই কথা উপলব্ধি নকৰে যে এইবোৰ দি তেওঁলোকে নিজ সন্তানক ধ্বংসৰ মুখলৈহে ঠেলি দিছে। ল'ৰা-ছোৱালীক শুদ্ধ পথেৰে নিয়াৰ গুৰু দায়িত্ব হৈছে অভিভাৱক তথা সমাজৰ। সেয়েহে সন্তানক সুস্থ ৰূপত গঢ় দিয়াত অভিভাৱকসকল সৰ্তক হোৱা উচিত। সন্তানৰ স্নেহত অন্ধ অভিভাৱক তথা পৰিয়ালৰ এনে অসৰ্তকতাৰ ফলস্বৰূপে সম্প্ৰতি বহুতো ল'ৰা-ছোৱালীয়ে পিতৃ-মাতৃৰ অজ্ঞাতে নিচাযুক্ত দ্ৰব্য সেৱনতো আগ্ৰহী হোৱা দেখা পোৱা যায়। এইবিলাক প্ৰকৃততে নৈতিক স্খলনৰ নমুনা। এনে ল'ৰা-ছোৱালীয়ে ক্ষন্তেকীয়া নিচাৰ বিনিময়ত ছাত্ৰ জীৱনৰ সোণালী দিনবোৰ জীৱন গঢ়াৰ বাবে প্ৰয়োগ নকৰি অপৰাধ জগতত প্ৰবেশ কৰে আৰু এই কথা পাহৰি যায় যে এনে নিচাযুক্ত দ্ৰব্য সেৱনে তেওঁলোকৰ ভৱিষ্যতৰ সোণালী দিনবোৰ ক্ৰমে নিঃশেষ কৰি পেলাইছে। এই শ্ৰেণীৰ নিচাযুক্ত অপৰাধপ্ৰৱন ছাত্ৰ-ছাত্ৰী পিতৃ-মাতৃ আৰু সমাজৰ বোজাস্বৰূপ মাথোন। তেওঁলোকে সমগ্ৰ প্ৰজন্মৰ মাজতে এক নিৰাশাৰ ভাৱ সিঁচাৰ লগতে এখন সুন্দৰ সমাজ গঠিত হোৱাতো বাধাৰ সৃষ্টি কৰিছে। তেনে ক্ষেত্ৰত এই সমস্যা নিৰ্মূল কৰিবলৈ অভিভাৱক তথা যুৱ সমাজৰ মাজত এই সম্পৰ্কে এটা শক্তিশালী জাগৰণৰ প্ৰয়োজন হৈ পৰিছে। এই সম্পৰ্কে সংশ্লিষ্ট কৰ্তৃপক্ষৰ লগতে ছাত্ৰ সমাজে আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। তেতিয়াহে এখন সু-সমাজ গঠিত হ'ব। যিহেতু আত্ম সংস্কাৰৰ পাছতহে সমাজ সংস্কাৰ সম্ভৱ হয়, সেয়ে সমাজৰ প্ৰতিজনেই সু-চিন্তাধাৰাৰে নিজৰ লগতে সমাজখনক আগুৱাই নিয়াত ব্ৰতী হোৱা উচিত।

ল'ৰা-ছোৱালীক শুদ্ধ পথেৰে নিয়াৰ গুৰু দায়িত্ব হৈছে অভিভাৱক তথা সমাজৰ। সেয়েহে সন্তানক সুস্থ ৰূপত গঢ় দিয়াত অভিভাৱকসকল সৰ্তক হোৱা উচিত। সন্তানৰ স্নেহত অন্ধ অভিভাৱক তথা পৰিয়ালৰ এনে অসৰ্তকতাৰ ফলস্বৰূপে সম্প্ৰতি বহুতো ল'ৰা-ছোৱালীয়ে পিতৃ-মাতৃৰ অজ্ঞাতে নিচাযুক্ত দ্ৰব্য সেৱনতো আগ্ৰহী হোৱা দেখা পোৱা যায়। এইবিলাক প্ৰকৃততে নৈতিক স্খলনৰ নমুনা।



সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ, ২০১৩-১৪ বৰ্ষ

# Cherished memories : A Tribute to College Life

**Porishmita Buragohain**
B.A. 6th Semester, English Department

The first day of my college does still exist in my memory vividly. The day was ribrant and the sun was shinning brilliantly. And naturally, like other students and also the fear of ragging. But the seniors proved to be affectionate and helpful. Time goes by so fast. Now, we are the seniors. As students of English department we are so much attached to our department teachers. They are our mentor, they enlighen us and rectify our mistakes, after loving and sometimes strict too. Their guidlines, teachings and love cannot be forgotton.

Dutta Sir (Mr. Sunil Dutta), we have learnt from you what 'simplicity' really means. Sir, your amiable conduct towards all the students, the teachers and the staffs is higly remarkable and it also increases our respect towards you. Sir, your often quoted line "Self learning is the best learning' motiavtes us.


Deepanjali Mam (Mrs. Deepanjali Gogoi), the way you teach us, the way you clean our doubts is really influential. When you take extra classes to complete our long syllabus, we realize what a teacher can do for his or her students, Every word of yours has a great impact on us.

Anju Mam (Mrs. Anjuwara Begum), you are always soft towards us. Frankly mam, we have never seen you angry or depressed during our six semesters. You always wear your smile with you. Your poetry classes happen to be so much interesting.

Anita Mam (Dr. Anita Konwar), you straight forward quality makes your personality more attractive. We will never forget the day when you took a three hour's class and it was on Vikram Seth's Traveloque 'From Heaven Lake'. Your dedication proves your love towards we people.

This writting would be incomplete without mentioning a name, i.e., Dr. Rajen Tamuli Sir. Sir, we never use the word 'ex-principal' before you because you always remain in our heart. The trees, the classrooms, the field will always remind us of you Sir. Your hard work, your unflinching dedication will always have an overlasting impact on everyone. Sir, we can't bid you goodbye. We can't give you farewell. How could we give you farewell from our hearts?

We must have to accept the reality. It is reality that we have to leave this college after this semester. "Leaving' the college does not mean we will leave it for good. As long as we will live as a human being on Earth we will work for the betterment of our college. Our teacher's guidelines, teachings will be the light posts and milestone in our entire journey. Gonna Miss the college, the teachers, my friends, our classroom. Gonna Miss each and every trees of the college compus. Last but not the least, there will always be confidence and hope that the students will always try to maintain the glorious past of our college and make our college even shinning more brighter, so that the teachers could proudly say that, "Yes, he/ she was our student."




Long live Sonari College

# যান্ত্ৰিক জীৱনত পৃথিৱীবাসীৰ লক্ষ্য

মৃগাংক হাতীমূৰীয়া
স্নাতক দ্বিতীয় ষাণ্মাসিক

সাম্প্ৰতিক পৰিবেশ আৰু পৰিস্থিতিত প্ৰজিন মানুহৰ সন্মুখত এটাই মাত্ৰ কঠোৰ প্ৰত্যাহ্বান। এই কথাষাৰৰ গভীৰ তাৎপৰ্য বিচাৰ কৰিবলৈ গ'লে আমি দেখা পাওঁ যে, ধনী অথবা দুখীয়া সকলো পৰ্যায়ৰ মানুহৰ আভ্যন্তৰত লুকাই থাকে জীৱনৰ লক্ষ্য। সংগোপনে লুকাই থাকে জীৱনৰ একোটা লক্ষ্য আৰু হাজাৰ-বিজাৰ সপোন। ডেউকা অনুসাৰে যেনেকৈ চৰাইবিলাকে কম-বেছি পৰিমাণে ওপৰলৈ উৰিব বিচাৰে, তেনেদৰে মানুহেও জীৱনৰ ক্ষেত্ৰত আগবাঢ়ি যাব বিচাৰে। তেনেদৰেই জীৱনৰ সফলতা নিজৰ শক্তিৰ সামৰ্থ অনুযায়ীহে নিজৰ নিজৰ জীৱনৰ গতিপথ কৰি লয়। যেনেদৰে দুবেলা দুসাজ খাবলৈ নোপোৱা মানুহে লাহ-বিলাহৰ জীৱনৰ কথা ভাবিব নোৱাৰে। তেওঁলোকৰ বাবে দুসাজ ভাতৰ যোগান ধৰিব পৰাটোৱেই এনে এচাম মানুহৰ বাবে বৃহৎ কৃতকাৰ্যতা হৈ উঠে। অৱশ্যে এই প্ৰসংগত ধনী মানুহৰ কথা সুকীয়া। কাৰণ ধনী সম্পদশালী ব্যক্তিসকলে কৰো বুলিলে বহু কামেই সহজতে কৰি তুলিব পাৰে। কিন্তু তেওঁলোকৰ থাকিব লাগিব জীৱনৰ এক সুনিৰ্দিষ্ট লক্ষ্য। কাৰণ জীৱনত লক্ষ্য নাথাকিলে পথভ্ৰষ্ট হোৱাৰ সম্ভাৱনা অধিক থাকে। আজিকালি প্ৰতিজন পিতৃ-মাতৃয়ে নিজৰ সন্তানটো পঢ়ি-শুনি ডাক্তৰ, ইঞ্জিনিয়াৰ হোৱাটো বিচাৰে। ইয়াৰ পিছতো লুকাই থাকে অৰ্থ উপাৰ্জনৰ লাভ আৰু সমাজত ভাল স্থিতি লাভ। তেওঁলোকৰ জীৱন গঢ়াৰ উদ্দেশ্যে পিতৃ-মাতৃসকল হৈ পৰে সীমাহীন ব্যস্ত। এনেবিলাক ধাৰণাই মানৱ সমাজক সদায় গতিশীল ভৱিষ্যতৰ বিপৰীতে গতি কৰোৱায়।

সেই কাৰণে হয়তো এনে অনুভৱক বুকুত সাৱটি ধৰি চাৰ্লছ কিংছলে কৈছিল এনেদৰে, "আপোনাৰ মাজত কিমান শক্তি লুকাই আছে, তাক আপুনিও কল্পনা কৰিব নোৱাৰে। আপুনি এনে কিছুমান কাম কৰিব পাৰিব যি আপোনাৰ চিন্তাৰো অতীত। 'নোৱাৰো' এই কথাটো তেকিয়াও মনলৈ নানিব। সকলো সময়তে ভাবিব যে আপুনি পাৰিব। এনে ধৰণৰ যোগাত্মক চিন্তাই আপোনাক সাফল্য উচ্চ শিখৰলৈ লৈ যায়।"

অথচ কলুষতাৰে ভৰপূৰ আজিৰ যান্ত্ৰিক পৃথিৱী। আজিৰ ভোগবাদী তথা বস্তুবাদী পৃথিৱীখনক এৰা দি আমি কোনো কথাই ভাবিবলৈ ৰাজি হ'ব নোখোজো। কিন্তু আমাৰ প্ৰতিজনৰে লক্ষ্য বস্তুবাদী জগত অথবা ভোগবাদী মানসিকতা কেতিয়াও হোৱা উচিত নহয়। কিন্তু ইয়াৰ বিপৰীতে আজিৰ সময়ত দুখ লগাকৈয়ে দেখা গৈছে যে কিছুমান শিক্ষক আৰু পিতৃ-মাতৃয়ে ভৱিষ্যত প্ৰজন্মক ভাল মানুহ হোৱাৰ শিক্ষা দিবলৈকে পাহৰি পেলাইছে। আনহাতে নিজৰ সন্তানক ডাক্তৰ, ইঞ্জিনীয়াৰ হৈ ধন ঘটাৰ বিপৰীতে দেশ সেৱা, মানৱ সেৱা কৰিবলৈ উৎসাহিত কৰিব পৰা নাই।

নিৰ্ঘাট সত্য যে, আজিৰ সময়ছোৱাত আমাৰ দেশ আৰু সমাজত ভাল মানুহৰ অভাৱ বাৰুকৈয়ে পৰিস্ফুত হৈছে। আজিৰ মানৱ সমাজৰ বৃহৎ সংখ্যকেই খোৱা, পিন্ধা আৰু ফূৰ্তি কৰাৰ সস্তীয়া আদৰ্শত বন্দী।

আজিৰ মানুহে মানৱীয় সত্তাক বিসৰ্জন দি অধিক ধন আহৰণৰ অৰ্থহীন প্ৰতিযোগিতাত নামি পৰিছে। কিন্তু এইখিনিতে মই একান্তই দৃঢ়তাৰে ক'ব পাৰো যে, মানুহৰ বাবে ধনেই কেৱল শ্ৰেষ্ঠ হ'ব নোৱাৰে। কেৱল ধন হ'লেই সমাজত বৰ মানুহ ক'বও নোৱাৰি। অথচ ইয়াৰ বিপৰীতে আজিকালি ধনেই মগজুৰ জোখ বুলি ভবাজনক সমাজে মুৰ্খ বুলি কৈছে।

আজিৰ প্ৰতিগৰাকী সৎ পিতৃ-মাতৃ আৰু শিক্ষাগুৰুসকলে ছাত্ৰ-ছাত্ৰীসকলক মানৱতাৰ মহামন্ত্ৰৰে দীক্ষিত কৰি তুলিবলৈ চেষ্টা কৰা উচিত। এইখিনিতে এই কথা সকলোৱে মনত ৰখা উচিত যে নিজৰ লগতে সমাজ তথা ৰাইজৰ কল্যাণৰ হকে কাম কৰাটোৱেই ভাল মানুহৰ লক্ষণ। ভাল মানুহৰ প্ৰধান পৰিচয় স্বাৰ্থত্যাগ। শৈক্ষিক পৰিবেশ আৰু শিক্ষণ প্ৰণালীৰ আমূল পৰিবৰ্তন অবিহনে ভাল মানুহৰ সমাজ এখন লাভ কৰাটো সম্ভৱ নহয়। আনহাতে আজিৰ দেশসেৱাৰ নামত কেৱল আত্মসেৱাত ব্ৰতী ৰাজনীতিক সকলৰ দ্বাৰা প্ৰকৃততে মানুহৰ কল্যাণৰ বাবে সমাজৰ একো উপকাৰ সাধন নহয়। তেনেদৰে শিক্ষকৰ নামত কেৱল মাত্ৰ চাকৰি কৰা মনোবৃত্তিৰ শিক্ষকৰ দ্বাৰাও সৎ আদৰ্শৰ কোনো ভাল মানুহ সৃষ্টি নহয়। গতিকে বৰ্তমানৰ এনে জটিল পৰিস্থিতিত পিতৃ-মাতৃসকলেই নিজৰ ঘৰত সুস্থ পৰিবেশ সৃষ্টি কৰি সন্তানক প্ৰকৃতাৰ্থত ভাল মানুহৰূপে গঢ়াৰ চেষ্টাত ব্ৰতী হ'ব লাগিব। ইয়াৰ বাবে পিতৃ-মাতৃসকলো সুশিক্ষিত আৰু সুস্থ চিন্তা চেতনাৰ মানসিকতাৰ হ'ব লাগিব।





# অৰ্থনৈতিক উন্নয়নৰ অন্যতম স্বাধীনতা

ৰাজলক্ষণ হাটীমূৰীয়া
স্নাতক দ্বিতীয় ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান

অসম ৰাজনৈতিকভাৱে স্বাধীন হোৱা অতি প্ৰয়োজনীয় হৈ পৰিছেনে? কাৰণ অসমৰ খাদ্য, শ্ৰমিক, ইন্ধন, বস্ত্ৰ শক্তি ক্ষেত্ৰ সকলোতে বহিৰাগতৰ প্ৰভাৱ হাড়ৰ ভিতৰলৈকে। প্ৰথমতে খাদ্য বিভাগকে লোৱা যাৱক। অসমলৈ অসমৰ প্ৰধান খাদ্য ধান বহিঃ ৰাজ্যৰ পৰা আহে যি সময়ত অসমৰ মানুহে ধানৰ খেতি কৰে। আকৌ দেখা যায় যে একোখন মদৰ দোকানৰ পৰা উৎসৱ, পাৰ্বনৰ দিনত মদৰ পৰাই লাখৰ ঘৰত কৰ বহিঃ ৰাজ্যলৈ যায়। মাছ আৰু কণীৰ কথাটো ক'বই নোৱাৰি। অসমত আমি অসমীয়াবোৰে কিনি খোৱা মাছ আৰু কণীৰ শতকৰা ৯৫ ভাগেই হেনো আহে বহিঃৰাজ্যৰ পৰা। সেইফালৰ পৰাও গ'ল কোটি টকাৰ কৰ। এতিয়া আমি কৰিব পৰা আৰু কৰিব লগীয়া কথাতো হ'ল উল্লেখিত বস্তুবোৰ অসমত উৎপাদন কৰা ধান, শাক-পাছলিৰ উৎপাদন যদি আমাৰ মাজৰ ২০ জনে বৈজ্ঞানিক পদ্ধতিৰে কৰিব ধৰো বছৰি হাজাৰ কোটি টকাৰ কৰ আদায় কৰিব পৰা যাব। লগতে অসমৰ জনমুৰি আয়ো বাঢ়িব। এইখিনিতে বিশেষভাৱে উল্লেখ কৰি থওঁ যে যদিহে অসমৰ জনজাতীয় পানীয় (সাজপানী/লাওপানী)ৰ বৈজ্ঞানিক উৎপাদন, বটলীকৰণ, বিতৰণ তথা ৰপ্তানী কৰিব পৰা যায় তেন্তে পালেনে অসমে লাখ কোটিৰ কৰ? নহ'ল নে অসম ধনী? মজাৰ কথা এয়ে যে তেতিয়া কিজানী ইউৰোপত যিমান ৱাইনৰ ভিন্নতা আছে তাতোকৈ বেছি কেৱল অসমতে ৰাইচ ৱাইন (সাজপানী)ৰ ভিন্নতা পোৱা যাব।

এতিয়া আহোঁ শ্ৰমিকৰ ক্ষেত্ৰলৈ। অসমীয়া মানুহৰ বদনাম আছে যে তেওঁলোকে কাম কমকৈ কৰে। যাৰ মই বিৰোধিতা কৰো। কিয়নো মই যেতিয়া গাঁৱলৈ যাওঁ তেতিয়া দেখো গাঁৱৰ মানুহৰ হাড়ভগা শ্ৰম। সেয়ে মই ক'ব বিচাৰো যে 'এলেহুৱা' বিশেষণটো অসমীয়া ক্ষেত্ৰত ব্যৱহাৰ কৰিব নোৱাৰে। অসমীয়া মানুহে কাম নকৰে হয়, যেনে ৰিক্সা চলোৱা, ধোবা, নাপিত, ঠেলা চলোৱা আদি আৰু বহুতো। মই ভাবো এনে হোৱাৰ কাৰণ হ'ল অতীজৰ পৰা অসমৰ জনজাতীয় মানুহবোৰৰ মাজত থকা আত্মসন্মান, স্বাধীনচিতীয়া মনোভাৱ আৰু অতীজৰ পৰা নিজৰ কাম নিজেই কৰি লোৱা স্বভাৱ।

প্ৰায়ভাগ বিদগ্ধ মানুহে কয় যে কামৰ কোনো সৰু-বৰ নাই। ৰিক্সা চলোৱা বা ঠেলা চলোৱা কাম কৰিলে লাজ পাবলগীয়া একো নাই। কাম কামেই, সকলো সমান। সেয়ে আমি নতুন প্ৰজন্মই কাম কৰিবৰ বাবে লাজ কৰিব নালাগে। তেতিয়া শ্ৰমিকৰ নামত কোটি কোটি টকা বাহিৰলৈ নগৈ অসমত থাকিলেহেঁতেন আৰু যদিহে অসমৰ অগ্ৰজসকলে এনেকৈ ভাবিলেহেঁতেন তেন্তে আজি অসমৰ সামাজিক ৰূপেই বেলেগ হ'লহেঁতেন।

ইন্ধন, বস্ত্ৰ, শক্তি ক্ষেত্ৰ আদি আৰু বহুতো ক্ষেত্ৰত আমি ভাল নীতি ল'লে আমি অতি লাভৱান হ'ব পাৰিম। ইন্ধন অসমত এতিয়াও বহুত আছে। যিবোৰ সকলো অসমত বিশুদ্ধকৰণৰ ব্যৱস্থা কৰিলে মোটা অংকৰ ধন কৰ, লগতে বহুতৰ সংস্থাপন হ'ব। বিদ্যুৎ শক্তিৰ কথা যদি আমি চাওঁ দেখিব যে অসমৰ সম্ভাৱনা প্ৰচুৰ যদিও এতিয়াও বহিঃৰাজ্যৰ ওপৰত নিৰ্ভৰশীল, তথাপিও নাটেগৈ। আমি নৱপ্ৰজন্মই যদি উপৰোক্ত বিষয়কেই তাৰ ওপৰত চৰকাৰক ব্যৱস্থা ল'বলৈ বাধ্য কৰাব পাৰো। অসম জাকত জিলিকা হৈ উঠি। বস্ত্ৰৰ ক্ষেত্ৰতো যদি আমি আলোকপাত কৰো, আমি দেখিম যে আমি পৰনিৰ্ভৰশীল। কাৰণ আমাৰ আওপুৰণি উৎপাদনশৈলী। পৰিতাপৰ কথা যে সেয়াও বৰ্তমান প্ৰজন্মই নাজানে। এই ক্ষেত্ৰত ২০ লাখ টকা দি এখন বাছ কিনি ভাড়া মৰাতকৈ বা 'চি' (C) গ্ৰেড ঠিকাদাৰ হোৱাতকৈ এটা আধুনিক বস্ত্ৰ উৎপাদন উদ্যোগ স্থাপন কৰিব পাৰো। যি আমাক সংস্থাপন আৰু সমৃদ্ধি দিব আৰু বহুতো বিষয় আছে যিবোৰ আমি সৎ আৰু শুদ্ধ পথেৰে ব্যৱহাৰ কৰিব পাৰিলে আমাৰ লগতে ৰাজ্যৰ বহুতো লাভ হ'ব।

মানুহক জীয়াই থাকিবলৈ লাগে অন্ন, বস্ত্ৰ, বাসস্থান। ইয়াৰে বাসস্থান আমাৰ আছেই। অন্নৰ আৰু বস্ত্ৰ উৎপাদনৰ আমি সমৃদ্ধিশালী হ'লে আমি সঁচাকৈয়ে বাৰু স্বাধীন নহম নে? লগতে যদি শক্তি উৎপাদন, পৰ্যটন আদিও আমাৰ টনকীয়াল হয় তেন্তে আমি নিশ্চয়কৈ এদিন অতি শক্তিশালী হৈ পৰিম। অসমখন হৈ পৰিব জাকত জিলিকা। আমি সকলোৱে সমৃদ্ধিৰ ক্ষেত্ৰত আমেৰিকাৰ সৈতে তুলনা কৰাৰ দৰে এদিন অসমৰ লগতে তুলনা কৰিব, লগতে আমি মানসিকভাৱে লগতে অৰ্থনৈতিক ভাৱে স্বাধীন হৈ পৰিম।

# মিচিং সমাজৰ সাজপাৰ এটি আলোকপাত

**ৰেখা মিলি**
স্নাতক চতুৰ্থ ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

সাজপাৰ হ'ল জাতীয় জীৱনৰ দাপোনস্বৰূপ। উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম জনগোষ্ঠী মিচিংসকলৰ নিজস্ব স্বকতীয়তা সাজপাৰৰ ক্ষেত্ৰত পৰিস্ফুত হয়।

বৃত্ত আৰৃগ ৰৃচনদ চৃপাগ আৰৃগ মলাপী
অৃগৃন গীলা পুনলাপী গাদু অন্ন মলাপী।

(অৰ্থঃ আহুধানৰ পথাৰৰ কাষতে কপাহৰ খেতি কৰিম আৰু হেঁপাহৰ হোৱা পিঠিত বান্ধি কপাহৰ জোলাবোৰ ছিঙি আনি সূতা কাটি কাপোৰ বম।)

অতীজৰে পৰা মিচিং মহিলাসকলে কপাহৰ পৰা সূতা কাটি কাপোৰ বৈ নিজে নিজৰ চাহিদা পূৰণ কৰি আহিছে। চিন্তা আৰু কল্পনাৰে ৰহণ সানি প্ৰকৃতিৰ নানা ৰঙীন ফুল, ৰামধেনুৰ সাতোৰঙী ৰঙেৰে কাপোৰত বুটা বাছি মনোমোহা কৰি তোলে। এই বুটা বা ফুলৰ সমষ্টিক সংৰক্ষণ কৰা চানেকিক মিমাং বোলে। মিচিং ভাষাত কাপোৰত তোলা ফুলবোৰক গামিত বোলা হয়।

মিচিং সাজপাৰ সম্পৰ্কে বৰ্তমানলৈকে কোনো বিজ্ঞানসন্মত অধ্যয়ন হোৱা নাই যদিও প্ৰচলিত সাজপোচাকৰ ধাৰণাৰে এক আলোকপাত কৰা হ'ল। (বৰ্ণনাৰ সুবিধাতে দুই ধৰণৰ সাজপাৰৰ কথা উল্লেখ কৰিব পাৰি। মহিলাই পৰিধান কৰা সাজপাৰ আৰু পুৰুষে পৰিধান কৰা সাজপাৰ।)

পুৰষে পৰিধান কৰা সাজপাৰ (ক) উগন, (খ) গনৰ উগন, (গ) গালুক, (ঘ) লুকৰ গালুক (ঙ) মিবু গালুক, (চ) মৌৰপুং দুমীৰ, (ছ) দুমীৰ, (জ) তাপুম গাচৰ আদি।

(ক) উগন ঃ সাধাৰণতে পুৰুষে ব্যৱহাৰ কৰা ধুতীজাতীয় কাপোৰখনকেই 'উগন' বুলি কোৱা হয়। এই উগনবোৰ দুই মূৰে সৰু সৰু বুটা দি ফুল বচা হয়। ঘৰুৱা পৰিবেশত এনেধৰণৰ উগন ব্যৱহাৰ কৰা দেখা যায়।

(খ) গনৰ উগন ঃ সাধাৰণ উগনতকৈ অলপ উন্নতভাৱে নিৰ্দিষ্ট ফুল বাচি বোৱা এবিধ মিচিং ধুতীয়েই হৈছে 'গনৰ উগন'। পুৰুষে পূজা-পাতল কৰোতে বা মিবু দাগনাম (সূৰ্য দেৱতাক স্তুতি কৰা এক অনুষ্ঠান)ত পৰিধান কৰা হয়।

(গ) গালুক ঃ এবিধ দীঘল কাপোৰ পিঠিৰ পৰা দুই হাতৰ কাষলতিৰ তলেদি মূৰৰ পিছফালে আনি গাঠি দি চোলা পিন্ধিছিল। পাছলৈ হাত চিলাই বা মেচিনেৰে গালুক তৈয়াৰ কৰিবলৈ ধৰিলে। টি-ছাৰ্ট, কামিজ আদি সকলো বিধ চোলাকে মিচিং মানুহে 'গালুক' বুলি কয়।

(ঘ) লুকৰ গালুক ঃ মিচিং ভাষাত গালুক + আৰ = লুকৰ। অৰ্থাৎ চোলাৰ ভিতৰত প্ৰকৃত চোলা। এইবিধ চোলাৰ কাপোৰত পিঠিৰ ফালে দঞিও পল ঃ (মিচিংসকলৰ উপাস্য দেৱতা) বুটা বাচি দিয়া হয়। মাংগলিক কাৰ্য কৰোতে বা উৎসৱ পাৰ্বনত পৰিধান কৰা দেখা যায়।

(ঙ) মিবু গালুক ঃ প্ৰকৃততে মিবু (অৰ্থাৎ মাংগলিক কাৰ্য সম্পাদন কৰা এক ব্যক্তি)ৱে পৰিধান কৰা চোলাকে 'মিবু গালুক' বোলে। লুকৰ গালুক তৈয়াৰ কৰা ধৰণেৰে তৈয়াৰ কৰে যদিও মিবু গালুক বোৱা মহিলা গৰাকী নিৰ্দিষ্ট সাৱধানতা অৱলম্বন কৰা হয়।

(চ) মৌৰপুং ঃ মুৰত মৰা পাগুৰিকেই মিচিংসকলে মৌৰপুং দুমীৰ বুলি কোৱা হয়। মুৰত মৰা পাগুৰিবোৰ সাধাৰণতে দুমীৰ (গামোচা) খনতকৈ অলপ দীঘল আৰু মূগা বৰণৰ থাকে। দুই ফালে ফুলবচা থাকে। মিবুৱে মিবু দাগনাম (এক মাংগলিক কাৰ্য) কৰোতে এই মৌৰপুং লগোৱাটো নিয়ম।

(ছ) দুমীৰ গাচৰ ঃ অসমীয়া গামোচাৰ দৰেই মিচিংসকলৰ 'দুমীৰ গাচৰ' একেই যদিও ইয়াৰ আকৃতি, ফুল আদি কিছু পাৰ্থক্য দেখা যায়। এই দুমীৰ গাচৰৰ এমূৰত ফুল বচা থাকে। এইবিধ পুৰুষে ডিঙিত লয়।

(জ) তাপুম গাচৰ ঃ এৰীপলু পুহি সূতা কাটি তাপুম গাচৰ বোৱা কাপোৰকেই তাপুম গাচৰ বোলে। তাপুম গাচৰ বোৰৰ সূতা মিহি, ডাঠ, আকাৰ দীঘল আৰু দুইমূৰে দহিবটা থাকে।

মিচিং মহিলাই ব্যৱহাৰ কৰা সাজপাৰ ঃ

মিচিং মহিলাই পৰিধান কৰা সাজপাৰৰ সংখ্যা পুৰুষতকৈ বেছি। মহিলাসকলে নিজৰ চাহিদা নিজেই পূৰণা কৰিবলৈ সকলো কাপোৰ বৈ পিন্ধে। আনকি কইনাই বিয়াৰ সাজযোৰ নিজেই বৈ ল'ব লাগে। কিন্তু আধুনিকতাৰ প্ৰভাৱত কিছু সাল-সলনি হৈছে যদিও মহিলাৰ মিচিং সাজপাৰৰ সম্যক ধাৰণা আগবঢ়াইছো।

প্ৰচলিত সাজপাৰৰ এনেধৰণে ভাগ কৰি দেখুৱাব পাৰি। (ক) এগে, (খ) গাচৰ, (গ) গাচীং, (ঘ) ৰিঃবি, (ঙ) পেঃৰে, (চ) ৰুম্বুং, (ছ) গাৰেঃ, (জ) ঘেতচাং, (ঝ) চীকৰীক্, (ঞ) গেৰঃ, (ট) পুচুং আদি।

(ক) এগে ঃ মিচিং মহিলাই কঁকালৰ পৰা নিম্নাংশত পিন্ধা এবিধ সাজ এগে। এগেবোৰৰ ৰং বিভিন্ন ধৰণৰ আৰু ফুল (গামিত) বিভিন্ন ধৰণৰ থাকে। গামিতবোৰ হৈছে - কেববুং, কেঃচী, পৰগে, পীঃৰে, পুনজেৰ, মীপ, চামপুৰুং আদি।

(খ) গাচৰ ঃ গাচৰ বুলি ক'লে ৰিহা, চেলেং চাদৰ আদিৰ কথাকে বুজিব লাগিব। বৰ্তমান সময়ত গাচৰৰ প্ৰাধান্যতা অধিক।

(গ) গাচীং ঃ শিমলু ফুলৰ দৰে অথবা মদাৰ ফুলৰ দৰে ৰঙা সূতাৰে বোৱা আৰু দুই মূৰে চাৰিটা বা পাঁচটা এক ইঞ্চি বহল বগা ৰেখা দি বোৱা বস্তুকেই গাচীং বোলে। এই গাচীং মহিলাই ঠাণ্ডা দিনত শ্বল হিচাপে ব্যৱহাৰ কৰে।

(ঘ) ৰিবি ঃ গাচেংঙৰ দৰে একেই। ৰঙা, বগা, কলা, হালধীয়া সূতাৰ সংমিশ্ৰণত বোৱা হয়। এই ৰিবি মিচিং সমাজৰ অতি মৰমৰ। মিচিং বিহুৰ সাজত এই ৰিঃবি চাদৰৰ দৰে পৰিধান কৰে।

(ঙ) পেঃৰে ঃ বগা, ৰঙা আৰু কলা সূতাৰে বোৱা দীঘল ৰিহা বা চাদৰৰ আকাৰৰ এবিধ কাপোৰ হৈছে পেঃৰে। বোৱাৰী-জীয়ৰী উভয়ে চাদৰ হিচাপে পেঃৰে ব্যৱহাৰ কৰিব পাৰে।

(চ) ৰুম্বুং ঃ বগা, কলা, ৰঙা, সেউজীয়া, হালধীয়া ৰঙৰ সংমিশ্ৰণেৰে ফুল বচা চাদৰতকৈ অলপ চুটি এক ধৰণৰ কাপোৰ। পঃৰাগ, আলি আই লিগাং আদি উৎসৱত পৰিধান কৰে। আৰু ন-কইনাই বগা ৰঙৰ ৰুম্বুং পৰিধান কৰি নতুন ঘৰত প্ৰবেশ কৰে।

(ছ) গাৰে ঃ ৰুম্বুঙৰ দৰেই বিভিন্ন ৰঙৰ সূতাৰে গাঃৰে বোৱা হয় যদিও ইয়াৰ ফুলৰ পৰিমাণ কিছু কম থাকে। বিবাহিত মিচিং মহিলাই সাধাৰণতে গাঃৰে পৰিধান কৰে।

(জ) য়েতচাং ঃ ঘেতচাং এটা বা দুটা ৰঙৰ সূতাৰে বোৱা দীঘল কাপোৰকেই য়েতচাং হিচাপে মিচিং মহিলাই পৰিধান কৰে।

(ঝ) চীকৰীক ঃ বিবাহিত আদহীয়া মহিলাই কঁকালত পিন্ধে। চীকৰীক সাধাৰণতে কাপোৰৰ দৰেই বৈ লয় যদিও বেছি ৰং বিৰঙৰ সূতা ব্যৱহাৰ নকৰে।

(ঞ) গেৰঃ মাজৰ অংশ ৰঙীন ফুল ভৰা গামিতেৰে বোৱা এইবিধ কাপোৰক গেৰঃ বুলি কোৱা হয়। বিবাহিত মহিলাই বুকুত আৰু গাভৰু ছোৱালীয়ে ককালত গেৰঃ পিন্ধে।

(ট) পুচুং এগে-গাচৰ ঃ ঘৰত পিন্ধিবলৈ বিবাহিত মহিলাই সেউজীয়া, ৰঙা, বেঙুনীয়া আদি বিভিন্ন ৰঙেৰে দীঘে পথালিয়ে বৰ্গ আকাৰত আঁচু দি বোৱা মেখেলা চাদৰকেই পুচুং এগে গাচৰ বুলি কোৱা হয়। এই পুচুং এগে গাচৰ বিয়াৰ আগতে এনেবিধ কাপোৰ বৈ লয়।

(ঠ) গাপাঃ ঃ পকোৱা সূতাৰে ডাঠকৈ বোৱা মেখেলা হিচাপে পিন্ধা এবিধ কাপোৰেই হ'ল গাপাঃ এইবিধ মেখেলা দুই মূৰে নিচিলোৱাকৈ পিন্ধে। আদিসকলৰ গালী আৰু মিচিং গাপা প্ৰায় একে ধৰণৰ। ইয়াৰ পিছফালৰ অংশত ফুল বছা থাকে। মিচিং গাভৰু ছোৱালীয়ে গাপাঃ পিন্ধি নৃত্য কৰে।

সাজপাৰ মানৱ সংস্কৃতিক বৈচিত্ৰ্যতা প্ৰদান কৰিছে। মানৱ সভ্যতাৰো ই যুগ নিৰ্ণায়কৰ ভূমিকা গ্ৰহণ কৰিছে। পৃথিৱীৰ দেশ, কাল ভেদে, সমাজ ভেদে সাজপাৰৰ এই বৈচিত্ৰ্যতা লক্ষ্য কৰা যায়। সাজপাৰ ধৰ্ম, বৰ্ণ, শ্ৰেণী, বিবাহিত-অবিবাহিত, বয়স, লিঙ্গ আদিৰ সংকেত স্বৰূপ। মানুহৰ ব্যক্তিত্বতো সাজপাৰে প্ৰভাৱ পেলায়। একেজন ব্যক্তিয়ে সময়ভেদে, পৰিবেশভেদে বেলেগ বেলেগ সাজ পৰিধান কৰে। উৎসৱৰ আনন্দত সুন্দৰ বস্ত্ৰ পৰিধানৰ মাজেৰে যেনেকৈ প্ৰতিবিম্বিত হয় দুখৰ স্মৃতি ও সাজপাৰে প্ৰকাশ কৰে। সেয়েহে বিৰিঞ্চি কুমাৰ বৰুৱাই কৈছে — "সাজপাৰ জাতিৰ শ্লীলতা, আৰ্থিক অৱস্থা, সৌন্দৰ্যপ্ৰিয়তা, শিল্পী মন, সুকুমাৰ প্ৰতিভাৰ প্ৰকাশ। (অসমৰ লোক সংস্কৃতি, পৃষ্ঠা - ১৪৬)

প্ৰসংগ পুথি ঃ

১। অসমৰ লোকসংস্কৃতি।
২। উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীয় সাজপাৰ আৰু আ-অলংকাৰ। সম্পাদনা ঃ অজন্তা ৰাজখোৱা।

# টাই খাময়াং জনজাতিৰ

## সংস্কৃতিৰ চমু পৰিচয়

ময়ুৰী শ্যাম
স্নাতক দ্বিতীয় ষান্মাসিক



সংস্কৃতিয়েই হ'ল কোনো এটা জাতিৰ জাতীয় জীৱনৰ প্ৰৱাহমান সোঁত। নদীৰ প্ৰৱাহিত সোঁতে যিদৰে কোনো ঠাইত গৰা খহায় আৰু কোনো ঠাইত বলুকা পাতে; ঠিক একেদৰে সংস্কৃতিয়েও সময়ৰ সোঁতত কোনো সম্পত্তি ত্যাগ কৰি নতুনত্বৰ সংযোগ কৰে।

টাই খাময়াং জনজাতিৰ কৃষ্টি-সংস্কৃতিৰ চমু পৰিচয় দিবলৈ যাওঁতে জাতিটোৰ চমু পৰিচয় দিলে ভাল হ'ব। অসম তথা সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলতে বসবাস কৰা টাই খামটি, টাই টুৰুং, টাই ফাকে, টাই আইতন আৰু টাই আহোমসকলৰ দৰে টাই খাময়াং সকলো এটা সৰু মান তাই ভাষী গোষ্ঠী। এই খাময়াং সকলে আহোমসকলৰ পাছতে প্ৰায় ১৮০০ শতিকাত বৰ্মাদেশ বা মানদেশ (বৰ্তমান ম্যানমাৰ)ৰ পৰা পাটকাই পৰ্বতৰাশি পাৰ হৈ আহি অসম প্ৰদেশত পদাৰ্পণ কৰে। এই খাময়াং সকলৰ ন টা বংশ থাওম্যুং, চাওহাই, চাওচং, চাওলিক, চউলু, তুনখাং, পাংখৰা, ফালেক আৰু ৱাইলুং। এই টাই খাময়াং সকল বৌদ্ধ ধৰ্মাৱলম্বীৰ। এওঁলোকৰ ধৰ্মৰ ভিত্তিত যদিও কোনো ভেদাভেদ নাই, সততে অন্য ধৰ্ম গ্ৰহণ কৰা দেখা পোৱা নাযায়।

টাই খাময়াংসকলে 'খাময়াং' নাম পোৱাৰ এক কিম্বদন্তী আছে। খাময়াং সকলে বাস কৰা গাঁওখন ইৰাৱতী নদীৰ পাৰত, হাবি-বননি, নদ-নদী আৱৰা ঠাইত। সেই ঠাইত পাহাৰৰ নামনিত আছিল এজোপা বিৰাট ডাঙৰ বটগছ। সেই বট জোপাক আশ্ৰয় কৰি আছিল এহাল গৰুড়ৰ সদৃশ বৃহৎ পক্ষী। পক্ষীহাল আছিল নৰখাদক। সেই পক্ষীহালে অটব্য অৰণ্যৰ পৰা ওলাই আহি





বটজোপাত বহি গাঁওবাসীক নিৰীক্ষণ কৰি থাকে। যেতিয়াই সুবিধা পায় কেঁচুৱা, শিশুবোৰক হাতোৰাৰে ধৰি গভীৰ অৰণ্যৰ মাজত ভক্ষণ কৰেগৈ। এনেকুৱা কাৰ্যই গাঁওবাসীৰ মাজত ভয়ৰ সৃষ্টি কৰিছিল। এই সমস্যাৰ পৰা উপশম পাবৰ বাবে গাঁওবাসী একেলগ হৈ এটা উপায় উদ্‌ঘাটন কৰিলে। যিহেতু বটজোপাক আশ্ৰয় কৰিহে পক্ষীহালে এনে দুষ্কাৰ্য কৰে, সেইবাবে বটজোপাকে কাটি পেলোৱা যাওক। কথা মতেই কাম হ'ল। বটজোপা কাটি শিপাবোৰো উভালি পেলালে। বটগছ জোপা থকা ঠাইত এটা ডাঙৰ সোণৰ ভাণ্ডাৰ আছিল। সেই সোণৰ ভাণ্ডাৰ অনুসৰিয়ে ঠাইখনৰ নাম খাময়াং বা সোণপুৰ হ'ল। এই খামংয়াং ঠাইখনত বাস কৰা বাবে জাতিটোৰ নাম খাময়াং হৈ পৰিল। টাই ভাষাত খাময়াং শব্দৰ অৰ্থ হ'ল 'খাম' মানে 'সোণ' আৰু 'য়াং' মানে 'থকা', অৰ্থাৎ 'সোণ থকা ঠাই'।

অসমত বাৰেবৰণীয়া কলা সংস্কৃতিয়ে ভৰপুৰ যদিও ইয়াত 'খাময়াং' সকলৰ সংস্কৃতিৰ অৱদান লেখত ল'বলগীয়া। তেওঁলোকৰ বৈশিষ্ট্যপূৰ্ণ সামাজিক ৰীতি-নীতি, ভাষা, ধৰ্ম, সাজ-পোছাক, খাদ্য তালিকা, উৎসৱ-পাৰ্বন আদিৰ সুকীয়া পৰম্পৰাই অন্য সমাজক বাৰুকৈয়ে আকৃষ্ট কৰি তুলিছে।

আটোম-টোকাৰীকৈ সাজি লোৱা তেওঁলোকৰ ঘৰটোৰ সৈতে চাং ভঁৰাল আৰু লগতে পৰিপাটিকৈ পাতি লোৱা বাৰীখন, কিছুমান পৰম্পৰাগত নিয়মৰ অধীন। জন্ম, মৃত্যু, বিবাহ ইত্যাদিতো যথাবিহিত নীতি-নিয়ম আছে। নিগাজীকৈ বাসস্থান পাতোতে কোনখিনিত মুল ঘৰ হ'ব, কোন দিশত ভঁৰাল আৰু গোহালি ৰাখিব লাগিব তাৰ সু-ব্যৱস্থা থাকে। ঘৰ সাজোতে যিটো বৰঘৰ হিচাপে ব্যৱহাৰ কৰা হ'ব তাত ঘিলাম খুঁটাৰ (ঘাই খুঁটা)ৰ স্থান নিৰ্দিষ্ট হ'ব লাগিব। পৰিয়ালৰ আটাইবোৰ মাংগলিক কাম তেওঁলোকে এই ঘিলাম খুঁটাক সাক্ষী কৰিয়ে সম্পাদন কৰে। ভিক্ষু শ্ৰমন আমন্ত্ৰিত হ'লে এই খুঁটাৰ কাষতে আসন দিয়ে। শহুৰ-শাহুৰ, বৰজনা-জাক ইত্যাদি ভৰপূৰ ঘৰখনত সকলোৰে বহা-খোৱা-পিন্ধা ৰুচি অনুযায়ী যাৱতীয় ব্যৱস্থা ৰখা হয়। তেওঁলোকৰ সমাজত তিৰোতাই সেন্দুৰ নাইবা উৰণি লোৱাৰ কোনো প্ৰথা নাই। কিন্তু সন্মানীয় সকলক শ্ৰদ্ধা-সন্মান ৰক্ষা কৰাত কোনো ত্ৰুটি নাথাকে।

খাময়াং সকলৰ সমাজত জন্ম-বিবাহ-মৃত্যু উপলক্ষে নিজা ৰীতি-নীতি আছে। জন্মৰ পাছত নৱজাতকটোক বাজ উলিয়াবৰ দিনা আয়তীসকলে দুৰৱি বন, তুলসী, শিলপটা, বাঁহপাত আদি উপকৰণৰ লগতে দা, কাঁচি, পুথি-পাজি পৰ্যন্ত ব্যৱহাৰ কৰে। তেওঁলোকে শুদ্ধি নাপাতে। সেইদৰে ছোৱালী গাভৰু (ঋতুমতি) হওঁতেও কোনো বিশেষ নীতি-নিয়মৰে আয়তী সকলৰ দ্বাৰাই অনুষ্ঠুপীয়াকৈ সমাধান কৰা হয়। বৰ্তমানৰ বিয়া আগৰ নীতি নিয়মতকৈ যথেষ্ট সৰলীকৃত হৈছে। যদিও এখন বিয়াত দৰা-কইনাৰ মাক-দেউতাক, লুহটা (মোমায়েক), পটুন (দদায়েক) মিটিৰ-কুটুম আৰু জ্ঞাতি গঞাৰ উপস্থিতি অত্যন্তই প্ৰয়োজন। মানুহৰ মৃত্যু হ'লে সাধাৰণতে কাঠৰ কফিনত ভৰাই কবৰ দিয়ে। কবৰ খনা মাটিৰ বাহিৰে অন্য মাটিৰে কবৰ দিয়া নহয়। খন্দা মাটিও এচপৰাও অন্যত ব্যৱহাৰ কৰিব নোৱাৰে। সাংসাৰিক মুনিহ-তিৰোতা, অবিবাহিত ব্যক্তি অথবা অপদুঘাত মৃত্যু বৰণ কৰা সকলৰ সুকীয়া নীতিৰে কবৰ দিয়া হয়। ভিক্ষু সংঘৰ মৃত্যু হ'লে তেওঁলোকৰ শ' কবৰ দিয়াৰ পৰিৱৰ্তে দাহ দিব লাগে আৰু ইয়াৰ বাবে নিজা জাতিবৰ্গৰ লগতে ধৰ্মপ্ৰাণ আৰু হিতাকাংক্ষী সকলোকে নিমন্ত্ৰণ দি 'পয়লেং ম্যাখাং' পাতিব লাগে। অন্য সাধাৰণ মানুহৰ মৃত্যুত নিৰ্দিষ্ট এটা সময়ত 'পয়শ্ৰম' পাতিব লাগে।

খাময়াং সমাজৰ অন্য পুৰণিকলীয়া ৰীতি হ'ল 'মাইখানৰো' আৰু 'চন্‌খন'। 'মাইখান'ত প্ৰয়োজন অনুসৰি জ্যেষ্ঠজনে কেঁচা সূতাৰে কৱচ বান্ধে। এডোখৰ শুকান কলপাতেৰে হাতৰ তলুৱা মোহাৰি 'মাই' অৰ্থাৎ ভূত-প্ৰেত, বাধা, অপায়-অমংগল দূৰ কৰি এঁৱা সূতাৰে দুপাক দি 'খন' (মন্ত্ৰপুত কৱচ) বান্ধে আৰু লগতে শিৰত চাউল দি আশীৰ্বাদ দিওঁতে এক উপহাৰ দিয়াৰ নিয়মো আছে। অন্য এটা ৰীতি 'চন্‌খন' (চোঁচোৱাই আয়ুস মতা)। এই নীতিত আয়তীসকলে এটা নিৰ্দিষ্ট ঠাইত তিনিটা খুটি পুতি তামোল-পান আৰু দক্ষিণা দি তাৰ পৰা এডাল বগা সূতা ঘৰলৈকে অৰ্থাৎ আয়ুস পৰা মানুহজনৰ ঘৰলৈ টানি আনি আয়ুস মাতে।

উৎসৱ ভিত্তিত এই খাময়াং সকলৰ মূল উৎসৱ হ'ল 'পয় চাংবোন' আৰু 'মাইবা' চুম ফাই'। বছৰৰ প্ৰথম দিনটো অৰ্থাৎ গৰু বিহুৰ দিনৰ পৰা আৰম্ভ কৰি তিনি দিন পৰ্যন্ত এই পয় চাংবোন উৎসৱ পালন কৰে। মাঘ আৰু ফাগুনৰ মাজৰ যিটো পূৰ্ণিমা হয় তেতিয়া 'মাইবা' চুম ফাই' উৎসৱ পালন কৰা হয়। ইয়াৰ উপৰিও 'কঠিন চীৱৰ দানোৎসৱ', 'ক্যাংফ্ৰা', 'ফ্ৰালু' ইত্যাদি উৎসৱ খাময়াং সকলে সময়ৰ অনুযায়ী পালন কৰে। তেওঁলোকৰ উৎসৱ-পাৰ্বন, সমূহত ধৰ্মীয় প্ৰভাৱ কৰোতে শীল গ্ৰহণ হোত্ৰা (মংগলসুত্ৰ পাঠ) লগতে যাৱতীয় খংলু খংপান (দান দক্ষিণা) আৰু পেটেৱা (কাপতৰু বৃক্ষ)ৰ জৰিয়তে আধ্যাত্মিক

মনোবাঞ্চা পূৰ্ণ হোৱাৰ কামনা কৰে। তেওঁলোকে তিনিমাহ বৰ্ষাবাস পালন কৰে, ইয়াৰ অন্তৰ্গত কিছুমান তিথিত 'পুংখাই' (আকাশ বন্তি) উৰোৱাটো এক উল্লেখযোগ্য কাৰ্য। এইবোৰৰ উপৰিও ভিক্ষু সংঘ 'খাম' কৰোতে বা পুংবাত সোমাওতে, ফ্লালু, ক্যংখাম উৎসৰ্গা ইত্যাদি ধৰ্মীয় অনুষ্ঠানবোৰো সকলোৱে সমাৰোহেৰে উদ্‌যাপন কৰে।

এই খাময়াংসকল বৌদ্ধ ধৰ্মাৱলম্বীৰ। তেওঁলোকৰ সমাজৰ প্ৰতিখন গাঁৱতে একোটা 'ক্যং' (বৌদ্ধ বিহাৰ)ত একোখন ভিক্ষুৱে সেৱা আৰু দান দক্ষিণাৰ লগতে বিধিগত তিথি পাৰ্ৱন আৰু বৰ্ষাবাস আদিৰ পৰিচালনা কৰে। ভিক্ষু শ্ৰমণ কোনো উত্তৰাধিকাৰী সূত্ৰে নিৰ্বাচিত নহয়। যি নিজৰ চৰিত্ৰ নিষ্কলুষ বুলি অনুভৱ কৰে নাইবা যাক সমাজে উপযুক্ত বিবেচনা কৰে তেওঁৱেই সেই আসনৰ যোগ্য।

সাজ-পোছাকৰ জগতখনো তেওঁলোকৰ অত্যাধিক চকুত লগা। পুৰুষ সকলে লুঙি, চোলা, গামোচা, মোনা আদিৰে সজ্জিত হয়। মহিলাই বালা মেখেলা, ৰিহা, চেলেংচাদৰ আৰু বিবাহিতা-অবিবাহিতা কুমাৰীয়ে চাইকাপ (কঁকাল জৰী) ব্যৱহাৰৰ লগতে কুমাৰী বিলাকে 'কেনহৌ' (টুপী) পিন্ধে আৰু ল'ৰাবোৰে পাগুৰী মাৰে। তেওঁলোকৰ সাজ-সজ্জাৰ বাবে প্ৰয়োজনীয়বোৰ তিৰোতাই ঘৰতে বৈ-কাটি উলিয়াই। তেওঁলোকৰ সমাজত বিভিন্ন গছৰ ডাল-পাত শিপাৰ সংমিশ্ৰণ কৰি সূতা আৰু কাপোৰত স্থায়ী ৰং দিয়া কাম নিখুঁতভাৱে জানে।

খাময়াং সকলৰ খাদ্যৰ তালিকাখনেও অন্য সমাজৰ মানুহক আকৰ্ষিত কৰে। চাউলৰ খাদ্য তেওঁলোকে সাধাৰণতে চেৰা দি ৰান্ধে আৰু চাফ-চিকুণকৈ কৌপাতত টোপোলা বান্ধি দিনটোৰ যিকোনো সময়তে খোৱাৰ উপযোগী কৰি ৰাখে। চিৰা, পিঠা, সান্দহ আদি জা-জলপানতকৈ 'খাওনাম' আৰু 'খুউমুংলাম' (চুঙা চাউল আৰু চুঙা পিঠা)ৰ প্ৰচলন আৰু তৰা পাতৰ সহায়ত বিশেষভাৱে মেৰাই তৈয়াৰ কৰা 'টংপেং' আৰু 'খাওখা' অতি সুস্বাদু খাদ্য। আঞ্জাৰ ভিতৰত মেজেঙা, নেফাফু, পাচাংখাং, থাইলন, ভোমলতি আগ আৰু অন্যান্য কিছুমান বনৰীয়া ফুলৰ গুটি আছে। নানা বিধ খৰিচাৰ লগতে শুকতি আৰু পাচলিৰ টেঙাও কৰিব জানে। তেওঁলোকৰ ব্যৱহাৰ্য মচলাৰ ভিতৰত 'পাখাইহম' আৰু 'লিংপাত'।

খাময়াং সকল কামৰ ভিত্তিত বিশেষভাৱে পাৰদৰ্শি। তেওঁলোকৰ খেতিয়েই জীৱিকা নিৰ্বাহৰ ঘাই উপজীব্য। আনুষ্ঠানিক কাম কাজবোৰ পুৰুষ-মহিলা উভয়ৰে সম্পাদন কৰে। কোনো কোনোৱে যদি কিবা কাৰণত খেতি খোলাত পিছপৰি ৰয় সকলোৱে সহায় সহযোগিতা আগবঢ়ায়।

খাময়াং লোকসকল সমাজ প্ৰীতি আৰু উদাৰ মনোভাৱাপন্ন। তেওঁলোকে জাতি, ধৰ্ম নিৰ্বিশেষে সকলোৰে লগত সমান আৰু সহজভাৱে চলে। অন্য সম্প্ৰদায় বিশেষকৈ আহোমসকলৰ লগত বৈবাহিক সম্বন্ধ স্থাপন কৰা দেখা গৈছে। অনেক কাৰণত অন্য সমাজৰ প্ৰভাৱ খাময়াং সকলৰ সমাজত পৰিব ধৰিছে আৰু বহুতো নীতি-নিয়ম শিথিল হৈ পৰিছে। গৰাখহনীয়াৰ দৰে বৰ্তমানত কিছু ৰীতি হেৰাই যোৱাৰো উপক্ৰম হৈছে .....।

**কৌতুক**

**বিচাৰক (আচামীৰ প্ৰতি) ঃ আচৰিত। একেখন দোকানতে তুমি এৰাতিতে তিনিবাৰ চুৰ কৰিবলৈ সোমালা কিয় ?**

**চোৰ ঃ ঘৰৰ মানুহজনীৰ বাবে নিয়া কাপোৰযোৰৰ ৰং মিলা নাছিল, দেউতা।**

*(সংগ্ৰহ)*





# অতিকৈ চেনেহৰ ৰঙালী বিহুটি

**ৰবী ফুকন**
স্নাতক চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ

বিহু অসমীয়াৰ জাতীয় উৎসৱ, সংস্কৃতিৰ প্ৰতীক আৰু বিমল আনন্দৰ উৎসৱ। অতিকৈ চেনেহৰ ৰঙাৰী বিহুটো অসমীয়াৰ মনৰ, প্ৰাণৰ, হেঁপাহৰ আৰু আদৰৰ উৎসৱ। এই বিহুতে বিজড়িত হৈ আছে অসমীয়াৰ জাতীয় জীৱনৰ উচ্ছাস, অসমীয়া জনজীৱনৰ আশা-আকাংক্ষা, ৰং ধেমালি, আনন্দ, উল্লাস, আৱেগ, অনুভূতিৰ পূৰ্ণ প্ৰতিফলন ঘটে এই বিহুতেই।

ব'হাগ বিহু বুলি ক'লেই অসমীয়াৰ গা মন ৰাইজাই কৰি উঠে। ব'হাগ মাহটোত সমগ্ৰ অসমত আনন্দ উল্লাসৰ ঢৌ উঠে। ব'হাগ বিহু বুলি ক'লেই ঢোল-পেপাৰ মাত, হুঁচৰি, ডেকা গাভৰুৰ বিহুনাচ, মন মতলীয়া কৰা বিহু, কপৌ, নাহৰ, তগৰ, কেতেকী ফুলৰ সুবাস, বিভিন্ন পিঠা পনা আৰু শিপিনীয়ে চেনেহৰ দীঘ দি মৰমৰ বাণী দিয়া বিহুৱানখন চকুৰ আগত ভাঁহি উঠে। নকুঁহিপাতেও প্ৰকৃতিৰ লগতে ব'হাগক কৰি তোলে মোহনীয়া। মুঠৰ ওপৰত ব'হাগ মাহটোক কোনোৱা চিত্ৰকৰে অংকন কৰা এখন বৰ্ণময় চিত্ৰ বুলি ক'ব পাৰি।

ব'হাগ বিহু মূলতঃ কৃষি উৎসৱৰূপে প্ৰাচীন অসমৰ ভূমিপুত্ৰসকলে আৰম্ভ কৰা এই উৎসৱটি পৰৱৰ্তীকালত অসমৰ জনমানসত এনেদৰে সোমাই পৰিল যে ই কৃষি উৎসৱৰ পৰা গৈ সাৰ্বজনীন লোক উৎসৱলৈ ৰূপান্তৰিত হ'ল। এই বিহুতেই প্ৰথম ব'হাগৰ দিনা ডেউকাত বৰষুণ কঁকালত পানীৰ মেখেলা, দুচকুত বিজুলীৰ চমকনি লৈ 'বৰদলৈচিলা' মাকৰ ঘৰলৈ আহে বুলি মোক বিশ্বাস আছে। (বিহু আৰু বৰদৈচিলা নাম দুটা সত্ত্বা বিভিন্ন)।

বোধকৰোঁ সেইবাবেই বিহুৰ নাচনী আৰু ঢুলীয়াৰ নাচ, গীত, চেও-চাপৰত সেই ভিন্নতা প্ৰতিফলিত হয়। বাউলী বৰদৈচিলাৰ ৰূপ লাৱণ্য মিশ্ৰিত বিহুক আদৰিবলৈ চ'ত মাহৰ পৰাই অসমৰ ঘৰে ঘৰে চলে ব্যাপক আয়োজন। ঘৰে ঘৰে মাকোৰ খিটখিটনি, গৰকাৰ দপদপনি, দোপতিৰ শুৱনা মাত। ঢেঁকীশালত জীয়ৰী-বোৱাৰীৰ ব্যস্ততা, জুহালত মাক-আইতাৰ পিঠা-পনাৰ ব্যস্ততা। মুঠতে এটা অনাবিল আনন্দ মুখৰ পৰিৱেশ। কাৰণ অতিকৈ চেনেহৰ ৰঙালী বিহুটি পদূলি মূৰত। এবছৰৰ অন্তৰালত উভতি অহা মৰমৰ বিহুটিক আদৰিবলৈ সেয়ে ঢোল-পেঁপা, পিঠা পনা, বিহুৱান লৈ অসমীয়া ৰাইজ সাজু। এয়াই আমাৰ বিহুৰ পৰম্পৰা।

বৰ্তমান যুগৰ পৰিৱৰ্তনৰ লগে লগে অতিকৈ চেনেহৰ ৰঙালী বিহুটি বহু পৰিৱৰ্তন হৈছে। নাচনীৰ কলডিলীয়া খোপাও এতিয়া কপৌ ফুল নিজিলিকে, প্লাষ্টিকৰ কপৌ ফুলহে জিলিকে, কাৰণ কপৌ ফুলে আশ্ৰয় লৈ ফুলিবলৈ ওখ গছ গছনিৰে ভৰা হাবি বন নোহোৱা হ'ল। জেতুকা বৰ্হমথুৰি আজিৰ গাভৰুৰ বাবে এলাগি হ'ল।

সহজতে বজাত পোৱা মেহেন্দি, লিপষ্টিক, নানাবিধ বিদেশী সুগন্ধিহে এতিয়া গাভৰু-নাচনীহঁতৰ প্ৰিয় প্ৰসাধন। ঢোল, পেঁপা, গগনা সজা থলুৱা কাৰিকৰো লাহে লাহে লোপ পাই আহিছে। তাৰেই গইনা লৈ অনা অসমীয়াই এইবোৰৰ ব্যৱসায়চ গাত দিছে। পৰম্পৰাগত খেল-ধেমালিবোৰো ক্ৰমশঃ লোপ পাই আহিছে। আজিৰ নৱপ্ৰজন্মই সেইবোৰ খেলৰ কথা শুনাই নাই আৰু জানিবও নোখোজে। অতিকৈ চেনেহৰ বিহুৱানখন ববলৈ বহু অসমীয়া পৰিয়ালত তাঁতশালখনেই নাই। তাঁতশালৰ ব্যৱহাৰ হোৱা বিভিন্ন সঁজুলি যেন - টোলোঠা, দোপতি, গৰকা, চিৰিপলি, ব-চুঙা, উঘা, চেৰেকী ইত্যাদি। বহুতো ডেকা-গাভৰুৱে এই সঁজুলিবোৰ চিনিকে নাপায়, নতুবা নামকে শুনা নাই। আজিৰ নৱপ্ৰজন্মৰ দৃষ্টিত বিহু মানে চান্দা।

ইতিমধ্যে বহুত বিষয়ত আমাৰ চেনেহৰ বিহুটিয়ে বিসদৃশ যেন লগা কিছুমান ৰূপ লাভ কৰিছে। সময় থাকোতেই এইবোৰ দিশত গুৰুত্ব দিব লাগে। নহ'লে ইয়াক আমি জাতীয় উৎসৱ বুলি ভাবিবলৈ এদিন দ্বিধাবোধ কৰিব লগা পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে।

# Memories of a Drama Workshop

**Sampurna Buragohain**
B.A. 2nd Semester, English Department

Earning experience is another part of Education. Man earns lots of experiences during his lifetime. Each experience has its own importance. We learn many things from our textbook, but it is told that the real experience is what we learn from our day to day life. Today, I am going to let the readers know about one of my own experience.

It's all about a Drama Workshop in which a number of tasks were completed, studied and analyzed. It was organized by Sonari College, from 5th - 12th January. Most probably thirty (3) students have taken part in that workshop.

Workshop is an educational seminar or series of meetings emphasising interaction and exchange of information among an usually small number of participants. It is also said as a group of people engaged is study or work on a creative project or subject. The word 'Workshop' rather had a broad usage; some workshops are just conferences with a little bit of time for discussion or some other additional feature. Besides, some workshops are about drama. This includes the one I have recently attended.

There are a number of different ways to teach people things, and because people learn things in different ways, a workshop has some advantages and disadvantages too. A workshop is valuable in certain circumstances - it is useful for those who work together, it can help to create a sense of community or common purpose among its participants. A workshop can introduce a new concept, spurring participants to investigate it further on their own, or can demonstrate and encourage the practice of actual methods.



Each day, we started our workshop with some exercise. Exercise is the physical exertion of body making the body do a physical activity which results in a healthy or healthier level of physical fitness and both physical and mental health. In other words, exercise aims to maintain or enhance our physical fitness and general health. Increasingly, exercise and physical activity are treated as one and the same thing. However, there is a big difference between the two.

Physical activity is any type of body movement produced by muscle contraction and which burns calories. Exercise is a subcategory which is measured by amount, intensity and frequency and involves certain repeated movements which are structured to improve or maintain one or moral physical components.

Apart from this, we were taught the rules of meditation. Then we were asked to meditate for about 15-20 minutes. Meditation is an effective form of stress reduction and has, the potential to improve quality of life. The goal of meditation is to focus, and quite our mind, eventually reaching a higher level of awareness and inner calm. It may comes as a surprise to learn that we can meditate anywhere and at any time, allowing ourselves to access a sense of tranquility and peace no matter what's going on around us.

After completing the meditation, the trainers/teachers started teaching us. They told us many things, which includes the rising of the drama and how it developed at different times, and the significance of drama etc. etc. The word 'drama' has come from a Greek word, meaning 'action', which is derived from the verb 'to do' or 'to act'. We were also told about some ancient dramas, which included 'Oedipus the King' (C - 429 BC) by Sophocles and 'Handct' (1601) by Shakespeare. Indeed, we also came to know about the classical Greek Drama. Western drama originates in classical Greek. The theatrical culture of the city - states of Athens produced three (3) genres of drama tragedy, comedy and the satire play. Their origins remain obscure, though by the 5th century BC. They were institutionalized in competitions held as part of festivities celebrating the God Dionysus. Historians know the names of many ancient Greek dramatist, not least Thespis, who is credited with the innovation of an actor, who speaks and impersonates a character, while interesting with the chorus and its leader, who were a traditional part of the performance of non-dramatic poetry.

Apart from this, the teachers also total us about Ekhernofrey, the first actor of this world, from Egypt, and also about Bharata Muni's 'Natya Sastra', through which drama became more popular in India. Besides this, we were learnt many things including what drama strategies, drama medium and elements of drama and many more things. However, the teachers collected some pictures that had been shown to us. It includes, different kinds of stages, named Arina, Avenew/ Traverses, Thrush, Apron and Proscenium etc. The stage we usually use is called the Proscenium stage. It is divided into nine (9) parts. The picture of the Proscenium stage is given below :-

1. Right - Up
2. Centre - Up
3. Left - Up
4. Centre - Right
5. Centre
6. Centre - Left
7. Right - Down
8. Centre - Down
9. Left - Down

Indeed, we learned the voice modulation plan, reciting poems, expressions and the basic ideas of make-up and the accessories of make-up. The '4W' formula, which is the most important part of stage, was also fought by our teachers.

Generally, at about 12.30 pm, the first session was used to end and we got a break. We were served some light foods during the break time. The second was started from around 1 pomo. Usually, it takes place for a long period, but, our practical session wasn't like that of the long term sessions. Our practical session is where we have to show how we have worked on the text during our course. We were taught how to use our body, how to use our vocals and how to physically became the character. In the very first day, we were asked to do some improving part where my topic was all about a quarrel. I am asked to focus on such a character where I have to rebuke my neighbour. But, I was quite nervous. Because, I didn't know how to rebuke someone very roughly. Well, I tried, but I didn't think that my teachers, were impressed by my act. But, the next day onwards, I am encouraged by the teachers for giving a better

performance. Though, I couldn't follow them, yet, I tried many times by myself.

A programme was planned on 12th January, for showing our talents to the public. And, I am asked to perform a 'Mime' for the programme of 12th January. When I came to know about the Mime, I was very frightened. Because I never ever performed a Mime and I don't ever know how to perform a Mime. But, the most funniest moment of my life is when I heard that the Mime was given to me only because of my voice. It is said that, my voice is so small that nobody can ever get what I am saying. Well, it's OK. As, the teacher said, now, I have to concentrate only in my Mine; so that I tried to prepare myself. Because, I have to show what I learned during the workshop, to the audience. A boy, named, Sachine Raz, has been chosen to give company in my Mime. He is a nice guy and he tried his best for our good performance. The Mime was practiced many times by us. As the days passed, the fear which surrounded my mind, became increasing. Eventually, the day comes where we have to perform our Mime. The programme was started at about 2 p.m. Our act was arranged in that of the 12th number. I took a deep breath and stepped into the stage. So, finally, we performed our Mime. After completing the Mime, at first, I saw myself in the mirror and I wired that I am seemed quite happy. Infact, my hands were shaked by maximum participants. Even the teachers were also impressed by my performance.

Therefore, we came to know that, we should participate in the cocurricular activities like drama, music, sport, etc. It helps to makes us physically and mentally strong and makes us more confident. Through this, I came to know lots of things like how to perform in a stage and many more. Co-curricular activities used to be know as extra curricular activities. These are activities that are voluntary and are set apart from the regular school/ college curricular. The example of co-curricular activities are learning team work, getting exercise and having a positive experience.

At last, I really want to thanks those teachers/ trainers; named Dipak Kr. Kalita, Dimbeswar Konwar and Sasanka Das etc., who scarifies a lot for giving us a bright future. And, we, the trainee, also want to thanks maam Dr. Reeta Dutta. The co-ordinator of the workshop our respected and Sir Arpan Kr. Baruah, the principal of Sonari College, who gives us such an opportunity and support through which we were able to participate in the workshop.

- Man is an artist who transform dreams into reality. So I am a man, I am an artist. You are men, everyone of you is an artist.

  ***—Jyoti Prasad Agarwalla.***

- There is no scope for doubt that Assam's 'Bihu' Songs are some of the finest folk poetry that the world possess.

  **—Dr. *Praffulla Dutta Goswami: Professor of Folklore Institute of Indian University, U.S.A.***





# গল্প



# গল্প



# প্ৰতাৰণা

সোণমণি পগাগ
অসমীয়া বিভাগ

মানুহ পৰিস্থিতিৰ দাস। সুখ-দুখ, হাঁহি-কান্দোন মানুহৰ চিৰজীৱন লগৰী। দুদিনীয়া জীৱনৰ ক্ষন্তেকীয়া মুহূৰ্তত হৃদয়ৰ আপোনজনে কৰা বিশ্বাসঘাটকতাই এডাল বিষাক্ত সাপতকৈ বেছি বিষাক্ত হৈ উঠে। এনেকুৱাই হ'ল ৰবিনৰ ক্ষেত্ৰতো।

H.S.L.C. Final Exam. দি ৰিজাল্ট নোলোৱাকৈ মোমায়েকৰ ঘৰলৈ থকাকৈ যোৱাটো ঠিক কৰিলে। পৰীক্ষাৰ শেষত ঘৰতে থাকিবলগীয়া হোৱাত সি বৰ আমনি পাইছিল। মাকৰ অনুমতি লৈ যোৰহাটৰ মোমায়েকৰ ঘৰলৈ গ'ল। আৰু মোমায়েকৰ ঘৰতে সি লগ পাইছিল অলৌকিক সৌন্দৰ্যৰ গৰাকী ময়ূৰতৃষ্ণাক। ময়ূৰতৃষ্ণাৰ লাহী কঁকাল, সোণবৰণীয়া চুলি, তিলফুল নাক, ধেনুভিৰীয়া চেলাউৰি আৰু দীঘল হাতৰ আঙুলিৰ সৌন্দৰ্যই মোহিত কৰি ৰবিনৰ মনত এক অভাৱনীয় শিহৰণ জাগি উঠিছিল। ৰবিনৰ ভাৱ হৈছিল সেয়াই হয়তো এক মধুৰ অনুভৱ যাৰ আন এটা নাম প্ৰেম।

প্ৰেম নিমজ্জিত ৰবিনে এদিন সাহসেৰে ময়ূৰতৃষ্ণাক প্ৰেমৰ প্ৰস্তাৱ আগবঢ়ালে আৰু ময়ূৰতৃষ্ণাই এদিনৰ সময় বিচাৰি পিছদিনা উত্তৰ দিয়াৰ প্ৰতিশ্ৰুতি দিলে। উত্তৰৰ অপেক্ষাত ৰবিনে খাব-শুব নোৱাৰিলে। বেলি কেতিয়া ওলাব তাৰেই অপেক্ষাত সি উজাগৰী নিশা কটালে। উত্তৰ বিচাৰি ৰবীন ময়ূৰতৃষ্ণাক লগ কৰিলে। আশা কৰা মতে উত্তৰ পাই ৰবিন যেন আনন্দত মতলীয়া হৈ গ'ল। সি ভাবিছিল ময়ূৰতৃষ্ণাই তাৰ জীৱন ৰঙীণ কৰি তুলিব।

এদিন দুয়োৰে ৰিজাল্ট ওলাল। দুয়োৰে ভালদৰে পাছ কৰিলে যদিও দুয়োৰে মন বিষাদেৰে ভৰি পৰিল। কাৰণ উচ্চ শিক্ষা লাভ কৰিবলৈ সিহঁত দুয়ো এৰাএৰি হ'ব লাগিব। সময়ক প্ৰত্যাহ্বান জনাই দুয়ো নিজৰ দিশে গতি কৰিলে। ময়ূৰতৃষ্ণাই যোৰহাটৰ জে, বি, কলেজত নামভৰ্তি কৰিলে আৰু ৰবিনে শিৱসাগৰ গড়গাঁও কলেজত। আঁতৰি আহিলেও সিহঁতে ম'বাইল ফোনৰ দ্বাৰা কথা পাতে। এনেদৰেই দুটা বছৰ পাৰ হ'ল। কিন্তু লাহে লাহে ৰবিনে মন কৰিলে ময়ুৰতৃষ্ণাই তাক ফোন নকৰা হৈছে আৰু সি ফোন কৰিলেও তাই ৰিচিভ নকৰা হ'ল। সি প্ৰথমে পঢ়াত ব্যস্ত বা নেটৱৰ্ক প্ৰব্লেম বুলি নিজকে সান্ত্বনা দিছিল। কিন্তু অসমীয়া এষাৰ কথা আছে নহয় "চকুৰ আঁতৰ হ'লে মনৰো আঁতৰ হয় বুলি। হয়তো সেয়াই হ'ল সিহঁতৰ।

ৰবিনে কলেজৰ পৰা আহি বহি আছে তেনেতে তাৰ ফোন বাজি উঠিল। স্কিনত ময়ূৰৰ নাম দেখি সি লগে লগে ফোন ৰিচিভ কৰিলে। সিমুৰৰ পৰা ময়ূৰতৃষ্ণাই হেল্ল, ভালনে তোমাৰ? বুলি সুধিলত তাৰ আনন্দত চকুলো দুধাৰি বৈ আহিল। চকুপানী মোহাৰি সি প্ৰত্তোতৰ দিলে - ভালেই, তোমাৰ ভালনে? কিন্তু ৰবিনেটো জনা নাছিল তাৰ আনন্দৰ চকুলো দুধাৰি ক্ষন্তেকতে বিষাদৰ চকুলোলৈ পৰিণত হ'ব। ময়ূৰতৃষ্ণাই ক'লে - ৰবিন মোক বেয়া নাপাবা। বহুত ভাবি-চিন্তি মই এই সিদ্ধান্ত লৈছোঁ। তোমাক মই ভাল নাপাও ৰবিন। মই এতিয়া বুজিছো মই তোমাক কেৱল পছন্দহে কৰোঁ। ভালপোৱা আৰু পছন্দ কৰাৰ মাজত বহুত পাৰ্থক্য ৰবিন। মোক ভুল নুবুজিবা, মই আন কাৰোবাক ভাল পাঁও। সেয়ে মই ভাবো তোমাৰ মোৰ সম্পৰ্ক একেবাৰেই মূল্যহীন। গতিকে তুমি মোক পাহৰি যোৱা। এয়াই তোমাৰ ওচৰত মোৰ শেষ অনুৰোধ। ৰবিনৰ এনে লাগিল যেন এছপৰা কলা ডাৱৰে যেন কেৱল তাকেই আগুৰি ধৰিছে। তাৰ কাণত বাজি থাকিল এটাই প্ৰতিধ্বনি মূল্যহীন সম্পৰ্ক......।

# অন্তৰা

অভিজিৎ শইকীয়া
সাংস্কৃতিক সম্পাদক

এটা শব্দ আৰু তিনিটা আখৰে তাইক বাৰে বাৰে আমনি কৰে 'জীৱন'। আচলতে তাই জোখতকৈ অলপ বেছি চিন্তা কৰে। কেতিয়াবা প্ৰয়োজনতকৈ বহুত বেছি। তাইৰ মনলৈ অনৰ্গল ভাঁহি আহে নিজৰ স্থিতিশীলতাৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ বহুতো কথা। কিয় জানো বিয়া হোৱাৰ পিছৰ পৰা তাইৰ মনটো আজিলৈকে অলপো পাতলাব পৰা নাই। হাতত থকা কিতাপখনৰ ৫১ আৰু ৫২ নং পৃষ্ঠাটোৰ মাজত কলমটো ৰাখি 'অন্তৰা'ই আলফুলকৈ কিতাপখন ড্ৰেচিং আইনাখনৰ কাষতে থলে। এৰা পঢ়ি থকা পৃষ্ঠাটোৰ মাজত কলম বা কাঠ পেঞ্চিল এডাল ৰখাটো তাইৰ এটা সাধাৰণ অভ্যাসেই। স্কুলত পঢ়ি থকা অৱস্থাত এই কথাটোলৈ অসমীয়া বিভাগৰ 'যদু' ছাৰৰ পৰা কিমান যে গালি খাইছিল, তাৰ কোনো হিচাপেই নাই। ছাৰে প্ৰায়ে কৈছিল, "হেৰ' কিতাপৰ মাজত কলম, পেঞ্চিল ডালে নাৰাখি যদি পৃষ্ঠা নংটো মনত ৰাখিলি হয় নিজৰে হয়তো বহুত উন্নতি হ'লহেঁতেন।"

নাই, তাইৰ কিন্তু আজিও স্বভাৱৰ সলনি নহ'ল। দিনটো ঘৰখনৰ এটা দুটা ব্যস্ততাৰ মাজত থাকিলেও তাইৰ আবেলি সময়কণ বৰ প্ৰিয়। ঘৰখনৰ ইটো-সিটো কামৰ বাহিৰে আৰুনো কৰে কি? টি,ভিটো মেলিলেও অসহ্য লাগে। খবৰ বাতৰিবোৰৰ কোনো লাগ-বান্ধ নাই, প্ৰতিটো বাতৰিয়ে অতিৰঞ্জিত। প্ৰয়োজনীয় বাতৰিবোৰ চেগা-চোৰোকাকৈহে প্ৰকাশিত হয়। তাইৰ প্ৰায়ে মনতে প্ৰশ্ন হয় 'অসমত বাৰু হত্যা, হিংসা, ধৰ্ষণ আৰু বলাৎকাৰেই হয় নেকি?' যে অন্য বাতৰিয়ে স্থান নাপায়। একেইটা বাতৰিয়ে ২/৩ বাৰ পুনৰ সম্প্ৰচাৰ হয়। ভাৱ হয়ঙ্গ তাই যেন এগৰাকী বীৰাংগনাৰ দৰে এই সকলোবোৰ নিৰ্মূল কৰিব আৰু যেন সেই অমানৱ কেইটাক .....

কিন্তু হ'ব কি? এইয়া মাথোঁ তাইৰ তপ্ত অনুভূতিৰ গুঞ্জিত ব্যথা। তৎমুহূৰ্ততে তাইৰ মনটো বায়ু যোৱা বেলুনৰ দৰে সেমেকি পৰে। কাৰণ বিয়া হোৱাৰ পিছৰ পৰা তাইয়োতো এজন পুৰুষৰ অধীন হোৱা অবলা নাৰী! তাইতো এতিয়া আধুনিকতাৰ বতাহত মূলাগাভৰু হ'ব নোৱাৰে। বৰ্তমান সমাজ ব্যৱস্থাত যদিও পুৰুষ মহিলাৰ সমমৰ্যদাৰ কথা কোৱা হয় তথাপি যেন তাইৰ দৃষ্টিত নাৰীৰ পবিত্ৰ শিৰৰ সেন্দুৰ কণত সহনশীলতা আৰু স্ত্ৰীধৰ্মিতাৰ অন্তৰআত্মা লুকাই থাকে। য'ত অন্য সাধাৰণ ছোৱালীৰ দৰে তাইয়ো ক'ব নোৱাৰ - "মই স্বাধীন/মই স্বাধীন।" সেয়েহে আজি বহুদিনেই হ'ল তাইৰ টেলিভিনৰ সেই অকথ্যবোৰৰ পৰা আঁতৰত আছে। নিৰ্জু মনটোক তাই আৰু স্বাভিমানী কৰি তুলিব নোৱাৰে। তথাপিও ৰাতি 'ৰং চেনেল'ৰ চিৰিয়েল কেইখন বাদ নপৰে। স্বামী 'বসন্ত' নাথাকিলেও চিংকিৰ লগতে চায়। কিন্তু দিনৰ আবেলি সময়কণতঙ্গ অন্তৰাই নিজৰ মনটোক সন্তুলিত কৰিবৰ বাবে বিভিন্ন কিতাপ-পত্ৰ, আলোচনী ইত্যাদি প্ৰায়ে পঢ়ে। গতিকে আজিৰ আবেলিটোও তাই এনেয়ে পঠিওৱা নাছিল। আৰামি ডিভানখনত ভৰিকেইটা দীঘলকৈ মেলি দি বহি থকা অন্তৰাই তাই ধুনীয়া কিচ্-কিচ্ কলা চুলি টাৰি দুখন হাতৰ যাদুকৰী শক্তিৰে বান্ধিলে। কাষৰ খিৰিকিৰে মৃদু-মৃদুকৈ সোমাই অহা ফাগুনৰ বায়বীয় পছোৱা ছাতিত উন্মত্ত দেহৰ আৱেশ বিচাৰি তাই খিৰিকিখন অলপ বেছিকৈ মেলি দিলে। মানুহ হ'ল প্ৰকৃতিৰ দাস। প্ৰকৃতিৰ আৱেষ্টনীতে মানুহ লালিত-পালিত। সেয়েহে মানুহে কেতিয়াও প্ৰকৃতিৰ ওমাল সান্নিধ্যৰ পৰশ অন্তৰৰ নিভাঁজ কোণৰ পৰা আঁতৰত ৰাখিব নোৱাৰে। আবেলিৰ সময়; তাতে ফাগুনৰ ৰিব্ ৰিব্ উৰুঙা বতাহজাক। তাই গমেই নাপালে পলকতে তাইৰ বৰফস্তুপ হৃদয়খন যেন গলিবলৈ ধৰিলে। বৰফ গলি পানী হোৱাৰ দৰে তাইৰো বহুদিন গুমা হৈ থকা মনটো উৰি গ'ল ১৮ বছৰীয়া ভৰ যৌৱনা দিনবোৰলৈ। 'অন্তৰা' সম্পূৰ্ণকৈ অন্তৰা কাকতি। অজয়ানন্দ কাকতি আৰু মন্দিৰা কাকতিৰ একমাত্ৰ কন্যা। দেউতাকৰ আলাসৰ লাড়ু। মূৰত থলে ওকণিয়ে খায়, মাটিত থলে পৰুৱাই খায়। বৰ লাহ বিলাহত ডাঙৰ হোৱা ছোৱালী। কিন্তু স্বভাৱত অন্যবোৰ ছোৱালীতকৈ অলপ বেলেগ। নিজৰ বিবেকক স্বয়ংক্ৰিয় চালিকা শক্তিৰূপে ব্যৱহাৰ কৰে। ১৮ বছৰ কলেজীয়া জীৱনৰ আৰম্ভণি। কলেজৰ প্ৰতিজোপা কৃষ্ণচূড়াৰ চিনাকী হোৱাৰ উপৰি প্ৰতিটো ল'ৰাই জানে যে তাইক জোকাৰি লোৱাটো বৰ সাধাৰণ কথা নহয়। তথাপি 'যৌৱন' যেন মানুহৰ জীৱনৰ এক অবুজ মায়াবি শক্তি। 'যৌৱন'ৰ কামাতুৰ বাসনাত কোনো মানুহেই স্থিৰ নহয়। আৰু অন্তৰাৰো!! কোনো দিনেই প্ৰেমৰ সপোন নেদেখা অন্তৰাৰো জীৱনত প্ৰেমৰ বন্যা নামিল। তেতিয়া তাই ১৯-২০ বছৰীয়া। যৌৱনৰ অজস্ৰ সোপানবোৰক কামনাৰ ঢৌবোৰে জীপাল কৰাৰ সময়ত তাইৰো দুখন হিয়াৰ মিলনৰ উন্মাদনাই বাহৰ পাতিছিল আৰু মনৰ মিলনৰ উন্মাদনাই বাহৰ পাতিছিল আৰু মনৰ দাপোনত কাৰোবাৰ প্ৰতিচ্ছবিয়ে হয়তো দোলনি দি গৈছিল। সঁচা-মিছা কথাবোৰত অভিমানৰ জিৰণি চ'ৰা/ তাইৰ গাতো লাগিছিল........ ফাগুণৰ প্ৰেমাকৃষ্ট বতাহছাতি। য'ত সপোনৰ কাৰেং সাজিছিল গোপনে গোপনে! আবেলি প্ৰায়ে তাই অভিনাশৰ সৈতে লাচিত উদ্যানত লগ হয়। আনহে নালাগে ম'বাইলৰ সৰু সৰু কথাবোৰ। অভিলাষ, পঢ়াৰ সুবিধাৰ্থে একেখন নগৰতে বাস কৰে। ঘৰ শিৱসাগৰত। সফল প্ৰেমত বোলে বিশ্বাসৰ খুবেই প্ৰয়োজন। সিহঁতৰো আছিল অত্যন্ত বিশ্বাস, অগাধ প্ৰেম। দুখত দুখী, সুখতো সুখী হোৱা, এদিন নেদেখিলে থাকিব নোৱাৰা সিহঁতৰ প্ৰেম বহুদূৰ আগবাঢ়িল।

মৰমেও ডেউকা মেলি উৰি যায় প্ৰেমৰ ঠিকনা বিচাৰি। কিন্তু কিয় জানো সঁচা প্ৰেমৰ অন্তৰালত দুখৰ ধুমুহাই বাহৰ পাতেই। প্ৰেমৰ একোখনি বোঁৱতি নদীৰ সুঁতিত মৰমৰ পানীবোৰ উলটি বলে। পদূলিত অচিন চৰায়ে কিৰিলিয়াই। আজি যেন তাইৰ বুকুখন বাৰে বাৰে কঁপিছে। তাই অভিলাষলৈ বাৰে বাৰে ফোন কৰিছিল। কিন্তু ফোনটো কৰিব নাপাওঁতে কয় - "আপুনি সিটো নাম্বাৰটোলৈ কৰিছে সেইটো বৰ্তমান সংযোগ সীমাৰ বাহিৰত আছে।"

এইয়া আজি বিয়া হোৱা ২ বছৰৰ আগৰ কথা। সিদিনা প্ৰিয়জনৰ লগত কোনো কথা-বতৰা নোহোৱাত তাইৰ মনটোৱে বহুবাৰ ইচাত-বিচাত লগাইছিল। তাইৰ যেন ঠিকনা বিহীন হৈ পৰিছিল। ৰাতি নিৰিবিলি জোনাকত তাই অকলে ভাৱ বিমূৰ্ত হৈ পৰিছিল। পিছদিনা হঠাৎ পদূলি সমুখত্ এজন অচিনাকী মাত।

"বাইদেউ অলপ ওলাব চোন।"

তাইৰ ঘৰৰ গেইট বন্ধ। মানুহজনে কেইবা বাৰো টিলিঙা বজালে। অন্তৰাই লাহেকৈ নিজৰ শুৱনি কোঠাৰ খিৰিকিৰে লক্ষ্য কৰিলে এজন অচিনাকী মানুহ আৰু হাতত কিবা যেন কাগজৰ টোপোলা। তাই মূল দৰজা খুলি আহি পদূলি সমুখ পালেহি। মানুহজনে গেটৰ সৰু ফুটা এটায়েৰে এখন চিঠি পাৰ কৰি দিলে। চিঠিখন ওপৰৰ ঠিকনাটো পঢ়িয়ে অন্তৰাই দৌৰি গৈ ভিতৰ পালেগৈ। চিঠিখন মেলিয়ে তাই দেখিলে এখন উকা চিঠি। মাথো লিখা আছে 'অভিলাষ নাই'। শব্দটোৱে যেন তাইৰ মনত বাৰুকৈ চুই গ'ল। অভিলাষ বাৰু ক'ত গ'ল, কি হ'ল? এনেকৈ তাইক এৰি জানো সি থাকিব পাৰিব। তাইৰ মনত 'নাই' শব্দটো যেন কেতিয়াও গ্ৰহণযোগ্য নহয়। তাই মানি ল'ব নোৱাৰে। অভিলাষ, অভিলাষ আছে..... জীয়াই থাকিব লাগিব, কেৱল মাথোঁ তাইৰ বাবে। নহ'লে সি দিয়া প্ৰতিশ্ৰুতিবোৰ আৰু আৰু যে সেই সপোনবোৰ কি হ'ব। তাই নিজকে বহুবাৰ বুজাবৰ চেষ্টা কৰিলে আৰু ভাবিলে এয়া ছাগে সি অভিমান কৰি লিখি পঠাইছে। কিন্তু, কিন্তু আখৰ কেইটা তাইৰ দেখোন অচিনাকী আছিল। সিদিনা যে তাই উৱে ৰাতি কান্দিছিল। তাই বাৰু কিবা ভুল কৰিছিল নেকি? বাৰে বাৰে 'আত্মহত্যা' নামৰ পিশাচটোৱে লগ দিছিল। তাই নিজকে ইমান ধৈৰ্যহীন, মনোবলহীন

সজাব নোৱাৰে। তাই মনত আছে/নাই কথাবোৰে উলট পালত কৰিছিল। মনে কৈছিল, 'আছে'। কিন্তু সেই চিঠিখন!!

এনেবোৰ কথা মনলৈ আহি থকা অৱস্থাতে হঠাৎ খবৰটো বাজি উঠিল। তাই দুনয়নৰ কোণেদি নিগৰি অহা চকুপানী কণ চাদৰৰ আঁচলেৰে মচি মচি আহি দুৱাৰখন খুলি দিলে। দেখাত এজন ভদ্ৰ মানুহ "এইটো বসন্ত চলিহাৰ ঘৰ হয়নে?" অন্তৰায় অলপো পলম নকৰাকৈ ক'লে "হয়, ভিতৰলৈ আহকচোন।"

মানুহজন ভিতৰলৈ সোমাই আহিল আৰু গোটেই কোঠাটোলৈ চকু ফুৰালে। ঘৰৰ বনকৰা 'চিংকী' আজি কেইবাদিনো নাই। ঘৰত দেউতাকৰ বেমাৰৰ কাৰণে তাতে আছেগৈ। নহ'লে তাইয়ে ট্ৰে এখনত ঠাণ্ডা পানী এগিলাছ দিলেহি হয় কিন্তু আজি অন্তৰায় নিজে কৰিছে। অন্তৰাই ট্ৰেখনেৰে সৈতে পানী গিলাচটো আগবঢ়াই দি মানুহজনলৈ লক্ষ্য কৰিলে আৰু যেন কিবা এক অচিন অনুভূতিত গোটেই সৰ্বশৰীৰটো কঁপিলে। মানুহজনে ট্ৰেখনৰ পৰা এক প্ৰকাৰ গিলাছটো থপিয়াই লোৱাৰ দৰে লৈ মৰুপ্ৰায় অৱস্থাৰ পৰা অহা তৃষ্ণাতুৰ পথিকৰ দৰে একে উশাহতে পিলে। আৰু বহু সময় থমকি ৰ'ল। মানুহজনৰ মুখৰ একো মাত কথা নোহোৱাত অন্তৰাই সাহসেৰে সুধিলে, "আপুনি ছাগে কিবা কামত আহিছে?" অলপ স্থবিৰ হৈ "তেওঁ কিন্তু এতিয়া ঘৰত নাই।" মানুহজন বিদ্যুৎপৃষ্ট হোৱাৰ দৰে থৰ লাগিল আৰু ভৰি কেইটা মেলিদি ওপৰলৈ চায় ৰ'ল। যেন কিবা অঘটন কৰাৰ প্ৰয়াসহে কৰিছে...। অন্তৰাই খালী গিলাচটো ট্ৰেখনত তুলি ভিতৰলৈ সোমাই যোৱা চেষ্টা কৰিলে। মানুহজন অস্বাভাৱিক হৈ পৰিল। হাত ভৰি কঁপি উঠিল আৰু মুখেৰে যেন কিবা এটা চিঞৰি দিব। মানুহজন বহাৰ পৰা উঠি মূৰৰ পৰা টুপিটো আঁতৰাই মাথোঁ এটা শব্দ ক'লে, "অন্তৰা......!!"

ভিতৰলৈ সোমাব লোৱা অন্তৰাই আশ্চৰ্য হৈ ক'লে, "তুমি.......!"

"মৃত্যু নহয় অন্তৰা, মাথোঁ জাতিটোৰ স্বাৰ্থতেই উদ্ৰেলিত তেজৰ দৌৰত মইহে তোমাৰ পৰা আঁতৰত আছিলো।"

সমগ্ৰ কোঠাটোত যেন কেইটামান শব্দইহে বাহৰ পাতিছে। অন্তৰাৰ মুখমণ্ডল ৰঙা হৈ পৰিল আৰু হাতত থকা ট্ৰেখন ক'ব নোৱাৰাকৈয়ে মজিয়াত পৰি গ'ল। তাই অভিমানী, চঞ্চলা, কিন্তু তাতোতকৈ এটা বেলেগ গুণ তাই সাহসী। তাই অভিলাষক সাহসেৰে সুধিলে, "তুমি ইয়ালৈ জানি বুজি আহিছা যদি বহুত ভুল কৰিছা। মোক মানসিক অশান্তিত ভোগায় তুমি সুখেৰে থাকিবা নহয়।"

"নহয় অন্তৰা, ভুলবোৰক জানো শুধৰণি কৰিব নোৱাৰি।"

"ওঁ পাৰি, কিন্তু অতীতৰ ভুলবোৰক এতিয়া দোহাই দি একো লাভ নাই, এতিয়া যে মই আনৰ অভিলাষ।"

"কিন্তু মই তোমাৰ পৰা .........!"

"মোৰ প্ৰয়োজনত তুমি নাই আৰু এতিয়া সেই নোহোৱাক মই কেতিয়াও বিশ্বাসত ল'ব নোৱাৰো। তুমি ইয়াৰ পৰা আঁতৰি যোৱা অভিলাষ। আঁতৰি যোৱা।" অন্তৰাই কান্দি উঠিল।

অভিলাষে তাইৰ দুনয়নৰ চকুপানীকণ মচি হঠাৎ কোঠাৰ পৰা ওলায় গ'ল।





# এজাক সপোনৰ বৰষুণ

বন্দনা গগৈ
স্নাতক চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ



'ঐ কুলক্ষণী, বিচনাৰ পৰা উঠিবলৈ হোৱাই নাই নে তোৰ, জন্ম হৈয়ে মাৰৰ মূৰটো খালি, এতিয়া কি মোৰ মূৰটো কোৱাৰ কথা ভাবিছ নেকি?'

এনে বাক্যবাণেৰে আৰম্ভ হৈছিল ৰশ্মিৰ প্ৰতিটো পুৱা। পৃথিৱীৰ প্ৰতিজন মানুহেই ছাগে চৰাই চিৰিকটিৰ কোলাহলত টোপনিৰ পৰা সাৰ পাব খোজে, আৰু দিনটোৰ বাবে উদ্ভাষিত হৈ উঠে সুৰুযৰ ৰাঙলী আভাৰে। কিন্তু ৰশ্মি, 'হায়, কি কপাল। বিচনাৰ পৰা নৌ উঠোতেই তাই শুনে মাহীমাকৰ কঠোৰ মন্তব্য। সেয়া যেন তাইৰ হৃদয় ভেদি যোৱা একোপাত বিষাক্ত কাঁড়। তাইৰ কি দোষ, এই পৃথিৱীত তাই জন্ম লওঁতেই তাইৰ মাকৰ মৃত্যু হৈছিল। যেতিয়া প্ৰথমবাৰৰ বাবে তাই চকুৰ পাহি মেলিছিল, তেতিয়াই তাইৰ মাকে চিৰদিনৰ বাবে চকু মুদিছিল। কিন্তু সেইবাবেই জানো তাই কুলক্ষণী। কিয় মাহীমাকে বা ঘৰৰ আন মানুহবোৰৰ বাবে তাই অমংগলীয়া। সমাজৰ এয়া কি নিষ্ঠুৰ বিচাৰ, কিয় এনে কঠোৰ অন্ধবিশ্বাস। তাই কান্দে, চিঞৰি চিঞৰি কান্দে। কিন্তু ৰশ্মিৰ এনে অনুভৱ হয় যেন তাইৰ দুখবোৰেও তাইক উপলুঙা কৰিছে। চিৰাল ফটা দিয়া তাইৰ সপোনৰ পথাৰখন দেখি বৰষুণেও যেন ৰং চাইছে। অথচ তাই সপোন দেখে, এজাক বৰষুণৰ সপোন। এজাক সুখৰ বৰষুণ, যিয়ে উটুৱাই নিব তাইৰ সমস্ত দুখ ভাগৰ আৰু যন্ত্ৰণা। এনে এজাক বৰষুণৰ সপোনটোৱেই তাইক জীয়াই থাকিবলৈ সাহস দিছে। যুঁজিবলৈ শিকাইছে তাইক পৰিস্থিতিৰ লগত। সেয়ে মাহীমাকৰ কঠোৰ ব্যৱহাৰৰ মাজতো তাই শান্তি বিচাৰি পায়। এই জনীয়েইতো তাইৰ নিজৰ মাহীয়েক। যাক মা কৰি অনা হৈছিল বায়েক আৰু তাইৰ ৰক্ষণাবেক্ষণৰ বাবে। মাকৰ মৰমৰ পৰা বঞ্চিত সৰু ছোৱালী দুজনীক মাকৰ মৰম আৰু নিৰ্ভয়তা দিবৰ বাবে। কিন্তু দিন বাগৰি গ'ল আৰু ইহঁতৰ দুজনী এই মাহীয়েকৰূপী মাকৰ বাবে বোজা হৈ গ'ল। বায়েকে এই মাকৰ ব্যৱহাৰক প্ৰশ্ৰয় নিদি উচ্চ শিক্ষাৰ বাবে গুচি গ'ল দূৰলৈ। আৰু থাকি গ'ল ৰশ্মি। খহিবলৈ ধৰিলে তাইৰ জীৱনত দুখৰ

এটা এটা পাহাৰ। সবাহ-সকামৰ বাবে মচা ঠাই টুকুৰাত তাই ভৰি থলে অশুচি হয়, লগত তাইক লৈ ফুৰিলে অমংগলে লগ দিয়ে। উস .... মাহীমাকৰ এনে নিৰ্মম অত্যাচাৰ। কিন্তু ইমানবোৰৰ মাজতো ৰশ্মিয়ে মাকক 'মা' বুলি সম্বোধন কৰে। তেওঁৰ হাতত তুলি দিয়ে ৰাতিপুৱা-গধুলি একাপ পিয়াহৰ চাহ। সকলো সহি ল'লেহেঁতেন তাই, কিন্তু নোৱাৰিলে মাকৰ মনত তাইৰ প্ৰতি অকনমানো অনুকম্পা গঢ়ি তুলিবলৈ ব্যৰ্থ হ'ল। আৰু এদিন এটা ঘটনাই কঁপাই তুলিলে তাইক। তাইৰ বিয়া ঠিক কৰিছে মাকে। তিনিবছৰীয়া ল'ৰা এটা থকা এজন বিবাহিত পুৰুষৰ লগত। যাৰ প্ৰথম পত্নীয়ে ইতিমধ্যে আত্মহত্যা কৰিছে। এতিয়া তেওঁলোকক লাগে এজনা নতুন কইনা। আৰু নিৰ্দয় মাকেও ভাল চাকৰি দেখিয়েই বিয়া ঠিক কৰি দিলে ৰশ্মিৰ, যেন তাই হৈ পৰিছে ঘৰখনৰ বাবে এক বোজা। তাইৰ হাজাৰ বিননিকো আওকাণ কৰি মাক বাপেক একমত। দেউতাকো হ'ল মাকৰ গোলাম। তাইৰ চেনেহৰ দেউতাকে এতিয়া তাইক দিছে মাত্ৰ দুমাহ সময়, এক সঠিক সিদ্ধান্ত লোৱাৰ। এতিয়া কি কৰিব ৰশ্মিয়ে, ক'লৈ যাব তাই। সম্পৰ্কীয় আন মানুহবোৰৰ লগতো তাইৰ কোনো সংযোগ নাই। বায়েকেও মাত মাতি কোনোধৰণৰ সহায় কৰিব পৰা নাই। কিন্তু হঠাৎ তাইৰ জীৱনলৈ এক আশাৰ ৰেঙণি আহিল। সৌৰভ, তাইৰ প্ৰথম প্ৰেম। যাক প্ৰাণভৰি পাইছিল তাই। যাৰ বাবে তাইৰ বুকুৰ পৰা নিগৰিছিল একো একোটি প্ৰেমৰ কবিতা। কিন্তু তিনিবছৰৰ আগত ঘৰুৱা অশান্তি আৰু কিছুমান ভুল বুজাবুজিৰ বাবে বিচ্ছেদ ঘটিছিল সিঁহতৰ।

সেই প্ৰেম আকৌ উভতি আহিছে তাইৰ জীৱনলৈ। বিচাৰিছে সি, তাইৰ সেই পূৰ্বৰ স্থান। কিন্তু ৰশ্মি, যিটো অৱস্থাত তাই জীয়াই আছে, কেনেকৈ দিয়ে তাই কাৰোবাক মৰমৰ আশ্বাস। কোন সতেৰে তাই কৰিব তাইক আকোৱালি লোৱাৰ দাবী। তিনিবছৰ আগতে নিজেই অন্ত পেলাই আঁতৰি অহা সেই প্ৰেমৰ ওচৰত আছে জানো তাইৰ কিবা অধিকাৰ। খোকোজা লাগিল তাইৰ ভাৱনাত। দুনাওঁ দুভৰি হ'ল তাই। কি কৰিব এতিয়া। কিন্তু সেই সময়তে তাইক লগ দিলে তাইৰ অন্তৰংগ বান্ধৱী দুজনী মানে। সিহঁতে তাইক বুজালে যে স্বয়ং ভগৱানেই তাইক সমস্যাৰ এক সমাধান দিছে। তাইৰ সপোনৰ সেই ৰৰষুণজাক হৈয়ে তাইৰ জীৱনলৈ আকৌ উভতি আহিছে সৌৰভ। গতিকে তাই তাক লগ ধৰি সকলো কথা খোলাকৈ পতাটোৱেই শ্ৰেয়। বান্ধৱীৰ অনুপ্ৰেৰণাত তাকে কৰিলে ৰশ্মিয়ে। বিৱৰি ক'লে সৌৰভক সকলো কথা। বিচাৰিলে গোটেই জীৱনটোৰ বাবে তাৰ হৃদয়ত এক নিবিড় স্থান। নহ'লে যে এজাক ধুমুহাই উৰুৱাই নিব তাইক। তাইৰ বিশ্বাসক জয় কৰি তাইক আকোৱালি ল'লে সৌৰভে। আৰু ক'লে 'মই তোমাক মোৰ জীৱনৰ লগৰী কৰিবলৈতো উভতি আহিছো ৰশ্মি। তোমাক দুখৰ সাগৰত উটি যাবলৈ মই কেতিয়াও নিদিওঁ। হুকহুকাই কান্দি উঠিল ৰশ্মি। তাৰমানে সঁচাকৈয়ে তাইৰ সপোন বাস্তৱ হ'ল। হঠাতে এজাক ৰৰষুণে আকাশ মেঘ ওন্দোলাই আনিলে। ৰশ্মিয়ে শিৰে শিৰে উপলব্ধি কৰিলে 'হেৰুৱা মানেতো শেষ নহয় সকলোবোৰ, সমাপ্তিওতো হ'ব পাৰে এক আৰম্ভণিৰ বীজ ....।'

## কৌতুক

ঃ *ভেলেণ্টাই ডে'ৰ দিনা যুৱতী এগৰাকী গ্ৰীটিংছ কাৰ্ডৰ দোকানলৈ গৈ এখন হৃদয়স্পৰ্শী বাৰ্তা থকা কাৰ্ড বিচাৰিলে।*

ঃ *দোকানীয়ে এখন কাৰ্ড উলিয়াই দিলে য'ত লিখা আছিল 'মই জীৱনত ভাল পোৱা একমাত্ৰ যুৱকজনলৈ।' যুৱতীগৰাকীয়ে হাঁহি মাৰি ক'লে বঢ়িয়া। এতিয়া ইয়াৰ ১০ কপি দিয়ক।*

*(সংগ্ৰহ)*



সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ, ২০১৩-১৪ বৰ্ষ

# মধুৰতম জীৱনৰ এটি ৰহস্য

পূবালী কোঁৱৰ

মাৰ্ঘেৰিটা কলেজৰ এগৰাকী শিক্ষাতত্ত্ব বিভাগৰ প্ৰৱক্তা সংগীতা দুৱৰা। আগতে সেই কলেজতে কেৰাণীৰ কাম কৰা নীলকান্ত দুৱৰাৰ একমাত্ৰ কন্যা। কলেজখনৰ পৰা কিছু নিলগত চহৰখনৰ মাজ মজিয়াতে সংগীতাৰ দেউতাকৰ ঘৰ। মাক-দেউতাকৰ আলাসৰ লাডু যেন সংগীতা দেখাত টিকিৰি মিকিৰি যদিও মৰমলগা মুখখনিৰ সংগীতা আছিল সৰল, আলসুৱা আৰু সকলোৰে লগত মিলিব পৰা। সৰুৰে পৰা অভাৱ নোপোৱাকৈ ডাঙৰ হোৱা সংগীতা দুৱৰা যোৱা দুবছৰ আগতে কলেজীয়া বন্ধু নয়ন কলিতাৰ লগত দুয়োখন ঘৰৰ পছন্দৰ মতে বিয়া হৈছিল।

> *দেউতাকৰ ঘৰলৈ গুছি যোৱাৰ কিছুদিনৰ পাছতে সংগীতাই মাৰ্ঘেৰিটা কলেজত প্ৰৱক্তা ৰূপে কাম কৰাৰ পাছতো কপালৰ ৰঙা ফুটলৈ বিবাহিতা হিচাপেই জীৱন কটোৱা সংগীতাই সকলোৰে ফালৰ পৰা অভাৱ পোৱা নাছিল, যদিও তাই কেতিয়াও সুখ অনুভৱ কৰিব পৰা নাছিল। জ্ঞান মন্দিৰস্বৰূপ যিখন কলেজে সংগীতাক ইউনিভাৰ্চিটিত পঢ়াৰ সুযোগ দিলে, সেই কলেজতে প্ৰৱক্তা হ'ব পোৱাটো তাইৰ বাবে কম সৌভাগ্যৰ কথানে?*

ডুমডুমা চহৰৰ পৰা বাৰ কিলোমিটাৰ দূৰত নয়ন কলিতাৰ ঘৰ। ডুমডুমা চহৰত এটা চৰকাৰী বেংকত নয়নে চাকৰি কৰে। ককায়েক জীৱন কলিতাইও ৰে'ল বিভাগত এটা ভাল চাকৰি কৰে। সৰুতেই মাক নথকাত ককায়েক আৰু দেউতাকে বৰ মৰমেৰে ডাঙৰ-দীঘল কৰে বাবে সি বৰ মৰম আকলুৱা। নয়নৰ বৌৱেক স্বাধীনতাই নয়নক মৰম কৰাৰ উপৰিও খুউব ধেমালিও কৰে। ককায়েক-দেউতাকহঁতে নয়নৰ বাবে ছোৱালী চোৱাৰ দিহা কৰাত বৌয়েকে নয়নে কোনোবা ছোৱালী পছন্দ কৰি থৈছে নেকি সুধাত সংগীতাৰ কথা ক'লে। যিজনী ছোৱালী নয়নে কলেজত একেলগে পঢ়াৰ উপৰিও ইউনিভাৰচিটি পৰ্যন্ত একেলগে পঢ়িছিল। সেইবাবে দুয়োৰে মাজত গভীৰভাৱে ভালপোৱা হৈছিল। সেইবাবে দুয়োঘৰৰ মাজত কোনো বাধা নোহোৱাকৈ মাৰ্ঘেৰিটাৰ মাক-দেউতাকৰ পৰা বিদায়লৈ সংগীতা কলিতা হৈ ওৰণিৰ তলেৰে ডুমডুমালৈ গুছি যায়। সৰুৰে পৰা চহৰত ডাঙৰ হ'লেও সংগীতাই নয়নৰ গাঁৱৰ ঘৰখনত খুউব সহজতে মিলিব পাৰিছিল। দেউতাক, ককায়েক, বৌয়েকৰ বাহিৰেও ওচৰ চুবুৰীয়াৰ লগত খুউব হাঁহি ধেমালিৰে দিনবোৰ পাৰ কৰিছিল। ঘৰৰ সকলোৱে তাইক বৰ মৰম কৰিছিল। বৰজনাকেও তাইক নিজৰ ভনীয়েকৰ দৰে ভাৱিছিল।

কিন্তু দিনবোৰ সদায় একেদৰে নাথাকিল। লাহে লাহে নয়নৰ স্বভাৱো পৰিৱৰ্তন হ'ল। কেৱল সংগীতাৰহঁতে নয়নে জীৱনটো উপভোগ কৰাৰ কথা ভাবিব ধৰিলে। সেইয়ে নয়নে ঘৰত কথাবোৰ শুনাব ধৰিলে—'কিমান আৰু গাড়ীত তেল পুৰি অহা যোৱা কৰিম, ভাড়া ঘৰত থকাটোৱেই উচিত হ'ব।' —কথাযাৰত দেউতাক আৰু ককায়েকে কোনো বাধা নিদিলে আৰু নয়নেও ভাড়াঘৰত থকাৰ দিহা কৰিলে। কিন্তু সংগীতাই মনে মনে দুখ অনুভৱ কৰিছিল। কাৰণ তাই ঘৰখনৰ ইমান আপোন হৈ পৰিছিল যে দেউতাক, ককায়েক, বৌৱেকৰ মৰমৰ পৰা আঁতৰি চহৰত থকাৰ কথা অকণো ভৱা নাছিল। সেইদৰে কিছুদিনৰ পাছত সংগীতাই নয়নৰ লগত চহৰলৈ গুছি আহে। সংগীতাই দুখেৰে —"এখন নতুন

ঘৰত ভৰি দিয়া কিমান দিন হৈছে, আকৌ এখন নতুন ঘৰ।' নয়নে উৎফুল্লিত মনেৰে কৈছিল—'সেইখন ঘৰ যিদৰে আপোন। এই ঘৰখনো কেৱল আমাৰ মোৰ বাবে আপোন হ'ব সংগীতা।' নয়নৰ কথাবোৰ যেন তাই অলপো ভাললগা নাছিল, তাইৰ অন্তৰখনে খুউব কন্দিছিল। তথাপি তাই নয়নৰ মৰমৰ পৰা আঁতৰি থাকিবতো নোৱাৰে।

লাহে লাহে দিনবোৰ পাৰ হ'ব ধৰিলে। সংগীতাইও নয়নৰ লগত হ'ব লগা ভৱিষ্যতৰ সংসাৰখনৰ কথা ভাবিব ধৰিলে। তাই ভাৱিছিল তাই আৰু নয়নৰ মাজলৈ আহিবলগা ভৱিষ্যত সন্তানৰ কথা, কিছুদিন জীৱন উপভোগ কৰাৰ কথা ভাৱিছিল। এইদৰে দুয়ো সুখেৰে জীৱনটো পাৰ কৰিছিল যদিও নয়নৰ অবুজন স্বভাৱবোৰ সংগীতাৰ ভাল নালাগিছিল। কাৰণ সংগীতাৰ ভাললগা প্ৰতিটো বস্তুকেই নয়নে কিবা খুঁত উলিয়াই বেয়া বুলি কোৱাটো যেন তাৰ ধৰ্ম, সেইবাবে দুয়োৰে মাজত কথাত কটা কটিও হয় মাজে সময়ে। নয়নে পুৱা আঠবজাত কামলৈ যায় আৰু গধূলি চাৰি বজাত ঘৰ সোমাইহি। সংগীতাই দিনৰ দিনটো অকলে ৰুমৰ ভিতৰতে সময় পাৰ কৰে আৰু নয়ন অহালৈ বাট চাই থাকে। আনহাতে নয়নে কিন্তু সংগীতাক দিনে দিনে দেখিব নোৱাৰা হ'ব ধৰিলে, নয়ন নথকা অৱস্থাত কোনোবা আহিলে দুৱাৰখন খুলিবলৈ সাহস নকৰা সংগীতাক নয়নে মিছা সন্দেহ প্ৰৱঞ্চনা কৰি কাজিয়া কৰিব ধৰিলে।

নয়নৰ উৎপাত দিনে দিনে বাঢ়ি যাব ধৰিলে, সংগীতাই ঘৰত দেউতাক, ককায়েক, বৌয়েকক কৈও তাক শান্ত কৰিব নোৱাৰিলে। অৱশেষত সংগীতাই নিজৰ ভাগ্যক দোষী মাৰ্ঘেৰিটাৰ দেউতাকৰ ঘৰলৈ গুচি আহে, যদিও তাই নয়নৰ ঘৰখন পাহৰিব পৰা নাছিল। নয়নৰ ককায়েক বৌয়েকেও সংগীতাৰ সকলো খবৰ ৰাখিছিল।

দেউতাকৰ ঘৰলৈ গুছি যোৱাৰ কিছুদিনৰ পাছতে সংগীতাই মাৰ্ঘেৰিটা কলেজত প্ৰৱক্তা ৰূপে কাম কৰাৰ পাছতো কপালৰ ৰঙা ফুটলৈ বিবাহিতা হিচাপেই জীৱন কটোৱা সংগীতাই সকলোৰে ফালৰ পৰা অভাৱ পোৱা নাছিল, যদিও তাই কেতিয়াও সুখ অনুভৱ কৰিব পৰা নাছিল। জ্ঞান মন্দিৰস্বৰূপ যিখন কলেজে সংগীতাক ইউনিভাৰ্চিটিত পঢ়াৰ সুযোগ দিলে, সেই কলেজতে প্ৰৱক্তা হ'ব পোৱাটো তাইৰ বাবে কম সৌভাগ্যৰ কথানে? কলেজখনত ভৰি দিয়াৰ মাত্ৰকে সংগীতাক অতীতৰ স্মৃতিয়ে দোলা দিব ধৰে। নয়নৰ লগতে আন আন বন্ধুবোৰহঁতে কটোৱা দিনবোৰলৈ মনত পেলাই দুখ অনুভৱ কৰে আৰু চিঞৰি ক'ব মন যায় 'নয়ন, তুমি আজি কিহক লৈ সুখী।' - এইদৰে তাই কেইবামাহো পাৰ কৰিলে চাকৰিত জইন কৰি, ইতিমধ্যে নয়নৰ সৈতে বিচ্ছেদৰ দিন এবছৰ হ'লহি। নয়নেও লাহে লাহে সংগীতা আঁতৰি যোৱাৰ অভাৱ অনুভৱ কৰিলে, তেতিয়াহে নয়নে সকলো উপলব্ধি কৰি সংগীতাৰ ওচৰলৈ যোৱাৰ মনস্থ কৰিলে।

সিদিনাৰ কথা, কলেজৰ পৰা সংগীতাই একান্ত মনে ঘৰলৈ খোজ লৈছে। হঠাৎ ৰাস্তাৰ কাষত ৰখি থকা গাড়ী এখনৰ পৰা কোনোবাই মাত লগালে — সংগীতা। উচপখাই তাই চাই পঠিয়ালে গাড়ীখনলৈ আৰু ইমানদিনৰ মূৰত নয়নক দেখা পাই আচৰিত হ'ল। অন্তৰত দুখৰ বোজালৈ দিন পাৰ-কৰা সংগীতাই একেবাৰে স্বাভাৱিক ভাৱেই নয়নৰ লগত কথাপাতিলে। চলচলীয়া নয়নৰ চকুলৈ চাই সংগীতাই চিঞৰি কান্দি কান্দি ক'ব ইচ্ছা হৈছিল —'নয়ন ইমানদিনে মোলৈ অলপো মনত পৰা নাছিল নে?' 'তুমি আজি সুখী নে নয়ন?' —কিন্তু সংগীতাৰ বাবে এইয়া কেতিয়াও সম্ভৱ নহয়।

আজি এবছৰৰ মূৰত দুয়ো দুয়োকে দেখা পাই এক বুজিব নোৱাৰা শিহৰণ জাগিল। ইতিমধ্যে বেলিও ডুবিব ধৰিলে আৰু আন্ধাৰে চৌদিশে আৱৰি ধৰিলে।



সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ, ২০১৩-১৪ বৰ্ষ

# অচিন ভাষাৰ সেই টোল পৰা গালৰ ছোৱালীজনী

লক্ষী গগৈ
প্ৰাণী বিজ্ঞান বিভাগ

এদিন এজন সুদৰ্শন যুৱক এখন দ্ৰুতগামী ৰথত (গাড়ীত) উঠি সেউজীয়া পাহাৰৰ দাঁতিৰ একা বেঁকা ৰাস্তাইদি গৈ আছিল। মাজে মাজে ৰ'দ, মাজেমাজে বৰষুণ। পাহাৰৰ বুকুত নানা ফুল ফুলি আছিল। এটুকুৰা ঠাইত যুৱকজনৰ ৰথৰ চকাটো (গাড়ীৰ চকা) বেয়া হ'ল। ৰথৰ পৰা নামি তেওঁ ইফালে সিফালে চালে নাই ক'তো কোনো ঘৰ বাৰীৰ, মানুহৰ উম ঘাম নাই। কেৱল নিজান বাটটো মূৰ ওপৰলৈ গৈ আছে। এফালে থিয় পাহাৰ আনফালে দ' খাৱৈ। বহি লৈ ঘণ্টাৰ পাছত ঘণ্টা চাই চাই কিছুদূৰ আগবাঢ়ি গৈ দেখিলে বাটৰ কাষত এখন পান্থশালা আছে। সি তাৰ পৰাই লগত লৈ অনা ল'ৰাটোক চকাটো ভালকৰিবলৈ কৈ দোকান সদৃশ পান্থশালাৰ ফালে আগবাঢ়িল।



এগৰাকী যুৱতীয়ে তেওঁক হাঁহি মুখে অভ্যৰ্থনা জনালে। যুৱকজনে পানী খাবলৈ বিচাৰিলে কিন্তু যুৱতী গৰাকীয়ে তেওঁৰ ভাষাটো বুজি নাপায়। গতিকে ওচৰতে থকা গিলাচ এটা পানী খোৱাৰ নিচিনা পাত্ৰ এটা আনি দিলেহি। যুৱকজনে পানী পি গিলাছটো তাইলৈ আগবঢ়াই দিওঁতে মনকৰিলে যে তাইৰ মুখত দালিমগুটিয়া দাঁতৰ এটা ৰসাল হাঁহি। এইবাৰ খৰ খেদাকৈ যুৱকজনে গাড়ীখনৰ ওচৰ পালেগৈ। তৎক্ষণাত ল'ৰাটোৱে ক'লে -

ল'ৰা ঃ টায়াৰটো ৰিপেয়াৰ কৰিব লাগিব, ছাৰ।

যুৱক ঃ কিয় স্পেয়াৰ নাই নেকি?

ল'ৰা ঃ তাৰ অৱস্থা আৰু বেয়া ছাৰ।

'ছাৰ, অলপ আগত যে এখন বজাৰ পাই আহিছিলো তাত এখন দোকান আছে, মই তাতেই ভাল কৰি আনোগৈ। - ল'ৰাজনে ক'লে।

অনিন্দ্ৰ নামৰ সেই যুৱকজনে মনতে ভাৱিলে, ইয়াৰ পৰা তালৈ গৈ পাঁওতে পোন্ধৰ মিনিট, টায়াৰটো ভাল কৰোতে পোন্ধৰ মিনিট আৰু আহি পাঁওতে পোন্ধৰ মিনিট। খুইব বেছি এঘণ্টা সময় লাগিব।

এঘণ্টা সময়। হাতত নাই নিউজ পেপাৰ, মোবাইলত নাই নেটৱৰ্ক। কি কৰে, সি উপাই নাপাই পান্থশালাৰ ফালে আগবাঢ়িল। সিফালে সেই খাচী ছোৱালীজনীয়ে মুখত টোলপৰা হাঁহি মাৰি নিৰুপায় অৱস্থাটো বুজি বহিবৰ পাৰে এখন চকী দিলে। অলপ সময়ৰ পাছত গৰম চাহৰ লগত কিবা এটা খোৱা বস্তু দিলে কিন্তু সি কি চিনি নাপায়। যুৱকজনে ইংৰাজীত থেংক ইউ ক'লে। ইজনে সিজনৰ লগত পৰিচয় হোৱাৰো উপায় নাই। ইজনৰ ভাষা সিজনে বুজি নাপায়, নিৰুপায়।

যথা সময়ত ল'ৰাজনে টায়াৰটো ঠিক কৰি আনি লগাই পান্থশালাত হাত ধুলেহি। অন্তিম সময়ত 'কনটেক্টৰ ফিল্ড ছাৰ্ভেৰ কামত অহা যুৱকজনে সেই পান্থশালাৰ যুৱতীগৰাকীৰ ওচৰত গৈ নিজৰ ভাষাতেই 'গুড বাই', চি ইউ, থেংকছ ফৰ ইয়ৰ টি।' বুলি হাত জোকাৰি বিদায় মাগিলে। ইফালে যুৱতীগৰাকীয়েও মুখত দালিম গুটিয়া দাঁতৰ টোলপৰা হাঁহি আৰু হাত জোকাৰি বিদায় জনালে।

সিঁহতেও এজাক বৰষুণ অহাৰ আগতে ল'ৰালৰিকৈ গাড়ী ষ্টাৰ্ড দি নিৰ্দিষ্ট স্থানলৈ ৰাওনা হ'ল।

# ঐনিতম শুনি এক্ কেন্ দীঘেলিলৈ

**কৃতী চাংমাই**
স্নাতক দ্বিতীয় ষাণ্মাসিক, অসমীয়া বিভাগ

২০০৭ চনৰ এপ্ৰিল মাহৰ এটা বৃহস্পতিবাৰৰ দিন। ৰ'দত জিল্‌মিলাই থকা ব্ৰহ্মপুত্ৰৰ বুকুৰ মাজেৰে এখন ফেৰী আগুৱাই গৈছে। বিভিন্ন যাত্ৰীৰে ফেৰীখন ভৰপুৰ। কিছু লোক হয়তো গৈছে ঘৰ অভিমুখে, আন কিছুমান হয়তো গৈছে নিজৰ আত্মীয়-স্বজনৰ ঘৰলৈ, কোনোৱে হয়তো গৈছে নিজৰ কৰ্মস্থান অভিমুখে, আকৌ আন কোনোবা হয়তো গৈছে ভ্ৰমণ কৰাৰ উদ্দেশ্যেৰে। গাড়ী, বাইক আদি বাহনবোৰো ফেৰীখনে বোজা বৈ লৈ গৈছে। বহুতো যাত্ৰী এক বিপদ সংকুল পথেৰেহে যেন যাত্ৰা কৰিছে।

সেইদিনা আমিও সেই সহযাত্ৰীসকলৰ সৈতে যাত্ৰা কৰিছিলোঁ ঢকুৱাখানাৰ এখন গাঁৱলৈ। নাম এক্ কেন্ দীঘেলি। বাস্তৱত যেন শুনা পাইছিলোঁ ঐনিতমৰ সুৰ। ব্ৰহ্মপুত্ৰৰ বুকুৰ মাজেৰে যাত্ৰা কৰোঁতে দুয়োপাৰৰ অপৰূপ সৌন্দৰ্য উপভোগ কৰি গ'লো। ব্ৰহ্মপুত্ৰৰ পানীত খেলি থকা মাছবোৰে জঁপিয়াই-জঁপিয়াই যেন আমাকেই আদৰণি জনাইছিল।

আমাৰ ফেৰী গৈ সিপাৰৰ 'টেকেলী পোতা' ঘাটত অৱস্থান কৰিলে। বালিৰ তপত উমত খোজকাঢ়ি মিছিং সকলৰ জীৱন যাত্ৰাৰ এক উমাল অনুভূতি লাভ কৰিলোঁ। আমি আগুৱাই গৈ আমাক নিবলৈ বুলি ৰৈ থকা মিছিং ককাইদেউ ফিৰোজ আৰু ৰাজু ককাইদেউহঁতৰ লগ ল'লোঁগৈ। তেওঁলোকে দুখন চাইকেলেৰে আমাক নিবলৈ আহিছিল। কিন্তু যাবৰ সময়ত আমি মুঠ পাঁচজন হ'লোঁগৈ। সেয়ে, ৰাজু ককাইদেউৰ লগত দেউতা খোজেৰে আগুৱাই গ'ল আৰু আমি ফিৰোজ ককাইদেউৰ লগত চাইকেলেৰে পুনৰ যাত্ৰা কৰিলোঁ আমাৰ গন্তব্য স্থান অভিমুখে। যাত্ৰা পথত পাই যোৱা চাংঘৰবোৰ দেখি তেওঁলোকৰ জীৱন প্ৰণালীৰ কথা এবাৰ হ'লেও ভাবিবলৈ বাধ্য হৈছিলোঁ।

'টেকেলী ফুটা' ঘাটৰ পৰা প্ৰায় ৯-১০ কিলোমিটাৰ পথ অতিক্ৰম কৰি আমি পাইছিলোঁগৈ আমাৰ গন্তব্য স্থান 'এক্ কেন্ দীঘেলি' গাঁও। গাঁওখনত প্ৰবেশ কৰাৰ লগে লগে এক নতুন অভিজ্ঞতাই আমাক আদৰণি জনালে। গৈ পোৱাৰ লগে লগে ফিৰোজ ককাইদেউহঁতৰ ঘৰত জালুক দিয়া মাটি মাহ গাহৰি মাংসৰ আঞ্জাৰে তপত ভাত খোৱাত দিনটোৰ যাত্ৰা পথৰ সকলো ভাগৰ তৎক্ষণাত পলাই গৈছিল।

সন্ধিয়া আমি 'এক্ কেন্ দীঘেলি' গাঁৱৰ গাঁওবুঢ়াৰ ঘৰলৈ গৈছিলোঁ। তেওঁৰ নাম আছিল ঘনকান্ত পেগু। ওখ চাংঘৰ। খেৰৰ চালি, মজিয়াখন বাঁহৰ চিলিঙিৰে সুন্দৰকৈ গোঠা এক বিশাল চ'ৰাঘৰ আৰু চ'ৰাঘৰৰ মাজত আছে জুইশাল। চাংঘৰত উঠিবলৈ এডাল কাঠৰ জখলা। প্ৰথম উঠিবলৈ আমাৰ অসুবিধা হৈছিল; ভাৱ হৈছিল চাংঘৰৰ ওপৰত খোজ দিয়াৰ লগে লগে যেন চাংখন ভাঙি পৰিব! কিন্তু পাছলৈ সকলো সহজ হৈ পৰিছিল। গাঁৱৰ সকলো লোকে তেওঁলোকৰ চাংঘৰবোৰৰ তলতেই গাহৰি বন্ধাৰ ব্যৱস্থা কৰিছিল। গাঁওখনৰ মাটিবোৰ অত্যন্ত বালিময়। প্ৰত্যকঘৰ মানুহৰ ঘৰবোৰৰ মাজত নিৰ্দিষ্ট কোনো সীমা নেথাকে। এনে লাগিছিল সকলোৱে যেন একেখন চোতালতে একেটা পৰিয়ালতে বসবাস কৰিছে।

গাঁওখনৰ মানুহবোৰৰ সৰল মনবোৰ দেখি সঁচাকৈয়ে আচৰিত হৈছিলোঁ। ইমান সহজ-সৰল আৰু উদাৰ প্ৰকৃতিৰ লোক খুব কমহে দেখা যায়।

গাঁওখনত লাভ কৰা অনাবিল আনন্দৰ অভিজ্ঞতাবোৰে আজিও মনত দোলা দি থাকে। গাঁওখনত থকা কেইদিন সদায় মোক লগ দিছিল ৰাজু ককাইদেউৰ ভনীয়েক নমিতা বাই। সন্ধিয়া সময়ত নমিতা বাইদেউৰ সৈতে সদায় ফুৰিছিলোঁ আৰু এঠাইত দুটকা মূল্যত গিলাচত ভৰাই বিক্ৰী কৰা সিজোৱা মটৰ খাইছিলোঁ হাঁহি মুখৰ তৃপ্তিৰে।

দ্বিতীয় দিনা গাঁওবুঢ়া ঘনকান্ত পেগুৱে আমাক গোটেই গাঁওখন ফুৰাইছিল। গাঁৱৰ প্ৰত্যেকঘৰ মানুহেই তেওঁলোকৰ ঘৰলৈ নিমন্ত্ৰণ কৰিছিল। তেওঁলোকৰ সৰল মনবোৰে আমাক অতি সোনকালেই আপোন কৰি লৈছিল। আমি সৰু ল'ৰা-ছোৱালীবোৰক দিবলৈ মৰ্টন এপেকেট কিনি লৈ গৈছিলোঁ আৰু সকলোকে দুটা-তিনিটাকৈ বিলাই দিছিলোঁ। গাঁৱৰ প্ৰত্যেক ঘৰতে মাংসৰ সৈতে 'আপং' খাবলৈ দিছিল। কিন্তু মোৰ অভ্যাস নথকাৰ কাৰণে মই নাখাওঁ বুলি কোৱাত মোক চাহ খাবলৈ দিছিল। তেওঁলোকৰ চাহ বনোৱা পদ্ধতিটোও বেলেগ ধৰণৰ আছিল। তেওঁলোকে গাখীৰখিনি গৰম কৰি তাতে চাহপাত আৰু চেনি দি চাহ বনাই খাবলৈ দিছিল। গাখীৰতে চাহপাত দি বনোৱাৰ বাবে চাহখিনি খাবলৈ অতি সোৱাদ লগা হৈছিল।

তৃতীয় দিনা গাঁওবুঢ়াৰ লগত আমি তেওঁলোকৰ বাৰী চাবলৈ গৈছিলোঁ। 'আহু' ধানৰ পথাৰৰ মাজে মাজে আমি আগবাঢ়ি গৈছিলোঁ। নিজৰ নিজৰ পথাৰবোৰত মহিলাবোৰে বন নিৰাই আছিল। আমি গৈ 'খেৰ কটীয়া' (খেৰ কটা) নদীৰ পাৰ পাইছিলোঁগৈ। গাঁওবুঢ়াই আমাক কৈছিল "মাজুলী প্ৰকৃততে ব্ৰহ্মপুত্ৰ নদীৰ মাজত নাই। মাজুলীৰ তিনিটা সীমাত ব্ৰহ্মপুত্ৰ আৰু এটা সীমাত খেৰ কটা নদী আছে। কিন্তু মানচিত্ৰবোৰত মাজুলী ব্ৰহ্মপুত্ৰৰ মাজত থকা বুলি দেখুৱায়।" সেইদিনাহে মাজুলী সম্পৰ্কীয় এই কথাটো প্ৰথম জানিব পাৰিছিলো।

বাৰী চাই উভতি আহি আমি গাঁওবুঢ়াৰ পুতেক ভুপেন ককাইদেউৰ লগত ঢকুৱাখানালৈ 'ফাটবিহু' চাবলৈ গ'লো। আগতে বাতৰি কাগজ আৰু কিতাপসমূহত 'ফাট বিহু'ৰ কথা শুনিছিলোঁ যদিও সেইবাৰ নিজ চকুৰে চোৱাৰ সৌভাগ্য ঘটিল। 'ফাট বিহু' থলীত বিভিন্ন জনজাতিৰ নৃত্যসমূহ এখন বিশাল প্ৰাকৃতিক পৰিবেশৰ মুকলি মঞ্চত গছৰ তলে তলে প্ৰদৰ্শন কৰা হৈছিল।

চতুৰ্থ দিনা নমিতা বাইদেউ আৰু তেওঁৰ লগৰ দুজনী বাইদেউ আহি মোক 'নয়া বজাৰ'লৈ ফিলিম (চিনেমা) চাবলৈ যাবৰ বাবে লগ ধৰিলে। সেইদিনা ফিলিম চাবলৈ যাম বুলি সকলো সাঁজি-কাচি ওলাইছে। ময়ো ভাবিছোঁ ফিলিম (চিনেমা) চাবলৈ যাব যেতিয়া ডাঙৰ চিনেমা হল হ'ব চাগেঙ্গ সেয়ে ময়ো ৪ কিলোমিটাৰ পথ তেওঁলোকৰ সৈতে খোজকাঢ়ি গৈ 'নয়া বজাৰ' পালোঁগৈ। আমি গৈ যেতিয়া চিনেমা হলত প্ৰবেশ কৰিলোঁ, তেতিয়া সেই অভিজ্ঞতাৰ কথা কাকো মই বুজাব পৰা নাছিলো। 'চিনেমা হল'ৰ ভিতৰত এটা ৰঙীণ L.G. টি,ভি তাতে CDৰ ব্যৱস্থা কৰি ফিলিম প্ৰদৰ্শন কৰা হয়। বহিবৰ বাবে দুফালে দুটা বাঁহৰ খুঁটিৰ ওপৰত এচটাকৈ কাঠ পাৰি থোৱা আছে প্ৰত্যেকেই দহ টকাকৈ দি চিনেমা উপভোগ কৰে। সকলোৱে অতি আনন্দৰে চিনেমা উপভোগ কৰা দেখি মোৰ মনতো আনন্দ উপচি পৰিছিল। মোৰ অনুভৱ হৈছিল আমাৰ অঞ্চলবোৰৰ তুলনাত সেই অঞ্চলবোৰ কিমান পিচ পৰি আছে। কাৰণ, যিবোৰ টি,ভি আমাৰ ঠাইবোৰত প্ৰতিঘৰ মানুহৰে আছে, তেনেকুৱা টি,ভি এটাতে CD লগাই দহ টকাকৈ দি তেওঁলোকে আনন্দেৰে চিনেমা উপভোগ কৰে।

সেইদিনা সন্ধিয়া আমি গাঁৱৰে ললিত পেগু নামৰ এজন লোকৰ ঘৰলৈ গৈছিলোঁ। তেওঁ এজন গানৰ শিক্ষক আৰু ডিব্ৰুগড় ৰেডিঅ' চেণ্টাৰৰ নিয়মীয়া শিল্পী। তেওঁ ঘৰত বহুতো বাদ্যযন্ত্ৰ সংগ্ৰহ কৰি ৰাখিছে। তেওঁ আমাৰ আগত ঐনিতম গাই শুনাইছিল আৰু তেওঁৰ পুত্ৰই তবলা বজাইছিল। সেইদিনা তেওঁৰ ঘৰত এক সংগীতময় পৰিবেশৰ সৃষ্টি হৈছিল।

এনেদৰেই এক্ কেন্ দীঘেলি গাঁৱত চাৰি দিন থাকি বুকু ভৰা স্মৃতি লৈ পঞ্চম দিনা গৃহাভিমুখে ৰাওনা হ'বলৈ প্ৰস্তুতি চলাইছিলোঁ। আহিবৰ সময়ত নমিতা বাইদেউৰ কণমানি ভাগিনজনীক একোলা লৈ তাইৰ নাম সম্প্ৰীতি পেগু থৈ মৰম-বিষাদ ভৰা মনেৰে আমি সকলোৰে পৰা বিদায় লৈছিলোঁ।

সামৰণিত ক'ব খুজিছো এখন মহাবিদ্যালয় মুখপত্ৰত এনে এক বৈচিত্ৰপূৰ্ণ ভ্ৰমণ অভিজ্ঞতাৰ বিস্তৃত বিৱৰণ দিয়াৰ অৱকাশ নাথাকে। তথাপিও মোৰ অনুভৱ হৈছে ব্যৱসায় কৰিবলৈ অহা মিছিং ককাইদেউ কেইজনে আমাৰ পৰিয়ালত পোৱা মৰম-চেনেহৰ বিনিময়তে আমিও মিছিং গাঁওখনলৈ যোৱাৰ প্ৰয়োজনবোধ কৰিছিলোঁ। সেয়ে বক্তৃতা আৰু কথাৰ উপৰিও বাস্তৱ অভিজ্ঞতাই আমাৰ সমন্বয়ৰ এনাজৰীডাল সুদৃঢ় কৰে।

# গ্ৰন্থৰ নামেৰে বান্ধৱীলৈ লিখা এখন চিঠি

মণিদীপা লাহন
স্নাতক চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ

মৰমৰ,

'পৰি', 'জাহ্নৱী' আৰু 'সুৰভি'

'এৰি অহা দিনবোৰ'ৰ 'জীৱন স্মৃতি'ৰে তোমালোকৰ খবৰ বিচাৰি 'আজি' বহুদিনৰ পাছত একলম লিখিছো। মোৰ হৃদয়ৰ মৰমবোৰ আদৰি ল'বা।

'মনৰ দাপোন'ত তোমালোকৰ ছবি সদায়েই ভাঁহি থাকে যদিও 'সংসাৰ'ৰ 'চাকনৈয়া'ত পৰি 'সংগ্ৰাম' কৰি কৰি 'জীৱনৰ বাটত' আগুৱাই যাওঁতে তোমালোকৰ কথা মনত পেলাবৰ আহৰিয়েই নাই অ'। 'অভিমান' নকৰিব 'বন্ধু', 'এয়োতো জীৱন'। 'দিনৰ পিছত দিন' যায়, তথাপিও অতীতৰ সেই 'সেউজী পাতৰ কাহিনী'বোৰ সদায় মনত পৰি থাকে জানা। তোমালোকবা এতিয়া 'কোন বাটে'? মনত আছেনে বাৰু সেই 'অতীত স্মৃতি'বোৰৰ কথা। আমি যে একেলগে মিলি 'ৰ'দ আৰু কুঁৱলী' ফালি গৈ 'জীয়া জুৰিৰ ঘাট'ত বহি 'অঘৰী আত্মাৰ কাহিনী' শুনিছিলো। এতিয়াও 'উদাসী সন্ধ্যা'বোৰত 'মেঘে ঢকা আকাশৰ জোন'টোলৈ চায় চায় অতীতৰ সেই 'সুখৰ সেন্দুৰীয়া আলি'য়েদি পাৰ হৈ অহা 'জীৱনৰ মধুৰতম সময়'বোৰৰ কথা ভাবি থাকো জানা। আজিও সেই 'ভোগদৈ বালিৰ জোনাক'ত বহি তোমালোকৰ 'অমৰ মায়া' সনা 'চিনাকি-অচিনাকী' মুখবোৰ চায় চায় মোৰ 'হৃদয়ৰ কথা'বোৰ হেপাঁহ পলুৱাই ক'বৰ মন যায়।



'আজিৰ মানুহ'বোৰৰ দৰে তোমালোক চাগে এতিয়া 'নতুন পথ'ৰ 'অভিযাত্ৰী' হ'লা আৰু আমাৰ 'পুৰতি নিশাৰ সপোন'বোৰ যেন সকলো 'মহাজীৱনৰ আধাৰশীলা' হৈ ৰ'ল। জীৱনৰ 'প্ৰথমজান বৰষুণ'ত তিতি তিতি মই যেন একেবাৰে ভাগৰি পৰিছো অ'। কেতিয়াবা ভাৱ হয় 'জীৱনে মোক কি দিলে'? কিন্তু এতিয়াটো সকলোবোৰ 'নিয়তিৰ নিৰ্মালি' বুলিয়েই গ্ৰহণ কৰি 'হাঁহিৰে চকুলো ঢাকি' আগুৱাই যাবই লাগিব। সেইবোৰক লৈ দুখ কৰি থাকিলে পাম জানো 'মৰহা পাপৰি?'

অ' ক'বলৈ পাহৰিছিলোৱেই, যোৱা মাহৰ 'পহিলা তাৰিখ'ত আমাৰ অতীতৰ বান্ধৱী 'গীতাঞ্জলী'ৰ বিয়া আছিল। তাতে 'মন ময়ূৰী'হঁতকো লগ পালো। সিহঁতক ইমানদিনৰ পাছত লগ পাই 'মৰমৰ চিন' হিচাপে 'বহুতো বেদনা এটোপাল চকুলো'ৰ বাহিৰে আৰু একোৱেই দিব নোৱাৰিলো। তথাপিও সেয়া যেন 'ৰজনীগন্ধাৰ চকুলো'। 'ৰংমিলিৰ হাঁহি' থকা মুখখনৰ কথা আজিও চকুৰ আগত ভাঁহি থাকে জানা। সেই যে ভৰ 'দুপৰীয়া' 'কাঞ্চন'জোপাৰ তলত আৰু কেতিয়াবা 'নাহৰৰ নিৰিবিলি ছাঁ'ত বহি আমি সকলোৱে মনৰ আনন্দেৰে কথা পাতিছিলো। আৰু কি জানা, এতিয়াও হেনো 'কপিলী নিৰৱে কান্দে'। হয়তো আমি নথকাৰ বাবে।

আজিলৈ আৰু নিলিখো, ইমানতে সামৰো। আমাৰ 'সোণালী সূতাৰে বন্ধা' 'চেনেহ জৰীৰ গাঁঠি'ডাল ছিগি যাবলৈ নিদিবা। তোমালোকলৈ বহু বহু মৰম আৰু 'ভালপোৱা'ৰে —

প্ৰান্তত
তোমালোকৰ বান্ধৱী
'উষা'





# এখন চিঠিৰ উত্তৰ বিচাৰি

পূৰ্ণিমা দে
স্নাতক ষষ্ঠ ষান্মাসিক

সখী লতিকাৰ পৰা চিঠি এখন পোৱাৰ পিছৰ পৰা মই ঘনাই উচুপি উচুপি কান্দিছো। তাই চিঠিত লিখিছে -

মনৰ শৈলজা,

বিয়াৰ পিছত এইখনেই তোলৈ বুলি লিখা মোৰ প্ৰথম চিঠি। মোৰ জীৱনৰ দুখৰ অধ্যায়বোৰৰ বিষয়ে জনাবলৈকে এই চিঠিখন লিখিছো। যদিও এনেধৰণৰ কথা চিঠিত লিখাটো উচিত নহয়। আচলতে অন্তৰৰ কথাবোৰৰ কোনোবা আপোন জনক ক'বলৈ বৰ মন যোৱাৰ বাবেই লিখিলোঁ। হৃদয়ৰ দুখবোৰ পাতল হ'লেও হওক। তোক গৈ লগ কৰাৰ প্ৰবল ইচ্ছা আছিল যদিও স্বামীৰ ঘৰৰ পৰিস্থিতিয়ে মোক তেনে সুবিধা দিয়া নাই।

সখী, তইতো জানই মোৰ বিয়াৰ দিনাখন মই কন্দা নাছিলো। মই স্বাভাৱিক ভাৱে গহীন হৈ পৰিছিলো। আচলতে মোক সৰুৰে পৰা তুলি টালি ডাঙৰ দীঘল কৰাৰ পাছতো মোৰ অন্তৰৰ কথা বুজি নোপোৱা মানুহখিনিৰ সন্মুখত কান্দিবলৈ লাজ লাগিছিল।

বান্ধৱী সকলৰ ভিতৰত অধিক চঞ্চল বুলি মোৰ নাম আছিল। মোৰ বিয়াৰ বয়স হোৱাৰ পাছৰ পৰা দীৰ্ঘদিন ধৰি মই মা-দেউতাৰ পৰা বিভিন্ন ধৰণৰ দিহা পৰামৰ্শ শুনিছিলো। সেইবোৰ ছোৱালীৰ নিজৰ ইচ্ছা অনিচ্ছাৰ কোনো অৰ্থ নাই। সেয়ে অনিচ্ছা স্বত্তেও মোৰ সম্পূৰ্ণ স্বাধীনতা মা দেউতাৰ হাতত অৰ্পন কৰি মই ধনীৰ দুলাল অনুৰাগৰ সৈতে বিয়াত বহিছিলো। মা-দেউতাৰ অন্তৰত দুখ দিয়াটো সন্তানৰ কৰ্তব্য নহয় বুলি ভাবিছিলো।

আজি মই অনুৰাগৰ পত্নী আৰু এখন অতি ধনী ঘৰৰ বোৱাৰী। মোৰ শহুৰ দেউতা চৌখিন মানুহ, শাহু আই তেখেততকৈ এখোপ চৰা। আৰু অনুৰাগ। তাৰ নামৰ সৈতে কামৰ কোনো মিল নাই। টকাৰ প্ৰাচুৰ্যই তাক বিকাৰ গ্ৰস্থ কৰি তুলিছে।

তেখেত সকলৰ চাল চলন দেখি তথা তেওঁলোকৰ কথা বাৰ্তাবোৰ শুনি খুউব কম সময়ৰ ভিতৰতে মই বুজি উঠিলো যে তেওঁলোকৰ বৃহৎ ঘৰটোত সজাই থোৱা দামী আচবাব, দুষ্প্ৰাপ্য সামগ্ৰী আৰু ফুলদানিবোৰৰ মাজত ময়ো সজাবলৈ অনা এটি ফুলদানি। মই ভাল ধৰণে বুজি উঠিলো যে অনুৰাগে, মোক বিয়া কৰোৱাৰ উদ্দেশ্য কি? মই ধুনীয়া বাবেই অনুৰাগে মোক বিয়া কৰাই আনিছে। প্ৰত্যেক ধুনীয়া বস্তুৰ ওপৰত প্ৰথম অধিকাৰ তাৰেই বুলি সি ভাৱে। দৰাচলতে বিবাহ বন্ধনত আৱদ্ধ হোৱাৰ ইচ্ছা অনুৰাগৰ অকনো নাছিল। কিন্তু মাক দেউতাকৰ ইচ্ছা ঘৰখন সজাবলৈ এগৰাকী ধুনীয়া বোৱাৰী লাগে যাতে সেই ধুনীয়া বোৱাৰী জনীক মানুহৰ আগত প্ৰদৰ্শন কৰি ক'ব পাৰে চা, আমি কিমান চৌখিন। আমাৰ বোৱাৰীজনী কিমান সুন্দৰী। অনুৰাগে মোক উপভোগ কৰিছে। সেই মুহূৰ্তৰ উত্তেজনাত কিছুমান আৱেগিক কথা কৈ মোৰ মনত আনন্দ দিবলৈ চেষ্টা কৰিছে আৰু যৌন তৃষ্ণা পূৰণ কৰি নিৰ্দিষ্ট সময়ত টোপনি গৈছে। মই লক্ষ্য কৰিছো - অনুৰাগ মাথো

শাৰীৰিক সম্পৰ্ক স্থাপনৰ প্ৰতিহে অধিক আগ্ৰহী মোৰ লগত মানসিক সম্পৰ্ক স্থাপনৰ চেষ্টা সি কোনোদিনে কৰা নাই। এই ক্ষেত্ৰত মই আগবাঢ়ি গ'লেও সি পুলুকা মাৰে।

সেয়ে জীৱন লগৰী পোৱাৰ পাছতো মই নিঃসঙ্গ। অনুভৱ হয় এটি বৃহৎ অট্টালিকাত মই বন্দী নাৰী, নীৰৱ নিস্তব্ধ অথচ অতি বীভৎস মোৰ জীৱন। এনে লাগে এই ঘৰখনৰ সকলো বোৰেই যেন নিৰ্জীৱ, কাৰো প্ৰাণ নাই।

ৰাতি পুৱা শুই উঠি গা পা ধুই মই নিজে প্ৰস্তুত কৰি দিয়া চাহ কাপ খাবলৈও অনুৰাগৰ সময় নাই। লগে ভাগে বহি দু-আষাৰ কথা পাতিবলৈও আজৰি নাই। পত্নী হিচাপে সকলো কৌশল প্ৰয়োগ কৰি মই অনুৰাগক প্ৰকৃত স্বামী হিচাপে পাব বিচাৰিছিলো। কিন্তু মোৰ সকলো চেষ্টা বিফলে গ'ল।

মই বিবাহিত জীৱনৰ সৌৰভ হেৰুৱালো। অথচ মোৰ মা-দেউতা মোৰ সৌভাগ্যক লৈ অত্যন্ত সুখী। জীৱনৰ সুখ সম্বন্ধে থকা তেওঁলোকৰ পুৰণীকলীয়া ধাৰণা দেখি মোৰ অন্তৰখনে হাহাকাৰ কৰি উঠে। মৃত্যুৰ কথা পাহৰি দুদিনীয়া জীৱনত মানুহে অশান্তিক কিয় প্ৰশ্ৰয় দিয়ে সেই কথা ভাবি মই প্ৰায়ে অস্থিৰ হৈ পৰো।

মই জানো অনুৰাগৰ মনত সুখ নাই। মোৰ শহুৰ শাহুৰ মনতো সুখ নাই অথচ মানুহক দেখুৱাই তেওঁলোকে জীৱন সাৰ্থক হোৱাৰ অভিনয় কৰিছে। তেওঁলোকৰ জটিলতাৰ মাজত ডাঙৰ দীঘল হোৱা অনুৰাগ তেওঁলোকৰ যেন ভয়ংকৰ স্বাক্ষৰ।

ছলে বলে কৌশলেৰে হয়তো অনুৰাগ বহু নাৰীৰ লগত শাৰীৰিক সম্পৰ্ক স্থাপন কৰিছে। কিন্তু কোনো নাৰীৰে মনৰ মাজত প্ৰৱেশ কৰিব পৰা নাই। যি পুৰুষে নাৰীৰ অন্তৰত প্ৰৱেশ কৰিব নোৱাৰে। সেই পুৰুষৰ পুৰুষত্ব সম্পৰ্কত মোৰ সন্দেহ আছে। আৰুনো কি লিখিম? বেছি লিখি তোক আমনি নকৰো। তোৰ খবৰ জনাই মোক চিঠি দিবি। পদুমৰ সৈতে কিজানি তোৰ বৰ সুখৰ সংসাৰ। তহঁতৰ সুখী এয়ে মোৰ আশা।

ইতি

তোৰ বান্ধৱী লতিকা।

লতিকাৰ চিঠিখন পঢ়ি মই ভয়ত কঁপি উঠিছো। বাৰে বাৰে অন্তৰখন হাহাকাৰ কৰি উঠিছে। লতিকাই চিঠিত লিখিছে তোৰ খবৰ জনাই চিঠি দিবি।

মই এতিয়া লতিকাক মোৰ খবৰ জনাও কেনেকৈ? তাইক কেনেকৈ জনাও যে মোৰ স্বামী পদুমৰ অত্যাচাৰত অতিষ্ঠ হৈ কিছুদিনৰ আগতে মই তাৰ লগত বিবাহ বিচ্ছেদ কৰিছো। তাইৰ নিজৰে এনে অৱস্থাত মোৰ অৱস্থাৰ কথা জনাই তাইক জানো অধিক কষ্ট দিয়া নহ'ব? তাই জানো অধিক দুখত ভাগি নপৰিব।

সেয়ে মই লতিকাৰ চিঠিখনৰ উত্তৰ বিচাৰি হাহাকাৰ কৰি উঠিছো। মই বাৰু কি বুলি চিঠি খনৰ উত্তৰ লিখো।

### কৌতুক

*বিবাহ বাৰ্ষিকীৰ দিনা পত্নীয়ে মৰমতে ছাণ্টাক ক'লে ঃ আহাঁচোন আজি আমি আগতে কোনো দিনে নকৰা কিবা এটা কাম কৰোঁ।*

*ছাণ্টাই উত্তৰ দিলে ঃ ঠিক আছে তেনেহ'লে আমি ৫ মিনিট মনে মনে থাকোঁ।*



সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ, ২০১৩-১৪ বৰ্ষ

# জীয়া সপোন

মৌচুমী দেউঘৰীয়া
অসমীয়া বিভাগ

*হঠাৎ চেলটো বাজি উঠাতহে তাইৰ সম্বিত ঘূৰি আহিল। চেলটো হাতত লৈ দেখে তাইৰ স্বামীৰ ফোন। ফোন ৰিচিভ কৰি সিফালে কোৱাৰ আগতে তাই ক'লে শুনিছা, আজি পুৰণা ঘৰলৈ বৰকৈ মনত পৰিছে। মোক আজি আবেলি লৈ যাবা নেকি? কোনোদিনেই পত্নীক বাধা নিদিয়া সুখ দুখৰ সমভাগী হোৱা মৰমিয়াল মানুহজনে তাইৰ মনৰ কথা বুজিব পাৰিলে আৰু ক'লে ঠিক আছে, ওলাই থাকিবা। মই তিনিবজাত পামগৈ।*

মই তেনেকুৱা কোনো ডাঙৰ কাম
কৰিব নোৱাৰিব পাৰো
যিটো কৰা উচিত আছিল
যাৰ দ্বাৰা পৃথিৱীখন চিৰসুন্দৰ
আৰু আকাশখন
চিৰনীলা কৰি কৰি ৰাখিব পাৰি।
কিন্তু
মই কিছুমান সৰু কাম কৰিব পাৰো
যাৰ দ্বাৰা শত ধুমুহা
বাধা বিঘিনিৰ মাজেৰেও
পৃথিৱীখন মিঠা কৰি ৰাখিব পাৰি।

এই কবিতাস্বৰূপ বাক্যকেইটি কবিতা ভালপোৱা ছোৱালীজনীৰ বৰ প্ৰিয়। এই কথা কেইটা যেন তাইৰ দুৰ্বল মনত দৃঢ়তা আনি দিয়ে। পছোৱাই যিদৰে কেঁচামাটিৰ গোন্ধ চিনাকি ফুলৰ মিঠা সুৰভি উৰুৱাই আনে ঠিক তেনেকৈ তাইৰ মনটোক আজি অতীত স্মৃতিয়ে উৰুৱাই নিছে সুখ দুখ, হাঁহি কান্দোন, হতাশা-দৃঢ়তাৰে পৰিপূৰ্ণ গাঁৱৰ ঘৰখনলৈ। য'ত আছিল মাতৃৰ মমতা, পিতৃৰ চেনেহৰ বান্ধোন আৰু ঘৰৰ সকলোৰে মৰমৰ আৱৰণ।

মানুহ পাহৰণি আৰু সোঁৱৰণিৰ দাস। দুদিনীয়া জীৱনৰ ক্ষন্তেকীয়া মুহূৰ্তত হোৱা মনলৈ আত্মবিশ্বাসৰ ভাৱ সৰলভাৱে গঢ় দিয়ে। মনশ্ৰিণীৰ ক্ষেত্ৰতো সেয়াই হ'ল। তেতিয়া হয়তো তাই তৃতীয় ষান্মাসিকৰ ছাত্ৰী। পঢ়া শুনাত তাই বৰ চোকা নহ'লেও মধ্যমীয়া। সেই তৃতীয় যান্মাসিকত পঢ়ি থকা অৱস্থাত এদিন তাইৰ সম্বন্ধীয় খুড়াকে বৰ তাচ্ছিল্যৰে কোৱা কথা কেইষাৰে তাইৰ কোমল হৃদয়খন ভাঙি পেলাইছিল।

সিদিনা মনশ্ৰিণীয়ে ভনীয়েক মানসীৰ সৈতে গাঁৱৰে ককাইদেউ এজনৰ ঘৰত ঢেকীত পিঠা খুন্দিবৰ বাবে গৈছিল। তেতিয়া সেই খুড়াকজনো ককাইদেউহঁতৰ

ঘৰতে আছিল। খুড়াহঁতে হয়তো ব্যক্তিগত আলোচনাত মগ্ন। হঠাৎ মনাহঁতক দেখি অস্বস্তিবোধ কৰা যেন অনুভৱ কৰিলে মনাহঁতে। ডাঙৰৰ কথাত মন নিদি মনাহঁত পিঠা খুন্দাত লাগিল। পিঠা খুন্দা ঠাইলৈ খুৰাজন আহি তাতে বহিল। নবৌয়েকেও মনাহঁতক চাহ একাপ দি গ'লহি। তেনেতে খুড়াজনে মনাক সুধিলে - 'তই কিহত পঢ় অ'। মনাই পিঠাচলা চালনীখন থৈ ভালদৰে ক'লে - তয় ষাণ্মাসিকত খুড়া। তোৰ মেজৰ কিহত? মনাই ক'লে - অসমীয়াত। পাৰ্চেণ্টেজ কিমান? বৰ ভাল নহয় খুড়া বৰ্তমান দ্বিতীয় ক্লাচতে আছো। খুড়াই জাঙুৰ খাই উঠিল কি দ্বিতীয় ক্লাচতে আছ, তই কলেজ এৰি দে বুজিছ লাভ নাই কলেজলৈ গৈ। খুড়াকে ধেমালি কৰিছে যেন ভাৱি তাই আকৌ ক'লে আৰু দুটা বছৰ আছে নহয় খুড়া এইবাৰ আৰু ভালকৈ চেষ্টা কৰিম। খুড়াকে ঠাট্টাৰ সুৰত কোৱাদি ক'লে - ভালদৰে পঢ়িবি হা, কি ভালকৈ পঢ়িবি, দ্বিতীয় ক্লাচতে আছ যেতিয়া কি ভালকৈ পঢ়িবি। লাভ নাই লাভ নাই কলেজত গা ঘেলাই ফুৰাতকৈ ঘৰতে কাম বন শিক। হাজিৰা কৰা বাপেৰে টকা পইচা দি পঢ়ালেই যেনিবা পাছত আনৰ ঘৰহে শুৱনি কৰিবিগৈ।

মনা সিদিনা আচৰিত হৈছিল সমাজত শিক্ষিত মানুহ হিচাপে পৰিচিত মানুহৰ ইমান ঠেক চিন্তাধাৰা থাকিব পাৰেনে? তাই কোনোমতে সেই সময়ত নিজক চম্ভালিলে। ঘৰলৈ আহি বিছনাত পৰি তাই বহুত কান্দিলৈ। মাকে তাঁতশালৰ পৰা দৌৰি আহিল। সিফালে দেউতাকে জেওৰা ভেটিবলৈ এৰি ঘৰ য'ৰ জেউৰা ত'তে পেলাই উধাতু খাই তাইৰ ওচৰলৈ দৌৰি আহিল। দুয়ো আচৰিত হ'ল এইজনীৰ? মনাক ইমান শোকে খুন্দা মাৰি ধৰিছে যে তাই একো ক'ব পৰা নাই। দেউতাকে সুধিছে — ঢেঁকীত দুখ পালি নেকি মা? মনাই একো নোকোৱা দেখি মাকে মানসীক সুধিলে কি হ'ল অ' সৰু? মানসীয়েও বায়েকক কন্দা দেখি তাইৰো চলচলীয়া চকুৰে কৈছে - নহয় অ' মা দে'তা, আমি পিঠা খুন্দিবলৈ যোৱা ককাটোৰ ঘৰত থকা খুড়াজনে বাইক বৰ বেয়াকৈ কিবা কিবি ক'লে। মনাই কান্দি কান্দিয়েই ক'লে - মা, মই কিবা কলেজত গা ঘেলাই ফুৰিবলৈ যাওঁ নেকি? মোৰ পাৰ্চেণ্টেজ বৰ ভাল নহয় বুলি জানি মোক ভালকৈ পঢ়িবলৈ উৎসাহ দিয়াৰ পৰিৱৰ্তে খুড়ায়ে মোক ইমান বেয়াকৈ ক'লে। মই হেনো টকা পইচা বোৰ এনেয়ে ভাঙিছো।

মাক-দেউতাকে তেতিয়াহে আচল কথাটো বুজি পালে। তেতিয়া মাক দেউতাকৰো হৃদয় কান্দি উঠিল। মাকে লাহেকৈ ক'লে মনা দুৰ্বল মানুহক বলী মানুহে সদায় দুৰ্বল কৰিবলৈহে চায়। তেনেকুৱা মানুহে কেতিয়াও আমাৰ দৰে মানুহৰ উন্নতি হোৱাটো নিবিচাৰে। তেনেলোকে উৎসাহ দিয়াৰ পৰিৱৰ্তে মন ভাঙিহে দিয়ে। তই মন নাভাঙিবি আই। আমি পঢ়িলেও-নুশুনিলেও তহঁতে ভালদৰে পঢ়ি শুনি প্ৰতিষ্ঠিত হোৱাটো বিচাৰো। তাতোতকৈ বিচাৰো মানুহ হোৱাটো। তোৰ এই মনোকষ্টক তই এটা শিক্ষা বুলি ধৰি ল'। আনক কষ্ট নিদিবি মা, নিজেও কষ্ট নেপাৱ। আৰু এটা কথা সদায় মনত ৰাখিবি চেষ্টাৰ অসাধ্য একো নাই। চেষ্টা কৰ আই। যত্ন কৰিলে ৰত্নও হাততে পাবি।

সিদিনা মাক দেউতাকৰ তাইৰ প্ৰতি থকা বিশ্বাস দেখি তাই প্ৰতিজ্ঞা কৰিছল যে তাই মাক-দেউতাকৰ সপোন দিঠকত পৰিণত কৰিব। সিদিনাৰ সেই অভাৱনীয় ঘটনাৰ ফলতে আজি সমাজত তাই প্ৰতিষ্ঠিত অধ্যাপিকা মনাশ্ৰিনী বৰুৱা। আজি তাই কাৰোবাৰ পত্নী, কাৰোবাৰ মাতৃ আৰু কিছুমান ছাত্ৰ-ছাত্ৰীৰ প্ৰিয় মনা মেম। পূৰ্ব স্মৃতিত এনেদৰে কিমান সময় ডুব গ'ল তাই গমেই নাপালে। হঠাৎ চেলটো বাজি উঠাতহে তাইৰ সম্বিত ঘুৰি আহিল। চেলটো হাতত লৈ দেখে তাইৰ স্বামীৰ ফোন। ফোন ৰিচিভ কৰি সিফালে কোৱাৰ আগতে তাই ক'লে শুনিছা, আজি পুৰণা ঘৰলৈ বৰকৈ মনত পৰিছে। মোক আজি আবেলি লৈ যাবা নেকি? কোনোদিনেই পত্নীক বাধা নিদিয়া সুখ দুখৰ সমভাগী হোৱা মৰমিয়াল মানুহজনে তাইৰ মনৰ কথা বুজিব পাৰিলে আৰু ক'লে ঠিক আছে, ওলাই থাকিবা। মই তিনিবজাত পামগৈ। এতিয়া ৰাখা বাই। মনাই প্ৰশান্তিৰ নিজৰা বোৱাই বৃদ্ধা মাতৃলৈ ফোন কৰিবলৈ নম্বৰটো ডায়েল কৰিলে।



সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ, ২০১৩-১৪ বৰ্ষ

# গোলাপ ৰঙা হ'ল প্ৰেমৰ বাবে

ইয়াছমিন বেগম
স্নাতক দ্বিতীয় ষাণ্মাসিক

প্ৰাক্ ঐতিহাসিক যুগৰ কথা। সেই সময়ত এজন বিখ্যাত ৰজা আছিল। তেওঁৰ নাম সিংহজিত। তেওঁ বিয়া পতা নাছিল। এদিন তেওঁ চিকাৰলৈ গ'ল আৰু তেওঁ সেইদিনা বহু সময় অৰণ্যতে থাকিলে। কিন্তু তেওঁ সেইদিনা চিকাৰেই নাপালে। তেওঁ ঘৰলৈ আহিলে, তেওঁৰ বৰ ভাগৰ লাগি আছিল। তেওঁ অলপ সময় জিৰণি লওঁতেই টোপনি গ'ল আৰু তেওঁ সপোন এটা দেখিলে। সপোনত বৰ সুন্দৰ ছোৱালী এজনীয়ে বগা গোলাপ ফুল গছ ৰুই আছিল আৰু ফুল গছ জোপাত এটা ধুনীয়া কলি ধৰি আছিল। ৰজাই ছোৱালীজনীৰ ওচৰ যাবলৈ ল'লে। তেতিয়াই মন্ত্ৰীয়ে ৰজাক মাত দিয়াৰ বাবে ৰজাই সাৰ পালে। সেই সময়ত গোলাপ বগা আৰু বিভিন্ন ৰঙত পোৱা গৈছিল। কিন্তু ৰজাৰ বাগিচাত গোলাপ নাছিল। ৰজাই সেই সময়তে ভাবিলে তেওঁ সেই ছোৱালীজনীক বিয়া পাতিব। ৰজাই সকলো সময়তে ছোৱালীজনীৰ কথা ভাবি থাকে আৰু ৰজাই সকলো কথা মন্ত্ৰীক বিৱৰি ক'লে। তেতিয়া ৰজাই মন্ত্ৰীক ক'লে মন্ত্ৰী কিবা এটা উপায়া দিয়া। মন্ত্ৰীয়ে ক'লে এটা উপায় আছে মহাৰাজ। আমি দেশখনৰ সকলো চিত্ৰকৰক আমন্ত্ৰণ কৰিম আৰু তেতিয়া আপুনি তেওঁলোকক ছোৱালীজনীৰ ৰূপৰ বৰ্ণনা দিব। যদি তেওঁ সেই ছোৱালীজনীৰ চিত্ৰখন হুবহু অংকন কৰিব পাৰিব তেওঁক উপহাৰ দিব। ৰজাই পৰামৰ্শটো শুনি সকলো চিত্ৰকৰক আমন্ত্ৰণ কৰিলে আৰু ছোৱালীজনীৰ ৰূপৰ বৰ্ণনা দিলে। কোনেও নোৱাৰিলে। কিন্তু এজন চিত্ৰকৰে হুবহু তেনেকুৱাই প্ৰতিচ্ছবি বনালে। ৰজাই তেওঁক ১০০০ সোণৰ মুদ্ৰা দিলে। ৰজাই সেই ছবি সৈন্য বাহিনীৰ হাতত দি দেশৰ চাৰিওফালে ছোৱালীজনীক চাব ক'লে। সৈন্যবাহিনীয়ে দুসপ্তাহ বিচাৰিলে। কিন্তু নাপালে, ৰজাই বৰ দুখ কৰিলে। এদিন ৰজা চিকাৰলৈ গ'ল। তেতিয়া দেখিলে যে সপোনত দেখা ছোৱালীজনীয়ে কলি সৈতে এজোপা বগা গোলাপ ফুল গছ ৰুই আছিল। ৰজাই সেই ছোৱালীজনীৰ ওচৰলৈ গৈ সুধিলে তোমাৰ নাম কি? তাই ক'লে, 'মোৰ নাম কুমাৰী।' তাই সুধিলে 'আপোনাৰ নাম কি আৰু মোৰ নাম কিয় সুধিছে?' 'তোমাক



সপোনত দেখিছিলো, তেতিয়াৰ পৰা মই তোমাক ভাল পাওঁ আৰু মই তোমাক বিয়া পাতিব বিচাৰিছো।' তাই ক'লে "এইটো সম্ভৱ নহয়।" ৰজাই সুধিলে 'কিয়....।' তাই ক'লে 'মোৰ মা-দেউতাই শেষ মুহূৰ্তত মোক কৈছিল তই যাৰ লগত বিয়া পাতিবি তাক কবি সি তোক ভাল পোৱা কিবা এটা বিশ্বাস দি কিবা চিৰদিনলৈ চলি থকা কাম কৰিবলৈ কবি বুলি কৈছিল।" ৰজাই লগে লগে চিকাৰ কৰা কটাৰী লৈ নিজৰ হাতৰ ৰক্তবাহী নলিকা কাটি দিলে। হাতৰ পৰা বহু তেজ ওলালে। তেজখিনি কুমাৰীয়ে ৰোৱা বগা গোলাপ গছজোপাৰ কলিত পৰি কলিটো তেজেৰে তিতি যায় আৰু গোলাপৰ কলিটো এপাহি এপাহিকৈ সম্পূৰ্ণ তেজৰ দৰে ৰঙা আৰু ধুনীয়া ফুলিলে। সেই গছজোপাৰ পৰা আৰু কেইটামান কলি ধৰি ৰঙা হৈ ফুলিল। তেতিয়াৰ পৰা গোলাপ ৰঙা হ'বলৈ ধৰিলে। ৰজাই ক'লে চিৰদিনলৈ চলি থকা কাম কৰিলো আৰু তোমাক বিশ্বাস দিছোঁ তোমাক বিয়া পাতি সুখত ৰাখিম। ৰজাই ক'লে এতিয়া মোৰ লগত বিয়া পাতিবানে? কুমাৰীয়ে ক'লে পাতিম। দুজনৰ বিয়া হ'ল কুমাৰী সেই দেশৰ ৰাণী হ'ল আৰু দুজনে সুখী জীৱন-যাপন কটালে।



# বিশিষ্ট অভিনেতা অৰুণ হাজৰিকাৰ সৈতে কেইটামান মুহূৰ্ত.....

লেখিকা ঃ কল্যাণী বৰুৱা

অসমৰ সাংস্কৃতিক জগতৰ এটি চিনাকি নাম। 'নেত্ৰকাই' বুলি ক'লে গাঁৱে-ভুঞে সকলোৱে পৰিচিত এটি নাম 'নেত্ৰকাই'ক নতুনকৈ চিনাকি দিয়াৰ প্ৰয়োজন নাই। সেইজন অসমৰ বিশিষ্ট অভিনেতা অৰুণ হাজৰিকাৰ ওচৰলৈ সোণাৰি মহাবিদ্যালয়ৰ আলোচনী 'সোণালী' হে মই (কল্যাণী), পৰিস্মিতা, পল্লৱী, অভিনৱ (সাঃ সম্পাদক), কল্যাণ (আঃ সম্পাদক), ভাৰ্গৱ, প্ৰদ্যুম্ন, নৱজ্যোতি ন জৰকাত (সোণাৰি সমীপত) শংকৰদেৱ থিয়েটাৰ চলি থকা সময়ত তেখেতক সাক্ষাৎ কৰিবলৈ সুবিধা পাইছিলো। সাক্ষাৎ গ্ৰহণ কৰিবলৈ গৈ আমাৰ মনটো উৎকণ্ঠা আৰু ভয়ে আছন্ন কৰি ৰাখিছিল। তেখেতক লগ পোৱাৰ লগে লগে আমাৰ ভয় উৎকণ্ঠা নিমিষতে নাইকীয়া হৈ গৈছিল। আমি যেন বহু আগতে লগ পোৱা 'মামা' এজনক লগ পাইছিলো এনেকুৱা লাগিছিল। আমি বহু কথাই পাতিলো কিন্তু আনুষ্ঠানিকতা ৰক্ষা কৰা সাক্ষাৎ কাৰ খিনিহে আপোনালোকৰ আগত প্ৰকাশ কৰিলো -

'সোণালী'ৰ প্ৰশ্ন ঃ আপোনাৰ জন্ম স্থান ক'ত?

অঃহাঃ উত্তৰ ঃ মোৰ জন্মস্থান দেৰগাঁওত, বোকাখাততহে শিক্ষা জীৱনৰ পাতনি মেলো।

প্ৰশ্ন ঃ আপোনাৰ পিতৃ-মাতৃৰ নাম?

উত্তৰ ঃ ৰাম হাজৰিকা আৰু প্ৰেমলতা হাজৰিকা।

প্ৰশ্ন ঃ আপোনাৰ প্ৰথম চিনেমা খনৰ নাম?

উত্তৰ ঃ মোৰ জীৱনৰ প্ৰথম চিনেমা বুলি ক'লে মই 'চিএঞৰ'খনৰ কথাই ক'ম। যিহেতু তাত মই সহযোগী হিচাপে কাম কৰিছিলো। ইয়াৰ পিছতেই 'গ্ৰহণ' (তেজপুৰত বাণীবদ্ধ) অভিনয় কৰো।

প্ৰশ্ন ঃ আপোনাৰ প্ৰিয় অভিনেতা?

উত্তৰ ঃ প্ৰকৃততে যিসকলে ভাল অভিনয়ে কৰে, নিৰ্দিষ্টকৈ ক'বলৈ হ'লে 'পাৰ'ত নাচিৰুদ্দিন শ্বাহ, 'অগ্নিপথ'ত অমিতাভ বচ্চন, 'বৃষ্টি'ত বিষ্ণু খাৰঘৰীয়া।

প্ৰশ্ন ঃ আপোনাৰ প্ৰিয় অভিনেত্ৰী?

উত্তৰ ঃ স্মিতা পাৰ্টিল।

প্ৰশ্ন ঃ আপোনাৰ প্ৰিয় গায়ক?

উত্তৰ ঃ জয়ন্ত হাজৰিকা।

প্ৰশ্ন ঃ আপোনাৰ প্ৰিয় গায়িকা?

উত্তৰ ঃ সংগীতা বৰঠাকুৰ।

প্ৰশ্ন ঃ আপোনাৰ প্ৰিয় অসমীয়া বোলছবি?

উত্তৰ ঃ ড° বেজবৰুৱা, অগ্নিস্নান, হালধীয়া চৰাই বাওধান খায়।

প্ৰশ্ন ঃ জনমানসত আপুনি নেত্ৰকাই বুলি পৰিচিত, সেই চৰিত্ৰটোৰ আপোনাৰ প্ৰিয় সংলাপ?

উত্তৰ ঃ 'অ' বৌটি, বৌটি, বৌটি অ' দুৱাৰ খন খুল, আজি সেই হেমন্ত কলহত জোৱাৰ মাৰি আহিছো ......

প্ৰশ্ন ঃ জীৱন সম্পৰ্কে আপোনাৰ ধাৰণা?

উত্তৰ ঃ জীৱন সম্পৰ্কে মোৰ ধাৰণা একো নাই। কৰ্মতোকে ধৰ্ম কৰাতোৱে আৰু জীৱন।

প্ৰশ্ন ঃ আপুনি মঞ্চত অভিনয় কৰি বেছি ভাল পায় নে কেমেৰা সন্মুখত?

উত্তৰ ঃ আচলতে দুয়োটাতে এক সুকীয়া আমেজ আছে। চাবলৈ গ'লে দুয়োখন ক্ষেত্ৰতে ভাল লাগে।

প্ৰশ্ন ঃ সম্প্ৰতি অসমত অসমীয়া চিনেমাৰ সংকট পৰিলক্ষিত হৈছে, দুটা দশকৰ পাছত অসমীয়া চিনেমা অৱস্থা কেনে হ'ব বুলি অনুমান কৰে?

উত্তৰ ঃ সঁচাকৈ সম্প্ৰতি অসমীয়া চিনেমাৰ দুখ লগা জনক অৱস্থা হৈছে। তথাপিও আমি সদায় আশাবাদী; গতিকে ভাল হ'ব বুলিয়ে কাম কৰি যাওঁ।

প্ৰশ্ন ঃ বহু ব্যস্ততাৰ মাজতে আমাক সাক্ষাত দি অনুপ্ৰেৰণা লগতে উৎসাহিত কৰিলে। তাৰ কাৰণে আপোনাৰ ওচৰত 'সোণালী' কৃতজ্ঞ হৈ ৰ'ব।

উত্তৰ ঃ এই আপাহতে তোমালোকৰ লগতে সোণাৰি মহাবিদ্যালয়ৰ শিক্ষক বৃন্দ, সমূহ ছাত্ৰ-ছাত্ৰী আৰু কৰ্মকতালৈ শুভেচ্ছা জ্ঞাপন কৰিছো।

ধন্যবাদ।



# কবিতা



# আশাৰ বেদনা

**বিপ্লৱ দে**
স্নাতক দ্বিতীয় ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

নিদিবা মোক বেদনাৰ বোজা
হে মোৰ পূজ্য দেৱতা
নোৱাৰো সহিব মই।।
ঢালি গ'লা কিয় বিষাদৰ পিয়লা
কিয় ভাঙি দিলা প্ৰাণ নিৰৱতা?
জীৱন যৌৱনৰ সপোন স্মৃতিয়ে
ভাঙি গ'ল মাথো হৃদয় স্পৰ্শি।।
বহল জগতত মোৰ দুচকুৰ নীৰ
উপচিল সাগৰৰ তীৰ।
পৰিল যৱনিকা জীৱনৰ দুৰ্ল্লভ মাধুৰী
নোৱাৰিলো পূৰাব আকাংক্ষা
লাগিছে বেজাৰ আজি মানুহৰ ভাও দেখি
কোনদিনা লভিম সান্ত্বনা।





# মই কাজিৰঙাই কৈছো

**নীলিম গগৈ**
স্নাতক দ্বিতীয় ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

মইয়ে মাতৃ, মইয়ে সৃষ্টি
মইয়ে কাজিৰঙা
মইয়ে ডাৱৰ, মইয়ে বৃষ্টি
মোৰ বিনে শেষ জীৱন আখৰা।
মই কাজিৰঙাই কৈছে ........
উৰ্ব্বৰতা মোৰ শেষ নকৰিবা
হেৰাই যাব ভৱিষ্যত
বাকৰুদ্ধ হৈ পৰিবা
সময়ৰ বন্ধ প্ৰশ্নত।
মই কাজিৰঙাই কৈছো........
সৃষ্টি মোৰ ধ্বংস হ'লে
নুফুলে ফুল, নাথাকে সুৰ,
ঘূৰাই নাপাবা হেৰাই গ'লে
বাস্তৱ হৈ পৰিব ৰূঢ়।
মই কাজিৰঙাই কৈছো ............
মমতা মোৰ নিনিবা কাঢ়ি
নকৰিবা ৰাঙলী সেউজীয়া বুকু
হাঁহিব দিয়া থাকা হাঁহি
আহা একেলগে জীয়াই থাকো।
মই কাজিৰঙাই কৈছো.......

# প্ৰেম-বিষাদৰ চাৰিটা স্তৱক

**ৰশ্মি গগৈ**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ, বিজ্ঞান শাখা



(১)
আইতাই সাধু কোৱাৰ দিনত তুমি
পৰী হৈছিলা; আৰু
মই সপোন দেখিছিলো তৰাৰ দেশত
শুকুলা ঘোঁৰাৰ এখন বাগীৰ।
আৰু, এতিয়া তুমি
ওলমি থকা আইতাৰ সাধুকথাৰ দৰে
এটোপাল তৰাৰ দেশৰ চকুলো।

(২)
পছোৱাই আজি বিষাদ সানে
কামুৰি খায় মোৰ তেজৰঙী কলিজাটো
আৰু চকুলোবোৰ???
ই যেন নিৰ্লজ্জ সৰাপাত।
এটোপ-দুটোপকৈ আঁকি দিয়ে
নিহাৰ হৃদয়ত মোৰ, তোমাৰ
কাজলময় আল্পনা।
আহ!! কি যে শুভবেদনা।

(৩)
তোমাৰ বাবেইতো কটাওঁ
মই এটা বিনন্দ্ৰ ৰজনী
স্বপ্নাবিষ্ট হওঁ, সেউজৰঙী ভাটৌজাকৰ সৈতে
খেলা কৰা হাইগুদু বা ঢোপ
নতুবা সেউতাৰ দৰে মোৰ পদুলিটো
য'ত তুমি 'হুইকুট' খেলা।
ৰিং মৰা খেলটো তুমি বেয়া পোৱা??
উহঙ্গ নাকান্দিবা
মই চক্ হৈছো, তুমি গুচি গৈছা।

(৪)
মই জানো। তুমি নাহা।
তথাপি ঠিকনাটো আঁকি লোৱা
"হৃদয়হীন পুৰুষ
স্বপ্নহীন দুচকু
তেজহীন কলিজা
কল্লোলহীন নদী"।
শেষত সমাধিস্থ প্ৰতীক্ষা।





# সময়

**কেশৰী ভুঞা**
স্নাতক চতুৰ্থ ষান্মাসিক



শুকুলা আকাশত
কলা ডাৱৰে আবৃত্ত অস্তমিত সূৰ্য
হিংসা, হত্যা, ধৰ্ষণ, লুণ্ঠন, প্ৰৱঞ্চনাৰে
এজাক স্বাৰ্থান্ধ নৰ পিশাচ
মেলিছে পোহৰ বিভিষিকাৰ।
গোষ্ঠীগত সংঘৰ্ষত
ধূসৰিত সন্মুখ পথ
বন্ধৰ সংস্কৃতিত
বিধ্বস্ত সমাধানৰ পথ,
শান্তিৰ কপৌজনীও ভীতিগ্ৰস্ত
উৰি গৈছে দুৰ সীমনালৈ।
দুৰ্যোধনৰ ৰাজসভাত
বিবস্ত্ৰা পাঞ্চালী
ভীষ্ম, দ্ৰোণ, বিদুৰ নিমাত
নিমাত অন্ধ ধৃতৰাষ্ট্ৰ।
বুদ্ধ - তুমি আকৌ আহা
মহাত্মা - তুমি আকৌ আহা,
শান্তিৰ বাণী আৰু অহিংসাৰ পথেৰে
বিক্ষত মানৱকুল
উদ্ধাৰ কৰিবলৈ।



# ফাগুনী

**ৰশ্মি চাংমাই**
স্নাতক প্ৰথম ষান্মাসিক, ইংৰাজী বিভাগ

ফাগুনৰ পছোৱা
বতাহজাকে
মন মোৰ কৰে
মতলীয়া
উৰি গৈ পৰিম
তোমাৰ কাষতে
মন মোৰ আজি
উতলা।
উপজা মাটিৰ গোন্ধে
জীপাল কৰা
কহুঁৱাৰ মাজত নিবিড়
তুমি আৰু মই।।
ফুগুনৰ এটি সন্ধিয়া....

# বিৰাগ

ৰিতুপৰ্ণা শৰ্মা
স্নাতক ষষ্ঠ ষাণ্মাসিক, শিক্ষা বিভাগ

এঙামুৰি দিওঁতেই তুমি
কুটকুটালে বিৰিঙ
মজ্জাত কুঁহিপাতৰ ভ্ৰূণৰ সঞ্চালন
ভিজিলে যিদিনা সৰাপাতৰ আলি
কিয় জানো জিৰালোঁ এজোপা আহঁতৰ তলত!
শুদা পদযুগলে যি গৰকি পেলালে
'বুৰবুৰী'ৰ পিয়াহৰ ন-বৰষুণ.....
চুৰিয়াৰ মলিনতাত পূৰবী ৰাগ
তেওঁৰ গামোচাৰ আগে মচিলোঁ
তুমি যচা থুৰীয়া তামোলৰ
পাকে তপতোৱা দুখনি গাল মোৰ
চ'ত আৰু ব'হাগ।

বিঃদ্ৰঃ বুৰবুৰী - এখন পথাৰৰ নাম।



# তুমি আহিবা বুলিয়েই........

ময়ূৰী বৰঠাকুৰ
স্নাতক ষষ্ঠ ষাণ্মাসিক, শিক্ষাতত্ব বিভাগ

তুমি আহিবা বুলিয়েই
গৰখীয়াৰ বাঁহীৰ সুৰত
বনৰ পখীবোৰ মতলীয়া হৈছিল।
শীৰ্ণ নৈখনেও কোবাল সোঁতত
পৰি হয়তো জিৰাইছিল।

কিয়? আগভেটি ধৰা
গৰখীয়া কবিৰ বাট
দোকমোকালি,
আজি অ'ত
কাইলৈ ত'ত
কি তোমাৰ ছলনাৰ সাধু?
মোহত পৰি বাঁহীৰ সুৰেও
ৰিঙিয়াই ৰিঙিয়াই মাতে
অচিন দিশৰ পৰা
তুমি আহিবা বুলিয়েই।



সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ, ২০১৩-১৪ বৰ্ষ

# তুমি আহিবা বুলি

বন্দনা গগৈ
স্নাতক চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ




ৰাতিপুৱালেই ছাগে আজি
চৰাইবোৰে দেখোন বৰ কিৰিলিয়াইছে
মই খিৰিকীৰ পৰ্দাখন দাঙি চালো
সঁচাই, সোণালী সূৰুযে দেখোন
ভুমুকি মাৰিলেহি......
গছ-গছনিবোৰেও নিজৰ প্ৰাণচঞ্চল হাঁহিৰে
এটা নতুন দিন স্বাগতম জনাইছে।
মই বাহিৰলৈ ওলাই আহিলো
দোকমোকালিৰ এই পুৱাতেই
চোতালত দেখা এযুৰি শালিকীয়ে
মোক দেখোন তোমালৈ মনত পেলাই দিলে
কেনে আছা তুমি,
ভালে আছা ছাগে ন .......?
তুমি যে মোক লগ দিয়াৰ কথা আছিল
নৈৰ ঘাটত নহয়
নে আহঁতজোপাৰ তলত.......
তোমাক যে কথা এটা ক'বলৈ আছে
কালি যে মই যাব নোৱাৰিলে, কিয় জানা ......
পিতাই নঙলা মুখতে বৈ আছিল
আৰু ভিতৰত আইৰ কেটেৰা-জেঙেৰা
কেনেকৈ যাওঁ বাৰু কোৱা .....
কিন্তু আজি মই যাম
চৰাই-চিৰিকটিবোৰ বাঁহলৈ ঘূৰি আহিলেও
গোহালিৰ গৰু ঘৰমুৱা হ'লেও
আৰু পশ্চিমৰ বেলি ল'হিয়ালেও
মই ৰৈয়ে থাকিম।
তুমি জানানে.........?
ৰৈ থকাৰো এটা সুকীয়া সৌন্দৰ্য আছে
মই জানো, তুমি আহিবা
প্ৰেমৰ প্ৰতিশ্ৰুতি জানো
ইমান সহজে হেৰায়।
মই তোমাৰ অপেক্ষাৰত
দুচকুত এভাৰ সপোন ল'ম তুলি
মই ৰৈ থাকিম
তুমি আহিবা বুলি ......

## 'শীত' তই বেজাৰ হৈ নাহিবি

পৰিস্মৃতা বুঢ়াগোহাঁই
স্নাতক ষষ্ঠ ষান্মাসিক, ইংৰাজী বিভাগ

কুঁৱলীময় সান্নিধ্যত পাৰ হয়
যাযাবৰী দিনবোৰ
চেঁচা বতাহজাকে হৃদয়ৰ উত্তাপবোৰকো
শিল কৰি তোলে।
খিৰিকীখন খুলি দিছিলো
জানোছা পাওঁ বুলি পুনৰ
সেই কুহুমীয়া আমেজ।
বতাহ এছাটিয়ে মোৰ চুলিৰ লগত
মিতিৰালি কৰিছিল।
নিহালিৰ উমেৰে উমাল হোৱা
সপোনটোও থমকি ৰৈছিল
হঠাৎ জপাই দিছিলো
সেই খিৰিকী
শীত, তই যে বেজাৰ হৈ আহিলি।





## মাতৃৰ আহ্বান

জয়ীতা চক্ৰৱৰ্তী
স্নাতক চতুৰ্থ ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

হিংসাৰ বহ্নিত জ্বলিছে আজি সোণৰ অসমখনি
নৱ তেজেৰে ৰাঙলি হৈছে দেশ মাতৃৰ আঁচলখনি।
চাৰিওফালে ক্ৰোধ-প্ৰতিশোধ নাই শান্তিৰ লেশ,
হৃদয়তো নাই (কাৰোৰে) প্ৰেম-প্ৰীতি ভাতৃত্বৰ অৱশেষ।
আত্মস্বাৰ্থত মগ্ন হৈ হেৰুৱাইছে সাত ভনীক।
কলংকিত কৰিছে হত্যাকাণ্ডৰে আপোন মুকুতা মণিক।
অসমী আইৰ ঐশ্বৰ্য-আদৰ্শ কৰিছে ৰসাতল,
ম্লান গৈছে বিষ্ণুৰাভাৰ ডেকাদলৰ বাহুৰ তেজাল বল।
নাই আজি লাচিত-মুলা, শংকৰ-মাধৱ গুৰু,
সেই চেগতে পৰেশ-ৰাজখোৱাৰ লীলা হৈছে শুৰু (আৰম্ভ)।
পৃথক ৰাষ্ট্ৰৰ দাবীত আজি সাজিছে ৰণভূমি
ধ্বংস সৃষ্টিৰ গণ্ডিত আজি আমাৰ মাতৃভূমি।
ওলাই নাহে কনকলতা হাতত পতাকা লৈ,
নাই জ্যোতিপ্ৰসাদ (যি) আহিব ওলাই বিপ্লৱ সন্তান হৈ।
হুচিয়াৰ ধ্বনি বাজিছে আজি সকলোৰে জ্ঞাতাৰ্থে
এয়া আহ্বানহে নৱ প্ৰজন্মৰ, দেশ-মাতৃৰ ৰক্ষাৰ্থে।
সময় হ'ল ওলাই আহিবৰ ধৰি বীৰ-বীৰাংগনাৰ বেশ।
ভাতৃপ্ৰেমেৰে গাবৰ হ'ল 'ভাৰত আমাৰ দেশ'।
আগুৱাই আহি ৰাখিব লাগিব জনম ভূমিৰ মান,
একতাৰ বলেৰে কৰিব লাগিব আই-অসমীৰ হৃদ-যন্ত্ৰণাৰ অৱসান।
গঢ়িব লাগিব আকৌ এবাৰ আতৰাই কুট-মলিনতা অশেষ
অতিকৈ আপোন অসমক আমাৰ শান্তিময়ী 'পনীয়া সোণৰ দেশ'।






## হৃদয় এক Insurance.com.

অমল হাতীমূৰীয়া
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ, বিজ্ঞান শাখা

হৃদয় এক insurance.com
যাৰ মন গ'ল
সি অকণো পলম নকৰি
খুলি পেলাই comটোত account হৃদয়ৰ।
আৰু অকণো পলম নকৰি
লাহে লাহে চা-চিনাকী হয়
comৰ বিভিন্ন পলিচীৰ লগত
তাৰ পাছত ক্ৰমশঃ আৰম্ভ হয়
এটাৰ পিছত এটা বাদ নপৰাকৈ
দি যায় দিবলগীয়া মৰমৰ premiumবোৰ
মাজে মাজে late fine হিচাপে
আগবঢ়াই দিয়ে মৰমৰ চুমাটো।
মই ভৱিষ্যতহীন, নষ্ট ল'ৰা
১০০ শতাংশই সুৰক্ষিত হ'ব
আপোনাৰ জীৱন আৰু হৃদয়
বিদ্যা শপত বিশ্বাস হোৱা নাই
তেনেহ'লে বাদ দিয়ক
এই insurance. comত insurance কৰিবলৈ।



## জোনৰ মাতে ৰিঙিয়াই

চুমি গগৈ
স্নাতক চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ

তুমি জানানে
জোনে আজি মোক কথা এষাৰ কৈছে
সি বোলে মোৰ দুনয়নত
তোমাৰ বাবে অধীৰ অপেক্ষা দেখিছে।
আৰু শুনিছে ....
অনন্ত কোলাহলৰ মাজতো ভাহি অহা
মোৰ অন্তৰৰ আহ্বান
য'ত লুকাই আছে মোৰ প্ৰাণ
য'ত মুখৰিত হৈছে
মোৰ প্ৰেমৰেই জয়গান।
জোনে আকৌ কৈছে ...... তোমাৰ কথা
তুমিতো দুবৰিৰ দলিচাত খোজ নৈপেলোৱা
তেন্তে মোৰ হৃদয়ৰ
সিক্ত শেৱালিৰ সুবাস কেনেকৈ পোৱা?
কেনেকৈ হোৱা তুমি আপোন-পাহৰা
নে চলনাৰ জাল ৰচি তুমি ধেমালিহে কৰা।
মই কৈছো জোনাক.......
তুমি মোৰ বাবে হাঁহিৰ এটি ৰেঙণি
যিয়ে উটুৱাই নিয়ে মোৰ সমস্ত চকুৰ পানী
তুমিয়ে হৈছে মোৰ বাবে মৰম নামৰ নৰিয়া
যাৰ অবিহনে নিৰ্জন প্ৰতিটো সন্ধিয়া।

# ‘শীত’ তই বেজাৰ হৈ নাহিবি

পৰিস্মৃতা বুঢ়াগোহাঁই
স্নাতক ষষ্ঠ যান্মাসিক, ইংৰাজী বিভাগ

কুঁৱলীময় সান্নিধ্যত পাৰ হয়
যাযাবৰী দিনবোৰ
চেঁচা বতাহজাকে হৃদয়ৰ উত্তাপবোৰকো
শিল কৰি তোলে।
খিৰিকীখন খুলি দিছিলো
জানোছা পাওঁ বুলি পুনৰ
সেই কুহুমীয়া আমেজ।
বতাহ এছাটিয়ে মোৰ চুলিৰ লগত
মিতিৰালি কৰিছিল।
নিহালিৰ উমেৰে উমাল হোৱা
সপোনটোও থমকি ৰৈছিল
হঠাৎ জপাই দিছিলো
সেই খিৰিকী
শীত, তই যে বেজাৰ হৈ আহিলি।





# মাতৃৰ আহ্বান

জয়ীতা চক্ৰৱৰ্তী
স্নাতক চতুৰ্থ যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

হিংসাৰ বহ্নিত জ্বলিছে আজি সোণৰ অসমখনি
নৰ তেজেৰে ৰাঙলি হৈছে দেশ মাতৃৰ আঁচলখনি।
চাৰিওফালে ক্ৰোধ-প্ৰতিশোধ নাই শান্তিৰ লেশ,
হৃদয়তো নাই (কাৰোৰে) প্ৰেম-প্ৰীতি ভাতৃত্বৰ অৱশেষ।
আত্মস্বাৰ্থত মগ্ন হৈ হেৰুৱাইছে সাত ভনীক।
কলংকিত কৰিছে হত্যাকাণ্ডৰে আপোন মুকুতা মণিক।
অসমী আইৰ ঐশ্বৰ্য-আদৰ্শ কৰিছে ৰসাতল,
ম্লান গৈছে বিষ্ণুৰাভাৰ ডেকাদলৰ বাহুৰ তেজাল বল।
নাই আজি লাচিত-মূলা, শংকৰ-মাধৱ গুৰু,
সেই চেগতে পৰেশ-ৰাজখোৱাৰ লীলা হৈছে গুৰু (আৰম্ভ)।
পৃথক ৰাষ্ট্ৰৰ দাবীত আজি সাজিছে ৰণভূমি
ধ্বংস সৃষ্টিৰ গণ্ডিত আজি আমাৰ মাতৃভূমি।
ওলাই নাহে কনকলতা হাতত পতাকা লৈ,
নাই জ্যোতিপ্ৰসাদ (যি) আহিব ওলাই বিপ্লৱ সন্তান হৈ।
হুচিয়াৰ ধ্বনি বাজিছে আজি সকলোৰে জ্ঞাতাৰ্থে
এয়া আহ্বানহে নৱ প্ৰজন্মৰ, দেশ-মাতৃৰ ৰক্ষাৰ্থে।
সময় হ’ল ওলাই আহিবৰ ধৰি বীৰ-বীৰাংগনাৰ বেশ।
ভাতৃপ্ৰেমেৰে গাবৰ হ’ল ‘ভাৰত আমাৰ দেশ’।
আগুৱাই আহি ৰাখিব লাগিব জনম ভূমিৰ মান,
একতাৰ বলেৰে কৰিব লাগিব আই-অসমীৰ হৃদ-যন্ত্ৰণাৰ অৱসান।
গঢ়িব লাগিব আকৌ এবাৰ আতৰাই কুট-মলিনতা অশেষ
অতিকৈ আপোন অসমক আমাৰ শান্তিময়ী ‘পনীয়া সোণৰ দেশ’।






# হৃদয় এক Insurance.com.

অমল হাতীমূৰীয়া
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ, বিজ্ঞান শাখা

হৃদয় এক insurance.com
যাৰ মন গ’ল
সি অকণো পলম নকৰি
খুলি পেলাই comটোত account হৃদয়ৰ।
আৰু অকণো পলম নকৰি
লাহে লাহে চা-চিনাকী হয়
comৰ বিভিন্ন পলিচীৰ লগত
তাৰ পাছত ক্ৰমশঃ আৰম্ভ হয়
এটাৰ পিছত এটা বাদ নপৰাকৈ
দি যায় দিবলগীয়া মৰমৰ premiumবোৰ
মাজে মাজে late fine হিচাপে
আগবঢ়াই দিয়ে মৰমৰ চুমাটো।
মই ভৱিষ্যতহীন, নষ্ট ল’ৰা
১০০ শতাংশই সুৰক্ষিত হ’ব
আপোনাৰ জীৱন আৰু হৃদয়
বিদ্যা শপত বিশ্বাস হোৱা নাই
তেনেহ’লে বাদ দিয়ক
এই insurance. comত insurance কৰিবলৈ।



# জোনৰ মাতে ৰিঙিয়াই


চুমি গগৈ
স্নাতক চতুৰ্থ যান্মাসিক, অসমীয়া বিভাগ

তুমি জানানে
জোনে আজি মোক কথা এষাৰ কৈছে
সি বোলে মোৰ দুনয়নত
তোমাৰ বাবে অধীৰ অপেক্ষা দেখিছে।
আৰু শুনিছে ....
অনন্ত কোলাহলৰ মাজতো ভাহি অহা
মোৰ অন্তৰৰ আহ্বান
য’ত লুকাই আছে মোৰ প্ৰাণ
য’ত মুখৰিত হৈছে
মোৰ প্ৰেমৰেই জয়গান।
জোনে আকৌ কৈছে ...... তোমাৰ কথা
তুমিতো দুবৰিৰ দলিচাত খোজ নৈপেলোৱা
তেন্তে মোৰ হৃদয়ৰ
সিক্ত শেৱালিৰ সুবাস কেনেকৈ পোৱা?
কেনেকৈ হোৱা তুমি আপোন-পাহৰা
নে চলনাৰ জাল ৰচি তুমি ধেমালিহে কৰা।
মই কৈছো জোনাক.......
তুমি মোৰ বাবে হাঁহিৰ এটি ৰেঙণি
যিয়ে উটুৱাই নিয়ে মোৰ সমস্ত চকুৰ পানী
তুমিয়ে হৈছে মোৰ বাবে মৰম নামৰ নৰিয়া
যাৰ অবিহনে নিৰ্জন প্ৰতিটো সন্ধিয়া।

# উভতি নহাৰ প্ৰতিশ্ৰুতি

**বৰ্ণালী নেওগ**
স্নাতক চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ

গুচি যাম মই বহু দূৰলৈ
তোমাক অকলে এৰি থৈ।
নাহো কেতিয়াও উভতি মই
তোমাৰ নিবিড় সান্নিধ্য পাবলৈ।।
সচাঁকৈয়ে গুচি যাম মই
সুদূৰ ক'ৰবাৰ অচিন দেশলৈ।
য'ৰ পৰা নেদেখো তোমাক
নুশুনো তোমাৰ মৰমসনা মাত।
গুচি যাম মই এনে এক ঠাইলৈ
য'ত নাথাকিব কোনো টেলিফ'নিক বাৰ্তা।
বতাহত কেতিয়াও ভাহি নাহিব
ৰিণিকি-ৰিণিকি তোমাৰ সুহুৰি।
বাই চাই নাথাকিবা তুমি মোৰ বাবে
নিজান পৰত বৈ অকলশৰে
উভতি নহাৰে প্ৰতিশ্ৰুতি দি থৈ যাম
প্ৰতি মুহূৰ্ততে তোমাক মই হাজাৰ বাৰে।



# লক্ষ্য

**তুলসী দেৱ**
স্নাতক চতুৰ্থ ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

মোৰ জীৱনৰ, মোৰ সপোনৰ
পুহি ৰখা লক্ষ্য।
সফল হ'মেই মই মোৰ জীৱনত
হাজাৰ আহক বাধা, আহক বিঘিনি
জীৱন যুঁজৰ যুঁজি যুঁজি।
দৃঢ় সংকল্প, কষ্ট, আত্মবিশ্বাস, উদ্যমেৰে
সফল হমেই মই মোৰ জীৱনত।
অলেখ স্বপ্ন উৰি ফুৰে
মুক্ত আকাশত পখিলাৰ দৰে
এন্ধাৰৰ মাজে মাজে, পোহৰৰ খোজে খোজে
বিচাৰি ফুৰো মই মোৰ স্বপ্নৰ পখিলাক
নাই ইফালে, নাই সিফালে
আছে যদি কেনিবা মোৰ মনৰ চুকত ....
সফল হমেই মই মোৰ জীৱনত।




সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ, ২০১৩-১৪ বৰ্ষ

# বৰ্তমানৰ ৰাজনীতি

**কাবেৰী পাল**
স্নাতক চতুৰ্থ ষান্মাসিক, ইংৰাজী বিভাগ

আজি উত্তাল আমাৰ দেশ
উত্তাল আমাৰ মাতৃভূমি
অৰ্পিলো আমি কাক ৰাজসিংহাসন
এয়াইনে আমাৰ শাসকৰ নিয়ম-নীতি?

সুখ-শান্তি য'ত ধ্বংস কৰিছে
মানৱীয়তা ত্যাগ কৰিছে
স্বাৰ্থই বশ কৰিছে মানবীয়তাক
মাতৃভূমিক হানিছে আঘাত
কৰিছে লুণ্ঠন জনতাক
কেৱল মূল্যবান হ'ল স্বাৰ্থ শাসকৰ
এয়াই নে চৰকাৰ গণতন্ত্ৰৰ?
জনতাৰ বিশ্বাস হ'ল খেলৰ সামগ্ৰী
ৰাজনীতি ক্ষমতাৰ চাবি-কাঠি
এয়াই হ'ল বৰ্তমানৰ ৰাজনীতি।
এয়াই হ'ল বৰ্তমানৰ ৰাজনীতি।।




# নাৰী

**হাছিনা বেগম**
স্নাতক চতুৰ্থ ষান্মাসিক

তুমি নাৰী
তুমি অসমৰ, ভাৰতৰ, গোটেই বিশ্বৰে নাৰী
তুমি মহিয়সী, স্নেহময়ী, প্ৰেৰণাময়ী নাৰী
তুমি কাৰোবাৰ মাতৃ, ভগ্নী, পুত্ৰী অথবা পত্নী
সকলোৰে অন্তৰত থাকা তুমি জিলিকি।


বোৱনী-দাৱনীৰ পৰা প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰপতিলৈকে
ৰান্ধনীৰ পৰা উকিল, পাইলট, ডাক্তৰ, ইঞ্জিনিয়াৰলৈকে
সকলো স্থানৰে তুমি অধিকাৰী
সঁচাই তুমি অতুলনীয় নাৰী
তুমি ৰূপৱতী, গুণৱতী নাৰী
তোমাৰ ৰূপত মুগ্ধ হৈ
শ্ৰীকৃষ্ণই ও বজাইছিল বাঁহী।


আগুৱাই যোৱা তুমি জীৱন বাটত
কৰা পৰিশ্ৰম দুই বাহুবলে
নকৰিবা একোলৈ ভয়
তুমিয়ে কৰাব লাগিব নাৰী জাতিক
বিশ্ব দৰবাৰত পৰিচয়।

# তুমি হীনতাত

**ৰশ্মি চাংমাই**
স্নাতক দ্বিতীয় যান্মাসিক, ইংৰাজী বিভাগ

তোমাৰ বাবে আজিও
অপেক্ষাৰত মই।
সময় গতিশীল
তোমাৰ বাবে মোৰ সময় থমকি ৰয়
তোমাৰ হৃদয়ৰ আবেষ্টনিত।
নিৰাপদ অনুভৱ কৰিছিলো মই
কিন্তু সকলো গোন্ধ থকা ফুল
যে গোলাপ নহয়।
তুমি হীনতাত আজি মই
পান কৰা নাই মদিৰা।
বগোৱা নাই দুখৰ ৰাগিনীৰ বেহেলা।
প্ৰেম, বিশ্বাস তুমিয়ে শিকালা
অতীতৰ মধুৰ দিনবোৰত।
আজি তুমিয়ে অন্য এক শব্দ
'প্ৰতাৰণা'
মোৰ হিয়াৰ অভিধনত।
কোনোবা এক বিষাক্ত ক্ষণত।





# আন্ধাৰ

**নমিতা ৰাণী দেৱ**
স্নাতক দ্বিতীয় যান্মাসিক, শিক্ষা বিভাগ

কেতিয়াবা আন্ধাৰো ভাল লাগে
ধৰালৈ যেতিয়া নামি আহে
এমুঠি ঘন কলা আন্ধাৰ
মন প্ৰাণ ভৰি উঠে।
আন্ধাৰ ......।
কি এক মিঠা অনুভূতি
য'ত থাকে এক অজান আকাংক্ষা
কাৰণ?
কিন্তু তোমাৰ সৈতে একাত্ম হ'ব বিচাৰো।
তোমাৰ সান্নিধ্যতা অনুভৱ কৰোঁ।
সন্ধিয়াৰ মুক্ত আকাশৰ তলত বহি
বহু সময় নিৰলে কটাও
তোমাৰ মিঠাভৰা আমেজ
উপভোগ কৰোঁ।
আহ!
তুমি সঁচাই বৰ আমেজ ভৰা
তোমাৰ সৈতে মিতিৰালি পাতিব
বিচাৰো মই,
আহিবানে তুমি এবাৰ হ'লেও
মোক লগ দিবলৈ?





# মানৱতা

**বিপ্লৱ দে**
স্নাতক প্ৰথম যান্মাসিক

ক'ত যে হেৰালে
মানৱতা আজি
মানৱতাৰ হৃদয়ত কেৱল
ধনৰ খেলা।
ধন ধন বুলি
সকলো পশু হ'ল।
ককাই ভাইৰ মাজত
তেজৰ ধেমালি।
বচোৱা বচোৱা বুলি
করুণ বিনিনি
নাই কোনো নাই
মানৱক বচাবলৈ।
আছে মাথো মানৱক
ধ্বংস কৰিবলৈ
ন-পুৰুষে যদি
নকৰে যুঁজ
নাথাকিব তেন্তে
মানৱৰ সুখ।
আহাঁ আমি আজি আগুৱাই যাওঁ
একতাৰ মৰমেৰে মানৱতাক আনো ঘূৰাই।



# জীৱন


**ৰাজা দেৱ**
স্নাতক প্ৰথম যান্মাসিক


জোনাক, জোন আৰু তৰাৰ লগত
মোৰ কোনো সম্বন্ধ নাই
তোমাৰ অবিহনে বসন্তৰ লগত
মোৰ কোনো প্ৰয়োজন নাই।
মোৰ দুচকুত কেৱল তোমাৰেই
প্ৰতিচ্ছবি জিলিকি আছে।
স্বৰ্গীয় আভাৰ লগত
মোৰ কোনো প্ৰয়োজন নাই।
সহস্ৰ আনন্দই এটা দুখ
পাহৰিবৰ বাবে নগন্য;
কিন্তু গোটেই জীৱনটোত কন্দোৱাৰ
বাবে এটা দুখেই যথেষ্ট।
সন্মুখত বিপদ উপস্থিত হ'লে
প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰিবা।
শংকাই বিতত কৰে
প্ৰত্যাহ্বানে অনুপ্ৰেৰণা যোগায়।
মৃত্যু কাৰো ইচ্ছাধীন নহয় আৰু
জীৱনো কাৰো মুঠিত নাথাকে।
তথাপিও সৌন্দৰ্য জীৱন।
তথাপিও সৌন্দৰ্য জীৱন।।

# জোনাক

কৰিশ্মা বৰগোহাঁই
স্নাতক দ্বিতীয় যান্মাসিক, শিক্ষা বিভাগ

জোনাক তুমি বাৰু কিয় ইমান ধুনীয়া?
জোনাকে কাণে কাণে কৈ যায় তোমাৰে বতৰা
মই ভাবোঁ তোমাৰ স'তে সখী পতাৰ কথা।
কিন্তু তুমি যে আনৰ নষ্টালজিয়া।
মই খবৰ লওঁ তোমাৰ প্ৰতিটো কথাৰ
তোমাৰ প্ৰতিটো আশাৰ।
কিন্তু তুমি জানো জানা, মোৰ মনৰ খবৰ।
হৃদয় যে ভৰি পৰিছে মোৰ অবুজ ভাষাৰে।
মৌন হৈ পৰিছে মোৰ সমস্ত সত্তা।
হয়তো .....
হয়তো তুমি নাজানা,
তোমাৰ বাবে আছে মোৰ এক গভীৰ ভালপোৱা।





# Future

**Anamika Dey**
4th Semester, English Department

Future is unbeholdable
But we think of it every moment
It bothers us,
At the Same time makes us work!

Every morrow becomes today
But we never reach our future;
Future makes man materialistic
Man faces to recognise the joy of life.

Future threatens us
With its fear man dedicates his life to toil;
Though we are independent,
We can never be free from its fear.





# ফাগুণ

সংগীতা শইকীয়া
স্নাতক দ্বিতীয় ষান্মাসিক

ফাগুণৰ কোমল স্পৰ্শত
হৃদয়ে আঁকিছে প্ৰেমৰ ছবি
গোপনে দিছে প্ৰেমৰ সন্ধান
মদাৰ চোন আকৌ ফুলিল।
মলয়া বতাহৰ স'তে ওমলিবলৈ
স্বপ্নবোৰ হৈ পৰিছে ধুলিময়।
কঁহুৱাৰ ৰঙীণ পাহি বোৰতো এতিয়া
ৰঙৰ ধেমালি সনা
উৰুৱাই নিছে চঞ্চলা গাভৰুৰ
বুকুৰ আঁচল।
বুকুত গুজি দিছে এজাক কোমল বৰষুণ
যাৰ হেঁপাহত জী উঠে চেঙেলীয়া মন।
বৰষুণৰ স্বপ্ন বহাগীক আদৰাৰ
বহাগী ৰাণীৰো সেই একেই স্বপ্ন
বৰষুণত তিতাৰ।
উতলা ফাগুণ তুমি আকৌ আহিবা
য'ত আঁকিব ফাগুণ ভালপোৱা
এখন সেউজীয়া হৃদয়
সোণোৱালী ছবি।



# বৰষুণ

কুমাৰী ছেত্ৰী
স্নাতক দ্বিতীয় যান্মাসিক

প্ৰয়োজন হৈছে এজাক বৰষুণৰ
পৃথিৱীখন হৈ পৰিছে এখন সেউজবিহীন
অৰণ্য।
অপেক্ষা কৰিছে অৰণ্যৰ প্ৰতিজোপা
লঠঙা গছে
মাথোঁ এজাক বৰষুণৰ।
ৰাজপথৰ দাঁতিত পৰি ৰোৱা ধূলিবোৰেও
আমন্ত্ৰণ জনাইছে এজাক বৰষুণক।
বীজবোৰ উত্ৰাৱল হৈ পৰিছে
এটোপাল পানীৰ বাবে
বৰষুণ আহিলেই
ক্ৰমাৎ বাঢ়ি আহিব হৃদয়ৰ সেউজীয়াবোৰ
অংকুৰিত হ'ব স্বপ্ন ৰঙীন শস্যৰ বীজ
নিকা কৰি তুলিব ধূলিময় পৰিৱেশ
প্ৰতিখন হৃদয়ক দিব এমুঠি সেউজীয়া ৰং
য'ত নাথাকিব কোনো অমানৱীয়তা।

# The life struggle

**Keshab Lahon**
B.A. 2nd Semester, English Department

Life is a struggle, a non-stop battle
You are only beginner of it.
If you find yourself you will see that
You are alone in this battle.
There is no one or nothing to rescure or to help you
You must be stronger and brave
You must never be tired or stagnated
There is no time to wait or waste
Because it is very valuable and unpayable thing
A life consist of t.
If it goes once then it never comes back again
So there no one thing that
'Time and tide waits for none'
You must strive, be very severe, concious
To keep your dream alive.
If you do not keep your dream alive
And not believe in thme
Then you will not e able to achieve that
The great successors had great dreams
They did not accept defeat or retreat
They were brave, they dreamt in reality.
Not in imagination.
They slrived very hard and they dared.
They keep their mind and goal ignited.
Finally they achieved their destiny and success.
Because of their preservence and faith in themselves.
Life is a hard game, you play this
Until you reach in your destiny or achieve it
Therefore you need only patience and courage.

# First Impression

**Nayanmoni Gogoi**
T.D.C. 6th Semester, English Department

What do you think when
You turn toward me?
What do you see
Standing there?
What untrue life have you
Given to me?
Who, really, do you think
I am?
What do you see when you
Look at me? A little girl
With broken dreams?
A bag full of tired emotions
With dark brown eyes
And bursting seams?
To all who say they know me
And especially to you
You'll never really know me
Because first impressions
Only last
With you.



সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ, ২০১৩-১৪ বৰ্ষ



# The Flower In My Soul

**Manash Dehingia**
T.D.C. 2nd Semester, Economics Department

Unpredicatable in spirit
Pure in essence
Exquisite in delicacy
Hiding in emotions.
Gentle to touch
Engaging to hear
Scented to perfection.
Pleasing everyone else
Avoiding mixed passions
Causing countless regrets.
Needing kind assurance
Wanting to believe it's worthy
Living beyond potential.
Chosen from the garden of life
Creating joy for others
One day blooming into
Something special.

# Life

**Santre Kumari**
B.A. 2nd Semester

Life is an opportunity, benefit from it
Life is beauty, admire it
Life is a challenge, meet it.
Life is a duty, couplete it.
Life is a game, play it.
Life is a promise, fulfil it.
Lie is a sorrow, over come it.
Life is a song, sing it.
Life is a stuggle, accept it.
Life is a tragedy, comfort it.
Life is an adventure, dare it.
Life is a LUCK, Make it.
Life is too precious, do not destroy it.
Life is life, fight for it.



# হিংসা


**মিলিমণি কোঁৱৰ**
স্নাতক চতুৰ্থ ষান্মাসিক, শিক্ষাতত্ব বিভাগ

তুমি বিধ্বংসী, তুমি ভোকাতুৰ
তোমাৰ বাবেই আজি পৃথিৱী নিষ্ঠুৰ
দহিত হয় বহুতৰ সেউজীয়া সপোন
গুলি বাৰুদত যায় বহুতৰ প্ৰাণ
বহুতৰ উকা হয় জীৱনৰ গান
তোমাৰ বাবেই মৰুভূমিৰ মৰিচীকা বিচাৰি
বহুতৰ জীৱনহে পৰে অৰ্থহীন,
তোমাৰ বাবেই বাঢ়িছে দুৰ্নীতি, ভ্ৰষ্টাচাৰ
লুণ্ঠিত ক'ত জোনাকী ৰাণীৰ দেহ
চলিছে জীৱ জন্তু, তৰু তৃণৰ ধ্বংসৰ যজ্ঞ
শেষ হৈ গৈছে মানুহৰ মাজত মানৱতা
বিবেকবান মানুহো হৈ পৰিছে
তোমাৰ পৰশত বিবেকহীন
তুমি আশ্ৰয় নল'বা
জীৱ শ্ৰেষ্ঠ মানুহৰ হৃদয়ত
কাৰণ তুমি এটা বিষাক্ত কীট।।

# বন্ধুত্বৰ অনুভৱ

**জোনমণি স্বৰ্গীয়াৰী**
স্নাতক দ্বিতীয় ষান্মাসিক, শিক্ষা তত্ব বিভাগ

ক'ত বন্ধু পালোঁ
ক'ত যে হেৰুৱালোঁ
হেৰুৱাৰ মাজতে আকৌ
তোমাক পালোঁ।
তুমি আহিলা মোৰ জীৱনলৈ
নতুন আশাৰ ৰেঙণি লৈ
নাপাহৰিবা বন্ধু হাঁহি দুদিনীয়া
জীৱন ক্ষন্তেকীয়া।
জীৱন বাটত লগ পালোঁ তোমাক
পাহৰি গ'লো দুখ-ভাগৰ বেদনা
দুদিন মাথো চকুৰ চিনাকী
নিমিষতে হেৰাব প্ৰাণৰ লগৰী।
নাকান্দিবা বন্ধু নিজক পাহৰি
সংসাৰ সুখত বিলাই নিদিবা
নিজক আহৰি কৰি।
সুখৰ লগৰী বন্ধু তুমি
দুখতো যেন তুমি
মোৰ কাষতে থাকা
দেখুওৱাই হাঁহিৰ ৰেঙণি।
সংসাৰ সুখত পৰি
নাযাবা দুখক পাহৰি
সুখে দুখে জীৱন বুলি
নাযাবা বন্ধু মোক পাহৰি।







# ফাগুন

**মিলিমণি কোঁৱৰ**
স্নাতক চতুৰ্থ ষান্মাসিক, শিক্ষাতত্ব বিভাগ

তই অহাৰ বাবে
আজি নগৰখন ৰঙা হ'ল
ধূলিয়ৰি বাটটো ধূৱলি কুঁৱলি হ'ল।
তই অহাৰ বাবে
নগৰখনত প্ৰেমৰ উছাহ বিয়পিছে
ফাকুগুৰিৰে নগৰখন মাতাল হৈ পৰিছে
তই অহাৰ বাবে
নাঙঠ গছকেইডাল তলমূৰ কৰিছে
অচিনাকী বাটৰুৱা গাভৰুজনী লাজতে ৰঙা চিঙা পৰিছে।
তই অহাৰ বাবে
মুক্তমনে চিলাখন উৰিছে
পলাশ, শিমলু, মদাৰে নগৰখন চানি ধৰিছে।
জ্বলিছে জুই
ফাগুনৰ জুই
অ' ফাগুন, তই
আকৌ আহিলি দেখোন!



# বন্ধুত্বৰ এনাজৰী

**পূৰ্ণিমা গগৈ**
স্নাতক চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ

একেলগে পাৰ কৰা নিবিড় মুহূৰ্ত
যিয়ে আঁতৰাই জীৱনৰ গোপন ৰহস্য
ওঁঠত বিৰিঙা সেই হাঁহিৰ ৰেঙণি
যিয়ে কাঢ়ি নিয়ে দুচকুৰ মুকুতা মণি
মই আৰু মোৰ বন্ধুত্ব
এয়া যেন এক গভীৰ দৃষ্টান্ত
তুমি কেনে আছা বন্ধু
ভালে আছা ছাগে নহয়?
চোৰাচোন আকাশলৈ তুমি
জোনাকে আমাক হাতবাউলী মাতিছে
এনে লাগিছে নহয়....
সি যেন আমাৰ বন্ধুত্বৰ বাট পোহৰাইছে।
মই যে কৈছিলোঁ
বৰষুণ ভালপোৱাৰ কথা
সৌৱা আকাশত মেঘে ওন্দোলাই আনিছে
উজলি উঠা ৰামধেনুৱেও হাঁহিছে
ইহঁতে ছাগে আমাৰ
বন্ধুত্বৰ কথাই সকীয়াইছে
আঁহা বন্ধু, বৰষুণত তিতো আমি
এক নতুন প্ৰতিভা কৰি
কেতিয়াও ছিগি যাবলৈ যাতে নিদিওঁ
আমাৰ এই বন্ধুত্বৰ এনাজৰী।

# তুমি আৰু মই

**ইজামূল হুছেইন**
স্নাতক দ্বিতীয় ষান্মাসিক



ঘিন কৰা নেকি মোক
ভয় কৰা নেকি চুমাৰ পৰশ,
সোণ! বুজিছোঁ তোমাৰ শোক
আকুল হিয়াৰ বিপুল হৰষ।

অজস্ৰ শব্দৰ ভিৰৰ হেঁচাত
মুকলি হয় মোৰ ৰুদ্ধ দুৱাৰ
খোজো বাস ল'ব তোমাৰ হিয়াত
প্ৰতিপল লাগে মোক বেজাৰ।
দুটি মাথো সখী অভিন্ন হৃদয়
জগত চানেকি তুমি আৰু মই,
অভিমান কৰি নাথাকা মিচাতে
মোৰ চকুৰ আঁতৰ হৈ

দুনাই কৈছো, স্বামী,
নালাগে সুধিব মই কোন?
হিয়াৰ মাজত তোমাৰ হিয়াৰ
জ্বলাও পূৰ্ণিমাৰ জোন।
মইতো নহয় কোনো এই পৃথিৱীৰ,
সৌ নীলা আকাশৰ,


কোনো এক নেদেখা দেশৰ,
বাট চাই আছোঁ যেন প্ৰেমৰ।
চকুৰ চিনাকী নহয় এয়া,
মোৰ প্ৰেমী। জীৱন জোৰা
মোৰ একান্ত কামনা
হওঁ মাত্ৰ তোমাতেই আত্মহাৰা।
সুন্দৰ কৰা মোৰ জীৱন
কৰা জ্যোতিৰ্ময়, হে মোৰ ৰশ্মি।
ক্ষন্তেকৰ বাবে মাথো।
তোমাৰ প্ৰেমৰ জেউতি সানি।
আহাছোঁন ওচৰ চাপি,
সংকোচিত হৈ কিয়নো ব্যৱধান ৰাখা?
বেজাৰ লাগে জানা?
প্ৰতিটো বিদায় পলত বাঢ়ে মোৰ বেথা
ভয় নাই, নেদেখা কোনেও,
ডাৱৰেৰে আৱৰা জোনবাইৰ আভাত
নকৰিবা একো লাজ, শান্তিৰে
থোৱা মূৰ মোৰেই কোলাত।





# এটা বন্দী শালিকাৰ কাকূতি....

**মনালিছা কোঁৱৰ**
স্নাতক দ্বিতীয় ষান্মাসিক



সৰু এটি পিঞ্জৰাৰ মাজত
মই এটি বন্দী শালিকা
নাজানো ইয়াৰ দুৱাৰ কেনি?
কেউফালে খুঁট মাৰি মাৰি
উফৰি উফৰি কেক্ কেকাই
একে ঠাইতে ৰওঁ মই
কাৰণ
    ই যে লোৰে তৈয়াৰী
    এটা মজবুত পিঞ্জৰা।
হে মোৰ গৰাকীনী!
মোক কিয় তোমাৰ
বন্দীশালত আৱদ্ধ কৰি ৰাখিছা
মইতো নহওঁ
দেশদ্ৰোহী এটা মানৱ.......।
মোৰ দুখন পাখি (ডেউকা) আছে
মই সুৰীয়া কণ্ঠৰ গৰাকী
মোৰোতো এটা বিশাল মন আছে
মুক্ত আকাশত ভ্ৰমি
পৃথিৱীৰ সুৱাস ল'বলৈ
গছৰ ডালত বহি
সেউজীয়াত মুগ্ধ হৈ
সুখগীত জুৰিবলৈ.....
কাকূতি কৰিছোঁ
হে মোৰ গিৰী!
আৰু কষ্ট নকৰিবা
মুকলি আকাশৰ তলত বহি
মোকো উপভোগ কৰিবলৈ দিয়া
ৰাতিপুৱাৰ সু-কোমল ৰ'দজাকি....।

# মৌন হৃদয়

**দেৱযানী গগৈ**
স্নাতক দ্বিতীয় ষান্মাসিক

বিষন্ন হৃদয়ে মৌনতাৰ আদিপাঠ কিমান পঢ়িব
তুমি হেৰাই যোৱাৰ করুণ সুৰ এটা বুকুত বাজে।

তোমাক দেখা পাওঁ সংজ্ঞাহীন এখন নতুন পৃথিৱীত
শূণ্যত তোমাৰ আৰম্ভণি, শূণ্যতে শেষ।

বুকুত কাঁতৰ চিঞৰ এটাই উচুপি উঠে
ভগ্ন হৃদয়ৰ জুই উমি উমি জ্বলে।

নিঃসংগতাৰ নিৰস সময়বোৰ
তুমি হীনতাই বিৰাজ কৰে।

# মোৰ অনুভৱৰ একাষাৰ

ৰীণা দে
প্ৰাক্তন ছাত্ৰী

শুকুলা মেঘৰ বুকুৰেদি
দিন, মাহ, বছৰ হৈ নামি অহা সময়বোৰ
আজিকালি ঘঁহনি খায় মোৰ আঙুলিৰ পাবত।
আপুনিও ইচ্ছা কৰিলে স্পৰ্শ কৰিব পাৰে
মোৰ এই চকলেট বৰণীয়া হাতৰ আঙুলিত।
হয়তো শিহঁৰিত নহ'বও পাৰে মোৰ হাতত থকা পদুমৰ গোন্ধ
অথবা হাতত থকা তেজৰ উষ্ণ তাপ।
মোৰ বাবে যেন নিৰলস গতিত বৈ আছে সেই তেজ।
হাতৰ আঙুলিৰ পৰা মূৰলৈকে
একে সিৰা অথবা উপসিৰাৰে
প্ৰতিনিয়ত ৰক্ত কণিকা।
এই দুয়োহাতে বাধা দিব খোজে
মাটি আৰু মানুহৰ সৈতে একাত্ম হোৱা
মোৰ আইৰ বিষাদভৰা উদাস চাৱনি।
খুচুঁৰি খুচুঁৰি উলিয়াই আনিব খোজে
হাঁহি আৰু সপোনৰ ভৰপুৰ
এখন আটকধুনীয়া সুন্দৰ পৃথিৱী।

# অভিমানী সপোন

নয়নমণি শইকীয়া
স্নাতক দ্বিতীয় ষান্মাসিক

সপোনবোৰেও কেতিয়াবা অভিমান কৰে,
স্বপ্নবিভোৰ মাতাল ৰাতি বিলুপ্ত হয়
নতুন সপোনৰ মাদকতা।
আলিংগনৰ যি এক সীমাহীন যন্ত্ৰণা
শুনো মাথোঁ বিকৃত এক সুৰৰ গুণগুণি
আৰ্তনাদ বহু চিনাকি কণ্ঠস্বৰ
আশাহত ক'ত যৌৱনৰ পুৱা
তথাপিও সহবাস মোৰ অভিমানী সপোন।





# সোঁৱৰণি

লভিতা হাজৰিকা
দ্বিতীয় ষান্মাসিক, অসমীয়া বিভাগ


সৰাপাতৰ দৰে সোঁৱৰণি
আকাশে বতাহে তাৰ আগমণি
স্মৃতিৰ দলিচাত তাৰ জিলিঙনি
কিযে অপৰূপ ৰেঙণি.......।
স্মৃতিৰ দলিচাত সোঁৱৰণিৰ জিলিঙনি
সোৱৰণিৰ বুকুত লুকাই থাকে
দুখ-সুখ....
অনামি আৰু অবুজ স্মৃতি...
যি স্মৃতিত উমাল হৈ উঠে
শৈশৱ, কৈশোৰ আৰু ......
অতীত জীৱনী।
সঁচাই .......
অবুজ ভাষাৰ তুমি সোঁৱৰণি।



# ৰহস্যময় মোৰ জীৱন

ঋতুপৰ্ণ কাকতি
স্নাতক দ্বিতীয় ষান্মাসিক, অৰ্থনীতি বিভাগ

বিষাদেৰে ভৰা এই ৰহস্যময় হৃদয় লৈ;
বাটে ঘাটে ফুৰোঁ মই অপদাৰ্থ জীৱনী হৈ।
অবিদিত কিন্তু কিছুমান অনন্ত জীৱনী হৈ,
আছোঁ অকলশৰে মই
ৰহস্যময় অতন্দ্ৰ হৃদয় লৈ।
আহে ক'ত বিশাল প্ৰবজন তথাপিও মই
বৈ আছোঁ আঘাত প্ৰাপ্ত প্ৰতিশ্ৰুতি হৈ,
প্ৰতিশ্ৰুতিত তোমাৰ মোৰ প্ৰেম
আৰু অতীত স্মৃতিৰ মালিতা লৈ।
আছোঁ গৌৰৱে সকলো পণ পুৰণ কৰিবলৈ।
বতাহৰ পাতত লিখিছোঁ মোৰ অন্তৰ্ভৰ বহল অতিশয়;
মহত্ব কিমান তোমাৰ, মোৰ হৃদয়ত সেয়ে জনাবলৈ।
তুমিয়েই মোৰ জীৱনী, তুমিয়েই মাণিকী মধুৰী,
তুমিয়েই ষসাত্মক শুনিবলৈ।
তুমিয়েই ইচ্ছা, তুমিয়েই তৃষ্ণা, কামনা মোৰ জীৱনলৈয়ে।



# Friendship


**Farjana Mehajabis Rohman**
B.A. 2nd Semester, Education Department

Life has its own pleasure
Share and spare with laughter,
Friendship is a precious treasure,
Keep it with you for ever after,
A true friend does not show,
His face in the time of leisure,
But keep in minds never to compare friendship.
With anything which you measure,
The essence of perfect friendship is that,
Each friend reveals himself utterly to the other,
Flings aside his resenves and shows himself
For that he truely is! That's a true friend.

# আকাশ

**কৰিশ্মা দাস**
স্নাতক চতুৰ্থ ষান্মাসিক


ভাৱনাত নিমগ্ন হৈ
চকুৰ পলক নেপেলোৱাকৈ
চাইছো আকাশলৈ........
আকাশ সঁচাই বিশাল
তোমাৰ বিশালতাই
কোনো দুখে চুব নোৱাৰাকৈ
ঢাকি ৰাখিছো ধৰণীক।
চুব নোৱাৰাকৈ .........
কোনেও।।
ক'ৰপৰা আহিল কলীয়া ডাৱৰ
পানী হৈ সৰকিল টোপাল টোপে
ভাবিলোঙ্গ আকাশখনতো সুখী
তেন্তে
টোপাল টোপাল পানীবোৰ কি?
বৰষুণ,
নে আকাশৰ সীমাহীন দুখৰ
অন্তিম পৰিণতি।



# ভ্ৰমণ কাহিনী

# বৰফৰ দলিচাত এখোজ .......

কল্যাণী বৰুৱা
স্নাতক ষষ্ঠ যাণ্মাসিক, শিক্ষা বিভাগ



ডিচেম্বৰ মাহ, পুৱা পোহৰ হোৱাৰ আগমুহূৰ্তত কাপোৰ মেৰিয়াই মেৰিয়াই সেই আনন্দকনক নেওচা দি আজি পুৱা চাৰিবজাতে উঠিলো। কাৰণ এটাই এডোখৰ নতুন ঠাইত ফুৰিবলৈ যোৱাৰ দুৰ্বাৰ হেঁপাহ। কলেজৰ পৰা ওলোৱা শিক্ষামূলক ভ্ৰমণত নিজৰ নামটো যোগ দিবলৈ ঘৰৰ পৰা অনুমতি দিয়া দিনাই মনটো আনন্দেৰে ভৰি পৰিছিল। আগৰে পৰা আনৰ মুখত দাৰ্জিলিং গেংটকৰ প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা কথা বিলাক শুনি শুনি সেই ঠাইডোখৰৰ প্ৰতি এক বিশেষ আত্মীয়তা গঢ়ি উঠিছিল। সেইবাবে হয়তো তালৈ যাবলৈ মনটো উত্ৰাৱল হৈ আছিল। সেই দিনটোৰ আগমন ঘটিল। ৩১ ডিচেম্বৰ, ৰাতিপুৱা ৭ বজাত সহযাত্ৰীসকলৰ লগত চাফাৰীত শিমলুগুৰি ষ্টেচনলৈ যাত্ৰা কৰিলো। তাৰ পাছত ১০ বজাত শিমলুগুৰিৰ পৰা কামৰূপ এক্সপ্ৰেছত যাত্ৰা আৰম্ভ কৰিলোঁ। যিহেতু সেইদিনা আছিল ৩১ ডিচেম্বৰ। বহু ঠাইত দেখা পালো ১ জানুৱাৰী ২০১৪ক আদৰণী জনাবলৈ প্ৰস্তুতি চলাইছে। আমি পৰিকল্পনা কৰিলো যে ট্ৰেইনতে আমি ২০১৪ চনক আদৰণী জনাম। অপেক্ষা কৰিলো ১২.০০ বজালৈ। সময় হোৱাত সকলোৱে টংকেশ্বৰ ছাৰৰ হাতত কেক তুলি দিলো কাটিবলৈ আমাৰ মাজত এক

আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হ'ল।

ডবাৰ ভিতৰৰ কোঠাৰ অচিনাকীলোকৰ মাজত কেক বিতৰণ কৰি এক তৃপ্তি অনুভৱ কৰিলোঁ। এনেদৰে হাঁহি তামাচা কৰি আহোঁতে কেতিয়ানো সূৰ্য্য কিৰণে আমাক স্পৰ্শ কৰিলেহি গমেই নাপালোঁ। পুৱা ৫.৪৮ বজাত নিউ জলপাইগুৰি ষ্টেচনত নামিলোঁ। কোলাহল পূৰ্ণ নিউজলপাইগুৰিত পুৱাৰ ভাগত এক নিজান নিস্তব্ধতাই গ্ৰাস কৰিছিল। পুনৰ আমি এখন চুমুত আমাৰ গন্তব্যস্থান গেংটকলৈ ৰাওনা হ'লো। সেই তিনিঘণ্টীয়া চুমু যাত্ৰাত আমাৰ লগৰী আছিল টংকেশ্বৰ ছাৰ, ডলী বাইদেউ, বিষ্ণুপ্ৰিয়া, নৱনীতা, ৰিংকু আৰু অভিনৱ। চিপ্‌চিপিয়া বৰষুণৰ মাজেৰে ক্ৰমান্বয়ে ওপৰলৈ উঠি যোৱা পথেদি গতি কৰিলোঁ। পথৰ কাষতে লাগি আছে তিষ্টা নৈ। আমি সেই তিষ্টা নদীৰ পাৰে পাৰে গৈ গেংটক পালোগৈ।

গেংটক পোৱাৰ পাছত আমালৈ বন্দবস্ত কৰি থোৱা Lonark Lesure নামৰ হোটেলখনলৈ গ'লো। চুমুৰ পৰা নামি এই হোটেলৰ মাজৰ ব্যৱধান ডেৰ কিলোমিটাৰতকৈ কম হ'ব যদিও পুনৰ এখন ইণ্ডিকা গাড়ীৰে সেই হোটেলখন পালোগৈ। তাত মোৰ প্ৰথম এটা কথাই ভাল লাগিল যে তাত সৰু গাড়ীবোৰত চাৰিজনতকৈ বেছি যাত্ৰী নিয়াটো এক অপৰাধ। কিন্তু আমাৰ এই সোণৰ অসমত তাৰ বিপৰীত ছবিখনহে দেখা যায়। মেজিক বিলাকত মানুহৰ পৰা গাড়ীখন দেখিবলৈ নোপোৱা যেন অৱস্থা হয়। ২০-৩০ টকাতে মেনেজ হোৱা অসমৰ সৰহ সংখ্যক ট্ৰেফিক পুলিছে এইবিলাক দেখিও চকু মুদা কুলিৰ ভাও দি বহি থাকে। আমি হোটেল গৈ পোৱাৰ পাছত কিছু সময় জিৰণীলৈ কাঞ্চনজঙঘা পৰ্বত চাবলৈ ৰাওনা হ'লো। পিছে আমাৰ দুৰ্ভাগ্য যে যিডোখৰ ঠাইৰ পৰা কাঞ্চনজংঘা দেখা পোৱা যায় সেই দিনা নীলা আকাশ আৰু ডাৱৰৰ লুকাভাকুত সেয়া দেখা নোপোৱাত সকলোৰে মন সেমেকি উঠিল। সেমেকা মন লৈ ওচৰতে থকা ফুলৰ বাগিচাখনত সোমালোঁ। তাত বিভিন্ন ৰঙৰ ফুলবোৰ দেখি মনটো ৰঙীন হৈ পৰিল। তাৰ পৰা ওলাই আহি এডোখৰ ওখ ঠাইত থকা এটা মন্দিৰৰ ওপৰলৈ উঠিলোঁ। তাৰ পৰা সমগ্ৰ গেংটক চহৰখন তিৰবিৰাই থকা এমুঠি জোনাকী পৰুৱাৰ দৰে লাগিল। তেতিয়াহে অনুমান কৰিব পাৰিছোঁ যে আমি কিমান ওপৰত আছোহি। সেইদিনা ৰাতি আন্ধাৰত গোটেই গেংটক চহৰখনৰ ৰূপ গৰিমা উপভোগ কৰি সময় বেছি হোৱাৰ বাবে হোটেললৈ ঘূৰি আহিলোঁ।


পাছদিনা ভ্ৰমণৰ কাৰ্যসূচীটো মোৰ বাবে বৰ ভয়লগা আছিল। পাহাৰৰ ওপৰত থকা হনুমান মন্দিৰটোলৈ পাহাৰৰ একাবেঁকা ৰাস্তাইদি যিমানেই ওপৰলৈ উঠি গৈ আছোঁ সিমানেই ভয় নামৰ অনুভৱটো ডাঙৰ হৈ আহিব ধৰিলে। মোৰ কলিজাৰ ধক্ ধক্ শব্দ মই নিজৰ কাণেৰে শুনিব পালোঁ। মোৰ বাৰে বাৰে মন গৈছে যে ইয়াতে মই নামি দিম। বাকীবিলাকৰ কি অৱস্থা হৈছে মই নাজানো। মই কিন্তু সিহঁতৰ আগত মোৰ এই ভয় লগা অৱস্থাটো পাৰ্যমানে লুকুৱাবলৈ যত্ন কৰিলোঁ। অৱশেষত ভৰি থ'লো তেতিয়া এনে লাগিল যে এক নিশ্চিত মৃত্যুৰ পৰা যেন হাত সাৰি আহিছোঁ। তাৰ পৰা আমি প্ৰায় ৪৫টা খট্‌খটি বগাই মন্দিৰত পদাৰ্পণ কৰিলোঁ। সেই ঠাইডোখৰ ইমান পৰিষ্কাৰপৰিচ্ছন্ন আছিল যে ফুমাৰি ভাত খোৱা কথাষাৰ ইয়াত ভালদৰে প্ৰযোজ্য হয়। আমাৰ অসমৰ অৱস্থাটো মাজে মাজে মনত পেলালোঁ। আমাৰ তাতটো মন্দিৰৰ কাষতে পিক বা থু পেলাবলৈ কোনেও কুণ্ঠাবোধ নকৰে। মোৰ সেইসকল মুখা পিন্ধা ভদ্ৰলোকৰ ইয়ালৈ আনি ভালদৰে দেখুৱাবলৈ খুউব মন গৈছিল। মন্দিৰৰ পৰা সূৰ্যাস্তৰ মনোৰম দৃশ্য পান কৰি তাৰ পৰা উভতি আহিলোঁ। এইদৰে আহোঁতে আমি সকলোৱে বিহু গান গায় পৰিৱেশটো গমগমীয়া কৰিলোঁ। সেই সময়তে আমাৰ গাড়ীৰ চালকজনে জুবিনৰ বিহু এটা বজাই দিলে। মই কিছু আচৰিত হ'লো যদিও অচিনাকী ঠাইত আমাৰ মৰমৰ জুবিন আৰু বিহু শুনাৰ বাবে গৌৰৱো অনুভৱ কৰিলোঁ। নগৰৰ বিভিন্ন ঠাই ঘূৰি গেংটকৰ বিখ্যাত মাৰ্কেট (মহাত্মা গান্ধী মাৰ্কেট)ত সোমালো। গেংটকলৈ গৈ এম. জি মাৰ্কেটৰ কথা উল্লেখ কৰিলে লেখনীটো আধৰুৱা হৈ ৰ'ব। এম জি মাৰ্কেট সঁচাকৈয়ে এখন স্বপ্ন নগৰী। সেই মাৰ্কেটখন ইমানেই আকৰ্ষণীয় আছিল যে বিদেশৰ বাহিৰে আমাৰ ভাৰতবৰ্ষৰ মাজৰ এখন পাহাৰীয়া ঠাই গেংটকত ইমান ধুনীয়া মাৰ্কেট থকাৰ কথা নেদেখিলে কল্পনাও কৰিব নোৱাৰি। আমাৰ অসমৰ দৰে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ নাম গান্ধী পৰিয়ালৰ কোনো সদস্যৰ নামত নামকৰণ কৰাৰ যি পদ্ধতি তাৰ পৰা গেংটকো যে বাচি যোৱা নাই সেইটো মই স্পষ্ট ধৰিব পাৰিছোঁ। এনেদৰে দিনটো ঘূৰি পুনৰ হোটেললৈ ঘূৰি আহিলো। তৃতীয় দিনা আমি ১৮০০০ ফুট ওপৰত থকা ছাংগোলেকলৈ গ'লো। কালি নিজৰ ভিতৰত থকা ভয় নামৰ শব্দটোৱে আজি যেন শান্ত ৰূপ ধাৰণ কৰিছিল। মনতে নানা প্ৰশ্নৰে আৱৰি ধৰিলে যে ইমান ওপৰত আছে বা কি? ক্ৰমান্বয়ে শিল আৰু পাহাৰ কাটি বনোৱা পথেদি ওপৰলৈ গতি কৰিলোঁ। চাৰিওফালে কেৱল বৰফ আৰু বৰফ। নিৰ্দিষ্ট সময়ত ছাংগোলেক নামৰ হ্ৰদটোৰ বৰফৰ দলিচাত খোজ পেলালোঁ। সেই হ্ৰদটো সম্পূৰ্ণ বৰফলৈ ৰূপান্তৰিত হৈ থকা দৃশ্য বৰ সুন্দৰ আছিল। সৰু বৰসকলো পাহাৰ বৰফেৰে আবৃত হৈ থকা মনোৰম দৃশ্য দেখি আনন্দত মতলীয়া হৈ গৈছিলোঁ। ইমান সতেজ... ইমান নিৰিবিলি .. ইমান মনোমোহা। এই বিলাক নেদেখাকৈ ভাৰতৰ বাহিৰলৈ গৈ এনে একেই সৌন্দৰ্য উপভোগ কৰিবলৈ যোৱাৰ কাৰণ কি মই বুজি নাপাওঁ। হয়টো এইয়া আভিজাত্যৰ চিন? প্ৰকৃতিৰ নিজ সৃষ্টি সেই অপৰূপ দৃশ্য নিজ চকুৰে নেদেখিলে হয়তো বিশ্বাস কৰিব নোৱাৰি। সেই মায়াচ্ছন্ন পৰিৱেশত থাকোতে এনে লাগিল পৃথিৱীত যেন সকলোবোৰ এই বৰফৰ দৰে নিকা স্বচ্ছ। সেই সময়ত সেই দৃশ্য উপভোগ কৰাৰ বাহিৰে মনলৈ বাকী একো চিন্তাই অহাই নাছিল। আমি তাত বহু সময় যে কেনেকৈ কটালো সেই প্ৰমাণ কেৱল ঘড়ী কাটাকেইডালেহে উমান দিলে। নিজৰ মনটো কঠোৰ কৰি আমি তাৰ পৰা উভতিবলৈ গাড়ীত উঠিলোঁ। কিন্তু সেই দৃশ্যই বাৰে বাৰে হাত বাউলি যেন আমাক মাতিবলৈ ধৰিলে। এনে লাগিল পুনৰ উভতি অহাৰ আশ্বাস দিয়াতহে যেন আমাক আহিবলৈ দিলে। প্ৰেমিক প্ৰেমিকাৰ বিচ্ছেদৰ পিছত যি কৰুণ মুখৰ পৰিৱেশৰ সৃষ্টি হয় সি যেন সকলোৰে মুখত ফুটি উঠিল। লাহে লাহে বেলি লহিয়াবলৈ ধৰিলে। ডাৱৰবোৰে জুম বান্ধি আমাক আগুৰি ধৰিলে। মোৰ কাষত থকাসকলৰ বাহিৰে কাকো মনিব পৰা নাছিলোঁ। এনেকুৱা লাগিছিল আমি যেন উৰাজাহাজতহে আছোঁ। যিহেতু আমাৰ চাৰিওফালে ডাৱৰৰ চপৰা। পুনৰ ভয় শব্দটোৱে মনটো আচ্ছন্ন কৰি তুলিলে। হোটেল গৈ পাই বিচনাত পৰি সেই এৰি থৈ অহা প্ৰাকৃতিক সৌন্দৰ্যৰ কথা মনত পেলালে আৰু তাৰ মানুহবোৰৰ কথাবোৰ পৰ্যালোচনা কৰিলোঁ। তাৰ মানুহবোৰৰ ইমান ভদ্ৰ আৰু শান্ত আচৰণ দেখি অভিভূত হৈ পৰিছিলোঁ। ইয়াত যেন হিংসা বোলা শব্দটো সংবিধানত নাই। আইনক সকলোৱে সমীহ কৰি চলে। তেওঁলোকৰ আনক স্বইচ্ছাই সহায় কৰা যি মানসিকতা সেয়া দেখি সঁচাই মুগ্ধ হ'লোঁ। উভতি যাত্ৰাৰ বাবে নিৰ্দিষ্ট কৰি থোৱা সময়মতে আমি প্ৰায় সকলো চাই আজৰি হৈছিলোঁ যদিও শেষ মুহূৰ্তত গম পালো যে ট্ৰেইন বহু পলম হ'ব। সকলোৰে মনবোৰ সেমেকি উঠিল। কি কৰি কটাম ইমান সময় সেই চিন্তাই মনটো আৱৰি ধৰিলে। পুনৰ হোটেলত ৰুম ভাড়া লৈ সেই ৰাতিটোৰ লগতে দিনৰ দিনটো কটায় পিছদিনা সন্ধ্যা ৭ বজাত ট্ৰেইনত উভতনি যাত্ৰা আৰম্ভ কৰিলোঁ। হোটেলত ট্ৰেইনৰ অপেক্ষাত কটোৱা সেই দীঘলীয়া সময়খিনি বৰ আমনিদায়ক আছিল। গেংটকৰ সেই সুন্দৰ আৰু মনোমোহা সৌন্দৰ্যৰ কথা মনত পেলাই আমনিদায়ক সময়ৰ কষ্টখিনি লাঘৱ কৰিবলৈ চেষ্টা কৰিছিলোঁ। উভতনি যাত্ৰাৰ সময়খিনি বিভিন্ন ধৰণে জীপাল কৰি তুলিলো আৰু লাহে লাহে নিজৰ ঠাইৰ ওচৰ চাপি আহিলোঁ। এইদৰে ৭ তাৰিখৰ সন্ধ্যা ৬.৪৫ মান বজাত ভজো ৰে'ল ষ্টেচনত নামিলোহি। তাৰ পৰা ডলি বাইদেউ আৰু মই বৰদেউতাৰ লগত ঘৰ পালোহি।



সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ, ২০১৩-১৪ বৰ্ষ

# পঞ্জাৱলৈ গৈছিলো

**কাশ্মিৰী গগৈ**
স্নাতক দ্বিতীয় ষান্মাষিক, অসমীয়া বিভাগ



জীৱনত প্ৰথমবাৰৰ বাবে অসমৰ বাহিৰলৈ যোৱাৰ আনন্দ উপভোগ কৰিলো। ৱা......হ কি মজাঙ্গ সঁচাকৈয়ে মই কেতিয়াও ভৰা নাছিলো যে মোলৈ এনেকৈ এটা সুযোগ আহিব; তাকো অসমৰ বাহিৰলৈ যোৱাৰ। প্ৰথম অৱস্থাত অলপ অলপ ভয় লগতে চেপি ৰখা উত্তেজনা। তাত গৈ কি কৰিম, কেনেকৈ যাম ইমান দূৰলৈ ইত্যাদি বিভিন্ন ধৰণৰ চিন্তাই মন আগুৰি ধৰিছিল।

NSS (National Servive Scheme) অৰ্থাৎ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ভলণ্টিয়াৰ হিচাপে মই আৰু দিপাংকৰ সোণাৰি মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি যুৱ মহোৎসৱত অংশ গ্ৰহণ কৰিবৰ বাবে পাঞ্জাৱলৈ যাবলৈ সুবিধা পালো। পাঞ্জাৱত গৈ আমি কি কি দিব পাৰিলো নাজানো কিন্তু আমাৰ যিমানখিনি সামৰ্থ সিমানখিনি কৰিবলৈ চেষ্টা কৰিছিলো। গোটেই অসমক প্ৰতিনিধিত্ব কৰি NSSৰ ভলণ্টিয়াৰ হিচাপে পাঁচখন মহাবিদ্যালয়ৰ পৰা যাবলৈ সুবিধা পাইছিলো। সোণাৰি মহাবিদ্যালয়, নাজিৰা মহাবিদ্যালয়, গড়গাঁৱ মহাবিদ্যালয়, যোৰহাট মহাবিদ্যালয় আৰু মৰাণ মহাবিদ্যালয়ৰ প্ৰতিনিধিবৰ্গই এই যাত্ৰাত যোগ দিছিল।

প্ৰথম অৱস্থাত মোৰ এটাই ভয় আছিল কেনেকৈ সকলোবোৰ অচিনাকী মানুহৰ লগত ইমান দূৰলৈ যাম, ছোৱালীকেইজনীৰ লগত সহজ হৈ মিলিব পাৰিমনে? ইত্যাদি চিন্তাই মন ভাৰাক্ৰান্ত কৰি তুলিছিল। চিনাকীৰ ভিতৰত আছিল মাথো দিপাংকৰ। আমাক তত্বাৱধানত নিয়া শ্ৰীযুত ৰাজীৱ গগৈ ছাৰ (ইংৰাজী বিভাগ, গড়গাঁৱ কলেজ) আৰু শ্ৰীযুত জিতু শইকীয়া ছাৰ, এজনকো চিনি পোৱা নাছিলো ৭ জানুৱাৰী,



সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ, ২০১৩-১৪ বৰ্ষ

২০১৪ তাৰিখলৈকে।

৭ তাৰিখ পাছবেলা দাদা আৰু নিচাদেৱে আবেলি ৩-০০ মান বজাত মোক ৰাজীৱ ছাৰৰ ঘৰত থৈ আহিল। ছাৰেই মোক আৰু দিপাংকৰক নিবলৈ আহিছিল বালিঘাটৰ পৰা। তাতে প্ৰথম চিনাকী হ'লো ছাৰৰ লগত। প্ৰথম চিনাকীতে ছাৰক লৈ মোৰ মনত থকা ভয় ভাৱ আতৰি গ'ল। প্ৰথম চিনাকীতে ছাৰৰ মৰমীয়াল স্বভাৱটোৰ কথা বুজি পালো। ছাৰৰ ঘৰ গৈ পোৱা সকলৰ ভিতৰত দিপাংকৰ আৰু মইয়ে প্ৰথম আছিলো। সন্ধিয়া সময়ত বাকী কেইজন ছাত্ৰ-ছাত্ৰীও আহি পালে আৰু তাতে সকলোৱে লগত চিনাকী হৈ ছাৰৰ ঘৰতেই ৰাতিৰ সাজ খালো। তেতিয়াই আমি খবৰ পালো যে ট্ৰেইনখন শিমলুগুৰি ষ্টেচন আহি পোৱাৰ সময় ৮ তাৰিখ ৰাতিপুৱা ৮-৩০ বজাত।

৮ তাৰিখে পুৱাই কাপোৰ কানি পিন্ধি শিমলুগুৰি ষ্টেচনলৈ গ'লো। ভয় আৰু আনন্দ মিশ্ৰিত এটা অৱস্থা। ষ্টেচনত গৈ গম পালো যে ট্ৰেইন ৮-৩০ত নহয় ১০-৩০ত আহি পাব। কুঁৱলীৰ বাবে ট্ৰেইন পলম হৈছে। ষ্টেচনত বহি বহি ট্ৰেইনৰ অপেক্ষা কৰি আছো। প্ৰতীক্ষাৰ অন্ত পৰিল। নিৰ্দিষ্ট সময়ত ট্ৰেইনখন আহি পালে আৰু ভগৱানৰ নাম লৈ ট্ৰেইনৰ ভিতৰত সোমাই পৰিলো। তাৰ পৰা এটা দীঘলীয়া যাত্ৰা। শিমলুগুৰিৰ পৰা দিল্লীলৈ যোৱা এই দুদিনীয়া যাত্ৰাৰ সময়ছোৱাত আমি ট্ৰেইনত বহুত মানুহৰ লগত চিনাকী হ'লো। সঁচাকৈয়ে মানুহৰ অন্তৰৰ কথা বুজিব নোৱাৰি। ক্ষন্তেক সময় লগ পোৱা কেইজনমান পাঞ্জাৱী বন্ধু। যিকেইজন আমাৰ পৰা বিদায় লওঁতে চকুলো টুকি গ'ল। সঁচাকৈয়ে পাহৰিব নোৱাৰা কেইটামান পল। দিল্লী পোৱাৰ আগ মুহূৰ্তত বন্ধুত্ব গঢ়ি উঠা আৰু কেইজনমান পাঞ্জাৱী বন্ধু। যিকেইজনে দিল্লীৰ পৰা লুধিয়ানালৈকে আমাক সহায়ৰ হাত আগবঢ়ালে।

দিল্লী ষ্টেচনত ১০ জানুৱাৰী ৰাতি ব্ৰহ্মপুত্ৰৰ পৰা নামি আকৌ লুধিয়ানালৈ যাত্ৰা কৰিলো। ১১ জানুৱাৰীত আমি লুধিয়ানা ষ্টেচন পালোগৈ। লুধিয়ানা ষ্টেচনতে আমি পাঞ্জাৱী বন্ধুকেইজনৰ পৰা আকৌ লগ পোৱাৰ প্ৰতিশ্ৰুতিৰে বিদায় ল'লো।

পুনৰ আমাৰ যাত্ৰা আৰম্ভ হ'ল বাচেৰে। লুধিয়ানা ষ্টেচনৰ পৰা লুধিয়ানা কৃষি বিশ্ববিদ্যালয়লৈ (Ludhiana Agricultural University)। বিশ্ববিদ্যালয় পোৱাৰ পাছত ছোৱালীকেইজনীক বিশ্ববিদ্যালয় ছাত্ৰী নিবাস আৰু ল'ৰা কেইজন ছাত্ৰাৱাসত থাকিবৰ বাবে দিহা কৰি দিয়া হ'ল। ছাত্ৰী নিবাসৰ বাইদেউগৰাকীক লগ কৰি আমি আমাৰ ৰুমত সোমাই পৰিলো। তিনিদিনীয়া ট্ৰেইনৰ যাত্ৰাৰ ভাগৰ মাৰিবৰ বাবে লৈছোহে তেনেতে ৰাজীৱ ছাৰে ফোন কৰি ক'লে যে আমি বিশ্ববিদ্যালয় যাব লাগে। ফ্ৰেছ নোহোৱাকৈয়ে আকৌ বিশ্ববিদ্যালয়লৈ দৌৰ মাৰিলো। তাত গৈ নাম registration কৰিলো। জীৱনত প্ৰথমবাৰৰ বাবে পাঞ্জাৱী লোকনৃত্য উপভোগ কৰিলো। বহুত ভাল লাগিল যাক মই ভাষাৰে প্ৰকাশ কৰিব নোৱাৰো। তাৰ পাছত দুপৰীয়াৰ আহাৰ খাই হেষ্টেললৈ আহি ফ্ৰেছ হৈ পুনৰ ৰাতিৰ আহাৰৰ বাবে বিশ্ববিদ্যালয়লৈ গ'লো। ৰাতি ৯-৩০ মানত হোষ্টেলত আহি শুই পৰিলো।

১২ জানুৱাৰী পুৱা সোনকালে উঠি গা-পা ধুই বিহুৰ সাজ পিন্ধি বিশ্ববিদ্যালয় পালোগৈ। কাৰণ সেইদিনাৰ পৰাই আৰম্ভ হৈছে যুৱ মহোৎসৱ। তাত পুৱাৰ আহাৰ কৰি বেলেগ বেলেগ ৰাজ্যৰ পৰা অহা গ্ৰুপবোৰৰ লগত চিনাকী হ'লো। তাৰ পাছত প্ৰত্যেক ৰাজ্যৰ সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰিলো। তেনেকৈয়ে দিনটো পাৰ হৈ গ'ল।

১৩ জানুৱাৰীত আগদিনাৰ দৰেই বিশ্ববিদ্যালয় গৈ পুৱাৰ আহাৰ কৰি মহিলা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত ড্ৰাগচৰ ওপৰত হোৱা আলোচনাত ৯-৩০ৰ পৰা ৩-০০ বজালৈ তাত অংশ গ্ৰহণ কৰিলো।

১৪ জানুৱাৰী, আন দুটা দিনতকৈ এটা ব্যতিক্ৰম দিন। ৰাতিপুৱা সোনকালে উঠি গা-মুৰ ধুই ফুৰিবলৈ যাবৰ বাবে সাজু হ'লো। আমাৰ যোৱাৰ প্ৰথম স্থান হ'ল স্বৰ্ণ মন্দিৰ । যিটো চোৱাৰ মোৰ আটাইতকৈ হেঁপাহ আছিল। যেতিয়া আমি গৈ তাত পালো মইতো স্বৰ্ণ মন্দিৰৰ সৌন্দৰ্য দেখি আচৰিত। ইমান ধুনীয়া আৰু ইমান মানুহঙ্গ স্বৰ্ণ মন্দিৰত দৰ্শনাৰ্থীৰ বাবে যি পৰিচৰ্যা সঁচাকৈয়ে মনোগ্ৰাহী।

Ludhianaৰ Amritsarত স্বৰ্ণ মন্দিৰ অৱস্থিত। স্বৰ্ণ মন্দিৰক Harmandir Sahib বুলিও জনা যায়। এই স্বৰ্ণ মন্দিৰটো এটা সৰোবৰৰ মাজত অৱস্থিত। গুৰু ৰামদাসে ১৫৭৩ চনত এই সৰোবৰত খনন কাৰ্য আৰম্ভ কৰিছিল। এই মন্দিৰটো গুৰু অৰ্জুনদেৱ আৰু তেওঁৰ ৫ জন সহপাঠীয়ে নিৰ্মাণ কৰিছিল।

স্বৰ্ণ মন্দিৰলৈ যোৱাৰ পাছত গ'লো Jallianwala Bagh। তাত অলপ দেৰি থকাৰ পাছত গ'লো ভাৰত পাকিস্তানৰ সীমালৈ। দৌৰি দৌৰি গৈ তাত সোমাই দেখিলো এদিনো নেদেখা এটা পৰিবেশ। এফালে ভাৰতৰ মানুহ আৰু আনফালে পাকিস্তানৰ। সামৰিক কলা-কৌশলেৰে এক বিশেষ অনুষ্ঠান,

চাৰিওফালে বিৰাজমান এটা উত্তেজনাপূৰ্ণ পৰিবেশ। ভাৰত পাকিস্তানৰ সীমাত কৰ্মৰত অসমৰ বহুকেইজন জোৱানক লগ পালো। তেওঁলোকে আমাৰ সাজপোছাক দেখি আমাৰ লগত চিনাকী হ'বৰ বাবে আগবাঢ়ি আহিল। তাত তেওঁলোকে অসমৰ মানুহ দেখি উৎফুল্লিত হৈ পৰিছিল।

আবেলি প্ৰায় ৪ মান বজাত তাৰ পৰা যাত্ৰা আৰম্ভ কৰিলো ট্ৰেইনত আত্মীয়তা গঢ়ি উঠা এজন পাঞ্জাবী বন্ধুৰ ঘৰলৈ। তাত যি আপ্যায়ন পালো কেতিয়াও পাহৰিব নোৱাৰো। বহুত স্ফুতি কৰিলো। বিহু আৰু নাচিলো লগতে তেওঁলোকৰ লোকনৃত্য ভাংৰাও নাচিলো। তেওঁলোকৰ ঘৰত পাঞ্জাবৰ প্ৰিয় আহাৰ মাকৈৰ ৰুটি আৰু সৰিয়হৰ পাতৰ আঞ্জাৰে এসাজ তৃপ্তিৰে গ্ৰহণ কৰি পুনৰ বিশ্ববিদ্যালয়লৈ ঘুৰিলো। ৰাতি প্ৰায় ১১-৩০ মানত আহি আমি বিশ্ববিদ্যালয় পালো আৰু নিজৰ নিজৰ হোষ্টেল গৈ শুই পৰিলো দিনটোৰ স্মৃতিবিলাক ৰোমন্থন কৰি।

১৫ জানুৱাৰীত পুনৰ মহিলা মহাবিদ্যালয়ত হোৱা সভাত অংশ গ্ৰহণ কৰিলো। টোপনিয়াই টোপনিয়াই বহি থকা সেইদিনটো চিৰ স্মৰণীয়।

১৬ জানুৱাৰী, যুৱ মহোৎসৱৰ শেষৰ দিন। আমাৰ সেইদিনটোতে উভতনি যাত্ৰাৰ আৰম্ভ হোৱাৰ কথা। পাছবেলা চ'ৰা বজাৰ গ'লো, অলপ বজাৰ কৰি আহি ৫-৩০ মান বজাত হোষ্টেল পালোঁহি আৰু আমাৰ ৭ বজাত লুধিয়ানা ষ্টেচনত থকা ট্ৰেইনলৈ যাবৰ বাবে সাজু হ'লো। নিৰ্দিষ্ট সময়ত ষ্টেচনৰ পৰা ঘৰলৈ বুলি যাত্ৰা আৰম্ভ কৰিলো।

১৯ জানুৱাৰী ৰাতি ১০-৩০ বজাত শিমলুগুৰি পালোঁহি। শিমলুগুৰিত ৰাজীৱ গগৈ চাৰৰ ঘৰত এটা ৰাতি কটাই পাছদিনা ২০ জানুৱাৰীত ঘৰ আহি পালোঁহি।


পঞ্জাৱত গৈ তাৰ মানুহৰ যি আপ্যায়নৰ ব্যৱস্থা পাহৰিব নোৱাৰি। তাত গৈ এটা কথা উপলব্ধি কৰিলোঁ মানুহৰ মাজত তেজ-মঙহৰ একো সম্পৰ্ক নাথাকিলেও যে অন্তৰৰ মাজত সম্পৰ্ক স্থাপন কৰিব পাৰি। মই ভাৱো তাত গৈ কোনোৱে বেয়া পাই আহিব নোৱাৰে। প্ৰত্যেকজন দোকানীৰ পৰা আৰম্ভ কৰি যুৱ মহোৎসৱত লগ পোৱা মানুহবোৰক। ট্ৰেইনৰ এই দীঘলীয়া যাত্ৰাত আমাৰ দলটোৰ মাজত গঢ়ি উঠিছিল গাঢ় বন্ধুত্ব। ট্ৰেইনত কৰা উৎপাতবোৰ, চিঞৰ-বাখৰবোৰ সঁচাকৈ হৃদয়ৰ মণিকোঠাত সদায় সজীৱ হৈ থাকিব। এৰা এৰি হোৱাৰ সময়ত ইটোৱে-সিটোক ধৰি কন্দা সেই বেদনাদায়ক ক্ষণটোও।

আমাৰ এই যাত্ৰাত চাৰহঁতে (ৰাজীৱ গগৈ ছাৰ, জিতু শইকীয়া ছাৰ) আমাক নিজৰ ল'ৰা-ছোৱালীৰ দৰে যিমানখিনি আলপৈচান ধৰিলে পাহৰিব নোৱাৰোঁ কেতিয়াও। খোৱাৰ পৰা শোৱা পৰ্যন্ত প্ৰতিটো ক্ষেত্ৰতে আমাক যিমান সহায় কৰিলে তাৰ বাবে ছাৰহঁতক যাঁচিছো হৃদয়ৰ নিভৃততম কোণৰ পৰা অনেক কৃতজ্ঞতা।

কলেজৰ পৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ যুৱ মহোৎসৱত যোগদান কৰিবলৈ যাবৰ বাবে সুবিধা দিয়া কাৰণে আমাৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ শ্ৰীযুত অৰ্পন কুমাৰ বৰুৱা ছাৰ আৰু আমাৰ যোৱাৰ পৰা আহি পোৱা পৰ্যন্ত সকলো খবৰ ৰাখি আমাক যোগাযোগ কৰি দিয়া আমাৰ মহাবিদ্যালয়ৰ গণিত বিভাগৰ অধ্যাপক মাননীয় শ্ৰীযুত মুহিধৰ চেতিয়া ছাৰক বহুত বহুত শ্ৰদ্ধা নিবেদিছোঁ। তেওঁলোকে আমাক ইমানখিনি সহায় কৰি নিদিয়া হ'লে আমাৰ যোৱাটো সম্ভৱেই নহ'লহেঁতেন।



# একাংকিকা নাট



# আমাক এজাক বৰষুণ দিয়া

ৰূম্পী গগৈ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ, বিজ্ঞান শাখা

**ঃ চৰিত্ৰসমূহ ঃ**

ৰিমা
প্ৰিয়া
অনুৰাধা
কস্তুৰী
প্ৰিয়াৰ মাক

*(এটা ছাত্ৰী নিবাসৰ কোঠা। দুখনমান চকী পৰিপাটিকৈ সজোৱা থাকিব দুখনমান বিশৃংখল)*
*(ৰিমা, অনুৰাধা, কস্তুৰী আৰু প্ৰিয়া। প্ৰিয়াই আলোচনী পঢ়ি থাকিব। ৰিমাই ঘৰ সাৰি থাকিব, অনুৰাধাই কাপোৰ জাপিব, কস্তুৰীয়ে কিতাপ জাপিব)*
*(হঠাৎ ৰিমাই প্ৰিয়াৰ পঢ়াৰ টেবুলত .....)*

ৰিমা ঃ পণ্ডিত, ভৰি দুখন ওপৰলৈ কৰি দিব নেকি বাৰু? সাউৎকৰে ঝাড়ুটো চোচৰাই নিওঁ।

প্ৰিয়া ঃ (মুখখন বেঁকা কৰি) ওঁহ বৰ বেছি নকৰিবিচোন। আৰু শুন পণ্ডিত চেলাই নাথাকিবি। টেমা গৰম হৈ যায়।

ৰিমা ঃ পানী লাগে নেকি?

অনুৰাধা ঃ এহ এইজনী, সোনকালে সাৰ।

কস্তুৰী ঃ এই তোৰ আধাঘণ্টাৰ বেছি হৈ গ'ল জাননে?

(ৰিমা বাহিৰলৈ ওলাই যায়)

প্ৰিয়া ঃ ঐ, শুন আক' ৰিমাহঁতৰ গাঁওখন যেন কিমান ধুনীয়া ৰাতিপুৱাই উঠি চাবি সন্মুখত লানি লানি পাহাৰৰ দৃশ্য। বিশাল পথাৰ, মাজত পাহাৰৰ পৰা বৈ অহা জুৰি। আৰে পাগল হৈ যাম জান।

কস্তুৰী ঃ তোৰ পৰা আমি পাগল হওঁ। দিনৰ দিনটো কিতাপত মজি থাকিবি, আজৰি পালে তোৰ কবিতাৰ ছন্দই নিছিগে।

প্ৰিয়া ঃ নুশুনিবি আকৌ -

অনুৰাধা ঃ বচ, তহঁতৰ গাঁওখন যে আৰু ধুনীয়া। মানুহবোৰ আৰু ধুনীয়া। কথা এটা কওঁ বেয়া পাবি নেকি? (কস্তুৰীক মৰম কৰাৰ চও ধৰি)

প্ৰিয়া ঃ নাপাওঁ ক।

অনুৰাধা ঃ নাপাওঁতো। কৈছো ৰ'।

কস্তুৰী ঃ ভংগী দেখুৱাই নহয় কিন্তু।

প্ৰিয়া ঃ নকৰো বাৰু।

অনুৰাধা ঃ শুন ইয়াৰ দেউতাকৰ নাম জান নহয়। গোবিন্দ হাজৰিকা। মই যোৱা দিনাই তাইৰ ঘৰত নাম পাতিছে ময়ো আমৈৰ ওচৰতেই বহিলো। নাম গাইছে। কৃষ্ণ ৰাম নাৰায়ণ। গোবিন্দ জয় জয়।

প্ৰিয়া ঃ তাৰ পিছত।

অনুৰাধা ঃ তাইৰ মাকে কি গাইছে জান।

কৃষ্ণ ৰাম নাৰায়ন।
আমাৰ তেখেত জয় জয়।
আচলতে দেউতাকৰ নামটো

কস্তুৰী : (ঠেলি দিয়ে, আটায়ে হাঁহে)

(প্ৰিয়া আৰু অনুৰাধাই দুবাৰ মান নামটো গায়, চাপৰি বজায়। কস্তুৰীয়ে মুখ ওফন্দাই থাকে।)

অনুৰাধা : আৰু জান' এদিন হেনো তাহাতঁৰ ঘৰত পিয়ল কৰিবলৈ আহোঁতে মাকে দেউতাকৰ নামটো নকয়হে নকয়। শেষত এইলৈ ফোন কৰি কৈছে - মাজনী দেউতাৰ নামটো তুমি ডাঙৰকৈ কোৱাচোন।

(এইবাৰ কস্তুৰীয়ে হাঁহি দিয়ে)

কস্তুৰী : আৰু নবৌৰ কথা ক' আক'।

অনুৰাধা : ইয়াৰ নবৌজনী বিন্দাচ। সাংঘাতিক। এদিন আমি সকলো বহি আছো। হঠাৎ তাইৰ পৰা মোবাইলটো পৰি ঢাকনিখন এৰাই পৰিল। নবৌৱে মোবাইলটো আলফুলে তুলি আদিত্য দাৰ ওচৰত কৈছে জান Black Barry মোবাইলে জানো Nokia মোবাইলৰ দুখ বুজি পায়। Nokia মোবাইলে জানো Black Barry মোবাইলৰ হৃদয় গলাব পাৰে। (হঠাৎ প্ৰিয়াক উঠাই গাত ধৰি) তুমি যেনিবা Black barry মোৰ Nokia মনটো কেনেদৰে ভাঙিল। আদিত্য দাই কি ক'লে বাপ্পেকে।

(ৰিমা প্ৰৱেশ)

ৰিমা : বাঃ কি কথাৰ মহলা। মহাশয়া সকলে স্নান নকৰে নেকি? নহ'লৈ-

কস্তুৰী : চেনেহৰ শিক্ষাৰ্থী। আমি কলি যুগতেই স্নান কৰিলো। তুমি পিছে?

প্ৰিয়া : ৰিমাই ভাষাৰ লালিমা ক'ৰ পৰা শিকিছে জাননে? আধা মোৰ পৰা আৰু আধা তাইৰ তেখেতৰ পৰা। পণ্ডিত, মহাশয়া এইবোৰ সকলো হেল্প' ফালৰ। বেছ আমদানি কৰিছ দেই ৰিমা।

ৰিমা : ৰপ্তানিতো ভাল যে।

কস্তুৰী : Language যে শিকিছে আৰু।

ৰিমা : আচ্ছা সেইবোৰ বাদ দে। তহঁতে যে অলপ আগতে হাঁহিত ক'ব নোৱাৰা হৈ আছিলি কি কথা পাতিছিলি কচোন, মোৰ কথা নহয়তো?

কস্তুৰী : ঠিক ধৰিছ, তোৰ কথাই।

ৰিমা : জানোতো তহঁতৰ মোৰ জীৱনটোক লৈ হাঁহি, মোৰ ভৱিষ্যতকলৈ হাঁহ।

অনুৰাধা : আৰে আৰে। ইয়ালৈ আক' তোৰ life বা futureৰ কথা কেনেকৈ আহিল। সকলোৱেই একেই। আমি কি তোৰ মনৰ দুখ কথা নুবুজু। আমাৰ মনৰ কথা তোক খুলি নকওঁ? আৰু .....

কস্তুৰী : আৰু শুন, তোৰ futureৰ কথা ভাবিছ ন', চা, তোৰ মা দেউতাই তোক যেনিবা Scienceত ভাল College এখনত পঢ়াব নোৱাৰিলেই, তাতেই কিয় ইমান Tension। তই Artsত পঢ়িও বহুত ভাল Result কৰি আছ। তোৰ future বহুত Bright. Don't worry my dear Rima. Life is a battle field.

(প্ৰিয়াই অবুজ বেজাৰত টেবুলত মূৰ দি থাকিব)

অনুৰাধা : প্ৰিয়া তোৰ আক' কি হ'ল। বুজিছ, কস্তুৰী আজি ভাল কথা ক'বলে বাদে দিওঁ নেকি? এজনীক বুজালে আন এজনীয়ে কান্দে। মুখখন চিলাই থ'ব লাগিব বুজিছ। (কৃত্ৰিম খং দেখুওৱাই)

প্ৰিয়া : নহয় অ'।

ৰিমা : কি নহয় অ'। আমাৰ পৰা কথা লুকুৱাই Queen হ'ম বুলি নাভাবিবি।

প্ৰিয়া : একো কথা লুকুওৱা নাই (লাহেকৈ) কেতিয়াবা কিছুমান কথাই হৃদয়খন মোহাৰি নিয়ে জান।

অনুৰাধা : আচ্ছা তোৰ মাৰা অহাৰ কথা আছিল। কেতিয়া আহিব?

প্ৰিয়া : ৰাতিপুৱাই অহাৰ কথা আছিল। কিয় এতিয়ালৈ অহা নাই নাজানো।

কস্তুৰী : এইবোৰ কথা লৈ মন মাৰি নাথাকিবি প্ৰিয়া আমি আছো নহয়। আজি তোৰ মাক ময়ে বুজাব লাগিব।

প্ৰিয়া : কেতিয়াবা এনেকুৱা লাগে যে মোৰ জীৱনটো যেন বিৰাট ডাঙৰ এটা শূণ্য হ'বলৈ গৈ আছে। কস্তুৰীয়ে কোৱাৰ দৰে Life is a battle field. ৰণক্ষেত্ৰত যুঁজি যুঁজি হাৰি যাব খোজা এটা সৈনিক। যাৰ অন্তৰত মাত্ৰ বাজি থাকে পৰাজয়, পৰা .... জয়, পৰা .... জয়।

কস্তুৰী : তেনে কথা নকবি প্ৰিয়া।

(নেপথ্যত প্ৰিয়া, প্ৰিয়া। তেনেতে প্ৰিয়াৰ মাকৰ প্ৰৱেশ)





ৰিমা : তোৰ মাৰা আহিছে প্ৰিয়া।

প্ৰিয়া : মা।

মাক : অ' মাজনী। কি হ'ল ... ইমান মন মাৰি আছা যে। পঢ়া শুনা ভালদৰে কৰিছানে?

প্ৰিয়া : কৰিছো মা।

মাক : কৰিছা নহয় মাজনী। বহুত ভালদৰে কৰিব লাগিব। দেউতাৰাই তোমাক লৈ বহুত আশা কৰে।

কস্তুৰী আৰু অনুৰাধা : খুড়ী, আপুনি প্ৰিয়াৰ লগত অলপ বহক। আমি বাহিৰতে আছো। ৰিমা তই থাক।

(কস্তুৰী আৰু অনুৰাধা প্ৰস্থান)

মাক : মাজনী চোৱা তোমাক লৈ তোমাৰ দেউতাই কিমান সপোন দেখে। তোমাৰ কথা দেউতাৰাই লগৰ সকলোকে কৈছেয়েই ... তুমি ভাল ৰিজাল্ট কৰিবা বুলি। তুমি যেনেতেনে হ'লেও ভাল ৰিজাল্ট কৰিবই লাগিব। দেউতাৰ লগত মিঃ শৰ্মাক কৈ Medicalৰ Seat এটা থোৱাৰ কথা ক'ব Ministerক। এতিয়া তুমি মাত্ৰ পঢ়া, বাহিৰা এইবোৰ বাদ দিয়া।

প্ৰিয়া : এইখিনি কোৱাৰ আগতে তুমি মোৰ বিষয়ে এবাৰো ভাবি চোৱা নাই। তোমাৰ সন্তানে কি বিচাৰে তাকো তুমি ....।

ৰিমা : খুড়ী সঁচা, এবাৰ প্ৰিয়াক বুজিবলৈ চেষ্টা কৰক। তাইৰ কিজানিবা আন কিবা এটা কৰিয়েই জীৱন সজাব মন আছে।

মাক : মই জানো কি বিচাৰে তাই। এখিনি কবিতা লিখি, গল্প লিখি জীৱন কটাব বিচাৰে। বুৰ্বকৰ দৰে কথাবোৰ ভাবা তোমালোকে। আজিৰ যুগৰ ছোৱালী হৈ ....। আজি কালি মাত্ৰ bank balance লাগে। তাৰ বাহিৰে জীৱন শূণ্য। মাত্ৰ দুখনমান প্ৰশংসা পত্ৰ, কিছু শলাগ আৰু তাৰ পাছত শৰ্যাগত। (হাঁহি দিয়ে)

ৰিমা : নহয় খুড়ী ... আপুনি ভুল বুজিছে। জীৱনত ধনেৰে সুখী হ'ব নোৱাৰে। নিজৰ আত্মাক কষ্ট দি প্ৰিয়াই জানো সুখী হ'ব। Luxary life পাব হয় কিন্তু তাৰ পাছত life criminal নামৰ শব্দটোৱে তাইক খেদি খেদি পংগু কৰি দিব। (তাচ্ছিল্য হাঁহি মাৰি) আপোনা নিচিনা পিতৃ-মাতৃয়ে আত্মহত্যাৰ বাট দেখুওৱায়।

মাক : Shutup ... বহুত হ'ল। কোনো পিতৃ-মাতৃয়ে সন্তানৰ অহিত চিন্তা নকৰে। আত্মহত্যাৰ বাবে ঠেলি নিদিয়ে। ই মাত্ৰ সন্তানৰ সফলতাৰ বাবে কৰা যুঁজ ইয়ে পিতৃ-মাতৃৰ হাঁহি।

প্ৰিয়া : মা তুমি .....

ৰিমা : সেই হাঁহিত সন্তানৰো ইচ্ছা জানো প্ৰয়োজন নাই।

মাক : Great lost মোৰ ছোৱালী মোৰ কথা। তুমি কিয় ইমান কেপকেপাই আছা। আমাৰ মাজত তুমি নোসোমোৱাটোৱেই তোমাৰ পক্ষে ভাল।

ৰিমা : Sorry-আপুনি বুজি পাব বুলিয়ে কৈছিলো। মোৰ স্বাৰ্থত নহয়, প্ৰিয়াৰ স্বাৰ্থত। প্ৰিয়া .... তোৰ মা এনে বুলি ভৱা নাছিলো।

প্ৰিয়া : ৰিমা ৰিমা ....। মা তুমি এইবোৰ কি কৰিছা ...।

মাক : কি কৰিছো তুমি দেখা নাই। এটাই কথা মোৰ এইবোৰ সংগ ত্যাগ কৰা। ভালদৰে পঢ়া। দেউতাৰাৰ মনৰ আশা পূৰণ কৰিবই লাগিব।

প্ৰিয়া : মা তুমি তোমাৰ গৰ্ভজাত সন্তানকো বুজি নাপালা। দেউতাক এবাৰো নক'লা তোমাৰ জীৰ লগত এবাৰ মনৰ কথা পাতা বুলি। আৰু ... আৰু নক'লা তোমালোকৰ সন্তানৰ পিছতে মই মানুহ।

মাক : মা-জ-নী।

প্ৰিয়া : আৰু শুনা মা। তুমিও জানো দেউতাৰ ওচৰত ইচ্ছা, অনিচ্ছা, অনুভূতি সকলো বলি দিয়া নাই। দেউতাই জানো তোমাক টকাৰ সৈতে হাতৰ পুতলা বনাই পেলোৱা নাই। মই জানো তুমি দেউতাৰ কথাৰ কোনো প্ৰতিবাদ নকৰাকৈয়ে মানি লোৱা।

মাক : মাজনী, সেইবোৰ কথা।

প্ৰিয়া : সেইবোৰ কথাই জানো তোমাক হৃদয়ত আঘাত কৰি থকা নাই। পাথৰ হৈ যোৱা নাইনে ক'ত বিদ্ৰোহৰ শিপা।

মাক : মাজনী তুমি এইবোৰ কথা কিয় কৈছা?

(কান্দোনৰ সুৰত)

প্ৰিয়া : মা, তোমালোকৰ আশা পূৰণ কৰিম মই কিন্তু জীৱনৰ এটা সিদ্ধান্ত মোক অকলে ল'বলৈ দিয়া।

মাক : কি, মাজনী।

প্ৰিয়া : জীৱনৰ হাঁহিতো বুটলিয়েই মোক তোমালোকৰ গণ্ডীৰ পৰা অলপ দৌৰিবলৈ দিয়া। মুকলি আকাশৰ তলত এবাৰ এজাক বৰষুণত তিতিবলৈ দিয়া, এখন

গীতাৰত তাঁৰৰ কঁপনি তুলিবলৈ দিয়া, মোৰ কবিতাৰ সৈতে মিতিৰালি কৰিবলৈ দিয়া। নহ'লে নহ'লেযে তোমাৰ প্ৰাণৰ প্ৰিয়া যন্ত্ৰ হৈ যাব মা যন্ত্ৰ ......।

মাক : মাজনী (সাৰটি ধৰে) (অনুৰাধা, কস্তুৰী প্ৰৱেশ)

অনুৰাধা : প্ৰিয়া প্ৰিয়া।

কস্তুৰী : খুড়ী, নিশ্চয় বহুত ভাল খবৰ।

মাক : ভাল খবৰ, বহুত ভাল খবৰ। মোৰ প্ৰাণৰ প্ৰিয়া বহুত ডাঙৰ হ'ল, মই নজনাকৈয়ে ইমান যে ডাঙৰ হ'ল। অহ সেই তাই ক'ত গ'ল?

অনুৰাধা : কোন?

প্ৰিয়া : ৰিমা।

কস্তুৰী : ৰিমা ..... ৰিমা (ৰিমা প্ৰৱেশ)

মাক : মোক ক্ষমা কৰিবা। মই ......

ৰিমা : ক্ষমা, মোক লাজ নিদিব। মই আপোনাৰ প্ৰিয়াৰ দৰে নহয় জানো। (চৰণত ধৰে)

মাক : চৰণত নহয় মাজনী, হৃদয়ত।

প্ৰিয়া : মা

মাক : আচ্ছা, মাজনী তোমাৰ হৃদয়ৰ ভাষা শুনিম আজি। তোমাৰ কবিতা এটি আবৃত্তি কৰাচোন।

প্ৰিয়া : মা।

অনুৰাধা : কৰ আক'।

প্ৰিয়া : মই ফিনিক্স পখী
সজা ভাঙি উৰি যাবলৈ
দিয়াচোন মোক।।
এবাৰ শিথিল কৰা
তোমালোকৰ বজ্ৰকঠোৰ দুহাত
উৰি যাম ....
ফিনিক্স পখী
মোৰ তোমাৰ অন্তহীন সপোন
উৰুৱাই লৈ যাম
মুক্ত আকাশৰ সৈতে সেইবোৰক
আকাশৰ পৰা অসীমলৈ
অসীমৰ পৰা অনন্তলৈ।

অনুৰাধা : বঢ়িয়া

মাক : সুন্দৰ মাজনী। (সকলোলৈ চাই) প্ৰকৃত হৃদয় হওঁক তোমালোকৰ, বিশাল মন হওঁক তোমালোকৰ।।





# গানে গানে, সুৰে সুৰে

**নৱজ্যোতি খাণ্ডাধৰা**
স্নাতক চতুৰ্থ ষান্মাসিক, ইংৰাজী বিভাগ

**ঃ চৰিত্ৰসমূহ ঃ**

১। নয়ন
২। ময়ুৰী
৩। মৃগেন
৪। সীমান্ত
৫। নৃপেন বৰুৱা (নয়নৰ দেউতাক)
৬। মণিষা বৰুৱা (নয়নৰ মাক)
৭। ড° বিমল শইকীয়া (মহাবিদ্যালয়ৰ অধ্যক্ষ)

*(নাটখনত উপস্থাপন কৰা চৰিত্ৰকেইটা সম্পূৰ্ণ কাল্পনিক। এই নাটখনে যদি কাৰোবাৰ বাস্তৱ জীৱনৰ সৈতে মিলি যায়, তেন্তে তাৰ বাবে নাট্যকাৰ, পৰিচালক আৰু অভিনেতা-অভিনেত্ৰীসকল ক্ষমাপ্ৰাৰ্থী। নাটখনি উপস্থাপন কৰোঁতে অনেকখিনি ভুল ত্ৰুটি ৰৈ যাব পাৰে, সেই ভুল ত্ৰুটিসমূহ আঙুলিয়াই দিলে আমি নথৈ আনন্দিত হ'ম। ধন্যবাদ)*

*নিৰ্দেশনা ঃ (মঞ্চত দেখা যাব এটা মধ্যবিত্ত পৰিয়ালৰ ড্ৰয়িং ৰুম। ড্ৰয়িং ৰুমত সজ্জিত হৈ থাকিব দুখন বাইণ্ডিং চাৰ্টিফিকেট, এখন সৰু শৰাই, দুটা মেডেল, এখন হাৰমণিয়াম, এখন গীটাৰ আৰু এযোৰ তবলা।)*

*(আঁৰ কাপোৰ উঠাৰ লগে লগে দেখা যাব নয়নে গীটাৰত হাত বুলাই গীতৰ এটি ৰেৱাজ কৰি থকা।)*

নয়ন : (গীটাৰ বজোৱা বন্ধ কৰি) হে ভগৱান, আজি শিৱসাগৰ নাট্যমন্দিৰত হ'বলগীয়া প্ৰতিযোগিতাত যেন মই চিলেক্ট হওঁ।
(মৃগেনৰ প্ৰৱেশ)

মৃগেন : এহ নয়ন, তই মিছাতে কিয় ইমান চিন্তা কৰিছে? তই এইবাৰ চিলেক্ট হ'বিয়েই হ'বি। আমি সকলোৱে তোৰ বাবে ভগৱানৰ ওচৰত প্ৰাথনা জনাইছোঁ।

নয়ন : সকলোৱে মানে?

মৃগেন : মানে মই, সীমান্ত, ময়ুৰী আৰু খুড়া, খুড়ী আটাইয়ে।

নয়ন : নহয় অ' মৃগেন, সকলোৱে মোৰ বিষয়ে চিন্তা কৰিলেও, দেউতাই চাগে কোনোদিনেই মোক এই সংগীতৰ দিশত সমৰ্থন নজনাব।

মৃগেন : তই এতিয়া এইবোৰ কথা কৈ নিজকে কিয় দুৰ্বল বুলি ভাবি লৈছ। মূঠৰ ওপৰত তোৰ আজি হ'বলগীয়া প্ৰতিযোগিতাৰ বাবে তই সাজু হ'।

নয়ন : (মৃগেনৰ মুখলৈ চাই) তই ঠিকেই কৈছ অ'। পিছে সীমান্ত আৰু ময়ূৰী ক'ত?

মৃগেন : সিহঁত আহি আছে। তই তোৰ আখৰা আৰম্ভ কৰ।

নৃপেন : (হাতত মোনা এটা লৈ সোমাই আহে) কিহৰ আখৰাৰ কথা কলাহে মৃগেন।

মৃগেন : অ' খুড়া। ক'ৰ পৰা আহিলে খুড়া? হাতত দেখোন মোনা। বজাৰৰ পৰা আহিলে যেন পাওঁ।

নৃপেন : এহ নক'বা আৰু বুজিছানে। আজিকালি বজাৰত শাক-পাচলিৰ যিহে জুই চাই দাম, কিনিবই নোৱাৰি। তথাপিও বেঙেনা দুটামান আৰু দাংবদি অলপমান লৈ আনিলোঁ। পিছে তোমালোক কিহৰ ওপৰত আলোচনা কৰি আছিলা?

মৃগেন : আমি মানে খুড়া প্ৰজেক্ট এটাৰ বিষয়ে আলোচনা কৰি আছিলোঁ।

নয়ন : (মৃগেনক উদ্দেশ্যি) ঐ মৃগেন, তই দেউতাক কিয় মিছা কথা কৈছ? আচলতে দেউতা, আমি মানে আজি শিৱসাগৰত হ'বলগীয়া সংগীত প্ৰতিযোগিতাৰ বিষয়ে আলোচনা কৰি আছিলোঁ।

মৃগেন : আৰু এটা কথা খুড়া, এই প্ৰতিযোগিতাত যদি শ্ৰেষ্ঠ হিচাপে নিৰ্বাচিত হয়, তেন্তে সি অসমৰ স্বনামধন্য শিল্পী এজনৰ সৈতে গীত গাবলৈ সুযোগ পাব।

নৃপেন : হয় নে? কেৱল গান আৰু গান। গানৰ বাহিৰে যেন সি একো চিনিয়েই নোপোৱা হ'ল। কিমান দিনৰ আগতে তাক মই ক'লো যে, তই হাৰমনিয়ামখন লৈ গান গাবলৈ বাদ দে। তই এতিয়া এটা স্নাতক পৰ্যায়ৰ ছাত্ৰ, প্ৰথমে পঢ়ি শুনি লৈ ভাল চাকৰি এটা গোটাই ল'। নাই, ক'ত শুনিব মোৰ কথা। দিন নাই, ৰাতি নাই কেৱল হাৰমণিয়ামখনক লৈ ব্যস্ত থাকে।

মণিষা : (ভিতৰৰ পৰা) নয়ন অ' নয়ন দেউতাৰে বজাৰৰ পৰা আহিল নেকি? (বাহিৰলৈ আহি)অ' আপুনি আহিলে। পিছে বজাৰৰ পৰা কি কি আনিলে? (মৃগেনলৈ চাই) অ' মৃগেন দেখোন, কেতিয়া আহিলা। মই কামৰ ব্যস্ততাত ভিতৰৰ পৰা ওলায়েই আহিব পৰা নাই।

মৃগেন : বেছি সময় নাই হোৱা। আপোনাৰ ভালনে খুড়ী?

মণিষা : নাই আমাৰ নো আৰু ক'ত ভাল। দেখিছাই নহয়, দেউতাকৰ আৰু মোৰ ল'ৰাটোক লৈয়েই সদায় চিন্তা। ল'ৰাটোৱে যে গানৰ বাহিৰে যেন একোৱেই চিনি নাপায়।

নয়ন : মা, দেউতা তোমালোকে যিমানেই যি নোকোৱা কিয় মই মোৰ পঢ়া শুনাৰ লগতে সদায়েই মোৰ গীত চৰ্চা কাৰ্যটোও চলাই নিম। আৰু মৃগেন মা আৰু দেউতাক কৈ দে যে তেওঁলোকে যিমানেই বাধা নিদিয়ক কিয় মই আজি সংগীত প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিমেই। লাগিলে হাজাৰ ধুমুহা আহক তাকো নেওচি যাম।

নৃপেন : ব'লা মণিষা, ভিতৰলৈ ব'লা। ইয়াক ইমানকৈ বুজোৱাৰ সত্ত্বেও যদি ই বুজি নাপায়, তেন্তে ইয়াক আৰু বুজাই লাভ নাই। ব'লা ভিতৰলৈ ব'লা। (ভিতৰলৈ যায়।)

নয়ন : যোৱা যোৱা তোমালোকে নিজৰ মতে অটল হৈ থাকা আৰু এটা কথা শুনি লোৱা তোমালোকে যিমানেই প্ৰতিবাদ কৰিলেও মই মই সংগীত কেতিয়াও বাদ নিদিওঁ।

মৃগেন : নয়ন, তই অলপ শান্ত হ'চোন। আমি আছোঁ নহয়, তই ইমান উগ্ৰ হৈ পৰিছ কিয়?

নয়ন : (মৃগেনক উদ্দেশ্যি) মৃগেন, তই অলপ বহচোন। মই ময়ূৰীহঁত আহিছেনে নাই চাই আহো। (এইবুলি কৈ নয়নে পিছুহঁহকি বাহিৰলৈ যায় আৰু ময়ূৰীয়ে বাহিৰৰ পৰা আহি প্ৰৱেশ কৰোঁতে দুয়োৱে খুন্দা খায়, ময়ূৰী পৰি যায়।)

সীমান্ত : (ময়ূৰীৰ পিছতে সোমাই আহে) বৰ ডাঙৰ এক্সিডেন্ট এটা হ'ল কিন্তু দেই। পিছে, এই এক্সিডেন্টটোত কোন আহত হ'ল আৰু কোন বা নিহত হ'ল।

(নয়নে ময়ূৰীক ধৰি উঠাই দিয়ে আৰু ময়ূৰীয়েও লাজতে অলপ থেৰোগেৰো কৰে।)

নয়ন : ময়ূৰী, বেছিকৈ দুখঃ পালা নেকি?

ময়ূৰী : নাই নাই, মই অলপো দুখ পোৱা নাই নয়ন।

সীমান্ত : ৰাপৰে বাপ, ভগৱানৰো কি যে লীলা। একেবাৰে কিন্তু হিন্দী চিনেমা চাই থকাৰ দৰে লাগি গ'ল দেই।

ময়ূৰী : হেই এইডাল, মনে মনে থাক। কেপকেপাই নাথাকিবি।

নয়ন : (খঙেৰে) উৰহৰ খং ভগা ঢাৰিত জাৰিম কিন্তু দেই, কৈ দিলো সীমান্ত। গতিকে তোৰ এই ফটামুখখন (Direction) অলপ বন্ধ কৰি থ।

ময়ূৰী : উৰহৰ খং ভগা ঢাৰিত জাৰিবা মানে ...। কি হৈছে মোক খুলি কোৱাচোন নয়ন।

মৃগেন : মই কৈছো শুনা। কিছু সময় আহতে নয়নে খুড়া আৰু খুড়ীৰ সৈতে এখুন্দা লাগিলে। সেইবাবে তাৰ মনটো অলপ বেয়া হৈ আছে।

ময়ূৰী : খুড়া আৰু খুড়ীয়ে তোমাক কিবা বেয়াকৈ কৈছে নেকি নয়ন।

মৃগেন : তুমি চিন্তা নকৰিবা ময়ূৰী। নয়নক কোনেও বেয়াকৈ একো কোৱা নাই। নয়ন, এতিয়া আৰু পলম কৰি লাভ নাই, আমি আমাৰ আখৰা কৰিব লাগে।

সীমান্ত : (মিঠা সুৰেৰে) নয়ন মহাশয়, আহক আপুনি আপোনাৰ নিজ আসন গ্ৰহণ কৰক আৰু আখৰা আৰম্ভ কৰক। এতিয়া পলম কৰি লাভ নাই ডাঙৰীয়া। ময়ূৰী বাইদেউ, আপুনিও মহাশয়ৰ কাষতে আসন গ্ৰহণ কৰক।

নয়ন : ঐ আহ আহ আখৰা আৰম্ভ কৰোঁ আহ —'আই তোক কিহেৰে পূজিমে' (নয়নে হাৰমণিয়াম, মৃগেনে তবলা আৰু সীমান্তই গীটাৰ খন লৈ আখৰা আৰম্ভ কৰে।)

মণিষা : (হাতত চাহৰ কাপ লৈ প্ৰৱেশ) উস ৰাম, তহঁতে এই ভৰ দুপৰীয়াখন এই পে-পে-পা-পা সোপা নবজালে নহয়নে বাৰু। সকলোৱে চাহ খাই ল' (Direction) আৰু এতিয়া এই সোপা বজাই দেউতাৰৰ মূৰটো গৰম কৰি ল'ব বিচাৰিছ।

নৃপেন : (বাহিৰলৈ ওলাই আহি) তুমি ঠিকেই কৈছা মণিষা। ইহঁত গোটেই মথাই লগ লাগি মোৰ মূৰটো চোবাব বিচাৰিছে। সময় নাই অসময় নাই কেৱল গান আৰু গান। গান গাই বৰ ডাঙৰ মানুহ হ'বলৈ ওলাইছে। হেৰ ল'ৰাহঁত গান গাই কেইটা ডাঙৰ মানুহ হৈছে অ'?

মণিষা : আজি শিৱসাগৰত থকা প্ৰতিযোগিতালৈ গৈ তই কি ডাল পাবি। গতিকে তহঁতৰ এই অনুষ্ঠান অতি সোনকালে বন্ধ কৰ।

নয়ন : ওঁহো, এয়া অসম্ভৱ। মই এই প্ৰতিযোগিতা (cancel) কৰিব নোৱাৰো।

ময়ূৰী : খুড়া, খুড়ী, আপোনালোকে নয়নক ভুল বুজিছে। নয়নে কোনো বেয়া বা পাপ কাম কৰিবলৈ যোৱা নাই। গান গোৱাটো কোনো বেয়া কৰ্ম নহয় খুড়া।

মৃগেন : হয় খুড়া, ময়ূৰীয়ে ঠিকেই কৈছে। গান গোৱাটো বেয়া কাম নহয়। গান গালে বা শুনিলে মানুহৰ মন, প্ৰাণ মুকলি হৈ যায়। সংগীত মানুহৰ জীৱনত অৱসাদ বিনোদনৰ সময়ত অতিকৈ প্ৰয়োজন। সংগীতে মানুহৰ ক্লান্তময় জীৱনটোক মধুৰতম কৰি তোলে।

সীমান্ত : খুড়া, খুড়ী, শুনিবলৈ পাইছোঁ আপোনালোকো বোলে ডেকা কালত এজন সুনিপুন বিহুৱা আৰু নামজ্বলা এগৰাকী নাচনী আছিল। কিন্তু, তেনেস্থলত দুজন সংস্কৃতিবান ব্যক্তিৰ পৰা এনেকুৱা ব্যৱহাৰ পাম বুলি আশা কৰা নাছিলোঁ।

মৃগেন : আচলতে আপোনালোকক টকা পইচাই মোহে ধৰিছে। সেইবাবেই হয়তো আপোনালোকে ভাৱে যে কিবা এটা চাকৰি কৰি তাৰ জৰিয়তে উপাৰ্জন কৰি খাই বৈ জীয়াই থকাটোৱেই হ'ল জীৱন।

ময়ূৰী : তুমি উচিত কথাই কৈছা মৃগেন। আজিকালি প্ৰায়বিলাক অভিভাৱকে ভাবে যে মোৰ ল'ৰাটোক পঢ়াই শুনাই ডাঙৰ দীঘৰ কৰি ডাক্তৰ বা ইঞ্জিনিয়াৰ বনাম। কিন্তু, তেওঁলোকে ল'ৰাটো বা ছোৱালীজনীৰ মনত কি লক্ষ্য বা ভৱিষ্যত পৰিকল্পনাই খু-দুৱনি লগাই আছে সেই বিষয়ে চিন্তা নকৰে।

সীমান্ত : তেওঁলোকে কেৱল এটাই কথা জানে যে ল'ৰাটোক বা ছোৱালীজনীক যন্ত্ৰ হিচাপে ব্যৱহাৰ কৰিব লাগে।

নয়ন : (দেউতাকৰ ওচৰলৈ গৈ) দেউতা আৰু মা ইমান সময়ে যে ময়ূৰী, সীমান্ত আৰু মৃগেনে যিখিনি কথা ক'লে তাৰ পৰা বাৰু তোমালোকে কি বুজিলা মোক কোৱাচোন।

নৃপেন : হ'ব হ'ব থ। এনেকুৱা নীতিশিক্ষা মই বহুত শুনিলো। (বাহিৰত গাড়ী ৰখোৱাৰ শব্দ আৰু গাড়ীৰ হৰ্ণৰ শব্দ।)

নয়ন : ঐ সীমান্ত, কোন আহিছে চাচোন। (সকলোৱে বাহিৰলৈ চায়।) সীমান্তই অলপ আগবাঢ়ি গৈ পৰ্দাৰ ফাকেৰে চায়।)

সীমান্ত : (ভয়ৰ সুৰত) ঐ নয়ন, আমাৰ কলেজ প্ৰিন্সিপাল ছাৰ দেখোন।

মৃগেন : (আচৰিত হৈ) হাঁ, কি???

নয়ন : (আচম্বিত হৈ) প্ৰিন্সিপাল ছাৰ আজি আমাৰ ঘৰলৈ কিয় বা আহিল? দাল মে জৰুৰ কুচ কালা হ্যে।

বিমল : (বাহিৰত) ঘৰত কোনোবা আছেনে?

নয়ন : (দৰ্জাৰ মুখলৈ গৈ) অ' ছাৰ। আহক আহক, ভিতৰলৈ সোমাই আহক। পিছে ছাৰ, আপুনি নিশ্চয় কিবা কমপ্লেইন লৈ আহিছে যেন পাওঁ।

বিমল : হয়, আমি মই এনেকুৱা এটা বাৰ্তা লৈ আনিছোঁ, যিটো শুনিলে তোমালোক সকলোৱে আচৰিত হৈ যাবা।

মণিষা : ছাৰ, আমাৰ ঘৰলৈ আপুনি কিনো এনে আচৰিত হৈ যোৱা বাৰ্তা আনিছে কওকচোন বাৰু।

বিমল : আচ্ছা নয়ন, তোমাৰ বাৰু 'ৰং চেনেলত' 'সংগীতৰ মহাযুদ্ধ' নামৰ এটি অনুষ্ঠানৰ বাবে অডিছন দিয়া মনত

পৰেনে?

নয়ন : হয়, ছাৰ, মনত পৰিছে ছাৰ।

নৃপেন : (আচৰিত হৈ) অভিছ্নি। সংগীতৰ অভিছ্নত তই।

নয়ন : তুমি ইমান আচৰিত হৈছা কিয় দেউতা।

মণিষা : তই আমাক নোকোৱাকৈ ইমান দূৰলৈ গুচি গলি। কিন্তু, আমি গমকেই নাপাওঁ।

বিমল : হয়, নয়নে ইতিমধ্যে আপোনালোকৰ ঘৰখনে যে তাক সংগীতৰ ক্ষেত্ৰত সমূলি সমৰ্থন নকৰে সেই বিষয়ে মোক জনাইছিল। সেই বাবেময়েই তাক আৰ্থিক দিশত আৰু গুৱাহাটীলৈ অহা-যোৱা কৰাত সহায় কৰিছিলোঁ আৰু আজি মই ইয়াকেই ক'বলৈ ইয়ালৈ আহিলোঁ যে নয়ন সংগীতৰ অভিনছ্নত নিৰ্বাচিত হৈছে। অহা ২৮ তাৰিখ বুধবাৰে নয়নক গীত গাবলৈ গুৱাহাটীলৈ নিমন্ত্ৰণ জনোৱা হৈছে! নয়নৰ সৌভাগ্য যে সেইদিনা অনুষ্ঠানটিত এগৰাকী বিশিষ্ট সংগীত শিল্পী উপস্থিত থাকিব।

*(খবৰটো শুনি নয়নৰ লগতে সীমান্ত, মৃগেন, আৰু ময়ূৰীয়েও আনন্দত আত্মহাৰা হৈ পৰে। নয়নৰ মাক-দেউতাকৰ দুচকুৰে দুধাৰি চকুলো বৈ আহে আৰু নয়নক সাৱটি ধৰে।)*

ময়ূৰী : Congratulation নয়ন।

বিমল (প্ৰি) : Congratulations, my dear son.

নৃপেন : নয়ন, পাৰিলে আমাক ক্ষমা কৰি দিবি। আমি নভবা নিচিন্তাকৈয়ে তোৰ অন্তৰত বহুত আঘাত দিলোঁ। আচলতে ধনৰ মোহত পৰি ভাবিছিলোঁ যে টকাই সৰ্বস্ব, আমি অতদিনে তোক বুজিবই পৰা নাছিলো অ'।

মণিষা : নয়ন, তই সঁচাকৈয়ে বুকুৰ আমঠু অ'। আমি ভাবিছিলোঁ পঢ়ি-শুনি ভাল চাকৰি এটা কৰি টকা উপাৰ্জন কৰিলেহে জীৱনটো গঢ় দিব পাৰি। কিন্তু আজি শইকীয়া ছাৰৰ কথাষাৰে আন্ধাৰৰ পৰা পোহৰৰ জগতখনলৈ লৈ আনিলে। সেয়েহে আজি আমি নয়ন বৰুৱাৰ পিতৃ-মাতৃ হিচাপে ধন্য।

বিমল (প্ৰি): ঠিক আছে, মই তেন্তে আজিলৈ আহোঁ।

নৃপেন : ছাৰ, আপুনি আগতে কেতিয়াও আমাৰ ঘৰলৈ অহা নাই। আজি এই সু-বাৰ্তাটোৱে আপোনাক আমাৰ ঘৰলৈ আহিবলৈ বাধ্য কৰালে। গতিকে আপোনাক আজি একাপ চাহ নুখুওৱাকৈ বিদায় দিব নোৱাৰোঁ।

বিমল (প্ৰি) : নাই নাই, চাহ নকৰিলেও হ'ব। বেলেগ এদিন চাহ খোৱাকৈ আহিম। আজি মোৰ কলেজতো বহুতো কৰিবলগীয়া কাম আছে।

মণিষা : ভাল বাৰু ছাৰ। ছাৰ আপুনি যদি বেয়া নাপাই, তেন্তে আমি দুয়োৰে আপোনাক অলপ আগবঢ়াই দিওঁ।

বিমল : ব'লা তেন্তে। (নয়নক উদ্দেশ্যি) নয়ন মোৰ ফালৰ পৰা আগতীয়াকৈ অল দ্যা বেষ্ট।

নয়ন : (ছাৰৰ চৰণ ধৰি) আশীৰ্বাদ কৰিব ছাৰ।

বিমল : এহ, কি কৰা? হ'ব হ'ব উঠা। আজিলৈ আহোঁ। (ড° বিমল শইকীয়া, নৃপেন আৰু মণিষাৰ প্ৰস্থান।)

(মৃগেনে সীমান্তক কাণতে ফুচফুচাই কিবা এটা কয় আৰু সীমান্তই কথাটো বুজি পোৱাৰ ইংগিত দিয়ে।)

সীমান্ত : (গহীন খোজেৰে নয়নৰ কাষলৈ গৈ) আচ্ছা নয়ন তইতো তোৰ এটা জীৱনৰ লক্ষ্য পূৰণ কৰিলি। পিছে ...., তোৰ আনটো লক্ষ্য কেতিয়া পূৰণ কৰিবি?

নয়ন : তহঁতক আজি ৰ'। (সীমান্তক খেদি যায়)

সকলোৱে Freeze হৈ যায়।

(গীত : মোৰ গান হওঁক ..... এক সত্য প্ৰশস্তিৰ গান।)



# সম্পাদকীয় প্ৰতিবেদন



# উপ-সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক্ বুলনিতে যিসকল ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত জ্ঞানৰ মন্দিৰ সোণাৰি মহাবিদ্যালয়খনি গঢ় লৈ উঠিল তেওঁলোকক শ্ৰদ্ধাৰে সুঁৱৰিছো। লগতে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় শ্ৰীযুত অপৰ্ণ কুমাৰ বৰুৱা ছাৰ আৰু সমূহ কৰ্মচাৰীবৃন্দলৈ শ্ৰদ্ধা জ্ঞাপন কৰিছো।

২০১৩-১৪ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত উপ-সভাপতিৰ পদত নিৰ্বাচিত কৰি মহাবিদ্যালয় সেৱা আগবঢ়োৱাৰ বাবে সুযোগ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ ধন্যবাদ জ্ঞাপন কৰিছো। বিগত কাৰ্যকালত ছাত্ৰ একতা সভাৰ অন্যান্য বিষয়ববীয়াৰ কাম কাজত সহায় সহযোগ আগবঢ়ালো যদিও যি উদ্যোগ লৈ উপ-সভাপতি পদত অধিষ্ঠিত হৈছিলো, সেই উদ্দেশ্যত সফল হ'ব নোৱাৰিলো।

শেষত মোৰ কাৰ্যকালত হোৱা বিভিন্ন ভুল-ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিছো। অনাগত দিনত সোণাৰি মহাবিদ্যালয়ে যেন উন্নতিৰ জখলাত আগুৱাই যায় তাৰে কামনা কৰি প্ৰতিবেদন সামৰিছো।

জয়তু সোণাৰি মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা

**শ্ৰী নুপম খাখলাৰী**
উপ-সভাপতি
সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০১৩-১৪ বৰ্ষ

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



পাতনিতে মই অসমৰ জাতীয় সংকটৰ সময়ত জীৱন উছৰ্গা কৰা জ্ঞাত-অজ্ঞাত, মহান শ্বহীদ সকললৈ শ্ৰদ্ধাঞ্জলি যাচিলোঁ। মোৰ এই কাৰ্যকালৰ অন্তিম দিনত মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় প্ৰমূখ্যে মহান শিক্ষাগুৰুলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলোঁ।

সাগৰৰ বুকুত মাণিক বিচৰাৰ দৰে সোণাৰি মহাবিদ্যালয়লৈ এদিন মই আহিছিলো জ্ঞানৰ মাণিক বিচাৰি। সোণাৰি মহাবিদ্যালয়ত নামভৰ্তি কৰা দিনৰে পৰা মোৰ এই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হোৱাৰ প্ৰৱল ইচ্ছা মনত পুহি ৰাখিছিলো আৰু মোৰ এই ইচ্ছাক বাস্তৱত ৰূপায়িত কৰা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ হিয়াভৰা মৰম যাচিলোঁ। কিন্তু ভবা নাছিলো এই দায়িত্ব যে ইমান গধুৰ হ'ব। অৱশ্যে দায়িত্ব যিয়েই নহওঁক, সামাজিক সেৱা কৰাৰ ইচ্ছা থকাৰ বাবে মই সকলো সময়তে অন্য বিষয়-ববীয়াসকলৰ সৈতে একাত্মভাৱে যিকোনো কামেই সফল ৰূপয়ানত পিছপৰি থকা নাছিলো। সীমিত অভিজ্ঞতা আৰু মহাবিদ্যালয়খনিৰ সৰু-ডাঙৰ সকলো সমস্যা সমাধানৰ বাবে পাৰ্যমানে চেষ্টা কৰিছিলো। যিহেতু সাধাৰণ সম্পাদকৰ দৰে এটি গুৰু দায়িত্ব পালনৰ ক্ষেত্ৰত বহুতো বাধা-বিঘিনি অতিক্ৰম কৰিবলগীয়া হয়। এনে বাধা-বিঘিনি নেওচি নিজৰ দায়িত্ব পালনৰ সময়ছোৱাত যদি মই বা আমাৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াই অজানিতে দোষ কৰিলোঁ তেনেহ'লে মই সকলোৰে হৈ আপোনালোকৰ আগত ক্ষমা প্ৰাৰ্থনা জনালোঁ।

ছাত্ৰ সকলৰ ওপৰতে দেশৰ ভৱিষ্যৎ নিৰ্ভৰ কৰে। ছাত্ৰ শক্তি প্ৰৱল আৰু বিৰাট। সেয়ে দেশত অবাধে চলা দুৰ্নীতি, শোষণ, অন্যায়, অবিচাৰ, উৎপীড়ন আদিৰ বিৰুদ্ধে ছাত্ৰসকলৰ প্ৰতিবাদী কণ্ঠ খোল-খোৱা নিতান্তই প্ৰয়োজন। সেয়ে মই এই প্ৰতিবেদনৰ জৰিয়তে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক ক'ব বিচাৰিছো যে এক আমূল পৰিৱৰ্তনৰ প্ৰয়োজনৰ সময়ত ছাত্ৰসকল আৱেগৰ বশৱৰ্তী নহৈ আৰু অস্থিৰতাক প্ৰশয় নিদি সমাজৰ ভাঁজ লাগিব ধৰা মেৰুদণ্ডক পোনাবলৈ আত্মনিয়োগ কৰা উচিত। এনে কৰিব যাওঁতে আমি ছাত্ৰাৱস্থাতে যত্ন কৰিব লাগিব ধৰা মেৰুদণ্ডক পোনাবলৈ আত্মনিয়োগ কৰা উচিত। এনে কৰিব যাওঁতে আমি ছাত্ৰাৱস্থাতে যত্ন কৰিব লাগিব। কিন্তু ইয়াৰ বিপৰীতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এইবোৰৰ প্ৰতি কিবা অনীহাহে পৰিলক্ষিত হয়। আজিৰ দিনত মহাবিদ্যালয়ত কিবা বিকাশমূলক অনুষ্ঠান বা সভা পাতিলে তেওঁলোকে তাত উপস্থিত থাকি অংশ গ্ৰহণ কৰাৰ বিপৰীতে বিৰত থকাৰহে চেষ্টা চলায়। আনিক 'মহাবিদ্যালয় সপ্তাহ'ৰ দৰে এক বিৰাট আত্মপ্ৰকাশৰ থলতো ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই নগণ্য। সামাজিক সেৱাটো অংশগ্ৰহণ কৰে কেইজনমান ছাত্ৰ-ছাত্ৰীয়ে। গতিকে ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়নৰ লগতে সামাজিক দিশতো জড়িত হৈ ছাত্ৰ শক্তিক গৌৰবোজ্জ্বল কৰি তুলিবলৈ সবল নেতৃত্বৰে আগুৱাই যোৱাৰ লগতে অনাগত দিনত মহাবিদ্যালয়ৰো গৌৰৱ কঢ়িয়াই আনিব বুলি আশা ৰাখিলোঁ।

মোৰ কাৰ্যকালতে মহাবিদ্যালয়ৰ বিগত বৰ্ষৰ বৈ যোৱা কাৰ্যপন্থাসমূহৰো সফল ৰূপায়নৰ চেষ্টা চলাইছিলোঁ যদিও আঁচনিসমূহৰ অধিকাংশই বাস্তৱত পৰিণত কৰাত সফলতাৰ দুৱাৰ দলি পায়ো বিফল হ'ব লগা হোৱাৰ মূলতে আছিল আমাৰ ছাত্ৰ একতা সভাৰ এক টনকীয়াল পুঁজিৰ অভাৱ। গঠনমূলক কাম কৰাৰ আঁচনি গ্ৰহণত আমাৰ একতা সভাৰ সীমিত পুঁজিয়ে বাধাৰ সৃষ্টি কৰে। তথাপিও মোৰ কাৰ্যকালত বহুতো গঠনমূলক কাম আগবাঢ়িল বুলি মোৰ ধাৰণা। মোৰ কাৰ্যকালত বিভিন্ন সময়ত কৰি যোৱা কাৰ্যসমূহৰ বিৱৰণ তলত থুলমূলকৈ দাঙি ধৰিলোঁ -

পালন কৰা কাৰ্যসূচীসমূহৰ ভিতৰত আছিল ঃ-





১। দায়িত্বভাৰ গ্ৰহণ কৰিয়েই মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ সভাপতিত্বত ছাত্ৰ একতা সভাৰ ক্ৰমে প্ৰথম আৰু দ্বিতীয় খন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰা হয়।

২। মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ সভাপতিত্বত আলোচনী সম্পাদক তথা মোৰ সতীৰ্থ কল্যাণ গগৈৰ উদ্যোগত অনুষ্ঠিত সভাত মহাবিদ্যালয়ৰ আলোচনী 'সোণালী' প্ৰকাশৰ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়।

৩। ১৭ চেপ্তেম্বৰ, ২০১৩ তাৰিখে বিশ্বকৰ্মা পূজা আয়োজন কৰা হয়।

৪। ২ অক্টোবৰ, ২০১৩ তাৰিখে 'গান্ধী জয়ন্তী' উদ্‌যাপন কৰা হয়।

৫। ৯ অক্টোবৰ, ২০১৩ তাৰিখে মহাবিদ্যালয়ৰ উদ্যোগত চাফাই কাৰ্যসূচী ৰূপায়ন কৰা হয়।

৬। ৯ নবেম্বৰ, ২০১৩ তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ জৰুৰী সভা অনুষ্ঠিত কৰা হয়। এই সভা অধ্যক্ষ মহোদয়ৰ সভাপতিত্বত কৰা হয়। এই সভাত অধ্যক্ষ মহোদয়ৰ সভাপতিত্বত বাৰ্ষিক ক্ৰীড়া সমাৰোহৰ ওপৰত আলোচনা কৰা হয়।

৭। ১৬ ডিচেম্বৰৰ পৰা ২৪ ডিচেম্বৰলৈ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ অনুষ্ঠিত কৰা হয়।

৮। ১৯ৰ পৰা ২৫ ডিচেম্বৰ তাৰিখলৈ আন্তঃমহাবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

৯। মোৰ কাৰ্যকালত জানুৱাৰী মাহত ৫ তাৰিখৰ পৰা ১৫ তাৰিখলৈ সাংস্কৃতিক সম্পাদকৰ সহায়ত এখনি নাটক কৰ্মশালা অনুষ্ঠিত কৰা হয়।

১০। ২৯ জানুৱাৰী, ২০১৪ তাৰিখে মহাবিদ্যালয়ত সৰস্বতী পূজা সম্পৰ্কত এখনি কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰা হয়।

১১। ৪ ফেব্ৰুৱাৰী, ২০১৪ তাৰিখে মহাবিদ্যালয়ত সমূহ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰীৰ উপস্থিতিত সৰস্বতী পূজা আয়োজন কৰা হয়।

১২। মোৰ কাৰ্যকালতে ৮ ফেব্ৰুৱাৰী, ২০১৪ তাৰিখে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত সদৌ অসম ভিত্তিক মুকলি তৰ্ক প্ৰতিযোগিতা আৰু ৯ তাৰিখে চৰাইদেউ মহকুমা ভিত্তিক হয়।

১৩। মোৰ কাৰ্যকালতে ৮ মাৰ্চ, ২০১৪ তাৰিখে মহাবিদ্যালয়ৰ নাৰী সুৰক্ষা সমিতিৰ উদ্যোগত নাৰী দিৱস উদ্‌যাপন কৰা হয়। ইয়াৰ লগত সংগতি ৰাখি থলিতে লিখা কবিতা আৰু শ্ল'গান প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

১৪। মোৰ কাৰ্যকালতে ৩ মে', ২০১৪ তাৰিখে ৫ বছৰীয়া দীঘলীয়া বিৰতিৰ মূৰত ষষ্ঠ যান্মাষিকৰ বিদায়ী ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে এখনি বিদায় সভা অনুষ্ঠিত কৰা হয়।

১৫। মোৰ কাৰ্যকালতে ১ জুলাই, ২০১৪ তাৰিখে শিৱসাগৰ জিলাৰ উপায়ুক্ত মহোদয়ৰ উপস্থিতিত 'শিৱসাগৰ দিৱস' উদ্‌যাপন কৰা হয়। ইয়াৰ লগত সংগতি ৰাখি এখনি তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

১৬। ২৮ জুলাই ২০১৪ তাৰিখে নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়।

১৭। ৫ আগষ্ট, ২০১৪ তাৰিখে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত কৰা হয়।

১৮। ৫ চেপ্তেম্বৰ, ২০১৪ তাৰিখে শিক্ষক দিৱস উদ্‌যাপন কৰা হয়।

১৯। ১৪ চেপ্তেম্বৰ, ২০১৩ তাৰিখে প্ৰবাসী অসমীয়া সমাজ আৰু অসমীয়া ভাষা সংস্কৃতিৰ ওপৰত অনুষ্ঠিত সভাত শ্ৰীযুত ইছলাম হুচেইনক বিশিষ্ট অতিথিৰূপে নিমন্ত্ৰণ কৰা হয়।

২০। মোৰ কাৰ্যকালতে মহাবিদ্যালয়ত 'জীৱন' নামৰ আলোচনী সম্পৰ্কে এক আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়।

২১। মোৰ কাৰ্যকালতে মহাবিদ্যালয়ৰ ছাত্ৰী নিবাস সংযোগী পথটো আৰু লগতে পুথিভঁৰালৰ পথটো পকী কৰা হয়।

২২। মোৰ কাৰ্যকালতে মহাবিদ্যালয়ৰ সন্মুখত খেলপথাৰৰ কাষত ছাত্ৰ-ছাত্ৰীসকলে জিৰণি ল'বৰ বাবে অতিৰিক্ত পকী বেঞ্চৰ সুবিধা কৰা হয়।

২৩। মোৰ কাৰ্যকালতে মহাবিদ্যালয়ৰ ছাত্ৰ নিবাস সংযোগী পথটো পকী কৰা হয়।

২৪। মহাবিদ্যালয়ৰ খোৱা পানীৰ ব্যৱস্থা উন্নত কৰা হয়।

২৫। নৱাগত ছাত্ৰ-ছাত্ৰীক ৰেগিং কৰাত কঠোৰ বাধা প্ৰদান কৰাৰ ব্যৱস্থা লোৱা হয়।

২৬। সাধাৰণ সম্পাদকৰ নামফকলখন পুন নিৰ্মাণৰ লগতে গত বৰ্ষৰ সমূহ বিষয়ববীয়াৰ নামফলক নিৰ্মাণ কৰা হয়।

২৭। মোৰ কাৰ্যকালতে মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসলৈ ব্যক্তিগত ভাৱে মই দহখন কিতাপ প্ৰদান কৰো।

কৃতজ্ঞতাৰ শৰাই ঃ

আমাৰ কাৰ্যকালত বিভিন্ন দিহা-পৰামৰ্শ তথা অফুৰন্ত

সহযোগিতা, মৰম আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষা মহোদয়াৰ লগতে শিক্ষাগুৰু আৰু কৰ্মচাৰী বৃন্দলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। মহাবিদ্যালয়ৰ প্ৰতিটো কাৰ্যসূচী সাফল্যমণ্ডিত কৰি তোলৰ বাবে মোক সকলো সময়ত সহায় সহযোগিতা আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া তথা প্ৰতিটো ক্ষেত্ৰতে মোৰ লগত ছাঁৰ দৰে থাকি অশেষ কষ্ট স্বীকাৰ কৰি সহায় আগবঢ়োৱা প্ৰদ্যুম্ন দা, কল্যাণ, ত্ৰিদিপ, পূজা, কাশ্মীৰি, কল্যাণী বা, চুমচুম বা, চন্দ্ৰসাঁচ দা, অসীম দা, মুকুতা, পৰাণ দা, সৌৰভ, কৌস্তৱ, শচীন তাৰোপৰি ছাত্ৰী নিবাসৰ সমূহ আৱাসী তথা ছাত্ৰ নিবাসৰ সমূহ আবাসীৰ লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বসন্তদাদা আৰু ৰাজীৱ দালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত আমাৰ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত আৰু সু-খ্যাতি কামনা কৰি প্ৰতিবেদন সামৰিলো।

'জয়তু সোণাৰি মহাবিদ্যালয়'

'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'

শ্ৰী অভিনৱ লাহন

সাধাৰণ সম্পাদক

সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা

২০১৩-১৪ বৰ্ষ।







# সহকাৰী সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সোণাৰি মহাবিদ্যালয়ৰ পৰম শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ সকলো শিক্ষাগুৰুলৈ তথা মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো। লগতে সেই মহান ব্যক্তিসকললৈ মোৰ অন্তৰৰ নিভাঁজ কোণৰ পৰা একাঁজলি শ্ৰদ্ধা জনাইছো যিসকলৰ অশেষ কষ্ট, যত্ন আৰু ত্যাগৰ ফলত এই জ্ঞানৰ মন্দিৰ 'সোণাৰি মহাবিদ্যালয়' গঢ় লৈ উঠিল।

২০১৩-১৪ বৰ্ষটিত মোক মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাত সহকাৰী সাধাৰণ সম্পাদিকা পদলৈ নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুযোগ দিয়াসমূহ শুভাকাংক্ষীলৈ ধন্যবাদ জনাইছো। বিগত বৰ্ষটিত ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদিকা হিচাপে অন্যান্য বিষয়ববীয়াসকলক সহায়-সহযোগ আগবঢ়াইছিলো। মই এই বছৰটোত সহকাৰী সাধাৰণ সম্পাদিকা হিচাপে মহাবিদ্যালয়ৰ হকে কিমান কি কৰিব পাৰিলো নাজানো কিন্তু যিমান পাৰো কৰিবৰ চেষ্টা কৰিছিলো।

শেষত মোৰ কাৰ্যকালত বিভিন্ন ক্ষেত্ৰত সহায় সহযোগিতাৰ লগতে সু-দিহাপৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় শ্ৰদ্ধাৰ অৰ্পন কুমাৰ বৰুৱা ছাৰকে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীক কৃতজ্ঞতাৰ লগতে অভিনন্দন জনাই মোৰ অজানিতে হোৱা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিছো।

'জয়তু সোণাৰি মহাবিদ্যালয়'

'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'

শ্ৰীমতী কাশ্মিৰী গগৈ

সহকাৰী সাধাৰণ সম্পাদিকা

সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা - ২০১৩-১৪বৰ্ষ

# গুৰু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



সম্পাদীয়ক একলমৰ পদূলি মুখতে নিবেদিছো সশ্ৰদ্ধ একাজলি শ্ৰদ্ধা কোটি কোটি প্ৰণাম আৰু অন্তৰৰ গভীৰ কোণৰ পৰা অফুৰন্ত কৃতজ্ঞতা সেইসৱলৈ যিসকল দুৰদৰ্শী পৰম শুভাকাংক্ষী তথা মহান ব্যক্তিৰ সান্নিধ্য লাভ কৰি সোণাৰি মহাবিদ্যালয়ে জন্ম লগ্নৰ পৰা বটবৃক্ষে পুষ্পিত হৈ সুভাসিত কৰিলে চৌদিশে। লগতে সোণাৰি মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় তথা সন্মানীয় শিক্ষাগুৰু আৰু ছাত্ৰীলৈ শ্ৰদ্ধা আৰু মৰম যাচিলোঁ।

সোণাৰি মহাবিদ্যালয়ৰ দৰে এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ ২০১৩-১৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ লঘু ক্ৰীড়া বিভাগৰ সম্পাদক সম্পাদক পদত মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়াইছিলো। মোৰ কাৰ্যকালত ছাত্ৰ-ছাত্ৰীসকলক ক্ৰীড়াৰ দিশত কিমানদূৰ আগবঢ়াই নিব পাৰিলো, সেইটো আপোনালোকৰ বিচাৰ্যৰ বিষয়।

মই দায়িত্বভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতেই মোৰ প্ৰথম আৰু প্ৰধান কাম আছিল মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ অধীনৰ সকলোবোৰ খেল অনুষ্ঠিত কৰিছিলো। মোৰ কাৰ্যকালত বাৰ্ষিক ক্ৰীড়া সমাৰোহত ছাত্ৰ-ছাত্ৰীসকলৰ অংশ গ্ৰহণো আগৰ বছৰ তুলনাত কিছু বেছি আছিল। সেই কাৰণে মই এই আপাহতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এইদৰে বাৰ্ষিক ক্ৰীড়া সমাৰোহত অংশ গ্ৰহণ কৰি এই মহাবিদ্যালয়ৰে পৰা ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় পৰ্যায়ত অংশ গ্ৰহণ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিব আশা কৰিলো।

মোৰ কাৰ্যকালত আমাৰ মহাবিদ্যালয়ৰ পৰা প্ৰথমবাৰ আন্তঃমহাবিদ্যালয় ভলীবল প্ৰতিযোগিতাৰ বাবে নাহৰকটীয়া মহাবিদ্যালয়লৈ গৈছিলো আৰু আমাৰ দলটোৱেই এই প্ৰতিযোগিতাৰ পৰা কিছু অভিজ্ঞতা গোটাবলৈ সক্ষম হৈছে বুলিয়েই অনুমান কৰিছো। আৰু আমাৰ মহাবিদ্যালয়ৰ খেল পথাৰত মাণ্ডলিক আন্তঃমহাবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। য'ত আমাৰ দলটো বিজয় হৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত কোৱাৰ্টাৰ ফাইনেল খেলিব গৈছিল।

শেষত মোৰ এবছৰীয়া কাৰ্যকালত মোৰ কাৰ্য সুচাৰুৰূপে পৰিচালনা কৰাত মই প্ৰধানকৈ মোৰ উপদেষ্টা শ্ৰীযুত দিব্যজ্যোতি কোঁৱৰ, জ্যোতি প্ৰসাদ ফুকন ছাৰক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰোপৰি মোৰ প্ৰতিটো কাম কাজতে যিসকল বন্ধু, দিপাংকৰ বৰুৱা, সৌৰভ, মনবাহাদুৰ লামা, দিপাংকৰ গগৈ, পৰাণ দা, ৰিতু দা, বিটু দা, চিৰঞ্জীৱ দা, ৰূপম দা ইত্যাদি আৰু মহাবিদ্যালয় ছাত্ৰাবাসৰ দাদা আৰু ভাইটি সকলৰ ওচৰৰত সদায় মই চিৰকৃতজ্ঞ হৈ ৰ'ম।

সদৌ শেষত মোৰ কাৰ্যকালত অনিচ্ছাকৃতভাৱে যদি মোৰ কিবা ভুল-ত্ৰুটি হৈছিল তাৰ বাবে মই সদৌটিৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো। লগতে আগন্তুক বৰ্ষ কেইটা যাতে গুৰু ক্ৰীড়া বিভাগটো অধিক বলিষ্ঠতাৰে কাৰ্যক্ষম হৈ উঠে আৰু সোণাৰি মহাবিদ্যালয় ভৱিষ্যৎ উজ্জ্বল কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলো।

'জয়তু সোণাৰি মহাবিদ্যালয়'
'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'

শ্ৰী কিৰণজ্যোতি হাজৰীকা
সম্পাদক
গুৰু ক্ৰীড়া বিভাগ
২০১৩-১৪ বৰ্ষ।







# লঘু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

সম্পাদকীয় একলমৰ প্ৰাক্ মুহূৰ্ততে যিসকল ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত সোণাৰিত এই জ্ঞানৰ মন্দিৰটি প্ৰাণ পাই উঠিছিল, সেইসকলৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

প্ৰতিবেদনৰ আৰম্ভণিতেই বৰ্তমানৰ সোণাৰি মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় শ্ৰীযুত অৰ্পণ কুমাৰ বৰুৱা ছাৰ, মাননীয় উপাধ্যক্ষ মহোদয়া শ্ৰীযুতা ৰাণু মহন বাইদেউকে প্ৰমুখ্য কৰি অধ্যাপক-অধ্যাপিকা আৰু সমূহ কৰ্মচাৰীবৃন্দ তথা সমূহ ছাত্ৰ-ছাত্ৰী সকলোলৈকে মোৰ শ্ৰদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰিছো।

২০১৩-১৪ বৰ্ষৰ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত 'লঘু ক্ৰীড়া বিভাগৰ সম্পাদক' হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱ আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে এই ছেগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ ধন্যবাদ জ্ঞাপন কৰিছো।

সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত মোৰ প্ৰথম কাম হৈছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰ মাজত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় খেলসমূহত 'সোণাৰি মহাবিদ্যালয়'ক অংশগ্ৰহণ কৰোৱা। মোৰ সৌভাগ্য যে মোৰ কাৰ্যকালত আমাৰ মহাবিদ্যালয়ে প্ৰথমবাৰৰ বাবে আন্তঃমহাবিদ্যালয় 'টাইকোৱাণ্ড' প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি মহাবিদ্যালয়ৰ এজন ছাত্ৰই পুৰষ্কাৰ বুটলিবলৈ সক্ষম হৈছিল। তাৰ পিছতেই মোৰ দায়িত্ব আছিল মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ খেলসমূহ সুকলমে অনুষ্ঠিত কৰা। সেই গতিকে মই বাৰ্ষিক ক্ৰীড়া সপ্তাহত মোৰ বিভাগৰ অন্তৰ্গত খেলসমূহ অনুষ্ঠিত কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিলো আৰু মই ভাবো খেল সমূহ অনুষ্ঠিত কৰাত মই সফলো হৈছিলো। মহাবিদ্যালয়ৰ অধ্যয়নকৃত বহুতো ছাত্ৰ-ছাত্ৰীৰ মাজত 'টাইকোৱাণ্ড' খেলবিধৰ প্ৰতি আগ্ৰহ দেখি মই মোৰ এই চমু এবছৰীয়া কাৰ্যকালত মহাবিদ্যালয়ত এটা 'টাইকোৱাণ্ড' প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰিলো। মই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসমূহৰ মাজত লঘু ক্ৰীড়া বিভাগৰ অন্তৰ্গত খেলসমূহৰ প্ৰতি আগ্ৰহ আনিবলৈ চেষ্টা কৰিছিলো আৰু তেওঁলোকক খেলৰ এক বাতাবৰণ দিব বিচাৰিছিলো।

মহাবিদ্যালয়ৰ সম্পাদক হিচাপে মোৰ এই এবছৰীয়া কাৰ্যকালত মই কিমানদূৰ সফল হ'লো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়।

মোৰ এই এবছৰীয়া কাৰ্যকালৰ কাৰ্যসূচীসমূহ সূচাৰুৰূপে পৰিচালনা কৰাত সু-দিহা পৰামৰ্শ আগবঢ়োৱা লঘু ক্ৰীড়া বিভাগৰ উপদেষ্টা শ্ৰীযুত উৎপল কোঁৱৰ ছাৰ আৰু শ্ৰীযুত নবীন গগৈ ছাৰলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো আৰু প্ৰতিটো কামতে মোক সহায় কৰা ছাত্ৰ একতা সভাৰ বিষয় ববীয়াসকলৰ লগতে মোৰ সকলো বন্ধু-বান্ধৱী, দাদা-বাইদেউ আৰু ভাইটি-ভণ্টিলৈ ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সৰ্বশেষত মোৰ কাৰ্যকালত হৈ যোৱা অনিচ্ছাকৃত ভুলসমূহৰ বাবে আপোনালোক সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো আৰু মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিছো।

'জয়তু সোণাৰি মহাবিদ্যালয়'
'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'

শ্ৰী মৃগাংক হাতীমুৰীয়া
লঘু ক্ৰীড়া বিভাগৰ সম্পাদক
২০১৩-১৪ বৰ্ষ।

# ২০১৩-১৪ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ লঘু ক্ৰীড়া বিভাগৰ প্ৰতিযোগিতাৰ ফলাফলসমূহ

**বেডমিণ্টন ঃ**

**ল'ৰাৰ একক শাখা ঃ**
প্ৰথম ঃ মঃ আৰিফ ৰহমান
দ্বিতীয় ঃ মানস দিহিঙ্গীয়া
তৃতীয় ঃ ৰাজু বাউৰী

**ছোৱালী একক শাখা ঃ**
প্ৰথম ঃ দৃৰ্শা শইকীয়া
দ্বিতীয় ঃ পলি বুঢ়াগোহাঁই
তৃতীয় ঃ অনিচা দত্ত

**ল'ৰা দ্বৈত শাখা ঃ**
প্ৰথম ঃ মানস দিহিঙ্গীয়া, বিমান গগৈ
দ্বিতীয় ঃ সঞ্জয় গগৈ, মঃ ওৱাচিম হুছেইন
তৃতীয় ঃ মৃগাংক হাতীমুৰীয়া, প্ৰাণজিৎ সেনগুপ্তা

**ছোৱালী দ্বৈত শাখা ঃ**
প্ৰথম ঃ সুনিতা পাৰমাণিক, জেবিন চুলতানা
দ্বিতীয় ঃ অনিচা দত্ত, নাজমা বেগম
তৃতীয় ঃ পম্পী কলিতা, অংকিতা দাস

**ল'ৰা-ছোৱালী দ্বৈত শাখা ঃ**
প্ৰথম ঃ বিমান গগৈ, দীশা শইকীয়া
দ্বিতীয় ঃ প্ৰাণজিৎ দে, পম্পী কলিতা
তৃতীয় ঃ অনিল ওজা ফুকন, পৰিস্মৃতা ৰাজপুত

**টেবুল টেনিচ ঃ**

**ল'ৰাৰ একক শাখা ঃ**
প্ৰথম ঃ প্ৰবীণ গগৈ
দ্বিতীয় ঃ দুলাজ হুছেইন
তৃতীয় ঃ ৰাজু বাউৰী

**ছোৱালী একক শাখা ঃ**
প্ৰথম ঃ দৃৰ্শা শইকীয়া
দ্বিতীয় ঃ পলি বুঢ়াগোহাঁই
তৃতীয় ঃ চয়নিকা কাকতি

**ল'ৰাৰ দ্বৈত শাখা ঃ**
প্ৰথম ঃ মুকুতা গগৈ, অনিল ওজা ফুকন
দ্বিতীয় ঃ ৰাজু বাউৰী, আৰিফ ৰহমান
তৃতীয় ঃ মৃগাংক হাতীমুৰীয়া, ৰূপম তছা

**ল'ৰ-ছোৱালী দ্বৈত শাখা ঃ**
প্ৰথম ঃ প্ৰবীণ গগৈ, চয়নিকা কাকতি
দ্বিতীয় ঃ উদ্দীপন হাজৰিকা, পম্পী কাকতি







# সংগীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

পাতনিতে মই পৰম শ্ৰদ্ধাৰ জ্ঞান মন্দিৰ সোণাৰি মহাবিদ্যালয়লৈ সহস্ৰ প্ৰণাম জনাই এই জ্ঞান মন্দিৰটি গঢ় দিওঁতা বৰেণ্য মহানুভৱ ব্যক্তিসকলক একাঁজলি পুষ্পাঞ্জলি অৰ্পন কৰিছোঁ। লগতে কাৰ্যকালৰ এই অন্তিম দিনত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় শ্ৰীযুত অৰ্পন কুমাৰ বৰুৱাদেৱকে প্ৰমুখ্য কৰি সমূহ শিক্ষাগুৰু তথা কৰ্মচাৰীসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ। এই আপাহতে ২০১৩-১৪ বৰ্ষৰ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ 'সংগীত বিভাগ'ৰ সম্পাদিকা হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে মোক সেৱা আগবঢ়াবলৈ সুযোগ দিয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ বৃন্দলৈ মোৰ হিয়া ভৰা মৰম যাচিলোঁ।

দিন পাৰ হৈ যায় আগমন হয় এটা বছৰৰ তেনেদৰেই নিষ্ঠুৰ কালৰ বুকুত হেৰাই যায় এটা বছৰ। যুগ যুগ পাৰ হৈ যায় ৰৈ যায় মাথো স্মৃতি। ঠিক তেনেদৰেই ২০১৩-১৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ মাৰ এবছৰীয়া কাৰ্যকালৰো চাওঁতে চাওঁতে যৱনিকা পৰিল। আৰু এই এবছৰীয়া কাৰ্যকালৰ স্মৃতি ৰি সঞ্জীৱিত হৈ ৰ'ল মহাবিদ্যালয়ৰ অতি মৰমৰ মুখপত্ৰ 'সোণালী'ৰ বুকুত।

সংগীত সম্পাদিকা হিচাপে এই এবছৰীয়া কাৰ্যকালত মই যি অভিজ্ঞতা লাভ কৰিছিলোঁ সেয়া মোৰ চিৰস্মৰণীয়। দায়িত্ব পালনৰ ক্ষেত্ৰত কৃতকাৰ্যতা বা ব্যৰ্থতা বিচাৰ আপোনালোকৰ কিন্তু সম্পাদিকা হিচাপে মই যি কৰিছিলোঁ নিষ্ঠাৰে কৰিছিলোঁ আৰু দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছৰে পৰা মই মোৰ দায়িত্ব পালনৰ ক্ষেত্ৰত অলপো অৱহেলা কৰা নাছিলোঁ।

সংগীত সম্পাদিকা হিচাপে মোৰ প্ৰথম কৰণীয় আছিল মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত সংগীতৰ প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰা। এইক্ষেত্ৰত মই কাৰ্যসূচীমৰ্মে সংগীতৰ প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিলোঁ তথা মোৰ কাৰ্যকালৰ ভিতৰত মহাবিদ্যালয়ত অনুষ্ঠিত প্ৰতিটো কাৰ্যসূচীতে সমবেত সংগীত পৰিৱেশন কৰা হৈছিল। কিন্তু এইখিনিতে উল্লেখযোগ্য যে মহাবিদ্যালয়ৰ কেইটামান সমস্যাৰ বাবে প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰাত যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছিল। মহাবিদ্যালয়ৰ বাদ্যযন্ত্ৰীকেইপদ ব্যৱহাৰোপযোগী অৱস্থাত নাছিল। যাৰ বাবে প্ৰতিযোগিতা অনুষ্ঠিত কৰাত সমস্যাৰ সন্মুখীন হৈছিল। যি কি নহওঁক সমস্যা যিমানেই গভীৰ নহওঁক, তাত সমাধানৰ বীজ লুকাই থাকে। মই মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক এই বিষয়ে অৱগত কৰাত তেওঁৰ অনুমতি ক্ৰমে বাদ্যযন্ত্ৰ কেইবিধৰ পুনৰ মেৰামতিৰ কাম হাতত লওঁ। উল্লেখযোগ্য যে মহাবিদ্যালয়ৰ সপ্তাহৰ দিনকেইটাতে ষান্মাসিক পৰীক্ষাৰ ব্যৱহাৰিক পৰীক্ষাসমূহ চলি থকা বাবেও বহুতো প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰিবলৈ সক্ষম হোৱা নাছিল। গতিকে আশানুৰূপ প্ৰতিযোগীৰ অভাৱত সকলো বিষয়ৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিব পৰা নগ'ল। তদুপৰি অনুষ্ঠিত কৰা প্ৰতিযোগিতাসমূহত যিসকল ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল তেওঁলোকে যথেষ্ট পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছিল। মুঠৰ ওপৰত সংগীতৰ প্ৰতিযোগিতাসমূহ সফলভাৱে সমাপন কৰিব পৰা গ'ল বুলি মোৰ ধাৰণা।

মোৰ কাৰ্যকালত অনুষ্ঠান পৰিচালনা কৰাত তথা বিচাৰকৰ দায়িত্ব গ্ৰহণ কৰি মোক কৃতাৰ্থ কৰা বিভাগীয় মূৰব্বী অধ্যাপিকা ড° ৰীতা দত্ত বাইদেউৰ লগতে ৰাজনীতি বিভাগৰ অধ্যাপক শ্ৰীযুত চক্ৰপাণি পাতিৰ ছাৰ আৰু গণিত বিভাগৰ অধ্যাপক মুহিধৰ চেতিয়া ছাৰলৈ মই অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

তদুপৰি কাৰ্যকালৰ সময়ছোৱাত বিভিন্ন দিশত

বিশেষভাৱে সহায় সহযোগ তথা পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শিক্ষক-শিক্ষয়িত্ৰী, দাদা, বাইদেউ, বন্ধু-বান্ধৱী, ভাইটি, ভণ্টী আৰু ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক ও সমূহ বিষয়ববীয়াৰ ওচৰত মই চিৰকৃতজ্ঞ।

এইখিনিতে মই মহাবিদ্যালয়ৰ এটা অভাৱৰ কথা উনুকিয়াব খুজিছোঁ যে মহাবিদ্যালয়খনিত নিয়মীয়াকৈ সংগীত চৰ্চা কৰিবলৈ এটি নিৰ্দিষ্ট কোঠাৰ নিতান্তই আৱশ্যক। য'ত সংগীতৰ বাদ্যযন্ত্ৰ কেইপদো ক্ষয় ক্ষতি নোহোৱাকৈ ৰাখিব পৰা যাব। আশা কৰোঁ কৰ্তৃপক্ষই মনোযোগ দিব।

সদৌ শেষত কাৰ্যকালত অজানিতে হৈ যোৱা ভুল ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা জনাবলৈ তথা মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰি প্ৰতিবেদন সামৰিলো।

'জয়তু সোণালি মহাবিদ্যালয়'
'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'

**শ্ৰীমতী পূজা গগৈ**
সংগীত বিভাগৰ সম্পাদিকা
সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা
২০১৩-১৪ বৰ্ষ।

## সংগীত প্ৰতিযোগিতাৰ ফলাফলসমূহ-

১। **বিহু গীত ঃ**
প্ৰথম ঃ অভিজিৎ শইকীয়া
দ্বিতীয় ঃ জয়শ্ৰী কোঁৱৰ

২। **জ্যোতি সংগীত ঃ**
প্ৰথম ঃ উষাময়ী গগৈ
দ্বিতীয় ঃ জয়শ্ৰী কোঁৱৰ
তৃতীয় ঃ মনজিৎ লিকচন

৩। **ৰাভা সংগীত ঃ**
প্ৰথম ঃ উষাময়ী গগৈ
দ্বিতীয় ঃ মনজিৎ লিকচন
তৃতীয় ঃ জয়শ্ৰী কোঁৱৰ

৪। **ভূপেন্দ্ৰ সংগীত ঃ**
প্ৰথম ঃ অভিজিৎ শইকীয়া
দ্বিতীয় ঃ নৱজ্যোতি বৰা
তৃতীয় ঃ উষাময়ী গগৈ

৫। **আধুনিক সংগীত ঃ**
প্ৰথম ঃ পপলিং চেতিয়া
দ্বিতীয় ঃ নৱজ্যোতি বৰা
তৃতীয় ঃ ঋতুপৰ্ণা শৰ্মা

৬। **লোকগীত ঃ**
প্ৰথম ঃ সুনেত্ৰা প্ৰনামিক

৭। **বিয়া নাম ঃ**
প্ৰথম ঃ পূজা গগৈ
উদ্‌গণিমূলক বঁটা বিকি মহান্তি





# ছাত্ৰ জিৰণি চ'ৰা সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ নিঃস্বাৰ্থ সেৱা, অশেষ শ্ৰম আৰু ত্যাগৰ অতুলনীয় অৱদানত এই জ্ঞানৰ মন্দিৰ সোণাৰি মহাবিদ্যালয়খন প্ৰাণ পাই উঠিল তেওঁলোককৈ মই এই আপাহতে মোৰ তথা ছাত্ৰ একতা সভাৰ এজন সদস্য হৈ মোৰ শ্ৰদ্ধা, প্ৰণাম নিবেদিছো। লগতে মোৰ মৰমৰ তথা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধক্ষ্য মহোদয় আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল আৰু বিদ্যালয়ৰ সমূহ কৰ্মচাৰীবৃন্দ লগতে বিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী আৰু মোৰ লগৰ সমনীয়ালৈ মোৰ শ্ৰদ্ধা, মৰম ও কৃতজ্ঞতা জ্ঞাপন কৰিলো।

২০১৩-১৪ বৰ্ষৰ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰ জিৰণি চ'ৰা বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়োৱাৰ সুযোগ প্ৰদান কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীক এই সুযোগতে ধন্যবাদ জনালো।

অৱশেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ত্ৰুটিবোৰৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা বিচাৰি মোৰ এই সম্পাদকীয় প্ৰতিবেদন সামৰিলো।

শেষত মহাবিদ্যালয়খন সদায় যেন এখন আদৰ্শ বিদ্যালয় হিচাপে জিলিকি ৰয় তাৰে কামনাৰে —

'জয়তু সোণালি মহাবিদ্যালয়'
'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'

**শ্ৰী চেংগাম শ্যাম**
সম্পাদক
ছাত্ৰ জিৰণি চ'ৰা সম্পাদক

**প্ৰতিযোগিতাৰ ফলাফল ঃ**

**দবা প্ৰতিযোগিতাৰ ফলাফল ঃ**
প্ৰথম ঃ ৰূপম তছা
দ্বিতীয় ঃ মঃ ছাদ্দাম হুছেইন
তৃতীয় ঃ টিকেন্দ্ৰজিৎ চুতীয়া

**কেৰম' দ্বৈত প্ৰতিযোগিতা ঃ**
প্ৰথম দল ঃ চিৰঞ্জীৱ শইকীয়া, কুইন দুৱৰা
দ্বিতীয় দল ঃ শ্বাহ আলম হুছেইন, জেৰিণ বেগম
তৃতীয় দল ঃ অভিজিৎ দাস, আখতিয়া বেগম

## ছাত্ৰী জিৰণি চ'ৰা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদন আৰম্ভণিতে মই মোৰ শ্ৰদ্ধাৰ জ্ঞান মন্দিৰৰ ইতিহাস গৰকা সোণাৰি মহাবিদ্যালয় আৰু সেইসকল মহান ব্যক্তিক আদৰেৰে সুঁৱৰিব বিচাৰিছো যিসকল ব্যক্তিয়ে অশেষ কষ্ট, ত্যাগ আৰু হেপাহেৰে এই জ্ঞানৰ মন্দিৰ স্থাপন কৰি নগৰখনত শিক্ষাৰ মানদণ্ড উন্নত কৰিছে। আৰু লগতে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে মাননীয় শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ তথা সকলো ছাত্ৰ-ছাত্ৰীক মোৰ শ্ৰদ্ধা আৰু আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

২০১৩-১৪ বৰ্ষৰ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰী জিৰণি চৰা বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়োৱাৰ সুযোগ প্ৰদান কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীক এই সুযোগতে ধন্যবাদ যাচিছোঁ।

ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদিকা হিচাপে মই কিমানদুৰ সফল হ'লো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। তথাপি মোৰ সাধ্যানুসাৰে প্ৰতিটো দায়িত্ব আৰু কৰ্তব্য সুচাৰুৰূপে পালন কৰাৰ চেষ্টা কৰিলো। এই ক্ষেত্ৰত মোক দিহা পৰামৰ্শ আগবঢ়োৱা সকলোটিলৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল। মোৰ কাৰ্য্যকালত অজানিতে বৈ যোৱা ভুল ত্ৰুটি সমূহৰ বাবে আপোনালোকৰ সকলোৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো।

সদৌ শেষত সোণাৰি মহাবিদ্যালয়ৰ সুনাম আৰু গৌৰৱ কামনা কৰি মোৰ এই সম্পাদকীয় প্ৰতিবেদন সামৰণি মাৰিলোঁ।

'জয়তু সোণালি মহাবিদ্যালয়'
'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'

**শ্ৰীমতী বন্দিতা দে**
ছাত্ৰী জিৰণি চৰাৰ, সম্পাদিকা
২০১২-২০১৩ বৰ্ষ

**Rangoli :**
1. Prantimoyee Dutta
2. Ushamoyee Gogoi
   Sampurna Buragohain
3. Lucky Bailung
   Liza Shyam

**Musical Chair :**
1. Ushamoyy Gogoi
2. Gitimoni Boruah
3. Sonam Thapa

**Chess :**
1. Shilpa Duwara
2. Pooja Gogoi

**Carrom (Double) :**
1. Pooja Gogoi & Simi Shyam







## তৰ্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক্‌ক্ষণতে মই সেইসকল মহান ব্যক্তিলৈ শ্ৰদ্ধ যাঁচিছো সিসকলৰ অশেষ কষ্টৰ ফলত সোণাৰি মহাবিদ্যালয়ে প্ৰাণ পাইছিল। লগতে প্ৰণাম জনাওঁ এই মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় তথা মোৰ শিক্ষাগুৰুসকললৈ। এইখিনিতেই সোণাৰি মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীকে তৰ্ক বিভাগৰ সম্পাদক হিচাপে মোৰ সেৱা আগবঢ়াবৰ বাবে দিয়া সুবিধাৰ বাবে ধন্যবাদ জনাইছোঁ। শ্ৰদ্ধা জনাইছোঁ মোৰ বিভাগীয় কাম-কাজৰ পৰামৰ্শদাতা মাননীয় ৰঘুনাথ কাগয়ুংগ আৰু পৰাণন কোঁৱৰ ডাঙৰীয়াক।

মহাবিদ্যালৰ ছাত্ৰ-ছাত্ৰীসকললৈ বহুতো প্ৰতিশ্ৰুতিৰে মই ছাত্ৰ একতা সভালৈ নিৰ্বাচিত হৈ আহিছিলোঁ। যেনে নতুন ইভেণ্টৰ সংযোজনৰ প্ৰতিশ্ৰুতিটো শব্দ শৃংখল, চুডুকু, ফ'টগ্ৰাফি ইভেণ্টৰ সংযোজনৰ জৰিয়তে পূৰণ কৰিছোঁ। আপোনালোকক দিয়া চলন্ত ট্ৰফীৰ প্ৰতিশ্ৰুতি কিছুমান বিশেষ কাৰণত পূৰণ কৰাত ব্যৰ্থ হৈছোঁ। এই সময়ছোৱাত মই সদায় দায়িত্বশীল আৰু মিতব্যয়ী হোৱাৰ চেষ্টা কৰিছিলোঁ যাৰ বাবে মই মোৰ বিভাগত আৱন্তিত হোৱা ধনৰ অপব্যৱহাৰ হোৱাৰ পৰা বচাই নিৰ্ধাৰিত বাজেটতকৈ কমতেই মহাবিদ্যালয় সপ্তাহৰ মোৰ বিভাগৰ কাৰ্যসূচী অনুষ্ঠিত কৰিলোঁ। যি মোৰ বাবে এক সফলতা স্বৰূপ।

শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুলৰ বাবে মোক ক্ষমা কৰে যেন। মহাবিদ্যালয়খনৰ সকলো বিভাগৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

'জয়তু সোণালি মহাবিদ্যালয়'
'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'

**শ্ৰী ৰাজলক্ষ্ণ হাটীমুৰীয়া**
তৰ্ক বিভাগৰ সম্পাদক

# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



সৰ্বপ্ৰথমে মই শিৱসাগৰ জিলাৰ চৰাইদেউ মহকুমাৰ অন্যতম উচ্চ শিক্ষানুষ্ঠান, বিদ্যাৰ মন্দিৰ 'সোণাৰি মহাবিদ্যালয়'ৰ মহান মনিষীসকলক সোঁৱৰিছো৷ যিসকলৰ সৎ চিন্তা, সৎ প্ৰচেষ্টা, ত্যাগ আৰু নিঃস্বাৰ্থ সেৱাৰ বিনিময়ত পুৱাৰ সুৰুযৰ কিৰণৰ দৰে এই জ্ঞানৰ মন্দিৰে সাৰ পায় উঠিছি৷ লগতে এই জ্ঞানৰ মন্দিৰে আজি আৰু অধিক উন্নয়ণৰ জখলাত আগুৱাই যাবলৈ সক্ষম হোৱাত প্ৰতিটো ক্ষেত্ৰতে সহায় তথা ত্যাগ স্বীকাৰ কৰি অহা শ্ৰদ্ধাভাজন এই মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ সকল বিশেষকৈ শ্ৰীযুত ৰাজেন তামুলীছাৰ আৰু বৰ্তমানৰ অধ্যক্ষ, এই বৰ্ষৰ ছাত্ৰ একতা সভাৰ সভাপতি শ্ৰদ্ধাৰ অৰ্পণ কুমাৰ বৰুৱা ছাৰ প্ৰমুখ্য কৰি পূজনীয় শিক্ষাগুৰুসকল আৰু এই মহাবিদ্যালয়ৰ কাৰ্যকৰী দিশত সহায় সহযোগিতা আগবঢ়োৱা সোণাৰি নগৰৰ শ্ৰদ্ধাৰ সমাজসেৱক ব্যক্তিসকললৈ ২০১৩-১৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক বিভাগৰ তৰফৰ পৰা আন্তৰিক শ্ৰদ্ধা, ভক্তি আৰু ওলগ জনাইছোঁ।

তোৰে মোৰে আলোকৰে যাত্ৰা  
অব্যৰ্থ অব্যৰ্থ  
আমি পালো জীৱনৰ  
অৰ্থ অভিনৱ  
স্বাগত স্বাগত সতীৰ্থ।  
সময়ৰ পক্ষী ঘোঁৰা কোনসতে উৰি গ'ল  
মনৰ কাৰেংঘৰ জহি-খহি ভাগি গ'ল  
বিদায় ল'বৰে হ'ল।

সময়বোৰক কেতিয়াবা পোৰা-নোপোৰাৰ কাঁচঘৰত ৰাখো। হিচাপ কৰো কি কৰিলো, কি দিলো। ২০১৩-১৪ বৰ্ষৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে এই অভাজনে দায়িত্ব গ্ৰহণ কৰাৰ পিছতে মহাবিদ্যালয়ৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ উন্নতি হকে কি কৰিলো সেইয়া বিচাৰ কৰিব আপোনালোকে। কিন্তু ইমান ডাঙৰ মন্দিৰত এটা গুৰু দায়িত্ব পায় মই বাৰে বাৰে চিন্তিত হৈছিলো তথাপি সদায় কৃতজ্ঞ হৈ ৰ'ম সেই সকললৈ যিসকলে মোক প্ৰতিটো ক্ষেত্ৰত সহায়-সহযোগিতা আৰু উৎসাহ প্ৰদান কৰিছিল। এই সময় আছিল জীৱন গঢ়াৰ প্ৰস্তুতি এক স্বপ্নালি সময়। য'ত নিজকে চিনাকি হোৱাৰ সুযোগ পালো। মহাবিদ্যালয়ৰ হকে কাম কৰাৰ যিমান সপোন ৰচিছিলো হয়তো পৰিবেশ, পৰিস্থিতিৰ দাস হৈ ময়ো পূৰ্ণ কৰিব নোৱাৰিলো সাঁচতিয়া সপোন। তথাপি অনাগত দিনত ইয়াৰ উত্তৰোত্তৰ কামনা কৰিলো। লগতে এই বৰ্ষত সম্পন্ন হোৱা কিছু কাৰ্যসূচীৰ এক প্ৰতিবেদন আগবঢ়ালো —

যোৱা ১২।০৯।১৩ তাৰিখ, বৃহস্পতিবাৰ, মহাবিদ্যালয় হকে কাম কৰাৰ প্ৰথমটো দিন। শপত বাক্য পাঠ কৰিলো। ঠিৰাং কৰিলো মহাবিদ্যালয় হকে কাম কৰাৰ। আৰম্ভ কৰিলো মহাবিদ্যালয়ৰ দিনলিপি।

১৩।০৯।১৩ তাৰিখ, শুক্ৰবাৰ। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত ছাত্ৰ একতা সভাৰ উদ্যোগত ছাত্ৰ একতা সভাৰ সহযোগত অনুষ্ঠিত হয় বৈশালী মহনৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত আছিল সাহিত্যিক সমালোচক ইছমাইল হুচেইন ডাঙৰীয়া।

১৬।০৯।১৩ তাৰিখ, মঙ্গলবাৰ, মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ দায়িত্বৰ প্ৰথমটো অনুষ্ঠান শ্ৰীশ্ৰী বিশ্বকৰ্মা পূজাৰ উদ্‌যাপন। সৰু সুৰা ভুল-ত্ৰুটি মাজেৰেও পূজা সুন্দৰকৈ অনুষ্ঠিত হৈ যায়।

১৯।০৯।১৩ তাৰিখ, বৃহস্পতিবাৰত অনুষ্ঠিত হয় মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা। সভাৰ সভাপতি শ্ৰীযুত অৰ্পণ কুমাৰ বৰুৱা প্ৰমুখ্যে প্ৰতিটো বিভাগৰ তত্বাৱধায়ক শিক্ষাগুৰু সকলে নিজৰ নিজৰ বক্তব্যৰ মাজেৰে নতুন সভা কাৰ্যক্ৰম প্ৰস্তুত আৰু উদ্দেশ্য, লক্ষ্যৰ ওপৰত আলোকপাত কৰে।

২১।১০।১৩ তাৰিখ, বুধবাৰে মহাবিদ্যালয়ৰ গান্ধী মূৰ্তিৰ প্ৰাঙ্গনত মহামানৱ মহাত্মা গান্ধীৰ স্মৃতিচাৰণ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই বৰ্ষৰ গান্ধী জয়ন্তী অনুষ্ঠান গান্ধী অধ্যয়ন কেন্দ্ৰৰ সহযোগিতাত সাংস্কৃতিক বিভাগৰ উদ্যোগত অনুষ্ঠিত হৈ যায়। সভাত বহুতো অতিথি ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰে সফল ৰূপায়ন হোৱা বুলি ক'ব পাৰি।

১৬।১২।১৩ তাৰিখ, সোমবাৰৰ পৰা আৰম্ভ হয় মহাবিদ্যালয় বাৰ্ষিক ক্ৰীড়া সপ্তাহ। এইবাৰ ক্ৰীড়া সপ্তাহৰ প্ৰতিটো কাৰ্যসূচী গৰিষ্ঠসংখ্যক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰে সুন্দৰকৈ অনুষ্ঠিত হৈ যায়। আনহাতে বিপুল ছাত্ৰ-ছাত্ৰী উপস্থিতি ব্যতিক্ৰমধৰ্মী কাৰ্যসূচীৰ দ্বাৰা সমগ্ৰ অনুষ্ঠানটিৰ সামৰণি পৰে ২৭।১২।১৩ তাৰিখ শুক্ৰবাৰে।

০৫।০১।১৪ তাৰিখ, দেওবাৰ, মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ উদ্যোগত আৰু সোণাৰি নাট্য সন্মিলনৰ সহযোগত অনুষ্ঠিত হৈ যায় এসপ্তাহৰ এক নাট কৰ্মশালা। কৰ্মশালাখনিত সমন্বয়কৰ দৰে এক গুৰু দায়িত্ব পালন কৰিছিল মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপিকা ড° ৰীতা দত্ত বাইদেউৱে। তেখেতলৈ এই ছেগতে সাংস্কৃতিক বিভাগৰ হৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। কেইবা বছৰ বিৰতিৰ পিছত অনুষ্ঠিত কৰ্মশালাখনিত প্ৰশিক্ষকৰ দৰে এক মহান কৰ্মত সহযোগিতা আগবঢ়োৱা সোণাৰি নাট্য সন্মিলনৰ সভাপতি শ্ৰীযুত দীপক কুমাৰ কলিতা, সম্পাদক শশাংক দাস, মৃদুল বৰগোহাঁই, খঞ্জুৰাজ গগৈ আৰু ভ্ৰাম্যমান নাট্য জগতৰৰ নাট্যকাৰ, সাংস্কৃতিক কৰ্মী ডিম্বেশ্বৰ কোঁৱৰদেৱ। আটাইলৈকে বহুত বহুত কৃতজ্ঞতা জনাইছো। মহাবিদ্যালয়ৰ সাংস্কৃতিক বাতাবৰণত অধিক গতিশীলতা আনাত আপোনালোকৰ ত্যাগ সদায় স্মৰণীয় হৈ ৰ'ব। কৰ্মশালা খনিৰ সামৰণি পৰে ১২।০১।১৪ তাৰিখ দেওবাৰে 'খাপ খা খাৰু শিল্প' নামৰ এক ব্যতিক্ৰমী সাংস্কৃতি অনুষ্ঠানেৰে।

যোৱা ২৬।০৬।১৪ তাৰিখ শনিবাৰে অনুষ্ঠিত হৈ যায় নৱাগত সকলৰ আদৰণি অনুষ্ঠান। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে চিৰস্মৰণীয় সমাজকৰ্মী নাহৰকটীয়া পৰ্যটন বিভাগৰ সভাপতি, মুখ্যমন্ত্ৰীৰ বিশেষ বঁটাৰে সন্মানিত শ্ৰীযুত মণি মানিক গগৈদেৱে। লগতে উপস্থিত থাকে মহাবিদ্যালয় শিক্ষক সন্থাৰ সভাপতি শ্ৰীযুত ৰাণা চাংমাইদেৱ। প্ৰত্যেক বছৰৰ দৰে এই বৰ্ষতো বিপুল সংখ্যক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰে নৱাগত আদৰণি সভাখনৰ সুন্দৰ সমাপ্তি ঘটে।

বিশেষ কৃতজ্ঞতা ঃ

মহাবিদ্যালয়ৰ হকে কাম কৰিবলৈ যাওঁতে অকলে কৰা জানো সম্ভৱঙ্গ হয়তো ইয়াত বহুতৰে সহায়-সহযোগিতাৰ নিতান্তই প্ৰয়োজন। মোৰো কাৰ্যকালত বহুতৰে সহযোগিতা আৰু পৰামৰ্শ পাইছিলো, যিবোৰে মোক আগবাঢ়ি যোৱাত সহায় আগবঢ়াইছিল। তেওঁলোকলৈ মই সশ্ৰদ্ধ প্ৰণাম আৰু কৃতজ্ঞতা জনাইছো। প্ৰথমতে নাম ল'ব বিচাৰিছো মোৰ তত্বাবধায়কৰ দায়িত্বত থকা শ্ৰীযুত সুচিত্ৰ নাৰায়ণ ৰাজখোৱা ছাৰ, শ্ৰীযুত ৰঞ্জিত বুঢ়াগোহাঁই ছাৰলৈ। লগতে গান্ধী জয়ন্তী অনুষ্ঠানটিত সঠিক দিহা-পৰামৰ্শ আগবঢ়োৱা শ্ৰীযুত বিনোদ ৰাজ খনিকৰ ছাৰ, চক্ৰপাণি পাৰ্টিৰ ছাৰ। সাংস্কৃতিক অনুষ্ঠান আৰু যিকোনো সময়ত মোক পৰামৰ্শ আগবঢ়োৱা ড° ৰীতা দত্ত বাইদেউ আৰু ৰসায়ন বিজ্ঞান বিভাগৰ ৰাণা কোঁৱৰ ছাৰ আৰু ৰাজীৱ কটকী ছাৰ। মোৰ কাৰ্যৰ সোঁৰে-বাঁৰে থকা যিকোনো অনুষ্ঠান অনুষ্ঠিত কৰিলে সহায় আগবঢ়োৱা কল্যাণী বা, পূজা, কাশ্মীৰি, কৃতী, কল্যাণ, বন্দীতা, নয়ন, অচ্যুত নন্দন, কিৰণ, কল্প, মৃগাংক, ৰাজলক্ষ্মণ, দীপাংকৰ আৰু অভিনৱ সকলোলৈকে কৃতজ্ঞতা জনাইছো আৰু ভৱিষ্যতলৈ মোক কৃতাৰ্থ কৰিব বুলি আশা ৰাখিলো।

সদৌ শেষত যিজন ব্যক্তিৰ অবিহনে আমি বা মই কোনো কাৰ্য কৰিবলৈ সমৰ্থ নহ'লোহেঁতেন তেওঁ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় তথা ছাত্ৰ একতা সভাৰ সভাপতি শ্ৰীযুত অৰ্পণ কুমাৰ বৰুৱা ছাৰলৈ অশেষ কৃতজ্ঞতা জনাই অনাগত দিনত সোণাৰি মহাবিদ্যালয়ৰ আলোক উন্নতি কামনা কৰিলো।

'জয়তু সোণালি মহাবিদ্যালয়'  
'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা'

**শ্ৰী অভিজিৎ শইকীয়া**  
সাংস্কৃতিক বিভাগৰ সম্পাদক  
ছাত্ৰ একতা সভা।

# সাংস্কৃতিক প্ৰতিযোগিতাৰ ফলাফল

প্ৰথম শ্ৰেষ্ঠ নাট্যদল ঃ আমাক এজাক বৰষুণ দিয়া
দ্বিতীয় শ্ৰেষ্ঠ নাট্যদল ঃ ভূত ওলাইছে ভূত
তৃতীয় শ্ৰেষ্ঠ নাট্যদল ঃ Inspector কল্যানীৰ প্ৰথম প্ৰদৰ্শনী।
প্ৰথম শ্ৰেষ্ঠ অভিনেতা ঃ নৱজ্যোতি খাগুধৰা (ঘনকান্ত)
দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা ঃ তপোবন শইকীয়া (নীলিম)
তৃতীয় শ্ৰেষ্ঠ অভিনেতা ঃ সুব্ৰত ধাদুমিয়া
প্ৰথম শ্ৰেষ্ঠা অভিনেত্ৰী ঃ কল্যাণী বৰুৱা (প্ৰিয়া)
দ্বিতীয় শ্ৰেষ্ঠা অভিনেত্ৰী ঃ লিজা শ্যাম (মা)
তৃতীয় শ্ৰেষ্ঠা অভিনেত্ৰী ঃ সুস্মিতা বৰুৱা (বৰ্ণালী)
প্ৰথম শ্ৰেষ্ঠ সহঃঅভিনেতী ঃ ৰুণজুন গগৈ (মাক)
শ্ৰেষ্ঠ কৌতুক অভিনেত্ৰী ঃ গীতিমণি বৰুৱা (ভাবুকী)
শ্ৰেষ্ঠ পাণ্ডুলিপি ঃ আমাক এজাক বৰষুণ দিয়া
(নাট্যকাৰ ঃ ৰুমী গগৈ)
শ্ৰেষ্ঠ পৰিচালক ঃ পূজা গগৈ (ভূত ওলাইছে ভূত)
বিচাৰকৰ বিশেষ বঁটা ঃ হিমাদ্ৰী গগৈ (মালবিকা)
বিষ্ণুপ্ৰিয়া তামুলী

**পৰম্পৰাগত সাজ-পাৰ প্ৰতিযোগিতাৰ ফলাফল ঃ**
প্ৰথম ঃ সম্পূৰ্ণা বুঢ়াগোহাঁই
দ্বিতীয় ঃ ৰাস্তী শৰ্মা
তৃতীয় ঃ সুনেত্ৰা প্ৰমাণিক
উদগনিমূলক ঃ কংকনা গগৈ
ৰেখামণি গগৈ
বিজয়লক্ষ্মী গগৈ
চক্ৰপাণি পাটিৰ

**আধুনিক নৃত্য প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ সুৰুজ গোহাঁই
দ্বিতীয় ঃ ৰিয়ান শইকীয়া
তৃতীয় ঃ দ্বীপশিখা শইকীয়া

**বিহু নৃত্য ঃ**
প্ৰথম ঃ শচী লামা
দ্বিতীয় ঃ কল্যাণী বৰুৱা
তৃতীয় ঃ আৰতি মাচাৰি
পূৰবী শইকীয়া

**দলীয় নৃত্য প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ কৃতি গ্ৰুপ
দ্বিতীয় ঃ আৰতি মাচাৰি আৰু নৱনিতা বৰুৱা
তৃতীয় ঃ মৌপল গ্ৰুপ

**শাস্ত্ৰীয় নৃত্য ঃ**
প্ৰথম ঃ ৰাষ্টী শৰ্মা
দ্বিতীয় ঃ নৱনিতা বড়া
তৃতীয় ঃ আৰতি মাচাৰী

**একক অভিনয়ৰ ফলাফল ঃ**
প্ৰথম ঃ নৱজ্যোতি খান্দাধৰা
দ্বিতীয় ঃ পূৰবী শইকীয়া
তৃতীয় ঃ প্ৰান্তীময়ী দত্ত
উদগনীমূলক ঃ অচ্যুৎ গগৈ

**মুকা অভিনয় ঃ**
প্ৰথম ঃ নৱজ্যোতি খান্দাধৰা
দ্বিতীয় ঃ অচ্যুৎ গগৈ
তৃতীয় ঃ পূৰবী শইকীয়া
উদগনীমূলক ঃ তপোবন শইকীয়া

**কৌতুক অভিনয় ঃ**
প্ৰথম ঃ ফিচলিক কৌতুক গোষ্ঠী।
দ্বিতীয় ঃ খিত খিতনী কৌতুক গোষ্ঠী।
তৃতীয় ঃ ৰসিক গানৰ মিচিং কৌতুক গোষ্ঠী







# সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয়জয়তে সেই মহান ব্যক্তিসকললৈ শ্ৰদ্ধা জ্ঞাপন কৰিছো যিসকলৰ অপ্ৰাণ প্ৰচেষ্টাৰ ফলত বুৰঞ্জীয়ে পৰশা ঐতিহাসিক চৰাইদেউ মহকুমাৰ সোণাৰী মহাবিদ্যালয়খনিয়ে জন্ম লাভ কৰিলে। সোণাৰী মহাবিদ্যালয়খনিক ক্ৰমশঃ সাফল্যৰ দিশত আগবঢ়াই লৈ যোৱা মাননীয় অধ্যক্ষ মহোদয় শ্ৰীযুত অৰ্পণ কুমাৰ বৰুৱা ছাৰ আৰু মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু তথা সমূহ কৰ্মচাৰীসকলক আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো।

২০১৩-১৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমাজসেৱা বিভাগৰ সম্পাদক হৈ মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে সমূহ সোণাৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰ ঋণী। এবছৰীয়া কাৰ্যকালত বহুতো আশা আৰু প্ৰতিশ্ৰুতি লৈ কাৰ্যভাৰ গ্ৰহণ কৰিছিলো আৰু সকলো বাধা নেওচি কিমানদূৰ সফল হ'লো সেইটো আপোনালোকৰ আলোচনাৰ বিষয়।

বিভাগীয় সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতেই বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিলো আৰু লগতে কলেজ সপ্তাহৰ আগত চৌহদ আৰু কলেজ সপ্তাহ উপলক্ষে সোণাৰি নগৰ চাফাই অভিযান হাতত ল'লো।

মোৰ কাৰ্যকালৰ সময়খিনিত সহায় আগবঢ়োৱা বিভাগীয় উপদেষ্টা শ্ৰদ্ধাৰ শ্ৰীযুত মুহিধৰ চেতিয়া চাৰলৈ মই প্ৰথমেই কৃতজ্ঞতা জ্ঞাপন কৰিছো। তদুপৰি মোক কাম সমূহ নিয়াৰিকৈ কৰাত সহায়ৰ হাত আগবঢ়োৱা মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সমূহ বিষয়-ববীয়ালৈ আন্তৰিক কৃতজ্ঞতা জনাইছো।

সদৌ শেষত সোণাৰী মহাবিদ্যালয় শৈক্ষিক দিশৰ লগতে সোণাৰীৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি এই প্ৰতিবেদন সামৰণি মাৰিলো।

'জয়তু সোণাৰী মহাবিদ্যালয়'
'জয়তু সোণাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা'

**শ্ৰী দীপাংকৰ গগৈ**
সম্পাদক
সমাজসেৱা বিভাগ



# Gymnasium Secretary's Report

At the storting of my annual report I would like to convey my sincere honour to respected principal Mr. Arpon Kr. Boruah Sir, Vice-Principal Ranu Mohan Madam and all my teachers of our college.

As I was selected as 'Gymnasium Secretary' by my loving friends, brothers and sisters, I am greatly thankful to them for handling this respectable portfolio and for giving me an opportunity to serve for this college, well, but I don't know upto which limit I have succeeded, to my promises that I have made to you but I believe that I have done every work in a proper way and in a disciplined manner. During my session, I organised all the competition such as Weight Lifting, Power Lifting, Arm Wrestling and Body Building show under Gymnasium section in college week.

At last I request to all of you to forgive me, for the mistakes I have done in my session. Also I would like to give my cordial thanks to Mr. Chakrapani Patir Sir, Mr. Tankeswar Boruah Sir for their valuable advice and co-operation. Again I would like to give a special thanks to my brothers Papu, Dilu Da, Wasim Da, Nishit Da, Saddam Da, friends Biswa, Ritupon, Mofik, Kapil, Pallabi ba and all the students of our college for their help in holding the competitions. At last I want to Apologize if I have done any mistake or forget to mention something in my Annual Report.

'Long Live Sonari College'

**Sri Nayan Jyoti Borthakur**
Gymnasium Secretary



সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ, ২০১৩-১৪ বৰ্ষ



# সাহিত্য বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়া, শিক্ষাগুৰুসকল আৰু সমূহ কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। লগতে সেইসকল মহান ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছো, যিসকলৰ অহোপুৰুষাৰ্থত পবিত্ৰ জ্ঞান মন্দিৰ সোণাৰি মহাবিদ্যালয় প্ৰতিষ্ঠা হৈছিল।

সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০১৩-১৪ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰ-ছাত্ৰীসকলে মোক সাহিত্য বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি সেৱা আগবঢ়োৱাৰ সুযোগ প্ৰদান কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ককাইদেউ, বাইদেউ, বন্ধু বান্ধৱী, ভাইটি, ভণ্টীক মোৰ আন্তৰিক মৰম যাচিছোঁ। এই চেগতে নিৰ্বাচনৰ সময়ত মোক সকলো প্ৰকাৰে সহায় সহযোগিতা আগবঢ়োৱা কেইগৰাকীমান ছাত্ৰ-ছাত্ৰীৰ নাম নল'লে হয়তো মোৰ ত্ৰুটি ৰৈ যাব। সেইসকল হ'ল— অমল হাতীমূৰীয়া, চিৰঞ্জীৱ গগৈ, প্ৰীতি ঠাকুৰ, প্ৰিয়া ছেত্ৰী, প্ৰণতি গগৈ, ইয়াছমিন বেগম, পূৰবী শইকীয়া আৰু বন্দিতা দে।

'সাহিত্য বিভাগৰ সম্পাদিকা' হিচাপে কাৰ্যভাৰ লোৱাৰ কেইসপ্তাহ মানৰ পাছতে মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ আৰম্ভ হয়। এই ক্ৰীড়া সপ্তাহতে মোৰ বিভাগৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হৈছিল। সাহিত্য বিভাগৰ প্ৰতিযোগিতাসমূহ আছিল এনেধৰণৰ— অসমীয়া বাতৰি পঢ়া, ইংৰাজী বাতৰি পঢ়া, অসমীয়া কবিতা আবৃত্তি, ইংৰাজী কবিতা আবৃত্তি, থলিতে লিখা চুটিগল্প প্ৰতিযোগিতা, গল্পৰ পাণ্ডুলিপি প্ৰতিযোগিতা, কবিতাৰ পাণ্ডুলিপি প্ৰতিযোগিতা আৰু চিত্ৰাংকন প্ৰতিযোগিতা। এইসমূহ প্ৰতিযোগিতা সুকলমে আগবঢ়াই নিয়াত মোক বহুতো দিহা পৰামৰ্শ আৰু সহযোগিতা আগবঢ়াইছিল মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু ৰঘুনাথ কাগয়ুং ছাৰ, পৰাণন কোঁৱৰ ছাৰ, সুনীল দত্ত ছাৰ, ড° ৰীতা দত্ত বাইদেউ আৰু ৰেখামণি গগৈ বাইদেউৱে। এই সুযোগতে মই তেখেতসকলক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত সাহিত্য বিভাগৰ এইসমূহ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল, যদিও প্ৰতিযোগিতাসমূহত অংশ গ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যথেষ্ট কম হোৱা পৰিলক্ষিত হ'ল। ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য চৰ্চাৰ মনোভাৱ যেন ক্ৰমান্বয়ে কমি আহিবলৈ ধৰিছে। এনে এক লক্ষণ আমি এই ফলাফলসমূহৰ পৰাই স্পষ্টকৈ বুজিব পাৰোঁ।

গতিকে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক মহাবিদ্যালয়খনক আপোন জ্ঞান মন্দিৰ হিচাপে গ্ৰহণ কৰি নিজৰ নিজৰ প্ৰতিভাসমূহ বিকাশ কৰিবৰ বাবে মই সাহিত্য বিভাগৰ সম্পাদিকা হিচাপে সকলোকে আহ্বান জনাইছোঁ।

সামৰণিত মোৰ কাৰ্যভাৰ গ্ৰহণৰ সময়ছোৱাত অনিচ্ছাকৃতভাৱে ৰৈ যোৱা ভুল ত্ৰুটিসমূহৰ বাবে মোৰ শিক্ষাগুৰু তথা অধ্যক্ষ মহোদয় আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা নিবেদিছোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

'সাৰে আছো আমি
হেজাৰ সেনানি
জ্ঞানৰ পূজাৰী হৈ
কলা বিজ্ঞানৰ দুগছি বন্তি
দুখনি হাতত লৈ।"

'জয়তু সোণাৰী মহাবিদ্যালয়'
'জয়তু সোণাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা'

**শ্ৰীমতী কৃতী চাংমাই**
সাহিত্য বিভাগৰ সম্পাদিকা
২০১৩-১৪ বৰ্ষ।

## সাহিত্য বিভাগৰ প্ৰতিযোগিতাৰ ফলাফলসমূহ আছিল এনেধৰণৰ—

১। অসমীয়া বাতৰি পঢ়া প্ৰতিযোগিতা ঃ
প্ৰথম ঃ কল্যাণী বৰুৱা
দ্বিতীয় ঃ সম্পূৰ্ণা বুঢ়াগোহাঁই
তৃতীয় ঃ কৃতী চাংমাই

২। ইংৰাজী বাতৰি পঢ়া প্ৰতিযোগিতা ঃ
প্ৰথম ঃ নৱজ্যোতি দত্ত
দ্বিতীয় ঃ সম্পূৰ্ণা বুঢ়াগোহাঁই
তৃতীয় ঃ পূৰবী শইকীয়া

৩। অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ
প্ৰথম ঃ প্ৰান্তিময়ী দত্ত
দ্বিতীয় ঃ পূৰবী শইকীয়া
তৃতীয় ঃ কল্যাণী বৰুৱা
সম্পূৰ্ণা বুঢ়াগোহাঁই

৪। ইংৰাজী কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ
প্ৰথম ঃ নৱজ্যোতি দত্ত
দ্বিতীয় ঃ পূৰবী শইকীয়া
তৃতীয় ঃ সম্পূৰ্ণা বুঢ়াগোহাঁই

৫। থলিতে লিখা চুটিগল্প প্ৰতিযোগিতা ঃ
বিষয় ঃ নিসংগতাৰ এৰাতি
উদ্‌গনি ঃ ৰুম্পী গগৈ
নাজমুন আৰা খানম
কৌস্তভমণি চেতিয়া
কৃতী চাংমাই

৬। থলিত লিখা কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ
বিষয় ঃ সপোন
প্ৰথম ঃ বিবেচিত নহ'ল
দ্বিতীয় ঃ অমল হাতীমূৰীয়া
তৃতীয় ঃ কৌস্তভমণি চেতিয়া
উদ্‌গণি ঃ আফজাৰুল ৰহমান

৭। গল্পৰ পাণ্ডুলিপি প্ৰতিযোগিতা (৫টা গল্প)
উদ্‌গণিমূলক বঁটা ঃ সম্পূৰ্ণা বুঢ়াগোহাঁই
কৃতী চাংমাই

৮। কবিতাৰ পাণ্ডুলিপি প্ৰতিযোগিতা (১০টা কবিতা)
উদ্‌গণিমূলক বঁটা ঃ অমল হাতীমূৰীয়া
শচীন ৰায়

৯। চিত্ৰাংকন প্ৰতিযোগিতা ঃ
প্ৰথম ঃ উষাময়ী গগৈ
দ্বিতীয় ঃ সুভম সেন
তৃতীয় ঃ জ্যোতিষ্মান বৰগোহাঁই




# TEACHING STAFF


RANU MOHAN
HOD Education


UTPAL KONWAR
HOD Physics


DR. REETA DUTTA
HOD Assamese


GONESH BORUAH
HOD Pol Science


AMRIT BORPUJARI
HOD Chemistry


DR DEEPANJALI GOGOI
HOD English


DILIP RANJAN BORUAH
HOD Economics



MUHIDHAR CHETIA
HOD Mathematics


SUSIL SURI
HOD History


PHANINDRA KR. BORUAH
HOD Botany


DOLLY CHUTIA
Dept of History


LINDY GOODWIN
Dept of History


DIBYAJOTY KONWAR
Dept of History


RANJIT CH. BURAGOHAIN
Dept of Botany


PRABIN BORAH
Dept of Botany


PALTU PAUL
Dept of Zoology


PRIYANKI SHARMA
Dept of Zoology


RANA KONWAR
HOD Zoology


JYOTI PRASAD PHUKAN
Dept of Zoology


SUNIL DUTTA
Dept of English

# TEACHING STAFF


DR. ANITA KONWAR
Dept of English


ANJUARA BEGUM
Dept of English


CHAKRAPANI PATIR
Dept of Pol. Science


LUCKY CHETIA
Dept of Pol. Science


BINUD RAJ KHONIKAR
Dept of Pol. Science


REENA BORTHAKUR
Dept of Physics


NOBIN GOGOI
Dept of Physics


RAJIB KAKOTY
Dept of Education


PRANITA KALITA
Dept of Education


DR. RANA KONWAR
Dept of Chemistry


SUCHITRA NR. BAJKHOWA
Dept of Chemistry


MINTOO GOGOI
Dept of Economics


PARANAN KONWAR
Dept of Economics


BHUPEN CH. DIHINGIA
Dept of Mathematics


TANKESWAR BORUAH
Dept of Mathematics


MONORANJAN KONWAR
Dept of Mathematics


RAGHUNATH KAGYUNG
Dept of Assamese


BIJOY LAKSHMI GOGOI
Dept of Assamese



[illegible]
Dept of [illegible]


[illegible]


Library Staff



Non Teaching Staff



PRINCIPAL WITH STUDENT'S UNION

## COLLEGE ACHIVEMENT



DISHA SAIKIA
Strong woman



POOJA GOGOI
Best Director



GITIMONI BORUAH
Best comedian




NABAJYOTI KHANDADHARA
Best Actor



KALYANI BORUAH
Best Actress




values
education
primary practice
knowledge
EDUCATION
classes students school
university teacher
institute values
education